GRAMYA VIKASH MANCHA
SERVE PEOPLE TO SERVE GOD
ESTD. 1999

# সীৰলু

*The sign of ploughing...*



'গ্ৰাম্য বিকাশ মঞ্চ' ৰ বছৰেকীয়া মুখপত্ৰ, ২০১৯



Rock A Bye Baby, On The Tree Top,
When The Wind Blows, The Cradle Will Rock,
When The Bow Breaks, The Cradle Will Fall,
And Down Will Come Baby, Cradle and All.

Rock A Bye Baby, On The Tree Top,
When The Wind Blows, The Cradle Will Rock,
When The Bow Breaks, The Cradle Will Fall,
And Down Will Come Baby, Cradle and All




## কোনো কাৰণতেই বিঘ্নিত নহওক কাৰো নিষ্পাপ শৈশৱ

গ্ৰাম্য বিকাশ মঞ্চৰ এক বিনম্ৰ প্ৰচেষ্টাক প্ৰতিনিধিত্ব কৰিছে এই জুলনাখনে...

কেন্দ্ৰীয় চৰকাৰৰ মহিলা আৰু শিশু উন্নয়ন মন্ত্ৰালয়ৰ অধীনত স্পেচিয়েলাইজ এডোপচন এজেন্সীৰ অধীনত ৰূপায়িত এই প্ৰকল্পৰ দ্বাৰা শিশুৰ নিৰাপত্তা সুনিশ্চিত কৰা হৈছে।

# সীৰলু

The sign of ploughing

## 'গ্ৰাম্য বিকাশ মঞ্চ'ৰ বছৰেকীয়া মুখপত্ৰ

পঞ্চম বছৰ ● পঞ্চম সংখ্যা ● জুন, ২০১৯

স্থান ঃ কাৰ্যালয়, গ্ৰাম্য বিকাশ মঞ্চ, বৰবৰী, জিলা ঃ নলবাৰী, অসম

শুভেচ্ছাৰে—

শ্ৰীযুত/যুতা ______________________

______________________

সম্পাদক
সীৰলু, ২০১৯

# সীৰলু

'গ্ৰাম্য বিকাশ মঞ্চ'ৰ বছৰেকীয়া মুখপত্ৰ
পঞ্চম বছৰ ● পঞ্চম সংখ্যা ● জুন, ২০১৯

# Siralu

**A annual journal of Gramya Vikash Mancha**
**published by Gramya Vikash Mancha**
**office campus, Barbari, Dist. Nalbari, Assam**


## সীৰলু সম্পাদনা সমিতি

*উপদেষ্টা ঃ*
ক্ষীতিশ কুমাৰ কাকতি

*সভাপতি ঃ*
ৰাজুমণি শৰ্মা

*সম্পাদক ঃ*
নয়নজ্যোতি ভূঞা

*সহযোগী সম্পাদকদ্বয় ঃ*
কিশোৰ কুমাৰ কলিতা
কামিনী মোহন বৰপাত্ৰ গোহাঞি

*সদস্য/সদস্যা ঃ*
চফিউল আহমেদ, ববিতা দাস, মিন্টু তামুলি, হীৰকজ্যোতি বৰ্মন আৰু লভিতা কলিতা

*প্ৰকাশক ঃ*
গ্ৰাম্য বিকাশ মঞ্চ


বেটুপাত ঃ কালাৰপ্লাছ
বৰ্ণসংস্থাপন ঃ টিংকুল পাঠক
অংগসজ্জা ঃ তৰণী কলিতা
মুদ্ৰণ ঃ কালাৰপ্লাছ
ৰাজগড় ৰোড, গুৱাহাটী-৩
ফোন ঃ ৯৮৬৪০৩৩৫২৯



## কৃতজ্ঞতা

এই মুখপত্ৰ প্ৰকাশ ক্ষেত্ৰত সহযোগিতা আগবঢ়োৱা গ্ৰাম্য বিকাশ মঞ্চৰ প্ৰতিগৰাকী স্বেচ্ছাসেৱক/স্বেচ্ছাসেৱিকা আৰু প্ৰকাশৰ বাবে লিখনি আগবঢ়োৱা প্ৰতিগৰাকী শুভাকাংক্ষী, স্থিৰচিত্ৰ গ্ৰহণকাৰী, নিবন্ধকাৰ, কবি, গল্পকাৰলৈ।

—সম্পাদনা সমিতি, 'সীৰলু'

*Bharat Bhushan Deo Choudhury*, ACS
Deputy Commissioner, Nalbari

Mobile : 94350 61886, 83998 81208
Phone : 03624-220496 (O), 03624-220218 (R)
Fax : 03624-220469 (O), 03624-220371 (R)
E-mail : dc-nalbari@nic.in, bdevc@yahoo.co.in



# শুভেচ্ছাবাণী

নলবাৰী জিলাৰ অগ্ৰণী স্বেচ্ছাসেৱী সংস্থা 'গ্ৰাম্য বিকাশ মঞ্চ'ই এই বেলি ২০ (বিশ)টা বৰ্ষ সফলতাৰে অতিক্ৰম কৰিবলৈ ওলোৱা বুলি জানি নথৈ আনন্দিত হৈছো।

১৯৯৯ চনত নলবাৰী জিলাৰ বৰবাৰী অঞ্চলত কেইজনমান উদ্যমী যুৱকৰ নিৰৱিচ্ছিন্ন প্ৰচেষ্টাত জন্মলাভ কৰা গ্ৰাম্য বিকাশ মঞ্চই প্ৰতিখন গাঁৱত শান্তিপূৰ্ণ সমৃদ্ধিশালী, সমতাপূৰ্ণ আৰু শোষণমুক্ত সমাজ গঠনৰ লক্ষ্যৰে অবিৰত যাত্ৰা অব্যাহত ৰাখিছে।

ইয়াৰ সৈতে সংগতি ৰাখি 'সীৰলু' নামেৰে সংস্থাৰ মুখপত্ৰখন প্ৰকাশ কৰিবলৈ ওলোৱাটো অতিশয় শুভ লক্ষণ। আশা কৰো মুখমত্ৰখনত পাবলগীয়া লিখনিয়ে লেখক-লেখিকাসকলৰ সৃজনীশীল প্ৰতিভাৰ বিকাশত সহায়ক হোৱাৰ উপৰিও ই গ্ৰাম্য বিকাশ মঞ্চৰ সামগ্ৰিক কাম-কাজ প্ৰতিফলিত কৰি এক অগ্ৰণী দলিল হিচাপে পৰিগণিত হ'ব।

সদৌ শেষত, সংস্থাৰ এই যাত্ৰাৰ অংশীদাৰ হোৱা সকলো স্বেচ্ছাসেৱক-স্বেচ্ছাসেৱিকালৈ আন্তৰিক শুভেচ্ছা জ্ঞাপন কৰাৰ লগতে সংস্থাৰ সফলতা আন্তৰিকতাৰে কামনা কৰিলোঁ।

দিনাংকঃ২২-০৫-২০১৯

(ভাৰত ভূষণ দেৱ চৌধুৰী,অঃঅঃসেঃ)
উপায়ুক্ত, নলবাৰী



## মুখ্য উপদেষ্টাৰ কলম

# নতুন দশকত নতুন আশাৰে...

সময়ৰ গতিত গ্ৰাম্য বিকাশ মঞ্চই প্ৰায় দুটা দশক অতিক্ৰম কৰিলে। দুটা দশকৰ জ্ঞান, অভিজ্ঞতা এটি স্বেচ্ছাসেৱী সংস্থাৰ বাবে বহুমূলীয়া সমল। বিভিন্ন ঘাত-প্ৰতিঘাত প্ৰত্যাহ্বান নেওচি আগুৱাই থকা অনুষ্ঠানটোৱে দুটা দশকৰ জ্ঞান- অভিজ্ঞতাক ভিত্তি হিচাপে লৈ আগন্তুক সময়তো আৰু অধিক শক্তিশালী পদক্ষেপেৰে আগবাঢ়ি যাব বুলি আশা কৰিব পাৰি।

স্বেচ্ছাসেৱী সংস্থাৰ যথেষ্ট সীমাবদ্ধতা থাকে। তেনে সীমাবদ্ধতাৰ মাজতো একোটা অনুষ্ঠানে বিভিন্ন বিষয়ত 'আদৰ্শৰ সৃষ্টি' কৰি সমাজক পথ দেখুৱাব পাৰে। শুদ্ধ, সত্য, বিজ্ঞানসন্মত পথৰ সন্ধান দিব পাৰে। সমাজে তেনে আদৰ্শনীয় পথ গ্ৰহণ কৰিলে সামাজিক জীৱন আৰু প্ৰক্ৰিয়া সুশৃংখল হয়, শান্তি, সমতা প্ৰতিষ্ঠা হ'ব পাৰে। চৰকাৰে তেনে 'আদৰ্শ' ৰাজ্যখনৰ সকলো প্ৰান্তলৈ কঢ়িয়াই নিব পাৰে, ধনাত্মক পৰিবৰ্তনৰ লক্ষ্যৰে।

দুটা দশকৰ জ্ঞান আৰু অভিজ্ঞতাৰ ভিত্তিত গ্ৰাম্য বিকাশ মঞ্চই বিভিন্ন ক্ষেত্ৰত 'আদৰ্শ পথ' অংকন কৰি সমাজত নিদৰ্শন দাঙি ধৰাৰ সময় হৈছে। কেৱল প্ৰকল্প ৰূপায়নকাৰী সংস্থা হিচাপে নহৈ, নিজৰ জ্ঞান অভিজ্ঞতাৰে, নিজৰ সমলেৰে তেনে নিদৰ্শন সৃষ্টিত অনুষ্ঠানৰ কৰ্তৃপক্ষ, স্বেচ্ছাসেৱক-স্বেচ্ছাসেৱিকা সকল সক্ৰিয়তাৰে জড়িত হোৱা উচিত। জীৱন, জীৱিকা, শিক্ষা, স্বাস্থ্য ইত্যাদি সকলো ক্ষেত্ৰতে বহু কৰিবলগীয়া আছে। যিহেতু আমি আমাৰ সমাজত মহান উদ্দেশ্যৰে জড়িত হৈ থাকো, আমাৰ উপলব্ধি, অনুভৱ, নিশ্চয় যথেষ্ট শুদ্ধ আৰু সত্যৰ ভিত্তিত আধাৰিত। তেনে উপলব্ধি, অনুভৱক আগত সমল হিচাপে লৈ সমাজক সুখী কৰাৰ প্ৰয়োজনীয়তা পুৰণৰ বাবে আদৰ্শ সৃষ্টিত গুৰুত্ব প্ৰদান কৰা অতি প্ৰয়োজন হোৱা বুলি আমাৰ অনুভৱ হৈছে।

সমাজৰ ভাল দিশ সমূহ সংৰক্ষণ কৰাৰ বাবে, ঋণাত্মক দিশ সমূহ ধনাত্মক দিশলৈ পৰিবৰ্তন কৰাৰ বাবে, সমতা, শান্তি, সমৃদ্ধিৰ লক্ষ্যৰে জ্ঞান, অভিজ্ঞতাৰ প্ৰয়োগ কৰাৰ বাবে বিজ্ঞানসন্মত পদ্ধতিৰে আমি আগুৱাব লাগিব। ইয়াৰোপৰি গ্ৰাম্য বিকাশ মঞ্চৰ সকলো চিন্তা, কাম, কাজৰ স্থায়িত্বকৰণৰ ক্ষেত্ৰত, নিজস্ব সম্পদ সৃষ্টিৰ ক্ষেত্ৰত, আপদক সম্পদলৈ ৰূপান্তৰ কৰাৰ ক্ষেত্ৰত, উদ্ভাৱনীমূলক চিন্তা, কাম-কাজৰ প্ৰেৰণাদায়ক মঞ্চ হিচাপে গঢ়াৰ ক্ষেত্ৰত আগন্তুক দিনত গ্ৰাম্য বিকাশ মঞ্চৰ কাৰ্য্যনিৰ্বাহক সমিতি তথা সকলো স্বেচ্ছাসেৱক-স্বেচ্ছাসেৱিকাই সক্ৰিয়তাৰে ভূমিকা পালন কৰিব লাগিব। আগন্তুক দিনত সকলোৰে পৰা তেনে সেৱাৰ কামনা কৰিলো। "প্ৰতিখন গাৱঁতে শান্তিপূৰ্ণ, সমৃদ্ধিশালী সমতাপূৰ্ণ আৰু শোষণমুক্ত সমাজ" গঢ়াৰ যাত্ৰাত গ্ৰাম্য বিকাশ মঞ্চই দুটা দশকৰ জ্ঞান, অভিজ্ঞতাৰে অহা দশকটোত সমগ্ৰ ভাৰততে উজ্বলি উঠক, আকৌ প্ৰাৰ্থনা কৰিছো আমাৰ মাজত একতা, ধনাত্মক দৃষ্টি, সৎ সাহস, প্ৰমূল্যবোধ, কৰ্মস্পৃহাৰ গুণ জাগ্ৰত কৰিলে নিশ্চয় সেয়া সম্ভৱ হ'ব। তেনে এক 'নতুন দশক'ৰ যাত্ৰাৰ কামনাৰে, সকলোকে শুভেচ্ছা, অভিনন্দন জনাই সামৰিলো।

**ডাঃ সুৰেন্দ্ৰ মজুমদাৰ**
*মুখ্য উপদেষ্টা, গ্ৰাম্য বিকাশ মঞ্চ*




## সম্পাদকীয়

# সন্তুলিত চিন্তাৰ সংকট

এক

**শি**ল্প বিপ্লৱৰ তাৰুণ্যই যি সময়ত ইউৰোপ, মাৰ্কিন যুক্তৰাষ্টকে মুখ্য কৰি কিছু সংখ্যক আগবঢ়া ৰাষ্ট্ৰক শিক্ষা বিজ্ঞান ব্যৱসায় প্ৰযুক্তি আদিৰে বাধাহীনভাৱে আগবঢ়াই লৈ গৈছিল তেতিয়া আমাৰ দেশ ব্যস্ত আছিল তাৰ ৰাজনৈতিক পৰিচয় নিৰ্মাণৰ সংগ্ৰামত। ঐতিহ্যই যদিও এই দেশৰ আধাৰ আছিল, তথাপিও জন সমাজ আৰু ভৌগলিক অৱস্থানৰ বিচিত্ৰতাই যেন এক সামূহিক চেতনা নিৰ্মাণৰ দিশলৈ এই দেশক আগবাঢ়ি যোৱাত বাধা প্ৰদান কৰিছিল। সম্ভৱতঃ এনে বাধাৰ প্ৰাচীৰেই ঔপনিৱেশিক শক্তিৰ বাবে কঢ়িয়াই আনিছিল বহু সম্ভাৱনা, সম্প্ৰসাৰণবাদৰ বাবে সুচল সময়। ওঠৰশ শতিকাৰ শেষৰফালে প্ৰাচ্যতত্ত্ববিদ মেক্স মুলাৰে আৰ্যসকলক এক ভাষিক পৰিচয় (Linguistic Group) ৰে পৰিচিত কৰাৰ বাবে প্ৰস্তাৱ আগবঢ়াইছিল। কিন্তু, এই নৃতাত্বিক, বিজ্ঞানসন্মত প্ৰস্তাৱক ঔপনিৱেশিক প্ৰশাসক সকলে ৰূপান্তৰিত কৰিছিল জাতিগত পৰিচয়লৈ। মন্তব্য নিস্প্ৰয়োজন, এই কাম কৰা হৈছিল জাতিভেদৰ সৃষ্টিৰে ঔপনিৱেশিক শাসন শোষণ ভাৰত উপমহাদেশত অব্যাহত ৰখাৰ বাবে। বহু পঠিত গ্ৰন্থ 'ব্ৰেকিং ইণ্ডিয়া' গ্ৰন্থত ৰাজীৱ মালহোট্ৰা আৰু অৰবিন্দন্ নীলাকন্দনে এই কথা স্পষ্ট কৰি লিখিছে যে ঔপনিৱেশিক প্ৰশাসকৰ 'জাতি বিজ্ঞান' নে ভাৰতৰ পৰম্পৰাগত জনজীৱন ফাট মেলালে। ভাৰতীয় হিন্দু সমাজৰ সামূহিক পৰিচয় কিম্বা ছবিৰ পৰা অনাৰ্য সকলক আঁতৰাই নি তেওঁলোকক পৰিকল্পিতভাৱে উপান্ত সমাজৰ অংশীদাৰ কৰি তুলিছিল। একেদৰে, খ্ৰীষ্টান ধৰ্মৰ প্ৰচাৰক সকলে দক্ষিণ ভাৰতত দ্ৰাবিড় জাতি পৰিচয়ৰ সৃষ্টিত আগভাগ ল'লে। এই অভিযানে তামিল সত্তাৰ সাংস্কৃতিক পৰম্পৰাৰ পৰা এক বৃহৎ জনসমষ্টিক ওচৰ চপাই নিলে খ্ৰীষ্টান আধ্যাত্মিক চেতনালৈ। এই ধাৰাই দক্ষিণ ভাৰতীয়সকলক উত্তৰ ভাৰতীয় আৰ্য সভ্যতা সংস্কৃতিৰ পৰা আঁতৰাই নিলে। আচলতে, ঔপনিৱেশিক শাসকৰ পৃষ্ঠপোষকতাত ভাৰতৰ মাটিত প্ৰাণ পাই উঠা বিভেদমুখী 'জাতি বিজ্ঞান' দেশখনৰ ঐতিহ্যপূৰ্ণ সভ্যতা-সংস্কৃতিত এক মোক্ষম আঘাত। এই আঘাতৰ ক্ষত চিহ্নই আজিও অস্থিৰ কৰি ৰাখিছে ভাৰতীয় সমাজক। আমি সকলোবোৰ সেই সময়ৰ সৃষ্টি। জাতি-ধৰ্ম, ঐতিহ্য সংস্কৃতি আৰু ৰাজনীতিক লৈ তৰপে তৰপে গঢ়ি উঠা অন্তহীন বাগ্‌ধাৰাৰ কোনো নহয় কোনোটোৰ আমি পূজাৰী!

দুই

দ্বিতীয় মহাযুদ্ধৰ পিছত স্বাধীনতা লাভ কৰা ৰাষ্ট্ৰসমূহে প্ৰশাসনৰ সোৱাদ লৈয়েই অৰ্থনৈতিক উন্নয়নৰ পৰিকল্পনা এনেদৰে কৰিবলৈ ধৰিলে যে যেন অতি সোনকালেই তেওঁলোকে প্ৰথম বিশ্বৰ আগবঢ়া দেশৰ খোজত খোজ থ'ব। সেই উদ্দেশ্যে বিশেষ বিশেষ অৰ্থনৈতিক আঁচনি যুগুতোৱা হ'ল। এইক্ষেত্ৰত এচিয়া মহাদেশৰে কেইবাখনো ৰাষ্ট্ৰই

চমকপ্রদ উত্থানেৰে বিশ্ব অৰ্থনীতিৰ দৃষ্টি আকৰ্ষণ কৰিলে। এই ক্ষেত্ৰত কোৰিয়া, টাইৱান, ছিংগাপুৰৰ নাম ল'বই লাগিব। দ্বিতীয় মহাযুদ্ধৰ সময়ত এই ৰাষ্ট্ৰকেইখনৰ জনমূৰি উপাৰ্জন এতিয়াও অনগ্ৰসৰ অৰ্থনীতিৰ ৰাষ্ট্ৰ হিচাপে পৰিচিত ৰাষ্ট্ৰসমূহৰ প্ৰায় সমানেই আছিল। 'নিউলি ইণ্ডাষ্ট্ৰিয়েলিষ্ট ইকনমিছ' (এন আই ই) সংহতিত সোমাই পৰা পূব এছিয়াৰ চীন, মালয়েচিয়া, থাইলেণ্ড আৰু ভিয়েটনামৰ দৰে ৰাষ্ট্ৰই এতিয়া উন্নত অৰ্থনীতিৰ ৰাষ্ট্ৰ সমূহতকৈও অধিক ক্ষিপ্ৰতাৰে আগবাঢ়ি গৈছে। স্বাভাৱিকতেই এই কথাই প্ৰভাৱান্বিত কৰিছে মুলধনী বজাৰক। আচলতে আজিৰে পৰা দুটা দশকৰ আগলৈ পশ্চিমৰ বজাৰ অৰ্থনীতি আৰু পূবৰ সমাজতান্ত্ৰিক অৰ্থনীতিৰ মাজৰ আদৰ্শগত সংঘাতকেই আমি বিশ্ব অৰ্থনীতিত বিদ্যমান মূল সংঘাত বুলি ভাবিছিলো। কিন্তু ইতিমধ্যে সেই ধাৰণাৰো পৰিৱৰ্তন ঘটিছে। ধনী আৰু দুখীয়াৰ ব্যৱধান বৃদ্ধিৰ বৰ্তমানতো পুঁজিৰ উত্থানৰ দৃষ্টিকটু প্ৰতিযোগিতা আৰু মুকলি পৃষ্ঠপোষকতাই সাধাৰণ মানুহক দিকভ্ৰান্ত কৰিছে। খুঁটিৰ কৰ্পনি উঠিছে ভাৰতীয় মধ্যবিত্তৰো। উন্নয়নবাদী (development economics) অৰ্থনীতিৰ মূল লক্ষ্য আছিল সম্পদৰ সুব্যৱহাৰ আৰু সংহত ব্যৱহাৰে মানুহ আৰু পৰিবেশৰ মূল সমস্যাৰ সমাধানৰ বাট কাটি দাৰিদ্ৰতাৰ সৈতে মোকাবিলা কৰা। কিন্তু, এতিয়া আমাৰ দৰে দেশত দৰিদ্ৰ, অনগ্ৰসৰ জন হৈ পৰিছে চৰকাৰী ৰাজসাহাৰ্য কিম্বা সময়ে সময়ে আগবঢ়োৱা 'পেকেজ'ৰ বাবে বৈ থাকিবলগীয়া হোৱা দিকভ্ৰান্ত, উৎপাদনহীন হিতাধিকাৰী। শেহতীয়া লোকসভাৰ নিৰ্বাচনটোত দেশৰ প্ৰধান বিৰোধী দল, তথা দেশক অধিক সময় সাশন কৰা ৰাজনৈতিক দলটোৰ সভাপতি গৰাকীয়ে তেওঁৰ নেতৃত্বত চৰকাৰ হ'লে দেশৰ ২৫ কোটি দৰিদ্ৰক বছৰি ৭২ হাজাৰকৈ টকা দিয়াৰ প্ৰতিশ্ৰুতি দিছিল। ৰাজনীতিক জনক নিশ্চয় এনে 'পেকেজ প্ৰতিশ্ৰুতি' আগবঢ়োৱাৰ পৰামৰ্শ দিছিল যোছেফ ষ্টিগ্‌লিটজ কিম্বা মণ্টেক সিংহঁতৰ দৰে নামজ্বলা অৰ্থনীতিবিদেই। কাৰণ ৰাজনীতিক সহজলভ্য পন্যত পৰিণত কৰাত এনে নামজ্বলা 'অৰ্থনীতিবিদ'ৰ ভূমিকাই অধিক।

## তিনি

কোৱা হয়— দ্বিতীয় মহাযুদ্ধই বিশ্ব অৰ্থনীতি আৰু ভিন্ন পৰ্যায়ৰ ৰাজনৈতিক ভাৱনাক নতুন মাত্ৰা দিছিল। আমেৰিকাৰ উত্থান, ইউৰোপৰ স্থবিৰতা, তৃতীয় বিশ্বই স্থাপন কৰা সংহতি, প্ৰযুক্তিৰ প্ৰসাৰ, আন্তৰ্গাথনিৰ সপোন ইত্যাদিবোৰ দ্বিতীয় বিশ্বযুদ্ধৰ পিছৰ ফচল। সেয়ে দ্বিতীয় বিশ্বযুদ্ধ বহু আলোচনাৰ ভিত্তি সময়। কিন্তু তাৰ বিপৰীতে ২০০১ চনৰ ছেপ্তেম্বৰ মাহত সৃষ্টি হ'লে অন্য এক প্ৰেক্ষাপটৰ। সেয়া আছিল আমেৰিকাৰ অহংকাৰ তচনছ হোৱাৰ দিন। সেই দৃষ্টিকোণৰ পৰা এতিয়া আকৌ বহু অৰ্থনীতি আৰু ৰাজনীতিৰ ধাৰাভাষ্যকাৰে বিশ্ব পৰিস্থিতিৰ বিশ্লেষণ কৰিবলৈ গৈ ভিত্তি সময় হিচাপে লয় আমেৰিকাৰ ট্ৰেড চেণ্টাৰ ধ্বংসৰ দিনটোক। অৰ্থাৎ দুয়োটা কথাৰে মৌলিক বিপৰীত্য আছে। ৯/১১ কাণ্ডৰ পাছতে আমেৰিকা সন্ত্ৰাসবাদৰ বিৰুদ্ধে অধিক তৎপৰ হৈ পৰে আৰু সমগ্ৰ বিশ্বতে সন্ত্ৰাসবাদ বিৰোধী জনমত সৃষ্টিৰ বাবে অভিযান চলালে। আচলতে উল্লিখিত ঘটনাৰ পিছতহে যেন আমেৰিকাই গম পালে যে তেওঁলোকো সুখী-দুখী সকলো মিলি গঢ়ি উঠা বিশ্ব সম্প্ৰদায়ৰ অংশীদাৰ আৰু তাৰ পিছৰ পৰা আৰম্ভ হ'ল ঘটনাক্ৰমৰ ভিত্তি সময় ৯/১১ কৰাৰ তাগিদা। অৰ্থাৎ ইয়াৰ পিছত বিশ্ব সমাজে বা ৰাষ্ট্ৰসমূহে সন্ত্ৰাস বিৰোধী স্থিতি কেনেকৈ লৈছে আৰু তাত আমেৰিকাৰ ভূমিকা কি তাকে লৈ মাৰ্কিন প্ৰশাসন তৎপৰ। স্বাভাৱিকতে সন্ত্ৰাসবাদৰ বিৰুদ্ধে কঠোৰ স্থিতি লোৱাৰ ওপৰতে নিৰ্ভৰ কৰিছে বিশ্ব সমাজৰ সুৰক্ষা। কিন্তু, একে সময়তে আমেৰিকাই অনুন্নত অৰ্থনীতিৰ দেশ সমূহক আগবঢ়াই নিয়াৰ বাবে সংহত পৰিকল্পনা কৰাৰ বিপৰীতে বজাৰ সম্প্ৰসাৰণৰ বাবেহে যে আগভাগ লৈছে সেয়া প্ৰতিমুহূৰ্তত স্পষ্ট। এই লেখা যুগুত কৰি থকাৰ সময়তে আজি পুৱা বিশ্ব বেংক কতৃপক্ষই ঘোষণা কৰিলে যে ভাৰত আচলতে এখন অনুন্নত অৰ্থনীতিৰ দেশহে। ইমান দিনে ভাৰতবৰ্ষক আমি উন্নয়নশীল বা উন্নত ৰাষ্ট্ৰ সমূহৰ লগত খোজ মিলাবলৈ আগবঢ়া এখন ৰাষ্ট্ৰ হিচাপে প্ৰতিষ্ঠা কৰি আহিছিলো যদিও সেই কথা অস্বীকাৰ কৰিছে কাৰ্যতঃ বিশ্ব অৰ্থনীতিৰ অভিভাৱকত্ব দাবী কৰি অহা বিশ্ববেংকে। সংস্থাটোৰ এনে মন্তব্যই স্বাভাৱিকতে হয়তো আঘাত দিব তথাকথিত উন্নয়নবাদী অৰ্থনীতিৰ প্ৰবক্তসকলক। আনহাতে অলপ উভতি ভাবি চোৱাৰ সুযোগ দিব সঁচা অৰ্থতে জনসমাজৰ সামগ্ৰিক বিকাশ বিচৰাসকলক।

## চাৰি

সমাজতান্ত্ৰিক চিন্তা আন্দোলনৰ অন্যতম তাত্ত্বিক আণ্ট'নিঅ' গ্ৰামচিয়ে আগবঢ়োৱা ৰাষ্ট্ৰৰ ধাৰণাৰ নৱ মূল্যায়নে মাৰ্ক্সবাদী দৰ্শনকে এক নতুন মাত্ৰা প্ৰদান কৰিছে। গ্ৰামচিৰ মতে, ৰাষ্ট্ৰ হ'ল আধিপত্য আৰু স্বেচ্ছামূলক সন্মতিৰ এক জটিল সমাহাৰ। ৰাষ্ট্ৰৰ এই দুবিধ কাৰ্যৰ ভিত্তিতে তেওঁ ৰাষ্ট্ৰ ব্যৱস্থাক ৰাজনৈতিক সমাজ (political society) আৰু নাগৰিক সমাজ (civil society)— এই দুই ভাগত ভাগ কৰিছে। অৰ্থাৎ ৰাষ্ট্ৰ হৈছে এই দুইবিধ সমাজৰ সমন্বিত ৰূপ। গ্ৰামচিয়ে এই টোকা লিখি থৈ গৈছে তেওঁৰ 'কাৰাগাৰৰ টোকাবহী'ত। আমি ভাবো, ৰাষ্ট্ৰৰ অংগ হৈ থকা এই দুই সমাজে সমাজ জীৱনৰ ঘটনাক্ৰমৰ বিভিন্ন স্তৰত ছদ্মবেশী ৰূপ লৈ একপক্ষীয় চিন্তাৰ প্ৰসাৰেৰে এক পৰিকল্পিত চেতনাৰ জন্ম দিয়ে। আৰু এই পৰিৱেশ হৈ পৰে সকলো ধৰণৰ নিৰপেক্ষ কিম্বা সন্তুলিত চিন্তা-চেতনাৰ প্ৰতি প্ৰাথমিক প্ৰত্যাহ্বান। এই লেখাৰ প্ৰতিটো স্তম্ভৰ প্ৰেক্ষাপটে আমাক আঙুলিয়াই দিয়ে সমাজত সন্তুলিত চিন্তাৰ সংকটক। কেৱল বহল প্ৰেক্ষাপটতে নহয়, আমাৰ অসমৰ দৰে ৰাজ্যৰ সমাজ তথা ৰাজনৈতিক জীৱনৰ ঘটনাপ্ৰবাহক কেন্দ্ৰ কৰি যি চিন্তা-চেতনা প্ৰতিফলিত হৈ আছে তাত অৱধাৰিতভাৱে স্পষ্ট হৈ আছে সন্তুলিত চিন্তাৰ সংকট। এয়াই আমাৰ সময়ৰ অন্যতম প্ৰত্যাহ্বান।

**নয়নজ্যোতি ভূঞা**
৩০ মে', ২০১৯

## সভাপতিৰ কলম



# পৰিবৰ্তনৰ ধূমুহাত সমাজৰ চিন্তা

যিকোনো সমাজৰ এচোৰা নিৰ্দিষ্ট সময়ৰ সামাজিক প্ৰক্ৰিয়া আৰু অৱস্থা বিশ্লেষণ কৰিলে সমাজভেদে কিছুমান বিশেষ বৈশিষ্ট্য পৰিলক্ষিত হয়। এখন সমাজৰ এক নিৰ্দিষ্ট সময়ৰ তেনে উল্লেখনীয় বৈশিষ্ট্য সমূহক সময় আৰু সমাজৰ পৰিচয় হিচাপে আগবঢ়োৱা ব্যাখ্যাসূচক মন্তব্যক চিহ্নিত সময়ত সমাজখনৰ "সামাজিক জীৱনৰ ৰূপ" (Form of social life) হিচাপে জনা যায়। সময়ৰ লগে লগে সামাজিক জীৱনৰ কিছুমান ক্ষেত্ৰত পৰিবৰ্তন হয়, কিছুমান ক্ষেত্ৰত অপৰিবৰ্তনীয় ৰূপ দেখা যায়। অৰ্থাৎ 'সামাজিক জীৱনৰ ৰূপ'ৰ কিছু বিষয় তুলনামূলকভাৱে স্থিতিশীল আৰু কিছুমান বিষয় গতিশীল। সমাজ বিজ্ঞানৰ মহান মণিষী তথা বিশ্ববিশ্ৰুত ফৰাছী দাৰ্শনিক আগষ্টকম্‌তে (Auguste Comte, 1798-1857) বিজ্ঞানৰ অন্য ক্ষেত্ৰৰ দৰে সমাজ বিজ্ঞানতো 'সামাজিক জীৱনৰ ৰূপ'ৰ স্থিতিশীল আৰু গতিশীল অৱস্থা বিষয়ক দুটা পৃথক প্ৰত্যাহ্বানৰ ব্যাখ্যা আগবঢ়াইছিল। স্থিতিবিজ্ঞান (Statics) আৰু গতিবিজ্ঞান (Dynamics) ৰ সূত্ৰ, নীতিৰ দৰে সমাজএখনৰো স্থিতিশীল আৰু গতিশীল অৱস্থাৰ বিশ্লেণাত্মক নীতি, ব্যাখ্যা আগবঢ়াইছিল আগষ্টকম্‌তে।

যিকোনো সমাজৰে স্থিতিশীল আৰু গতিশীল, দুয়োটা অৱস্থাৰে কিছুমান প্ৰভাৱী কাৰক থাকে। তেনে প্ৰভাৱী কাৰক সমূহৰ কিছুমান ধনাত্মক (প্ৰযুক্তি, শিক্ষা, আৰ্থিক, সামাজিক, ৰাজনৈতিক নেতৃত্বৰ ধনাত্মক প্ৰভাৱ, আন্তঃগাঠনিৰ উন্নয়ন ইত্যাদি) আৰু কিছুমান ঋণাত্মক (মহামাৰী, দুৰ্যোগ, অশান্তি, হিংসাত্মক পৰিৱেশ ইত্যাদি) এনে একোটা প্ৰভাৱী কাৰকে কেতিয়াবা 'তৰংগ প্ৰভাৱ' (Pipple effect) ৰ লেখিয়াকৈ সমাজক প্ৰভাৱান্বিত কৰি বিভিন্ন ক্ষেত্ৰত ঋণাত্মক (ত্বৰণ) বা ঋণাত্মক (মন্থৰণ) গতিৰ সৃষ্টি কৰে। হ্ৰস্বম্যাদী বা দীৰ্ঘম্যাদী সময়ৰ বাবে তেনে গতিশক্তিৰে প্ৰভাম্বিত হয় সমাজ, ব্যক্তিৰ জীৱন, জীৱিকা, চিন্তা, ৰীতি-নীতি, সংস্কৃতি...। ক্ৰমাগতভাৱে এখন সমাজৰ পৰা আন এখন সমাজলৈ বিয়পি পৰে তেনে প্ৰভাৱ। তেনে কিছুমান প্ৰভাৱ দৃশ্যমান আৰু কিছুমান অদৃশ্যমান। এনে পৰিবৰ্তনৰ ঢৌ সমাজত চিৰপ্ৰবাহমানভাৱে, সময়ানুযায়ী বিভিন্ন মাত্ৰাত গতিশীল হৈ থাকে।

সমাজৰ এনে গতি বা পৰিবৰ্তন বিক্ষিপ্তভাৱে কিছু শক্তিয়ে সমতাস্থাপন বা সন্তুলিত (Balance) কৰাৰ প্ৰচেষ্টা কৰে। 'সন্তুলন'ৰ এনে প্ৰচেষ্টাৰ ফলত সামাজিক জীৱনৰ কিছু বিষয় স্থিতাৱস্থাত থাকে আৰু কিছু বিষয় বিভিন্ন মাত্ৰাত সময়ৰ লগে লগে পৰিবৰ্তন হয়। এনে পৰিবৰ্তন পৰিলক্ষিত হয় ব্যক্তিৰ আচৰণ, চিন্তা মনোভাৱ, সামাজিক বিষয়ত প্ৰতিক্ৰিয়া, আকাংখ্যা, ৰীতি-নীতি ইত্যাদিত। এনে পৰিবৰ্তনৰ ক্ষমতাসম্পন্ন 'শক্তিকেন্দ্ৰ' হিচাপে চিহ্নিত ব্যক্তিসকল সাধাৰণতে সমাজৰ বিভিন্ন স্তৰত সিচৰিত হৈ থাকে আৰু সামাজিক সন্তুলনৰ ক্ষেত্ৰত উমৈহতীয়া প্ৰতিক্ৰিয়া প্ৰদৰ্শন কৰে।

যিকোনো সমাজৰ এনে পৰিবৰ্তনত গ্ৰহণ কৰা উমৈহতীয়া কাৰ্য্য আৰু প্ৰতিক্ৰিয়া গতিশীল 'সমাজৰ কৰ্তৃপক্ষ'ই (Authrity of society) গ্ৰহণ কৰা কাৰ্য্য বা ভূমিকা হিচাপে চিহ্নিত হয়। এনে প্ৰতিক্ৰিয়াত সাধাৰণতে 'সমাজৰ কৰ্তৃপক্ষ'ই সমাজৰ সদস্য / সদস্যাৰ কিছু আচৰণ, মনোভাৱ, চিন্তা, কাৰ্য্য বৈধ হিচাপে অনুমোদন জনায় আৰু কিছু অবৈধ হিচাপে অনুমোদন জনায়। সমাজ বিজ্ঞানত 'সমাজৰ কৰ্তৃপক্ষ'ই বৈধ হিচাপে জনোৱা অনুমোদনক 'ধনাত্মক অনুমোদন' আৰু অবৈধ হিচাপে জনোৱা অনুমোদনক 'ঋণাত্মক অনুমোদন' বুলি কোৱা হয়।

এনে অনুমোদন প্ৰক্ৰিয়াক আকৌ দুই ধৰণে বিভক্ত কৰা হয়, স্বতঃস্ফূৰ্ত অনুমোদন (ধনাত্মক বা ঋণাত্মক) হ'ল এখন সমাজৰ সদস্য/সদস্যাৰ ব্যক্তিগত প্ৰতিক্ৰিয়া। আনহাতে সমাজৰ পৰম্পৰাক ভিত্তি হিচাপে লৈ স্বীকৃত সামাজিক প্ৰক্ৰিয়াৰে সংগঠিত ৰূপত কোনো আচৰণ, কাৰ্য্য সম্পৰ্কে উমৈহতীয়া প্ৰতিক্ৰিয়া বা সহঁাৰিক 'সংগঠিত অনুমোদন' হিচাপে জনা যায়।

স্বতঃস্ফূৰ্ত বা সংগঠিত, দুয়ো প্ৰকাৰৰ অনুমোদনত সমাজখনৰ সদস্য/সদস্যা সকলৰ ব্যক্তিগত অভিপ্ৰায় (motives) নিয়ন্ত্ৰনেৰে 'সমাজ কৰ্তৃপক্ষ'ই সামাজিক প্ৰক্ৰিয়াত ব্যক্তিৰ আচৰণ নিয়ন্ত্ৰণ কৰিব বিচাৰে। তাৰ জৰিয়তে সমাজে সংৰক্ষণ কৰিব বিচৰা বিষয় স্থিতিশীল ৰূপত ৰখা কাৰ্য্যত বা পৰিবৰ্তন বিচৰা বিষয়ত পৰিবৰ্তনৰ প্ৰক্ৰিয়া ব্যক্তিৰ সক্ৰিয় অংশগ্ৰহণ সুনিশ্চিত কৰিব বিচাৰে। ইয়াৰ বিপৰীতে ব্যক্তিগত পৰ্য্যায়ত সমাজৰ সদস্য/সদস্যাই নিজৰ অভিপ্ৰায়, আচৰণ আদি 'সমাজৰ কৰ্তৃপক্ষ'ৰ পৰা ধনাত্মক অনুমোদনৰ ইচ্ছা কৰে বা ঋণাত্মক অনুমোদন এৰাই চলিব বিচাৰে। ব্যক্তিৰ এনে ইচ্ছা বা আকাঙ্খা আৰু 'সমাজৰ কৰ্তৃপক্ষ'ৰ আকাংক্ষাৰ মাজতে আৰম্ভ হয় ব্যক্তি আৰু সমাজৰ মাজত নেদেখা সূতাৰ বান্ধোন, বিভিন্ন স্তৰত বিভিন্ন ৰূপত আন্তঃ-সম্পৰ্ক।

সমাজ বিজ্ঞানী তথা বিশ্বৰ আগশাৰীৰ নৃতত্ববিদ ৰেডক্লিফ ব্ৰাউনে বিশ্বৰ বিভিন্ন প্ৰান্তত বিভিন্ন সমাজৰ মাজত এনে বিষয়ৰ অধ্যয়নেৰে প্ৰকাশ কৰিছে যে (Social Sanctions, Encyclopedia of The social Sciences, macmillan Co, New York, 1933, Vol XIII) সকলো সমাজতে ঋণাত্মক অনুমোদন সমূহ অধিক স্পষ্ট আৰু কঠোৰ ৰূপত নিৰ্দ্ধাৰণ হৈ থাকে। অৰ্থাৎ ব্যক্তিয়ে সমাজ জীৱনত যিবোৰ কৰিব নালাগে, যিবোৰ বিষয় সমাজে স্বীকৃতি নিদিয়ে তেনে বিষয়বোৰ সমাজত বহুলভাৱে প্ৰচলিত আৰু বেছিভাগৰে জ্ঞাত। সমাজভেদে ব্যক্তিয়ে ঋণাত্মক অনুমোদনৰ অন্তৰ্ভুক্ত কাৰ্য্য সম্পাদন কৰিলে শাস্তি বা দ্বন্দৰ বিধানো 'সমাজৰ কৰ্তৃপক্ষ'ই নিৰ্ধাৰণ কৰি যায়। তাৰ বিপৰীতে 'ধনাত্মক অনুমোদন'ৰ ৰ কাৰ্য্য ক্ষেত্ৰত নীৰৱতা, মতভেদ, শিথিলতা দেখা যায়। কোনো ব্যক্তিয়ে 'ধনাত্মক অনুমোদন'ৰ কাৰ্য্য সম্পাদন কৰিলে ঋণাত্মক দৃষ্টিৰে, সন্দেহৰ চকুৰে পৰ্য্যাবেক্ষণ কৰে বা ধনাত্মক কাৰ্য্য সম্পাদন কৰা ব্যক্তিক প্ৰেৰণা দিয়াত বহু কৃপণালী কৰে। এয়া এক সামাজিক প্ৰক্ৰিয়াৰ বহু পুৰণি ত্ৰুটি বা প্ৰত্যাহ্বান হিচাপে চিহ্নিত হৈছে।

সমাজ প্ৰক্ৰিয়াৰ এনে ত্ৰুটিৰ সুযোগতে এচাম স্বাৰ্থন্বেষী ক্ষমতাসম্পন্ন (অৰ্থনৈতিক, ৰাজনৈতিক ভাৱে) ব্যক্তি 'সমাজৰ কৰ্তৃপক্ষ'ৰ কৰ্তৃত্ব দখলৰ অহৰহ প্ৰচেষ্টা কৰে। যিকোনো সমাজৰ বিভিন্ন ৰূপত থকা 'সমাজৰ কৰ্তৃপক্ষ' হিচাপে প্ৰভাৱশালী ব্যক্তিসকলৰ চিন্তা-চৰ্চা, মনোভাৱ, আচৰণে সেই সমাজখনত 'স্থিতিশীল' আৰু 'গতিশীল' অৱস্থাক প্ৰভাৱান্বিত কৰে। ধনাত্মক দৃষ্টিসম্পন্ন ব্যক্তি যদি বেছি প্ৰভাৱশালী হয়, সমাজ ধনাত্মক দিশেৰে আগবাঢ়ে , ঋণাত্মক মনোভাৱ সম্পন্ন ব্যক্তিৰ ক্ষেত্ৰত ইয়াৰ সম্পূৰ্ণ ওলোটা হয়। এখন সমাজৰ স্থিতিশীল আৰু গতিশীল অৱস্থা পৰ্য্যবেক্ষণ কৰিলে সমাজখনৰ কেনে কাৰক প্ৰভাৱশালী তাক সহজে অনুমান কৰিব পাৰি।

সামাজিক প্ৰক্ৰিয়াৰ তেনে দুৰ্বলতাৰ আন আন এটা প্ৰভাৱ দেখা যায় তুলনামূলক ভাৱে তৰল বা ঋণাত্মক কামত ব্যক্তিৰ আগ্ৰহৰ ক্ষেত্ৰত। যিহেতু ধনাত্মক অনুমোদনতকৈ (ঋণাত্মক অনুমোদন'ৰ বিষয় সমূহ বেছি স্পষ্টকৈ সমাজত প্ৰভাৱী কাৰক হিচাপে সংযোজিত হৈ থাকে, ঋণাত্মক কাম কাজৰ ক্ষেত্ৰত ব্যক্তি অধিক সংবেদনশীল হোৱা দেখা যায়। যেনে, আজিৰ সময়তো লক্ষ্য কৰিলে আমি দেখো এজন দুস্কাৰ্য্যকাৰীৰ কথা ৰাজহুৱা বিচাৰ হ'লে মানুহ বহাৰ ঠাই নোহোৱা হয়, অথচ একেখন সমাজতে সামাজিক আলোচনা সভাত উপস্থিতি অতি তাকৰীয়া হয়। এনেধৰণৰ বহু ক্ষেত্ৰত বিশ্লেষণ কৰিলে তেনে সামাজিক প্ৰক্ৰিয়াত ত্ৰুটি স্পষ্ট ৰূপত ওলাই পৰে।

সমাজক গতি প্ৰদানৰ ক্ষেত্ৰ ধৰ্ম, ৰাজনীতি আৰু অৰ্থনীতি, এই তিনিটা প্ৰধান প্ৰভাৱী কাৰক হিচাপে চিহ্নিত হৈ আহিছে। ইয়াৰে অৰ্থনৈতিক শক্তিয়ে আন সকলো বিষয় প্ৰভাৱান্বিত কৰি থকা দেখা যায়। সাম্প্ৰতিক সময়ৰ মুক্ত বাণিজ্য নীতি অৰ্থনৈতিক ক্ষেত্ৰত ধনাত্মক ঋণাত্মক দুয়োটা ধৰণেৰে প্ৰভাৱিত কৰি সমাজত এক বৃহৎ পৰিবৰ্তনৰ সূচনা কৰিছে। এনে প্ৰভাৱৰ এটা উল্লেখনীয় দিশ হ'ল 'ব্যক্তিকেন্দ্ৰিক মানসিকতা'ৰ দ্ৰুত বৃদ্ধি যিয়ে মুক্ত বাণিজ্যত যথেষ্ট সহায় কৰে। ইয়াৰ ফলত প্ৰতিখন সমাজতে জটিল ৰূপৰ পৰিবৰ্তন আৰম্ভ হৈ নিৰাশাৰ ধুমুহা আনিছে। পৰিবৰ্তনৰ এনে ধুমুহাই সমাজৰ 'স্থিতি' আৰু 'গতি' দুয়োকে আক্ৰান্ত কৰিবলৈ আৰম্ভ কৰিছে। আক্ৰান্ত হৈছে সমাজৰ ভেটি, সংস্কৃতি, আক্ৰান্ত হৈছে ব্যক্তিৰ চিন্তা, আকাংক্ষা, মনোভাৱ...। জ্ঞানী মানুহৰ দ্বাৰা প্ৰভান্বিত হৈ থকা 'সমাজৰ কৰ্তৃপক্ষ' সমূহ ক্ষমতাসম্পন্ন (ৰাজনৈতিক, অৰ্থনৈতিক, বাহুবল ইত্যাদিৰে বলীয়ান) মানুহে অধিকাৰ কৰি সামাজিক জীৱনৰ 'অনুমোদন' প্ৰক্ৰিয়া ক্ৰমে নিয়ন্ত্ৰণ কৰা পৰিলক্ষিত হৈছে। সৰু, বৰ সকলো সমাজতে এনে এক পৰিবৰ্তন আজিৰ সময়ৰ নিষ্ঠুৰ বাস্তৱ। 'ভালক বেয়া হিচাপে, বেয়াক ভাল হিচাপে' প্ৰতিষ্ঠাৰ ক্ষেত্ৰত প্ৰভাৱী শক্তি চৌপাশে সক্ৰিয় হোৱা দেখা গৈছে...।

পৰিবৰ্তনৰ এনে ধুমুহাই অনাগত সময়ত আমাৰ সমাজত কেনে প্ৰভাৱ পেলাব পাৰে, সেয়া এক গভীৰ চিন্তাৰ বিষয়। কিন্তু এটা কথা ঠিক, এনে পৰিবৰ্তনে সমাজৰ প্ৰতিটো ক্ষেত্ৰতে সুদুৰপ্ৰসাৰী প্ৰভাৱ পেলাব।

সময়ৰ সোঁতত আমি কোনবোৰ সংৰক্ষণ কৰিম, কোনবোৰ পৰিবৰ্তন কৰিম, সমাজক গতি কেনে শক্তিয়ে প্ৰদান কৰিব, ...ইত্যাদি বিষয়বোৰ বিশ্লেষণেৰে সঠিক সিদ্ধান্ত লৈ পৰিবৰ্তনৰ গতিত আগবঢ়াটো আজিৰ সময়ৰ অতি জৰুৰী বিষয় বুলি আমি অনুভৱ কৰো। সমাজত সিচৰিত হৈ থকা ধনাত্মক শক্তি (ব্যক্তি) সমূহক সংগঠিত কৰি, জ্ঞান আৰু বিজ্ঞানসন্মত যুক্তিক প্ৰাধন্য দিয়া ব্যক্তিক সমাজৰ কৰ্তৃপক্ষ হিচাপে স্বীকৃতি প্ৰদান কৰি, সমাজত বিজ্ঞানসন্মত 'ধনাত্মক অনুমোদন'ৰ প্ৰতি মানুহক অধিক সংবেদনশীল কৰিব পাৰিলে হয়তো সুৰক্ষিত হ'ব আমাৰ ভৱিষ্যত, পৰিবৰ্তনৰ ধুমুহাৰ পৰা সুৰক্ষিত হ'ব আমাৰ ঐতিহ্য, মহান সংস্কৃতি, জীৱন, জীৱিকা সভ্যতা। নতুন প্ৰজন্মই আজিৰ জটিল সন্ধিক্ষণত এনে বিষয়সমূহত সৰ্বাধিক গুৰুত্ব দিয়াটো প্ৰয়োজন যেন আমাৰ অনুভৱ হয়। সমাজৰ সতে আগবাঢ়ি যোৱা প্ৰায় দুটা দশকৰ অভিজ্ঞতাৰে পুষ্ট গ্ৰাম্য বিকাশ মঞ্চৰ মজিয়াতো এনে গুৰুত্বপূৰ্ণ চিন্তাৰে পৰিবৰ্তনৰ ধুমুহাত সমাজক বিধ্বস্ত নোহোৱাকৈ, দুৰ্বলতাক শক্তিলৈ ৰূপান্তৰ কৰি ধনাত্মক শক্তিৰে সমাজৰ গতি ত্বৰান্বিত কৰি কাৰ্য্যকৰী পদক্ষেপ গ্ৰহণ কৰা উচিত। সমাগত সময়ত তাৰেই কামনা কৰিছো।

**পৃথ্বিভূষণ ডেকা**



গ্ৰাম্য বিকাশ মঞ্চৰ সম্পাদকৰ কলম

# আমোলাৰ মানসিকতা আৰু আমাৰ ভৱিষ্যত

**প্ৰ**তি পাচ বছৰৰ মুৰে মুৰে নিৰ্বাচন আহে। এইবাৰো আহিল। চৌদিশে নিৰ্বাচনী বতাহ। চৌদিশে উন্নয়ণৰ প্ৰতিশ্ৰুতি। গাৱেঁ ভূঞে, চহৰে-নগৰে হাই প্ৰ'ফাইল নেতাৰ আগমন, ঠায়ে ঠায়ে ডাঙৰ ডাঙৰ সভা। ৰাস্তা-ঘাট, দলং, বিশেষকৈ নিবনুৱা সমস্যা দূৰ হোৱাটো এইবাৰ নিশ্চিত। মুঠতে ভোট কিনা বেচাৰ খেলা, নেতা নিৰ্বাচনৰ প্ৰতিযোগিতা। নিৰ্বাচনৰ সময়ত এই ধৰণৰ পৰিৱেশ আমি বহু দেখিলো আৰু যোৱা ২০১৯ ইং চনৰ লোকসভা নিৰ্বাচনৰ সময়তো একেধৰণৰ পৰিৱেশৰ ব্যতিক্ৰম নহ'ল।

সময় তেতিয়া নিশা ৮-৩০ বাজিছিল। হঠাৎ জিলা উপায়ুক্তৰ কাৰ্য্যালয়ৰ পৰা এটি ফোন কল- ডেকা ভালনে? ক'ত আছে। লগে লগে উত্তৰ- ভাল, বৰ্তমান মই অফিচত, কিবা বিশেষ কথা আছিলনেকি? হয়, আপুনিতো জানেই নিৰ্বাচনৰ সময় গতিকে মঙ্গলদৈ লোকসভা সমষ্টিৰ পৰ্য্যবেক্ষক এজন অহা কালি নলবাৰী জিলাত উপস্থিত হ'ব আৰু আপোনাৰ অনুষ্ঠানত দিনৰ ১১-০০ বজাত ভিজিট দিব, গতিকে আপুনি উপস্থিত থাকি তেখেতক লগ কৰিব। লগে লগে সুধিলো, মোৰ অনুষ্ঠানলৈ আগমনৰ কাৰণ? উত্তৰত তেখেতে ভিজিতৰ কাৰণ নাজানো বুলি কলে।

পিছদিনা সময় ১০-০০ বাজিল। আকৌ ফোন কল, মই তেখেতক ঘগ্ৰাপাৰৰ ৰাষ্ট্ৰীয় ঘাইপথৰ ওচৰত লগ কৰিব লাগে, সেয়েহে ঘগ্ৰাপাৰত নিৰ্দিষ্ট সময়ত পৰ্য্যবেক্ষক জনক লগ কৰা হয়।

তেখেত আছিল কেপ্টেইন জে.এম. পাঠানীয়া। হিমাচল প্ৰদেশৰ এজন আই.এ.এছ. বিষয়া। নিৰ্বাচন আয়োগে তেখেতক অসমৰ মঙ্গলদৈ লোকসভা সমষ্টিৰ পৰ্য্যবেক্ষক হিচাপে নিযুক্তি দিছে। নিৰ্বাচনী প্ৰস্তুতিৰ বাবে তেখেত আহিছে আৰু সমষ্টিটোৰ সামগ্ৰীক পৰিৱেশ অধ্যয়ণ কৰি ফুৰিছে লগতে প্ৰসঙ্গ ক্ৰমে আমাৰ অনুষ্ঠানটোৰ বিষয়েও জানিব বিচাৰিছে। মই তেখেতক ঘগ্ৰাপাৰস্থিত বাগৰুস্বা অনুষ্ঠানত বহুৱাই আমাৰ অনুষ্টানটোৰ কাম-কাজ তথা নীতি আদৰ্শ সম্পৰ্কে বিষদভাৱে ব্যাখ্যা আগবঢ়ালো। তেখেতেও আমাৰ অনুষ্ঠানটোৰ বিষয়ে জানি ধন্য হ'ল আৰু সমাজৰ প্ৰকৃত উন্নয়ণৰ স্বাৰ্থত আমাৰ নিচিনা অনুষ্ঠানবোৰৰ বৰঙণিৰ কথা দোহাৰিলে।

প্ৰথমবাৰৰ বাবে তেখেতৰ এই অসম ভ্ৰমণ। অসম ভ্ৰমণৰ পূৰ্বে তেখেতে অসমখনৰ বিষয়ে কিছু অধ্যয়ণ কৰিছে যদিও এখন বাস্তৱ ছবি তথা বাস্তৱ অভিজ্ঞতাৰ সোৱাদ লব'লৈ তেখেত ইচ্ছুক। সেয়েহে ঠায়ে ঠায়ে আমাৰ

নিচিনা অনুষ্ঠান-প্ৰতিষ্ঠানৰ লগতে কিছু ব্যক্তিক সাক্ষাৎ কৰিছে আৰু তথ্য আহৰণ কৰিছে। আলোচনাৰ প্ৰসংঙ্গত তেখেতে ভাৰতবৰ্ষৰ সামগ্ৰীক উন্নয়ণ তথা বৰ্দ্ধিত নিবনুৱা সমস্যাৰ ওপৰত বিশেষভাৱে ব্যাখ্যা আগবঢ়ায়। উন্নয়ণৰ ক্ষেত্ৰত চৰকাৰী তথ্য মতে ভাৰতবৰ্ষক পৃথিৱীৰ ভিতৰত উন্নত ৰাষ্ট্ৰ হিচাপে নিৰ্মানৰ দিশলৈ আগবঢ়াই লৈ গৈছে কিন্তু সচা অৰ্থত বাস্তৱ কি আমি সকলোৱে নিশ্চয়কৈ দেখিবলৈ পাইছো। অসম ৰাজ্যখন বিভিন্ন সম্পদত চহকী, ইয়াৰ সম্পদৰাজীয়ে গোটেই ভাৰতবৰ্ষৰ ভিতৰত এক শক্তিশালী ৰাজ্যৰূপে প্ৰতিষ্ঠিত। সম্পদত চহকী হোৱা সত্বেও কিন্তু অসম এতিয়াও অৰ্থনৈতিকভাৱে শক্তিশালী হৈ উঠিব পৰা নাই বুলি উল্লেখ কৰে। তেখেতে আমাৰ সম্পদ সমূহৰ যথোপযুক্ত ব্যৱহাৰৰ ক্ষেত্ৰত বিজ্ঞান সম্মত চিন্তাধাৰা তথা সুষম পৰিকল্পনাৰ অভাৱত মানুহৰ জীৱিকাৰ ওপৰত যে এক প্ৰভাৱ পেলাইছে তাক ভালকৈ অনুমান কৰিছে। মূলত কেইদিনমানৰ ভ্ৰমণ সূচীৰ বাস্তৱ অভিজ্ঞতা আৰু তেওঁৰ লগত হোৱা কথা বতৰাই ইয়াকে বুজাব বিচাৰিছে যে এখন সম্পদৰে ভৰা সম্ভাৱনাপূৰ্ণ অসমত বৰ্দ্ধিত হাৰত কিয় নিবনুৱা তথা সংস্থাপনহীন লোকৰ সংখ্যা বৃদ্ধি হৈ গৈ আছে আৰু এই ক্ষেত্ৰত চৰকাৰৰ ভূমিকা কিদৰে পালন কৰিছে তাক লৈ হয়তো তেখেতৰ মনত এক ডাঙৰ প্ৰশ্ন ।

এইখিনিতে মোৰ প্ৰশ্নটো হ'ল হিমাচল প্ৰদেশৰ এজন উচ্চ পদস্থ বিষয়াই আমাৰ সমস্যা সম্পৰ্কত যি ধাৰণা উপলব্ধি কৰিছে সচাকৈ ই মোক আচৰিত কৰি তুলিছে, অথচ এই অসমত তেওঁৰ নিচিনা আই.এ.এছ., এ.চি.এচ. তথা উচ্চ শিক্ষিত আমোলা বিষয়া থকাৰ পিছতো লেহেমীয়া গতিত আমাৰ উন্নয়ণ। নিৰ্বাচনৰ সময়ত প্ৰতিশ্ৰুতিৰ ফুলজাৰি মৰা নেতা-পালিনেতা সকলোৰো দূৰদৰ্শিতাৰ অভাৱ। নিবনুৱা সমস্যা সমাধানৰ ক্ষেত্ৰত আমাৰ সম্পদৰাজিৰ যথোপযুক্ত ব্যৱহাৰৰ কোনো দীৰ্ঘকালীন তথা ভৱিষ্যত পৰিকল্পনা নাই। আনহাতে ভাৰত চৰকাৰৰ দ্বাৰা ৰূপায়িত MGNRGA, NRLM, PMKVY, PMEGP, Make in India, Mudra Yojna, Skill India Mission, Digital India Mission, Start up India (To promot New Enterprise) ৰ নিচিনা স্ব-নিয়োজনৰ অভিলাষী আঁচনি সমূহেও নিবনুৱা সকলৰ নিশ্চিত নিয়োগ গঢ়ি তোলাৰ ক্ষেত্ৰত এশ শতাংশ সফলতা লাভ কৰিব পৰা নাই। আনহাতে চৰকাৰৰ হৈ কাম কৰা বিষয়া আমোলাই জনসাধাৰণৰ মাজলৈ উল্লেখিত আচনি সমূহ আগবঢ়াই নিয়াৰ ক্ষেত্ৰত ব্যৰ্থ নে আচনি পৰিচালনাৰ ক্ষেত্ৰত তেওঁলোকৰ দক্ষতাৰ অভাৱ তাক লৈ আজি এক ডাঙৰ প্ৰশ্ন। চৰকাৰী তথ্য মতে প্ৰায় ২০ লাখ শিক্ষিত আৰু অৰ্ধ শিক্ষিত লোক (Literate & Semi Literate unemployed youth) চৰকাৰী নিয়োগ বিনিময় কেন্দ্ৰ সমূহত নাম পঞ্জীভূত হৈ আছে। আনহাতে অসমৰ প্ৰায় ১৫ লাখ শিক্ষিত নিবনুৱা যুৱক-যুৱতী চৰকাৰী-বেচৰকাৰী খণ্ডত সংস্থাপনৰ বাবে হাবু ডুবু খাই ফুৰিছে। অসমৰ প্ৰায় ২ লাখ ৯৭ হাজাৰ অদক্ষ লোক (Unskill Person, do not have any Technical Knowledge) কৰ্মহীন হৈ আছে। ইয়াৰ বিপৰীতে চৰকাৰী হিচাপত প্ৰায় ৩৫ টা চৰকাৰী আৰু ৯৬ টা ব্যক্তিগত খণ্ডৰ দক্ষতা বিষয়ক প্ৰশিক্ষণ কেন্দ্ৰ (Skill Training Centre) গঢ়ি তুলি প্ৰায় ১.৫ লাখ লোকক প্ৰশিক্ষণৰ ব্যৱস্থা কৰিছে যদিও সকলো লোককে নিয়োগৰ ব্যৱস্থা কৰাৰ ক্ষেত্ৰত চৰকাৰ ব্যৰ্থ হৈছে।

এই ভয়াবহ সমীক্ষাই এটা কথা প্ৰমাণ কৰে যে চৰকাৰী পৃষ্ঠপোষকতাত গ্ৰহন কৰা বিভিন্ন আঁচনিয়ে সঁচা অৰ্থত নিবনুৱা সমস্যা সমাধান কৰাৰ ক্ষেত্ৰত কোনো বিশেষ সফলতা লাভ কৰিব পৰা নাই। নিবনুৱা সমস্যা সমাধান কৰিবলৈ হ'লে কাৰিকৰী কৌশল বিষয়ক প্ৰশিক্ষণ, কৃষি ভিত্তিক উদ্যোগ স্থাপন তথা সেৱা খণ্ডত পূৰ্ণ সহযোগিতাৰ জৰিয়তেহে আমি আমাৰ নিয়োগৰ পথ সুনিশ্চিত কৰিব পাৰিম। কৌটি টকীয়া আঁচনি সমূহ দক্ষতাৰে ৰূপায়ণৰ ক্ষেত্ৰত চৰকাৰী আমোলা বিষয়া সকলৰ মানসিকতাৰ পৰিবৰ্তন হ'লেহে সচা অৰ্থত ৰাষ্ট্ৰ উন্নয়ণৰ দিশে আগবাঢ়িব আৰু সুৰক্ষিত হ'ব আমাৰ ভৱিষ্যত প্ৰজন্ম।

**দিবাকৰ ডেকা**
*সম্পাদক, গ্ৰাম্য বিকাশমঞ্চ*

# সূচীপত্ৰ


- জাতিৰ স্বাভিমান বৃদ্ধিত শংকৰদেৱৰ অনন্যতা ✍ ময়ূৰ বৰা/১৩
- গাঁৱৰ সৌন্দৰ্য্য ✍ ড° দীনমণি ভাগৱতী/১৭
- সময়ৰ সৃষ্টি ঃ অতীত আৰু ভৱিষ্যত ✍ ড° মহানন্দ পাঠক/১৯
- এন.জি.অ' আৰু সমাজৰ কল্যাণ সাধন ঃ এক দৃষ্টি ✍ বিনয় কুমাৰ মজুমদাৰ/২০
- লোক সংস্কৃতিৰ অতীত আৰু বৰ্তমান ✍ যোগেন্দ্ৰ কলিতা/২৩
- এমুঠি কৰ্মঠ মানুহৰ সপোন ভঙা আৰ্চেনিক ঃ বালিতাৰা আৰু জি.ভি.এম. ✍ কিশোৰ কুমাৰ কলিতা/২৪
- ব্যক্তি, সমাজ, ধৰ্ম ৰাজনীতি ইত্যাদি ✍ ক্ষিতীশ কুমাৰ কাকতি/২৬
- **Communication and Development – ethnic domain transcending political boundary A take on cultural integrity between South East Asia and North East India** ✍ **Asim Kumar Ghos**/২৬
- **Language, People and Power: Thoughts on Nagamese** ✍ **Dr. Sanjay (Xonzoi) Barbora**/৩২
- **Development Dynamics in Assam** ✍ **Dr. Samhita Barooah**/৩৪
- **Who Cares about the Marginal Workers?** ✍ **Kishor Kumar Kalita**/৩৬
- **Cultural Tradition and Our Environment** ✍ **Sri Rajesh Kakati**/৩৮
- **Biodegradable Plastics: An Absolute Solution to Current Plastic led Environment Pollution** ✍ **Dr. Purabi Bhagabati**/৪১


## কবিতা


- ইয়ো এখন যুদ্ধৰ প্ৰস্তুতি ✍ শান্তনু শৰ্মা/৪৩
- মই তিতিছো, তুমি? ✍ নৱজ্যোতি পাঠক/৪৩
- নদলাৰ হাট ✍ চম্পক শৰ্মা/৪৪
- বিষাদ ✍ জ্যোতিষ দাস/৪৫

# সূচীপত্র

## গল্প


- ভগৱান ✍ ৰতন তালুকদাৰ/৪৬
- আলিংগন ✍ পল্লৱী দেৱী/৪৮
- অনুশোচনা ✍ জুৰি তালুকদাৰ/৫১


## নিৱন্ধ


- দত্তক গ্ৰহণ ✍ প্ৰজ্ঞাশ্ৰী চক্ৰৱৰ্ত্তী/৫২
- গণতন্ত্ৰ আৰু শিক্ষা ✍ লভিতা কলিতা/৫৩
- শিশুৰ সামাজিকৰণৰ প্ৰক্ৰিয়াত পৰিয়ালৰ ভূমিকা ✍ হিমানী ৰাজবংশী/৫৪
- পাৰিবাৰিক হিংসা ঃ কিছু আভাষ ✍ ববিতা দাস/৫৬
- এজ'লা-কৃষি ঃ পশুপালন খণ্ডত এক সম্ভাৱনীয়তা ✍ ডাঃ আৰফান আলী/৫৮
- থলুৱা খেলৰ প্ৰয়োজনীয়তা আৰু ইয়াৰ বৈজ্ঞানিক দৃষ্টিভংগী ✍ হীৰক জ্যোতি বৰ্মন/৬০
- মধ্য বাহুৰ পৰিধি ✍ দ্বিপেন দাস/৬২
- যুব প্ৰজন্মৰ সাহিত্য চৰ্চা আৰু সমস্যা ✍ দিপবিজয় বৰুৱা/৬৩
- ফৰেষ্ট ভিলেজ (বনগাও), মানুহৰ অধিকাৰ আৰু বন সুৰক্ষা
  প্ৰসঙ্গ ঃ লাইকা-দধিয়া ✍ প্ৰফুল্ল নাথ, ✍ পিংকু মুক্তিয়াৰ, ✍ মহেশ ডেকা/৬৪

- গ্ৰাম্য বিকাশ মঞ্চৰ বাৰ্ষিক কাৰ্য্যবিৱৰণী আৰু হিচাপৰ প্ৰতিবেদন ৬৯
- গ্ৰাম্য বিকাশ মঞ্চৰ বিত্তীয় প্ৰতিবেদন ৭৫
- **Significant Projects and Programmes of Gramya Vikash Mancha (GVM) in last 19 Years...** ৮০
- **Gramya Vikash Mancha : Audited Statement of Accounts** ৮৭



# জাতিৰ স্বাভিমান বৃদ্ধিত শংকৰদেৱৰ অনন্যতা

✍ ময়ূৰ বৰা

**শং**কৰদেৱে তেওঁৰ ৰচনাৰ মাজত ৪৬ বাৰ ভাৰতৰ কথা উল্লেখ কৰিছে। অসমৰ কথা উল্লেখ কৰিছে মাত্ৰ এবাৰ। তাকো কোনো ভূখণ্ডক বুজাবলৈ তেওঁ 'অসম' শব্দটো ব্যৱহাৰ কৰা নাছিল; ব্যৱহাৰ কৰিছিল আহোমসকলক বুজাবলৈ। তথাপিও আমি পূৰ্বতে একাধিকবাৰ শংকৰদেৱক অসমীয়া স্বাভিমানৰ উজ্জ্বলতম নক্ষত্ৰ বুলি কৈছোঁ কিয়? নিৰ্মোহ আৰু আৱেগবিবৰ্জিতভাৱে এইটো প্ৰশ্নৰ উত্তৰ বিচাৰিলেই বহু কথা ধূসৰতাৰ মায়াজাল ফালি ওলাই আহিব বুলি মোৰ বিশ্বাস। প্ৰথম কথা শংকৰদেৱৰ জন্মৰ আগতেই ভাৰত বা ভাৰতীয় সত্ত্বাটো এটা পৰ্যায়লৈকে ঠন ধৰি উঠিছিল। তাক আমি বৰ্তমানৰ ভাৰতবৰ্ষৰ ৰাজনৈতিক মানচিত্ৰৰ লগত মিলাবলৈ গ'লে ভুল হ'ব। এক পৰিশীলিত জীৱনবোধ আৰু জীৱনচৰ্যাৰ প্ৰতিনিধিত্বকাৰী শক্তি হিচাপে ভাৰতে ইতিমধ্যে বিদ্যানুৰাগী মানুহৰ মনোজগতত উচ্চ স্থান ল'বলৈ সক্ষম হৈছিল। শংকৰদেৱ আৰু তেওঁৰ প্ৰধান শিষ্য মাধৱদেৱো এইক্ষেত্ৰত ব্যতিক্ৰম নাছিল। মাধৱদেৱেও অসম শব্দটো জাতিবাচক শব্দ হিচাপেহে ব্যৱহাৰ কৰিছে। কিয়নো অসম শব্দটো তেতিয়ালৈকে কোনো এক বিশেষ ভূখণ্ডক বুজাবলৈ ব্যৱহাৰ হোৱা নাছিল। শংকৰোত্তৰ যুগত ৰচিত কিছু চৰিত পুথিত অসম শব্দটো ব্যৱহৃত হোৱা দেখা যায়। অৱশ্যে প্ৰায়বোৰ ক্ষেত্ৰতে কবি-লেখকসকলে 'আসাম' শব্দটো ব্যৱহাৰ কৰিছে। ১৮ শতিকাত 'অসম' শব্দটোৰ উল্লেখ সূৰ্যখৰি দৈৱজ্ঞই ৰচনা কৰা দৰঙ্গ ৰাজবংশাৱলীত পোৱা যায়।

এইখিনিতে ড° নগেন শইকীয়াই 'অসমীয়া মানুহৰ ইতিহাস' গ্ৰন্থৰ প্ৰাক্‌কথনত কোৱা এটা বিশেষ কথা খুৱেই প্ৰাসংগিক। অসমীয়া মানুহটোক বিভিন্ন ঐতিহাসিক সমলৰ লগতে ধৰ্মীয় পুথি-পাঁজি আৰু ৰূপকথা-অতিকথাৰ মাজৰ পৰা আটোমটোকাৰিকৈ তুলি আনি তেওঁ লিখিছে— "অসমীয়া মানুহটো

তেজত, ভাষাত, সংস্কৃতিত এটা মিশ্রিত মানুহ। মই অনুভৱ কৰিলোঁ যে তেজ, বস্তুগত সংস্কৃতি আৰু লোক সংস্কৃতিৰ ফালৰ পৰা এই মানুহটো দক্ষিণ-পূব এছিয়াৰ লগত বহু পৰিমাণে যুক্ত। কিন্তু ভাষা, মানসিক গাঁথনি, আধ্যাত্মিক আৰু বৌদ্ধিক দৃষ্টিভংগী তথা জীৱনবোধ আৰু ধ্ৰুপদী সংস্কৃতিৰ ফালৰ পৰা ভাৰতীয় ঐতিহ্যৰ ধাৰক আৰু বাহক এই মানুহটোৰ তেজতো মংগোলীয়, নৰ্ডিক, আল্‌পাইন আৰু দ্ৰাবিড় তেজ মিশ্রিত হৈ আছে। একপ্রকাৰৰ ক'বলৈ গ'লে ব্রহ্মপুত্র উপত্যকাত পূব আৰু পশ্চিমৰ এক বিৰল সংমিশ্রণ ঘটিছে। অসমীয়া মানুহটো তাৰ মাজৰ পৰাই ওলাই আহিছে। 'অসমীয়া মনটো'ৰ মাজত সেইবাবেই চাতুৰ্যতকৈ সৰলতাৰ, বক্রতাতকৈ ঋজুতাৰ, আক্রোশতকৈ উদাৰতাৰ মাত্রাও অধিক। তুলনামূলকভাৱে স্বল্পবাক চৰিত্রৰ সহিষ্ণু মনটো আহত হ'লে ৰুদ্ৰ ৰূপ ধৰাও অনেক ক্ষেত্রত পৰিলক্ষিত হয়।"

ড° নগেন শইকীয়াৰ বক্তব্যটোত অসমীয়া স্বাভিমানৰ কিছু ৰেহৰূপ প্ৰকাশ পাইছে। লগতে তেওঁ কি পৰিস্থিতিত কোনবোৰ উপাদান লৈ অসমীয়া মানুহটো গঢ়ি উঠিছে তাৰ এটা সুন্দৰ ব্যাখ্যা আগবঢ়াইছে। মোৰ ধাৰণা ঠিক এনে এটা ভাৱ শংকৰদেৱৰ মনতো আছিল। তাৰ দ্বাৰা প্ৰভাৱান্বিত হৈয়েই ৰূপান্তৰৰ খনিকৰজনে অসমীয়া মানুহক লৈ সপোন দেখিছিল আৰু সেই সপোনক বাস্তৱায়িত কৰিবলৈ ওৰেতো জীৱন সংকীৰ্ণতা আৰু সাম্প্ৰদায়িকতাৰ উৰ্ধ্বত গৈ কাম কৰিবলৈ অহোপুৰুষাৰ্থ কৰিছিল। ধৰ্মৰ নামত চলি থকা নানা ধৰণৰ ব্যভিচাৰক প্ৰত্যাহ্বান জনাই তেওঁ সৃষ্টি কৰিছিল এটা সৰল, আকৰ্ষণীয় ধৰ্মপ্ৰণালী, যিটো আদৰ্শক সৰ্বদা সিক্ত কৰি ৰাখিছিল গণতান্ত্ৰিক প্ৰমূল্যই। খৰচী, আড়ম্বৰপূৰ্ণ আৰু জটিল ধৰ্মীয় বিধানৰ জৰিয়তে সৰ্বসাধাৰণ মানুহক অৰ্থনৈতিকভাৱে শোষণ কৰাৰ লগতে সামাজিক মৰ্যাদা দান কৰাত কৃপণালি কৰা ব্ৰাহ্মণ পুৰোহিত শ্ৰেণীটোৰ প্ৰতি মানুহৰ ক্ষোভ আৰু বিৰাগ বৃদ্ধি পাইছিল। তেনে মুহূৰ্তত শংকৰদেৱে প্ৰচাৰ কৰা একশৰণ নাম ধৰ্মৰ মূল বাণীটো আছিল সমতা স্থাপন। অৰ্থাৎ আধ্যাত্মিক ক্ষেত্ৰখনত এজন ব্ৰাহ্মণ বা চণ্ডালৰ মাজত কোনো পাৰ্থক্য নাই বুলি শংকৰদেৱে কৈ গৈছে। এই বাণীৰ মৰ্মবস্তুটো অসমীয়া মানুহৰ মনটোৰ কাষচপা আছিল, যিটো কথা ড° শইকীয়াই বেলেগ এটা প্ৰেক্ষাপটত উল্লেখ কৰি গৈছে। অৰ্থাৎ ধৰ্মপ্ৰচাৰৰ উদ্দেশ্যে আৰম্ভ কৰা সাংস্কৃতিক আন্দোলনৰ গুৰিৰ'ঠা ধৰি পূবৰ অসম ৰাজ্য, মধ্যভাগৰ কামৰূপ ৰাজ্য আৰু পশ্চিমৰ বেহাৰ ৰাজ্য ভ্ৰমণ কৰা শংকৰদেৱে অসমীয়া মানুহৰ মন-মনন আৰু চিন্তনৰ শাহটো হৃদয়ংগম কৰি তাৰ লগত নিকট সম্পৰ্ক থকা সম্পদসমূহ প্ৰচাৰ কৰিছিল। তেওঁ প্ৰচাৰ আৰু জনপ্ৰিয় কৰা অংকীয়া ভাওনা, গীত, নৃত্য, সাহিত্য-সংস্কৃতি সকলোৰে মাজত জিলিকি আছে অসমীয়া স্বাভিমানৰ সমলবোৰ।

কিন্তু ভাৰতৰ কথা তেওঁৰ লেখাৰ মাজত বহুবাৰ উল্লেখ থকা বাবে এতিয়াৰ এচাম ৰাজনীতিবিদে ইয়াৰ ভুল ব্যাখ্যা দি ৰাজনৈতিক মুনাফা আদায় কৰিব বিচাৰে। প্ৰকৃত কথাবোৰ উপলব্ধি নকৰাকৈ তেওঁলোকে কৰা কিছু কাম দৰাচলতে জাতিৰ স্বাভিমানৰ হানিকাৰকহে হয়গৈ। দুবাৰকৈ তীথ ভ্ৰমণ কৰি আৰু অসমলৈ বিভিন্ন সময়ত অহা বহু পণ্ডিতৰ লগত দীঘলীয়া আলোচনাৰ পাছত তেওঁৰ মনত ভাৰতৰ বৌদ্ধিক, আধ্যাত্মিক আৰু সাংস্কৃতিক জগতৰ বিষয়ে যোগাত্মক মনোভাব গঢ় লৈ উঠিছিল। ড° শইকীয়াই এতিয়া বিবৃত কৰা ধৰণেই শংকৰদেৱে সাংস্কৃতিক ভাৰতবৰ্ষৰ ছবিখন নিজৰ মানসপটত অংকন কৰিছিল আৰু তাৰ ইতিবাচক দিশবোৰ ৰাইজৰ মাজত বিলাই দিবলৈ চেষ্টা কৰিছিল। আমি সকলোৱে জানো শংকৰদেৱে কাহানিও কোনো সংস্কৃত পুথিৰ আক্ষৰিক অনুবাদ কৰা নাছিল। সৃষ্টিশীল ভানুবাদৰ লগতে প্ৰয়োজনত নিজৰ মনৰ কথা যোগ দি সমগ্ৰ বিষয়টো তেওঁ সৰ্বসাধাৰণৰ বাবে নিৰহ-নিপানীকৈ প্ৰাসংগিক কৰি তুলিছিল। নামঘৰ হ'ল শংকৰদেৱে অসমীয়া সমাজক দান কৰি যোৱা এটা অপূৰ্ব সম্পদ। এই নামঘৰৰ নিৰ্মাণত অসমৰ বিভিন্ন জনজাতিয়ে ব্যৱহাৰ কৰা শৈলী এক বিৰল নান্দনিক দৃষ্টিৰে প্ৰয়োগ কৰি তেওঁ অধিক আকৰ্ষণীয় কৰি তুলিছে। আগতে কৈছোঁ যদিও এটা কথা দোহাৰিবই লাগিব। ভাগৱতৰ দ্বিতীয় স্কন্ধ অনুবাদ কৰোঁতেও শংকৰদেৱে মূল পুথিখনত থকা ভাৰতৰ কিছু জাতিৰ কথা উল্লেখ কৰা নাই। তেনেবোৰ জাতিৰ ঠাইত তেওঁ অসমৰ থলুৱা জাতিৰ নামহে ব্যৱহাৰ কৰিছে।

তদুপৰি ভাৰতৰ মূল ধৰ্মপুথিত থকা নেতিবাচক কথা সম্পূৰ্ণ বাদ দিয়াৰ সাহসো কৰি শংকৰদেৱ বৌদ্ধিক নিৰ্ভীকতাৰ প্ৰতীক হৈ উঠিছে। মূল ৰামায়ণত ৰামে শম্বুকক বধ কৰাৰ কথা বিবৃত হৈছে। শম্বুক বধৰ আঁৰৰ কথা আছিল ভাৰতত প্ৰচলিত কঠোৰ জাতিভেদ প্ৰথা। শংকৰদেৱে ৰামায়ণৰ উত্তৰাকাণ্ড ভাঙনি কৰোঁতে এই ভয়ংকৰী বৰ্ণভেদৰ কথা বাদ দিছে। তদুপৰি ৰামায়ণ ভাঙনি কৰাৰ আগতে শংকৰদেৱে তেওঁৰ পূৰ্বসূৰী মাধৱ কন্দলিক 'পূৰ্বকবি অপ্ৰমাদী' বুলি সন্মান জনাইছে। মধ্যযুগৰ ভাৰতৰ ভক্তি আন্দোলনৰ ইতিহাসতো পূৰ্বজনক এনে সন্মান দিয়া ঘটনা খুব সঘনাই পৰিলক্ষিত নহয়।

নাৰীৰ প্ৰতি দেখুৱা সন্মান শংকৰদেৱৰ চৰিত্ৰৰ অন্য এক ভূষণ। তেওঁ প্ৰচাৰ কৰা ধৰ্মত মূৰ্তিপূজাৰ কোনো স্থান নাছিল যদিও তেওঁৰেই পত্নী কালিন্দী আয়ে নিজ গৃহতে ঘৰ জেউতিৰ উপাসনা কৰা কথাটোত বাধা দিয়া নাছিল। পাছত মাধৱদেৱৰ বুজনিতহে গুৰুপত্নীয়ে মূৰ্তিপূজা বাদ দিয়ে। গুৰুজনাই চিহ্নযাত্ৰা ভাওনাৰ সময়তে বৈকুণ্ঠৰ পট আঁকোতে তেওঁ গৃহৰ সহায়কাৰিনী চন্দৰী আয়ে খুঁত ধৰা কথাটোতো প্ৰতিফলিত হয় নাৰীক কিটো পৰ্যায়লৈকে তেওঁ স্বাধীনতা দিছিল। তদুপৰি নদীৰ পাৰত কাপোৰ ধুই থাকোঁতে চন্দৰী আইৰ মুখত গীতাৰ ব্যাখ্যা শুনি শংকৰদেৱৰ লগত তৰ্ক কৰিবলৈ অহা ব্ৰাহ্মণ পণ্ডিত ফৰিং ছিটিকা দিয়া কথাটোৰ মাজেৰেও চন্দৰী আইৰ বৌদ্ধিক সামৰ্থ্য প্ৰকাশ পাইছে।

'যি মূলা বাঢ়িব তাৰ দুপাততে চিন'— এই বহুল প্ৰচলিত আপ্তবাক্যশাৰী শিশু শংকৰে গুৰু মহেন্দ্ৰ কন্দলিৰ টোলত যোগদান কৰা অলপদিনৰ ভিতৰতে প্ৰমাণ কৰে। 'আ' কাৰ 'ই' কাৰ শিকাৰ আগতেই তেওঁ লিখি উলিয়ায় সেই বিস্ময়কৰ পদ্য— 'কৰতল কমল কমল দল নয়ন'। শংকৰৰ অদ্বিতীয় প্ৰতিভাৰ কথা গুৰু মহেন্দ্ৰ কন্দলিয়ে খুব সোনকালেই বুজি উঠিছিল আৰু ব্ৰাহ্মণ কুলত জন্ম নোলোৱা কায়স্থ শংকৰক তেৱেঁই প্ৰথমে 'দেৱ' উপাধি প্ৰদান কৰে। মহেন্দ্ৰ কন্দলিৰ বাবেই শংকৰৰ নাম কৈশোৰৰ পৰাই শংকৰদেৱ হয়। গুৰুৰ সেই উদাৰ কাৰ্যত ব্ৰাহ্মণ কুলৰ কিছু শিষ্য প্ৰথমে হতবাক্ হৈছিল যদিও পাছলৈ বন্ধু শংকৰদেৱৰ বিচক্ষণতা আৰু শ্ৰেষ্ঠত্ব মানি লৈছিল। মহেন্দ্ৰ কন্দলিৰ দৰে প্ৰকৃত অৰ্থত ব্ৰাহ্মণত্ব অৰ্জন কৰি নিজ কৰ্তব্য ইমান

দৃঢ়তাসহকাৰে পালন কৰিব পৰা গুৰু ভাৰতৰ অন্য ঠাইত বৰ বেছি নাই যেনেই মোৰ অনুভৱ হয়। মহেন্দ্ৰ কন্দলিয়ে পাছত শংকৰদেৱৰ শিষ্যত্ব গ্ৰহণ কৰে আৰু তীৰ্থভ্ৰমণৰ সময়ত তেওঁৰ সংগী হয়।

অসমীয়া জাতিৰ স্বকীয়তাৰ আধাৰটো অধিক শক্তিশালী কৰাৰ ক্ষেত্ৰত শংকৰদেৱৰ ভূমিকা আছিল সৰ্ববৃহৎ। চিহ্নযাত্ৰা ভাওনাৰ জৰিয়তে বৰদোৱাত শংকৰদেৱে সাংস্কৃতিক আন্দোলনৰ সূচনা কৰে। ভাওনাৰ মূল বৈশিষ্ট্য হ'ল গীত, নৃত্যৰ ছন্দ, বাদ্য, সংগীত আৰু সংলাপৰ সুমন্বয়। মুকলি ৰংগমঞ্চত পৰিৱেশিত হোৱা ভাওনা হাজাৰ হাজাৰ মানুহে একেলগে উপভোগ কৰিব পাৰে। বিশিষ্ট সাহিত্যিক ড° লক্ষ্মীনন্দন বৰাই শংকৰদেৱক উত্তৰ ভাৰতৰ প্ৰথম নাটকৰ প্ৰণেতা, প্ৰযোজক আৰু নিৰ্দেশক বুলি অভিহিত কৰিছে। আন বহু লেখক-চিন্তাবিদে নাট্য সাহিত্যৰ ক্ষেত্ৰত শংকৰদেৱ শ্বেইক্সপীয়েৰৰ সমকক্ষ বা তেওঁতকৈ আগবঢ়া আছিল বুলিও দাবী কৰে। আমি বৰ্তমান তেনেবোৰ তুলনাৰ মাজলৈ যাব বিচৰা নাই। কিন্তু নাট প্ৰণয়ন আৰু মঞ্চায়নৰ ক্ষেত্ৰত তেওঁ যি প্ৰতিভা প্ৰদৰ্শন কৰিছিল, সেয়া সঁচাকৈ অদ্বিতীয়। চৰিতপুথিত উল্লেখ আছে শংকৰদেৱে আয়োজন কৰা ভাওনালৈ দহ হেজাৰতকৈ বেছি মানুহ আহিছিল। তদুপৰি এই পৰ্বত জড়িত থকা প্ৰতিজন তথাকথিত সাধাৰণ মানুহৰ চিন্তা-চেতনাত তেওঁ অসাধাৰণত্ব আৰোপ কৰিবলৈ সক্ষম হৈছিল। গ্ৰামাঞ্চলৰ দুখীয়া কৃষক, হালোৱা, বনুৱা সকলোকে একতাৰ ডোলেৰে বান্ধি শংকৰদেৱে নাট মঞ্চায়নত তেওঁলোকৰ সহযোগিতাও আন্তৰিকতাৰে সৈতে বিচাৰিছিল। ইয়াৰ ফলত শৈক্ষিক আৰু আৰ্থিকভাৱে দুৰ্বল মানুহৰ আত্মসন্মান আৰু মৰ্যাদা বৃদ্ধি পাইছিল। তেওঁলোক আত্মিকভাৱে জড়িত হৈ পৰিছিল সাংস্কৃতিক আন্দোলনটোৰ লগত। সেইবাবেই আন্দোলনটোৱে আধ্যাত্মিক সাম্যবাদৰ ভেটি নিৰ্মাণ কৰিব পাৰিছিল।

স্থাপত্য আৰু ভাস্কৰ্যৰ ক্ষেত্ৰত শংকৰদেৱৰ যি অনন্যতা সেয়া আটাইতকৈ সুন্দৰভাৱে প্ৰতিফলিত হৈছে ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালাৰ লিখনিত। অসমীয়া স্থাপত্য আৰু ভাস্কৰ্যৰ মাজতেই শংকৰদেৱৰ বৈপ্লৱিক সৃষ্টিৰ মনটো আটাইতকৈ স্পষ্টকৈ প্ৰকাশ পাইছে। বিশেষকৈ নামঘৰৰ স্থাপত্যক অত্যন্ত ভাৱিব্যিতিক বুলি জ্যোতিপ্ৰসাদে কৈ গৈছে। জাৰ্মানীকে মুখ্য কৰি ইউৰোপৰ কেইবাখনো দেশ ফুৰি জ্যোতিপ্ৰসাদে কৈ গৈছে। জাৰ্মানীকে মুখ্য কৰি ইউৰোপৰ কেইবাখনো দেশ ফুৰি জ্যোতিপ্ৰসাদে বিশ্বস্থাপত্যৰ যি অলংকাৰবৰ্জিত সৰলতা আৰু ৰৈখিক সৌন্দৰ্যৰ আদৰ্শ দেখিছিল, তাৰ পাছতেই তেওঁ অসমীয়া নামঘৰক তাৰ প্ৰাথমিক সংস্কৰণ বুলি অভিহিত কৰিছে। তেওঁৰ মতে শংকৰদেৱৰ দৰে আন কোনো মানুহে স্থাপত্যত বৈপ্লৱিক ৰূপান্তৰ প্ৰদান কৰা নাই। সেয়েহে জ্যোতিপ্ৰসাদৰ দৃষ্টিত শংকৰদেৱ 'মানুহৰ পূৰ্ণ সংস্কৃতিৰ প্ৰতীক'। এই সকলোবোৰেই জানো অসমীয়াৰ স্বকীয়তাৰ মহাভঁৰালটোৰ উপাদান নহয়।

মধ্যযুগৰ ভাৰতত শংকৰদেৱৰ বাদে আন কোনো সন্তপুৰুষে পৰিৱেশৰ প্ৰতি নিজৰ ইমান গভীৰ চিন্তা প্ৰকাশ কৰি যোৱা নাই। কিন্তু 'দশ পুত্ৰ সম বৃক্ষ' বুলি সেই যুগতে লিখি থৈ যোৱা মানুহজন কিমান ভৱিষ্যদৰ্শী হ'ব পাৰে সেই কথা সহজে অনুমেয়। তদুপৰি পাটবাউসীত থকা সময়ছোৱাত তেওঁ আন মালিকৰ অধীনত কাম কৰি থকা কিছু দাসক মুকলি কৰি দিয়াৰ দৃষ্টান্তও আছে। নিজৰ ধৰ্মৰ উত্তৰাধিকাৰী চিনাক্ত কৰাৰ ক্ষেত্ৰতো শংকৰদেৱে কোনো পক্ষপাতিত্বমূলক আচৰণ কৰা নাই। নিজ পুত্ৰতকৈ বঢ়াৰপো মাধৱদেৱক সৰ্বদিশৰ পৰা অধিক যোগ্য দেখি তেওঁৰ হাততে নিজ ধৰ্ম চলাই নিয়াৰ মূল দায়িত্ব শংকৰদেৱে আৰোপ কৰিছিল।

মধ্যযুগৰ আন সন্ত পুৰুষসকলেও বিভিন্ন দুৰ্যোগৰ সন্মুখীন হৈছিল। কিন্তু আপেক্ষিকভাৱে শংকৰদেৱে সন্মুখীন হোৱা বিপদ বা দুৰ্যোগৰ মাত্ৰা বহু বেছি। অৱশ্যে ব্যাখ্যাতীতভাৱে বাস্তৱবুদ্ধিসম্পন্ন মানুহ হোৱা বাবে শংকৰদেৱে আন সন্তপুৰুষৰ দৰে কাহানিও বিচলিত হোৱা নাছিল। প্ৰথম বিবাহৰ দুবছৰ পূৰ্ণ নহওঁতেই তেওঁ নিজৰ প্ৰথম ভাৰ্যাক হেৰুৱাইছিল। পাছত আহোম ৰজাৰ চাওদাঙে হাতী ধৰি ৰাখিব নোৱৰা বাবে জোঁৱায়েকক মৃত্যুদণ্ড বিহিছে। নিজৰ পুত্ৰকো বিয়োগ হোৱা তেওঁ দেখিছে। কছাৰীসকলৰ উৎপীড়ন, আহোম ৰজাৰ আক্ৰোশ আৰু একাংশ ব্ৰাহ্মণ পুৰোহিতৰ ষড়যন্ত্ৰৰ বাবে তেওঁ সঘনে স্থান পৰিৱৰ্তন কৰিবলগীয়া হৈছে। অসম, কামৰূপ আৰু বেহাৰ ৰাজ্যত ঘূৰি ফুৰিবলগীয়া হৈছে সেই বিপদ আৰু দুৰ্যোগৰ মাজতো। কিন্তু কি সাহিত্য, কি সংস্কৃতি, কি ধৰ্মপ্ৰচাৰ বা কি সাধাৰণ মানুহৰ বৌদ্ধিক আৰু আধ্যাত্মিক উত্তৰণৰ সংগ্ৰাম, ক'তোৱেই তেওঁ যতি পৰিবলৈ দিয়া নাই।

দুটা বিশেষ কথাই শংকৰদেৱৰ অসাধাৰণত্ব প্ৰমাণ কৰাত সহায় কৰে। খুব বাস্তৱবুদ্ধিসম্পন্ন মানুহ আছিল বাবেই শংকৰদেৱে কবীৰ আৰু গুৰু নানকৰ দৰে তীব্ৰ জাতিভেদবিৰোধী স্থিতি লোৱা নাছিল বুলি মই ভাবোঁ। কবীৰ আৰু গুৰুনানকে জাতিভেদ প্ৰথাক পুলিয়ে-পোখাই উৎখাত কৰিবলৈ প্ৰয়াস কৰাৰ বিপৰীতে শংকৰদেৱে আধ্যাত্মিক ক্ষেত্ৰখনতহে সকলোকে একে মৰ্যাদা দিছিল। অৱশ্যে সেই যুগত মানুহৰ জীৱনৰ ওপৰত আধ্যাত্মিক ক্ষেত্ৰ বা ধৰ্মীয় ক্ষেত্ৰখনৰ প্ৰভাৱ আজিৰ তুলনাত যথেষ্ট বেছি আছিল। শংকৰদেৱে বুজিছিল যে তদানীন্তন সমাজ ব্যৱস্থাত এজন ব্ৰাহ্মণ আৰু এজন চণ্ডালক একে দৃষ্টিৰে চোৱাতো অসুবিধা। কিন্তু জাতিভেদ প্ৰথাৰ কঠোৰত হ্ৰাস কৰিবলৈ তেওঁ সক্ষম হৈছিল। কবীৰৰ ভক্তৰ সংখ্যা বা প্ৰভাৱ বৰ্তমানৰ উত্তৰ ভাৰতত অতি সীমিত। গুৰুনানকৰ পন্থাটোৱে এটা ভিন্ন ধৰ্ম হৈ পৰিল যদিও হিন্দু ধৰ্মৰ জাতিভেদ প্ৰথা এটা পৰ্যায়লৈকে শিখ ধৰ্মতো সোমাল। তাৰ তুলনাত শংকৰদেৱক হৃদয়েৰে ভক্তি কৰা অসমৰ মহাপুৰুষীয়া মানুহৰ মাজত জাতিপ্ৰথাৰ কঠোৰতা বহু কম।

দ্বিতীয় কথাটো মহাৰাষ্ট্ৰৰ ভক্তি ধৰ্ম সন্তপুৰুষ জ্ঞানদেৱ আৰু টুকাৰামৰ লগত সম্পৰ্কিত। ব্ৰাহ্মণকুলত জন্ম লাভ কৰি পাছত জাতিচ্যুত হোৱা জ্ঞানদেৱে ভক্তিধৰ্ম প্ৰচাৰ কৰিবলৈ গৈ ইমান নিৰ্যাতনৰ সন্মুখীন হ'ল যে তেওঁ শেষত আত্মহত্যা কৰিবলৈ বাধ্য হ'ল। আন এজন সন্ত টুকাৰামে একাংশ ব্ৰাহ্মণৰ অৱজ্ঞা, ঘৃণা আৰু অন্যান্য মাৰাঠী কবিসকলৰ ঈৰ্ষা সহিব নোৱাৰি অৱশেষত আপোনঘাতী হৈছিল। জ্ঞানদেৱ আৰু টুকাৰামৰ তুলনাত শংকৰদেৱৰ জীৱনৰ প্ৰত্যাহ্বানবোৰ কোনো গুণেই কম নাছিল। কিন্তু প্ৰতিটো সংকটকে সম্ভাৱনীয়তালৈ পৰিৱৰ্তন কৰাৰ সামৰ্থ্য থকা শংকৰদেৱে কোনো দিনাই বিচলিত বা হতাশাগ্ৰস্ত নহৈ নিজ লক্ষ্যৰ দিশে দৃঢ়তাৰে আগবাঢ়িছিল। শংকৰদেৱৰ দৰে অভ্ৰভেদী ব্যক্তিত্বৰ বহুমুখী প্ৰতিভাসম্পন্ন মানুহৰ প্ৰায়বোৰ কৰ্মই আছিল জাতিৰ

চেতনা আৰু স্বাভিমান বৃদ্ধিৰ দিশে সমৰ্পিত। ধৰ্মগুৰু আৰু সমাজ সংস্কাৰক হোৱাৰ বাহিৰেও তেওঁ আছিল কবি, লেখক, সাহিত্যিক, দাৰ্শনিক, শাস্ত্ৰজ্ঞ পণ্ডিত, গীতিকাৰ, সুৰকাৰ, গায়ন, বায়ন, চিত্ৰকৰ, নৃত্যবিদ আৰু স্থাপত্য-ভাস্কৰ্যবিদ। তেওঁৰ সমদৰ্শী আদৰ্শৰ দ্বাৰা প্ৰভাৱান্বিত হৈ ইছলাম ধৰ্মাৱলম্বী চান্দসাইৰ দৰে লোকো তেওঁৰ শিষ্য হৈছিল। প্ৰসিদ্ধ কথাশিল্পী চৈয়দ আব্দুল মালিকে এই সম্পৰ্কত কোৱা কথাখিনি যথেষ্ট তাৎপৰ্যপূৰ্ণ। কাৰণ কথাষাৰৰ মৰ্মটোৱেই আমাৰ স্বাভিমান সত্বাটোৰ লগতে তেওঁৰ উদাৰতাকো পোহৰাই তোলে। তেওঁ কৈছে, "জগতৰ আগত মূৰ দাঙি থিয় হ'বলৈ, বুকু ফিন্দাই ক'বলৈ, আমাৰ এটাই পৰিচয় আছে। আমি শংকৰদেৱৰ দেশৰ মানুহ, তেওঁৰেই সতি-সন্ততি, তেওঁৰেই অনুগামী। হিন্দু-মুছলমান, বৈষ্ণৱ-শাক্ত নিৰ্বিশেষে এই চিনাকিৰে প্ৰতিজনে গৰ্ব অনুভৱ কৰিব পাৰে।"

আন এটা কথা উল্লেখ নকৰিলে বিষয়টো অসম্পূৰ্ণ হৈ ৰৈ যাব। আমি যে আজি অসমীয়া মানুহৰ জাতীয়তাবোধ, স্বকীয়তা আৰু স্বাভিমানৰ কথা আলোচনা কৰিবলৈ সক্ষম হৈছোঁ, তাৰ আঁৰৰ কাৰণে সেই তেজ-মঙহৰ মানুহজনেই। ধৰ্মপ্ৰচাৰ তেওঁৰ অন্যতম প্ৰধান লক্ষ্য আছিল যদিও এক বৰ্ণনাতীতভাৱে বলিষ্ঠ সাংস্কৃতিক আন্দোলনৰ দ্বাৰা তেওঁ মধ্যযুগৰ অসম, কামৰূপ আৰু বেহাৰ ৰাজ্যৰ অধিকাংশ সৰ্বসাধাৰণ মানুহক একতাৰ এনাজৰীৰে বান্ধি চুকাফাৰ দিনৰ পৰা চলি অহা অসমীয়া জাতি গঠন প্ৰক্ৰিয়াক আটাইতকৈ নিকপকপীয়া কৰি তুলিছিল। তেওঁৰ ধৰ্মৰ মূল বাণীটোৱেই আছিল— অদৃশ্য, অব্যক্ত অথচ সৰ্বব্যাপ্ত ঈশ্বৰক মূৰ্তিৰ মাজত পাব নোৱাৰি। নাম-কীৰ্তন আৰু শ্ৰৱণৰ জৰিয়তহে তেওঁৰ মাহাত্ম্য উপলব্ধি কৰিব পাৰি। দাস্য ভকতিৰ মাধ্যমেৰে আত্মনিৱেদন আৰু আত্মসমৰ্পণ কৰি ভগবানৰ চৰণত ভক্ত হিচাপে নিজৰ স্থান উলিয়াই লোৱাটোৱেই হ'ল এই ধৰ্মৰ মূল লক্ষ্য। এই ধৰ্ম প্ৰচাৰ বা এই সাংস্কৃতিক আন্দোলনৰ প্ৰসাৰৰ সময়ত শংকৰদেৱৰ অসামান্য মহাজীৱন, অতুলনীয় মহাপ্ৰতিভা, অদ্বিতীয় উদাৰতা আৰু বিস্ময়কৰভাৱে বাস্তৱমুখী ভাবাদৰ্শই অসমৰ বিশৃংখল সমাজৰ মাজলৈ শৃংখলা, ৰুচিবোধ আৰু সৌন্দৰ্যবোধ মাতি আনি সকলোকে উজ্জীৱিত, উদ্ভাসিত কৰি তুলিলে। অৱধাৰিতভাৱে এই ঐকান্তিক প্ৰয়াসৰ যাত্ৰাতেই জিলিকি উঠিল আমাৰ স্বাভিমানৰ বহু উপাদান। সেয়েহে কবি যতীন্দ্ৰনাথ দুৱৰাৰ কবিতাৰ যোগেদিয়েই ক'ব বিচাৰিছোঁ। কবি দুৱৰাই লিখিছে—

বোৱালা ভক্তিৰ সোঁত, দিলা ধৰ্ম দিলা জ্ঞান,
দিলা ভাষা অসমক কৰিলা জীৱন দান।
তোমাৰ জীৱনী দেৱ লিখে এনে সাধ্য কাৰ।
গোটেই অসম ভূমি বিস্তৃত জীৱনী যাৰ

শেষত ক'ব বিচাৰিছোঁ অসমৰ স্বকীয় সত্বাটোক অধিক শক্তিশালী, জনহিতকৰ আৰু আকৰ্ষণীয় কৰিবলৈ শংকৰদেৱে গ্ৰহণ কৰা প্ৰচেষ্টাক অসমৰ বাহিৰৰ প্ৰখ্যাত লোকসকলে কি দৃষ্টিভংগীৰে চাইছিল। মহাত্মা গান্ধী অসমলৈ চাৰিবাৰ আহিছিল। অসমলৈ অহাৰ আগতে তেওঁ অসম সম্পৰ্কে যথেষ্ট বিৰূপ মন্তব্য কৰিছিল। কিন্তু অসমলৈ আহি ইয়াৰ সমাজত শংকৰদেৱৰ ভাবাদৰ্শৰ গভীৰ প্ৰভাৱত সৃষ্টি হোৱা সহিষ্ণুতা, উদাৰতা আৰু সুস্থ জীৱনবোধৰ প্ৰতিফলন দেখি গান্ধীয়ে ক'বলৈ বাধ্য হৈছিল যে মই ভাৰতত যিখন ৰামৰাজ্যৰ কল্পনা কৰিছোঁ সেয়া অসমত পাঁচশ বছৰ আগতে মহাপুৰুষ শংকৰদেৱে কৰি থৈ গৈছে। জাতিৰ পিতা গান্ধীয়ে ইমান মুক্তমনেৰে প্ৰশংসা কৰাৰ পাছতো শংকৰদেৱৰ আদৰ্শ প্ৰকৃততে আমি কিমাননো বুজিছোঁ?

শান্তি আৰু অহিংসাৰ আন এজন প্ৰসিদ্ধ মহানায়ক বিনোৱা ভাৱেই শংকৰদেৱ-মাধৱদেৱ সম্পৰ্কত কোৱা কথাখিনিয়ে স্বাভিমানী অসমীয়াক আজিও শিহৰিত কৰিব পাৰে। তেওঁ কৈছিল— "যেতিয়ালৈকে অসমীয়াই শংকৰ-মাধৱক অনুকৰণ কৰি তেওঁসৱে দেখুৱাই দিয়া পথেদি চলি থাকিব, তেতিয়ালৈকে জগতৰ কোনো শক্তিয়েই অসমীয়াক অনিষ্ট কৰিব নোৱাৰিব। কিন্তু যিদিনাই অসমীয়াই নিজেই শংকৰ-মাধৱক পাহৰিব, সেইদিনা আৰু জগতৰ কোনো শক্তিয়ে অসমীয়াক নিঃশেষ হোৱাৰ পৰা ৰক্ষা কৰিব নোৱাৰিব।" বিনোৱাজীয়ে এইখিনি কথা কোৱা খুব বেছি দিনো হোৱা নাই। তথাপিও যেন খুব সোনকালেই কথাবোৰ মিলিবলৈ আৰম্ভ কৰিছে। আজি প্ৰতীকী অৰ্থত শংকৰ-মাধৱৰ কথা কোৱা ৰাজনৈতিক শক্তিৰ অভাৱ নাই। কিন্তু নিষ্ঠাৰে তেওঁলোকৰ আদৰ্শৰ মৰ্মবাণী হৃদয়ংগম কৰাৰ ইচ্ছা আৰু সাহস দুয়োটাই সেই ৰাজনৈতিক শক্তিবোৰৰ নাই। সেই ৰাজনৈতিক দলৰ দৰ্শনত বলীয়ান হৈ নাচি থকা এচাম অসমীয়াৰো তেওঁলোকৰ শিকনি উপলব্ধি কৰাৰ সামৰ্থ্য নাই। এইসকল অসমীয়াৰ অক্ষমতা আৰু অসমবিৰোধী শক্তিৰ ষড়যন্ত্ৰ ৰোধ কৰাৰ বাবেই আমি ইতিহাসলব্ধ শিক্ষা গ্ৰহণ কৰা উচিত। নিঃসন্দেহে অসমীয়াৰ স্বাভিমান বৃদ্ধিৰ যাত্ৰাটোত শংকৰদেৱৰ বহুমুখী প্ৰতিভাৰে বিচ্ছুৰিত হোৱা নানাৰঙী সমলবোৰৰ ভূমিকাই হ'ব সৰ্বাধিক।

**(লেখক ময়ূৰ বৰা অসমৰ এগৰাকী অগ্ৰণী নিবন্ধকাৰ, সমাজ গৱেষক)**



# গাঁৱৰ সৌন্দৰ্য্য

✍ ড° দীনমণি ভাগৱতী

'গাঁও'ৰ সমাৰ্থক ইংৰাজী শব্দ "Village"। এই Village শব্দটো লেটিন ভাষাৰ 'Villa' শব্দৰ পৰা উৎপত্তি হৈছে। Villa মানে কুটীৰ বা পজাঁঘৰ। সম্ভৱতঃ ফ্ৰান্সতেই অতীজৰে পৰা এই Village শব্দটো ব্যৱহাৰ কৰি অহা হৈছে।

এই গাওঁবোৰৰ ৰূপ বিনন্দীয়া। গাওঁবোৰ হ'ল অঘৰী মানৱ জীৱনৰ সংঘাটপূৰ্ণ জীৱন পৰিক্ৰমাৰ এক সফল আৱিস্কাৰ। বস্ত্ৰহীন মানৱৰ অঘৰী জীৱনৰ পৰিসমাপ্তি ঘটিছিল কৃষি পদ্ধতিৰ আৱিস্কাৰৰ যোগেদি আৰু খাদ্যৰ অন্বেষণত ঘুৰি ফুৰিব লগীয়া জীৱনৰ অৱসান ঘটি স্থায়ী বসতিৰ চিন্তা উদ্ভৱ হৈছিল। মুক্ত পৃথিৱীৰ প্ৰকৃতি প্ৰধান পৰিৱেশত স্বগোত্ৰৰ লোক সকলে বিভিন্ন সমস্যাৰ সন্মুখীন হ'ব পৰাকৈ একেলগে বসবাস কৰিছিল আৰু গঢ়ি তুলিছিল একো একোটা নিজস্ব স্বকীয়তা প্ৰতিফলিত পৰিৱেশৰ। তেনেদৰেই আৰম্ভ হৈছিল গাওঁৰ ধাৰণাৰ। গাঁও একোটা সামাজিক একক গোট। বিৱৰ্তনৰ মাজেদি পিছলৈ এই সামাজিক গোটবোৰ একোটা প্ৰশাসনিক গোটলৈ ৰূপান্তৰিত হ'ল। বিশেষকৈ অৰ্থনীতি ব্যৱস্থাৰ প্ৰাধান্যতা বৃদ্ধি হোৱাৰ লগে লগে ৰাজহ সংগ্ৰহৰ সুবিধাৰ বাবে মুক্ত গাওঁবোৰক চাৰিসীমাৰে আৱদ্ধ কৰি জৰীপ ব্যৱস্থাৰ যোগেদি সৃষ্টি কৰা হ'ল ৰাজহ গাওঁৰ। প্ৰশাসনৰ লগত সম্পৰ্ক ৰক্ষাৰ বাবে সৃষ্টি কৰা হ'ল গাওঁবুঢ়া পদৰ। সৰল গ্ৰাম্য জনজীৱন ক্ৰমাগতভাৱে আগবাঢ়িব ধৰিলে কৃত্ৰিমতাৰফালে। ৰচনা হ'ব ধৰিলে জটিল পৰিৱেশৰ।

সাধাৰণতে কেইবাটাও পৰিয়াল ওচৰা-ওচৰিকৈ বসতি কৰিলে তেনে বসতি অঞ্চলক চুবুৰী বুলি কোৱা হয় আৰু তেনে চুবুৰী কেইটামান লগ হৈ সৃষ্টি হয় একোখন গাওঁৰ। মানৱ বসতিৰ এনে অঞ্চলবোৰ অতীজতে আৰম্ভ হৈছিল সাধাৰণতে নদ-নদী বা পুখুৰী-জলাশয় আদিক কেন্দ্ৰ কৰি। ইয়াৰ একমাত্ৰ কাৰণ আছিল প্ৰথম অৱস্থাত পানীৰ সহজলভ্যতা আৰু পিছলৈ যাতায়ত যোগাযোগ আৰু বেপাৰ-বাণিজ্যৰ বাবে। প্ৰদূষণহীন নিৰ্মলমুক্ত পানীয়ে গাওঁবোৰ সেউজ আৰু সজীৱ কৰি ৰাখিছিল। পিচে গাওঁবোৰে বসতিৰ

ক্ষুদ্রতম্ একক নহয়। আজিও বিশেষকৈ পাহৰুৱা অঞ্চলবোৰত আৰু গভীৰ অৰণ্যৰ মাজত অ'ত -ত'ত দুই চাৰিঘৰ মানুহ বসতি কৰি থকা দেখা যায়। আমাৰ ওচৰতে কাৰ্বি পাহাৰতেই এনেকুৱা বসতি আছে। তেনেকৈ ভুটান হিমালয়ৰ নামনি অঞ্চলৰ অৰণ্যৰ মাজতো এনেবোৰ বসতি এককত দেখা নাযায় বাবে এনে বসতিবোৰক হেমলেট আৰ্হিৰ বসতি বুলি জনা যায়।

গাওঁবোৰৰ অৱস্থান এতিয়া আৰু প্ৰাকৃতিক পৰিৱেশ নিৰ্ভৰশীল হৈ থকা নাই। জনসংখ্যা বৃদ্ধিৰ ফলত আৰু প্ৰযুক্তি বিদ্যাৰ উন্নয়নৰ বাবে প্ৰাকৃতিক প্ৰতিবন্ধকতাক নেওচি মানুহে গঢ়ি তুলিছে গ্ৰাম্য বসতি সময়ৰ সোঁতত প্ৰৱাহিত হোৱা আধুনিক জীৱনধাৰণৰ আহিলাপাতি গ্ৰাম্যাঞ্চলতো উভৈনদী হোৱাৰ ফলত গ্ৰাম্য জীৱনৰ সৌন্দৰ্য্য আৰু মাদকতাৰ ওপৰতো প্ৰভাৱ পেলাইছে, নগৰীয়া জীৱন আৰু গ্ৰাম্য জীৱনৰ



মাজত জীৱন ধাৰণৰ মানদণ্ডৰ পাৰ্থক্য কমি আহিছে। এটা সময়ত গ্ৰাম্য জীৱনৰ আটাইতকৈ গুৰুত্বপূৰ্ণ বৈশিষ্ট্যটো আছিল আত্মনিৰ্ভৰশীলতা। গোহালিত গৰু, পুখুৰীত মাছ, বাৰীত তামোল-পান শাকনিত শাক ইত্যাদিবোৰ । গ্ৰাম্য জীৱন হ'ল কৃষক জীৱন। কৃষি উৎপাদনৰ প্ৰতীক। উৎপাদনত আনন্দ থাকে। কৃষিৰ বুকুত ৰচিত হয় কৃষ্টি আৰু কৃষ্টিতেই গঢ়ি উঠে নানা ৰহনীয়া সংস্কৃতি, সেয়ে হৈ পৰে গ্ৰাম্য সংস্কৃতি বিনন্দীয়া। গ্ৰাম্য সংস্কৃতি অনন্য, একক। সৰলতাৰ মাজতেই মৌলিক চিন্তাৰ কৰ্ষণ ঘটে। গঢ়ি উঠে সংস্কৃতিৰ সাধক-সংস্কৃত পণ্ডিত।

ভাৰতবৰ্ষত ৰচিত হোৱা বেদ-উপনিষদবোৰ সৃষ্টি হৈছিল গ্ৰাম্য পৰিৱেশত। পিছলৈও মহাকবি কালিদাস বা তাৰো বহু শতিকা আগৰ পণ্ডিত অশ্বঘোষৰ ৰচনাৱলীত গ্ৰাম্যঞ্চলৰ প্ৰাকৃতিক মনোমোহা দৃশ্যৰ বৰ্ণনাই মানুহৰ মনৰ বিশালতা সুন্দৰভাৱে প্ৰকট কৰিছে। সেয়েই হয়তো প্ৰাচ্য দাৰ্শনিক স্বামী বিৱেকানন্দ আৰু জাতিৰ পিতা মহাত্মা গান্ধীয়ে ভাৰতবৰ্ষৰ গ্ৰাম্যাঞ্চলৰ উন্নয়নৰ ওপৰত সৰাতোকৈ বেছি গুৰুত্ব প্ৰদান কৰিছিল। স্বামী বিৱেকানন্দই কৈছিল "ভাৰতৰ আত্মা নিহিত হৈ আছে গ্ৰাম্যাঞ্চলত"। মহামানৱ মহাত্মা গান্ধীয়েও ভাৰতৰ অৰ্থনীতি বিকশাই তুলিব বিচাৰিছিল গ্ৰাম্যাঞ্চলত বুনিয়াদ শিক্ষাৰ বহুল প্ৰয়োগ আৰু প্ৰচাৰৰ যোগেদি। গ্ৰাম্যাঞ্চলৰ যুৱক-যুৱতীক হাতে-কামে জড়িত কৰি ভাৰতবৰ্ষক স্বাৱলম্বী কৰি তুলিব বিচাৰিছিল।

যুগে যুগে পৃথিৱীৰ সকলো অঞ্চলতে গাওঁ থাকিব। একৈশ শতিকাত ভাৰতবৰ্ষত চহৰ-নগৰৰ সংখ্যা দ্ৰুত গতিত বৃদ্ধি পালেও ভাৰতবৰ্ষৰ মুঠ জনসংখ্যাৰ প্ৰায় ৬৮.৮৪ শতাংশ লোক ৬,৪০,৮৬৭ খন গাওঁৰ বাসবাস কৰি আছে। গ্ৰাম্য অঞ্চলত বসবাস কৰা লোকৰ সংখ্যা প্ৰায় ৮৩৩.১ নিযুত। ইয়াৰ বিপৰীতে কেৱলমাত্ৰ ৩১.১৬ শতাংশ লোকহে নগৰ অঞ্চলত বাস কৰে।

ঠিক তেনেদৰে অসমত ৮৫.৯০ শতাংশ লোক ২৬,২৪৭ খন গাওঁত বসবাস কৰি আছে। গ্ৰাম্যাঞ্চলত বাস কৰা লোকৰ সংখ্যা ২৬,৮০৭,০৩৪ জন। ইয়াৰ বিপৰীতে কেৱল মাত্ৰ ১৪.১০ শতাংশ লোকেহে নগৰঅঞ্চলত বাস কৰে। অৰ্থাৎ নগৰীয়া জনসংখ্যা হ'ল মাত্ৰ ৪,৩৯৮,৫৪২ জন।

গ্ৰাম্যঞ্চলৰ ক্ষেত্ৰত নলবাৰী জিলাখন এক বিশেষ বৈশিষ্ট্যপূৰ্ণ। ইয়াৰ কাৰণ হ'ল যে ৮৯.২৯ শতাংশ লোকেই গ্ৰাম্যাঞ্চলত বসবাস কৰে নগৰীয়া লোকৰ সংখ্যা কেৱলমাত্ৰ ১০.৭২ শতাংশ। অৰ্থাৎ মাত্ৰ ৮২,৭৩০ জন লোকে নগৰত বাস কৰে। নলবাৰী চহৰ আৰু টিহু নগৰ, এই দুখনেই মাত্ৰ নলবাৰী জিলাৰ পৌৰ বসতি অঞ্চল।

অসমৰ সৰ্বমুঠ ২৬,২৪৭ খন গাওঁৰ ভিতৰত নলবাৰী জিলাত গাওৰ সংখ্যা হ'ল ৪৬৭ খন। জিলা সমূহৰ ভিতৰত কামৰূপ মেট্ৰ জিলাত সৰ্বনিম্ন ২২৯ খন গাঁও আৰু হাইলাকান্দি জিলাত ৩৩৪ খন গাঁও আছে। ইয়াৰ পিছতেই তৃতীয় সৰ্বনিম্ন গাওঁৰ সংখ্যা থকা জিলা নলবাৰী (৪৬৭) খন। ইয়াৰ বিপৰীতে কাৰ্বি আলং জিলাত সৰ্বাধিক ২৯২৮ খন। শোণিতপুৰ জিলাত ১৮৮৯ খন, আৰু ডিব্ৰুগড় জিলাত ১৩৫৯ খন গাঁও আছে।

অকল নলবাৰী বা অসমেই নহয়, পৃথিৱীৰ সকলো ঠাইৰেই গাওঁবোৰৰ নামবোৰৰ লগত স্থানীয় বৈশিষ্ট্য ঐতিহ্য, ইতিহাস আদি জড়িত হৈ আছে। আৰম্ভণীতেই এনেবোৰ বৈশিষ্ট ঘাইকৈ প্ৰাকৃতিক জগতখনৰ লগত সম্বন্ধিত আছিল যদিও পিছলৈ নানা সাংস্কৃতিক উপাদানবোৰ জড়িত হৈ পৰে। তথাপি কিন্তু গাওঁৰ এক স্বকীয় সৌন্দৰ্য্য আছে।

# সময়ৰ সৃষ্টি
# অতীত আৰু ভৱিষ্যত

✍ ড° মহানন্দ পাঠক
*অধ্যাপক, পদাৰ্থ বিজ্ঞান বিভাগ, বৰভাগ মহাবিদ্যালয়*

**যো**ৱা সহস্ৰাব্দত শ্ৰেষ্ঠ বুদ্ধিজীৱি তথা দাৰ্শনিক, বিজ্ঞান মনীষী হিচাপে পৰিচিত মহান বিজ্ঞানী এলবাৰ্ট আইনষ্টাইন (খ্ৰীঃ ১৮৭৯-১৯৫৫) ৰ সময়ত দুজনী যমজ ছোৱালী আছিল। যদি যমজ ছোৱালী দুজনীৰ এজনীয়ে পৃথিৱীৰ পৰা আকাশীযানেৰে পোহৰৰ বেগত অৰ্থাৎ প্ৰতি ছেকেণ্ডত তিনিলাখ কিলোমিটাৰ বেগত মহাকাশলৈ গৈ পুণৰ পৃথিৱীলৈ উভতি আহে, অৰ্থাৎ এজনী যমজই মহাকাশত ঘুৰি-ফুৰি পুনৰ (সেই যমজজনীয়ে) আগৰ অৱস্থানলৈ উভতি আহে, য'ত আনজনী যমজই পৃথিৱীৰ সেই একে অৱস্থানতে ৰৈ আছে। মহাকাশলৈ ঘূৰিব যোৱা যমজজনীয়ে দেখিব যে পৃথিৱীত থকা যমজজনী তেওঁতকৈ বহুত বুঢ়া হৈ গৈছে। যদিহে মহাকাশলৈ যোৱা যমজজনীয়ে মহাকাশত কিছুদিন কটাই আহে। ইয়াকে কোৱা হয় যমজ-সাঁথৰ। এনেধৰণৰ উদাহৰণৰ পৰা দেখা যায় যে কাল (Time) দ্ৰষ্টা নিৰপেক্ষ নহয়। দ্ৰষ্টাৰ অৱস্থান আৰু গতিশীলতাৰ ওপৰত কাল নিৰূপিত হয়। অনাদি বিজ্ঞানবিদ ষ্টিফেন হকিঙে দৃঢ়তাৰে কৈছিল যে সময় বা কালৰ প্ৰাৰম্ভণ হৈছিল কোনো এক সসীম সুদূৰত আৰু সসীম অনাগত ভৱিষ্যতত তাৰ অন্তও পৰিব। মহাবিশ্বত স্থানকালৰ স্বৰূপৰ ওপৰত ভিত্তি কৰিয়েই ফৰাচী বিজ্ঞানী মাকুইছ দ্যা লাপ্লাছে ঘোষণা কৰিছিল যে আমি যদি বিশ্বব্ৰাহ্মাণ্ডৰ কোনো এটা মুহূৰ্ত্তৰ অৱস্থা সঠিকভাৱে জানিব পাৰো, তেন্তে বিজ্ঞানৰ সূত্ৰসমূহৰ সহায়ত ভৱিষ্যতৰ কোনো এক মুহূৰ্ত্তত বিশ্বব্ৰাহ্মাণ্ড বা মহাবিশ্বত কি কি ঘটিব সেইটো নিৰ্ভুলভাৱে হিচাপ কৰি উলিয়াব পাৰিম।

বিশ্বব্ৰহ্মাণ্ডৰ আৰম্ভণিৰে পৰাই অৰ্থাৎ মহাবিশ্বৰ সৃষ্টিৰ ক্ষেত্ৰত মহাবিস্ফোৰণ হোৱা মুহূৰ্ত্ততেই সময় গণনাৰ পাতনি বুলি নধৰিলে ইয়াৰ আৰু অইন তত্ত্ব সম্পৰ্কীয় সত্য নাই, যাৰ অন্ত নাই যি প্ৰৱহমান গতি আৰু যি ক্ৰয়যোগ্য নহয়। মাত্ৰ আমি সাময়িকভাৱে কিবা কাম কৰিবলৈকে কাৰোবাৰ সাপেক্ষে অৰ্থাৎ আপেক্ষিকভাৱে একো একোটা মিনিট, ঘণ্টা অথবা দিন নিৰ্দ্ধাৰণ কৰি লওঁ। তথাপি নিৰ্দ্দিষ্ট সময়ৰ মূৰত নিৰ্দ্দিষ্ট কাম প্ৰায়েই নিসিজে। সেয়েহে, সময় সচেতক চীন দেশৰ নাগৰিকসকলৰ মাজত এষাৰ প্ৰৱচন আছে যে "এক মিনিট সময়, এক ইঞ্চি সোণৰ জোখেৰে কিনিব নোৱাৰি"। আমেৰিকা, জাপান, ফ্ৰান্স আদি দেশবোৰৰ নাগৰিক সকলৰ বাবে সময় বোলা ৰাশিটো




অতি গুৰুত্বপূৰ্ণ বস্তু। যিয়ে কোনো এটা ঘটনাক নিৰ্দ্দিষ্ট কৰি দিব পাৰে। কিন্তু ইয়াৰ বিপৰীতে আমাৰ দেশৰ প্ৰায়ভাগ নাগৰিকৰ বাবে সময় হয়তো একেবাৰেই নহয়, কোনোবাই শ'লঠেকত পৰিলেহে সময়ৰ কথা কৈ বা দোহাই দি বাচি যাব খোজা পৰিলক্ষিত হয়। ঈশ্বৰে সময়ক সৃষ্টি কৰা নাই বুলি কোৱাৰ কোনো প্ৰয়োজন নাই।

বিশ্ববিখ্যাত নাটক 'Waiting for Godot' (ভগৱানৰ প্ৰতীক্ষাত)ৰ ফৰাচী লেখক আইৰিছ নাট্যকাৰে ছেম্যুৱেল ব্ৰেকেটৰ মতে অন্ধ মানুহৰ বাবে সময়ৰ কোনো ধাৰণা নাই, সময়ৰ সোঁতত যি ঘটে, সকলো সিহঁতৰ আঁৰত থাকি যায়। তথাপি অন্ধ মানুহজনো যে বুঢ়া হৈ গৈ থাকে, সেইটো নিশ্চয় তেওঁ নিজেও অনুভৱ কৰে, যাৰ বাবে সময়ৰ জোখ আহি যায়। অৰ্থাৎ তেওঁৰ বৰ্তমান বয়স কিমান

হৈছে সেইটো আইনৰ পৰা সুধি লয়, ৰহ'লে তেওঁ, তেওঁৰ হাতৰ তলুৱাৰ আঙুলিৰ সাচতে জীৱনৰ স'তে সময়ৰ (বয়সৰ) লেখ আঁকে। দাৰ্শনিক যুক্তি-যক্তাৰে চাব গ'লে আমাৰ জীনৱত সময়েৰে লেখ আঁকো, নহয়নে বাৰু? সময়ৰ সহায়তে আমি আমাৰ জীৱন কাল (life time), পৃথিৱীৰ বয়স, নক্ষত্ৰ জগতৰ বয়স তথা কোনো প্ৰাকৃতিক দুৰ্ঘটনাৰ কালৰ জোখ ল'ব পাৰো বা নিৰ্ণয় কৰিব পাৰো।

গতিকে, যুগশ্ৰেষ্ঠ বিজ্ঞানী এলবাৰ্ট আইনষ্টাইনে কোৱাৰ দৰে সময় বোলা ৰাশিটো আপেক্ষিকহে। ১৯১৫ চনত সাধাৰণ আপেক্ষিকতাবাদ (General theory of relativity) এ সময়ক ব্যক্তিগত ধাৰণাৰ পৰিণত কৰিলে যদিও সময় এক প্ৰৱহমান গতি। কবি যতীন্দ্ৰনাথ দুৱৰাই কবিতাৰ এঠাইত জীৱনৰ আদিছোৱাত লিখিছিল 'অতীতক নাযাবা পাহৰি', আৰু তেওঁ তেওঁৰ জীৱনৰ শেষছোৱাত আন এটি কবিতাৰ এঠাইত লিখিছিল 'অতীতক যোৱাহে পাহৰি'।

এই বাক্য তথা কবিতাৰ পংক্তি দুটাৰ অন্তৰালত লুকাই আছে অতীত সম্পৰ্কে কবিজনাৰ তথা মানৱজাতিৰ গভীৰ আস্থা, কিন্তু ভৱিষ্যত সম্পৰ্কে? ভৱিষ্যৎ সম্পৰ্কে সময়েহে ক'ব, যাৰ লগত সংলগ্ন হৈ আছে এটা নিকায় (System) আৰু সেই নিকায়টোৰ বিশৃংখলতাৰ বৃদ্ধি। এটা কথা ঠিক যে যিকোনো আবদ্ধ নিকায় এটাৰ বিশৃংখলতা অৰ্থাৎ এনট্ৰিপি (entropy) সময়ৰ লগে লগে বৃদ্ধি পায়। বিশৃংখলতা বাঢ়ি যোৱাটো যেন বিশ্বজগতৰ ৰীতি, যিহেতু সময় প্ৰৱহমান গতি। কিন্তু সময়ৰ শৰে (Arrow of time) অতীত আৰু ভৱিষ্যতৰ পাৰ্থক্য আনি সময় কেনি বয় তাক নিৰ্ণয় কৰে।

আপাততঃ সময়ৰ তিনিটা শব্দ (Arrow) আছে। যেনে-

ক) তাপগতিক সময়ৰ শব্দ (Thermodynamic arrow of time), যিয়ে এনট্ৰ'পি বৃদ্ধিৰ দিশ নিৰ্ণয় কৰে।

খ) মনস্তাত্বিক সময়ৰ শৰ (Psychological arrow of time), যিয়ে অতীতক মনত কৰা দিশ দিয়ে, যদিও ভৱিষ্যতক নহয়।

গ) অনাদি তত্ত্বভিত্তিক সময়ৰ শৰ (Cosmological arrow of time), যিয়ে বিশেষকৈ বিশ্বব্ৰাহ্মাণ্ডখন সংকোচন হৈ থকাৰ পৰিৱৰ্তে প্ৰসাৰণশীল হৈ থকাৰ দিশ নিৰ্ণয় কৰে।

মহাবিশ্বৰ সৃষ্টিতত্ত্বৰ বিষয়ে বিজ্ঞানী ষ্টিফেন হকিঙৰ "A Brief History of Time", কাৰ্ল ছেগানৰ 'Cosmos' নামৰ গ্ৰন্থ দুখন সমানুপাতে একে সময়তে পঢ়ি অলেখ কথাৰ যিকোনো এটা কথা লিপিবদ্ধ কৰাৰ সময়ত আমাৰ স্মৃতিক সুশৃংখল অৱস্থালৈ আনিবলৈকে এক বিশেষ পৰিমাণৰ শক্তি (মানসিক) ক্ষয় কৰিব লগা হয়। শক্তিৰ এই ক্ষতিয়ে তাপশক্তিৰূপে পৰিৱেশ তথা বায়ুমণ্ডলৰ বিশৃংখলতা বৃদ্ধিত অৰিহণা যোগায়। গতিকে মনস্তাত্বিক সময়ৰ শৰ আমাৰ মনত স্থিৰ হয় তাপগতিক সময়ৰ শৰৰ দিশত।

মহাবিশ্বৰ আৰম্ভণিৰ প্ৰশ্নটো বিশ্লেষণ কৰিবলৈ গ'লেই অতীত সময় আৰু স্থানৰ পূৰ্বানুমান কৰিব লগা হয়, যাক গণিতৰ ভাষাত 'Boundary Condition' বুলি কোৱা হয়। সৃষ্টিৰ আৰম্ভণিৰ মুহূৰ্ত্তত অৰ্থাৎ মহাবিস্ফোৰণৰ মুহূৰ্ত্তত সময় শূণ্য বুলি ধৰি এক বিলিয়ন মাইক্ৰ'ছেকেণ্ড পিছত মহাবিশ্বৰ প্ৰসাৰণৰ হাৰ অতি তীব্ৰগতিত হোৱা বুলি অনুমান কৰা হয়। তেনে সময়ত হয়তো বিশ্বব্ৰাহ্মাণ্ডৰ আয়তন বহু গুণে বৃদ্ধি পাইছিল য'ত ঘনত্বৰ বৈষম্য অতি কম আছিল। সময় গৈ থকাৰ লগে লগে সেই তাৰতম্য বাঢ়ি গৈ কম ঘনত্বৰ অঞ্চলসমূহৰ তুলনাত বেছি ঘনত্বৰ অঞ্চলসমূহৰ প্ৰসাৰণৰ গতি মন্থৰ হৈ পৰিছিল। সময়ৰ সোঁতত হয়তো এদিন মন্থৰণ স্তব্ধ হৈ পৰিছিল। মহাকৰ্ষীয় সংকোচনৰ পৰিণতিতেই সেই অঞ্চলবোৰৰ পতন ঘটি হাতীপটি, নক্ষত্ৰ আৰু জীৱজগতৰ সৃষ্টি হৈছিল। জন্ম-লগ্নত মহাবিশ্বখন হয়তো শান্ত-সমাহিত আৰু মসৃন আছিল। সময়ৰ লগে লগে সেই শান্ত- সমাহিত ৰূপ সলনি হৈ তাৰ ঠাইত বিশৃংখলতা আৰু বৈষম্যই দেখা দিছিল। অনাদি বিজ্ঞানবিদ ষ্টিফেন হকিঙে তাপগতিক সময়ৰ শৰৰ ব্যাখ্যা এনে ধৰণেই আগবঢ়াইছিল।

বিশ্বতত্ত্ববিদ ষ্টিফেন হকিঙে পোনতে মহাবিশ্বৰ সংকোচন দশাত তাৰ বিশৃংখলতা হ্ৰাস পাব বুলি ধাৰণা কৰিছিল যদিও পেনছিলভেনিয়া ৰাজ্যিক বিশ্ববিদ্যালয়ৰ বিজ্ঞানী ড'ন প্ৰেজ আৰু তেখেতৰ ছাত্ৰ ৰেমণ্ড লাফ্ৰামে তেওঁলোকৰ গৱেষণাত সংকোচনৰ দশাতো বিশৃংখলতা বৃদ্ধি পাব বুলি মন্তব্য কৰিছিল। আচলতে, মহাবিশ্বৰ সম্প্ৰসাৰণৰ লগে লগে বিশৃংখলতা বাঢ়ি যায়, কিয়নো মহাবিশ্বৰ স্ফীতি (inflationary) হাৰ আছিল ক্ৰান্তিক হাৰৰ অতি ওচৰত। যিয়ে মহাবিশ্বৰ পতন হয়তো বহুত দিনলৈকে পিছুৱাই দিব পাৰে। অৱশ্যে, তেতিয়ালৈকে নক্ষত্ৰবিলাকৰ ইন্ধন পুৰি শেষ হৈ যাব সি নিশ্চিত।

সম্ভৱতঃ এনেকুৱা হ'লে প্ৰ'টন আৰু নিউট্ৰ'নবিলাকৰ অৱক্ষয় হৈ লঘু তথা বিকিৰণত পৰিণত হ'ব। যাৰ ফলত বিশৃংখলতা আৰু বৃদ্ধি পাব। মহাবিশ্বৰ বিশৃংখলতাৰ সেয়াই হ'ব চূড়ান্ত অৱস্থা, য'ত তাপগতিক সময়ৰ শৰ অন্তৰ্নিহিত হ'ব। ষ্টিফেন হকিঙৰ মতে বুদ্ধিমান জীৱৰ বিকাশৰ বাবে শক্তিশালী তাপগতিক শৰৰ উপস্থিতি অপৰিহাৰ্য। কিয়নো বুদ্ধিমান জীৱ জীয়াই থাকিবৰ বাবে খাদ্য গ্ৰহণ কৰাটো অপৰিহাৰ্য্য, য'ত খাদ্য শক্তি তাপ শক্তিলৈ ৰূপান্তৰিত হৈ বুদ্ধিমান জীৱৰ স্থিতি সম্ভৱ হ'ল।

**সহায়ক গ্ৰন্থ ঃ**


- Einstein Albert, Ideas and Opinion, Rupa & Co. Calcutta, Allahabad, Bombay INDIA
- Einstein Albert and Leopold Infeld, Evolution of Physics, EUROPE
- Guerage Sir Thomoson, The Atom, Oxford University Press, UK
- Hawking Stephen W.A. Brief History of Time, BantamBooks, Landon Bantam Edition, UK
- Hawking Stephen W., The Theory of Everything, JAICO Publishing House, INDIA
- Navalkar M.P., of Science and Scientists, National Book Trust, INDIA
- Rydnit Y., ABC's of Quantum Mechanices, Mir, publishers, USSR
- Sagan Carl, Cosmos, Harper Collins Publishers, Londan, UK



# এন.জি.অ' আৰু সমাজৰ কল্যাণ সাধন

## এক দৃষ্টি

✍ বিনয় কুমাৰ মজুমদাৰ

**দেশ** এখনৰ সামগ্ৰীক বিকাশ সুনিশ্চিত কৰিবলৈ হ'লে চৰকাৰী অনুষ্ঠান, প্ৰতিষ্ঠান আৰু সংস্থাসমূহৰ যিদৰে ভূমিকা থাকে ঠিক তেনেদৰে বে-চৰকাৰী সংস্থা বা অনা চৰকাৰী সংস্থা (NGO) সমূহৰো ভূমিকা থাকে বা আছে। এই দুটা পক্ষৰ সহযোগতে প্ৰকৃততে কবলৈ গ'লে দেশ নিৰ্মান কাৰ্য্য সম্ভৱ হৈ পৰে। দুয়োটা পক্ষৰে যৌথ প্ৰচেষ্টা আৰু সঠিক পৰিকল্পনাতহে দেশৰ উন্নয়ণ আৰু বিকাশ সম্ভৱ।

সমাজ এখনত আৰ্থিক দিশৰ ওপৰত ভিত্তি কৰি ধনী-দুখীয়া বুলি দুটা শ্ৰেণী থাকে যদিও আন কেতবোৰ কাৰকৰ প্ৰভাৱত পৰি সমাজত অন্য ধৰণৰ বহুতো শ্ৰেণীৰ সৃষ্টি হয়। যি সমূহৰ প্ৰকৃত বাচনি আৰু তাৰ ক্ষেত্ৰত ল'বলগীয়া যথোপযুক্ত পদক্ষেপ অবিহনে দেশৰ উন্নয়ণ আশা কৰিব নোৱাৰি। আমাৰ সমাজখনত এনে এক শ্ৰেণী যুগ যুগ ধৰি দেখিবলৈ পাই আহিছো যিটো শ্ৰেণীক আমি সমাজৰ বিভিন্ন সুবিধাৰ পৰা বঞ্চিত (underprivileged) শ্ৰেণী বুলি অভিহিত কৰো। সমাজ এখনৰ ধনী বা দুখীয়া এই দুই শ্ৰেণীৰ লোকৰ মাজতেই সুবিধাৰ পৰা বঞ্চিত শ্ৰেণীৰ লোকসকল থাকে। আৰ্থিকভাৱে দুৰ্বল জনসাধৰণৰ মাজত যদিও সুবিধা পাবলৈ সক্ষম নোহোৱা লোকৰ সংখ্যাটো অধিক থাকে তথাপিও ধনী শ্ৰেণীৰ লোকৰ মাজতো বিভিন্ন অসুবিধাভোগ কৰি থাকিবলগীয়া লোকৰ সংখ্যা নগন্য নহয়। বিভিন্ন বিষয়ৰ ওপৰত জ্ঞান আহৰণ বা তথ্য আহৰণ কৰিবলগাৰ গুৰুত্ব সমাজত সকলো অংশৰ মানুহৰ বাবে নিতান্তই প্ৰয়োজনীয় এটা দিশ। সুস্থ সমাজগঠনৰ কথাটোত আৰ্থিক দিশবোৰৰ সমান্তৰালকৈ অন্যান্য কথাবোৰো খুউব মনযোগ দিবলগীয়া কেতবোৰ কথা।

সমাজত দেখা পোৱা সুবিধাৰ পৰা বঞ্চিত শ্ৰেণীটোৰ হৈ কাম কৰাৰ ক্ষেত্ৰত ভাৰতবৰ্ষৰ দৰে দেশবোৰত চৰকাৰী সংস্থা সমূহৰ দৰে বেচৰকাৰী সংস্থা সমূহেও নিজস্ব ধৰণে কাম কৰা দেখি আহিছো। বেচৰকাৰী সংস্থা

(NGO) সমূহৰ কাম-কাজবোৰ মূলতঃ সুবিধাৰ পৰা বঞ্চিত লোকসকলৰ উন্নয়ন আৰু সহযোগিতাৰ ক্ষেত্ৰতে কেন্দ্ৰীভূত হৈ থাকে। এন.জি.অ' সমূহে যিহেতুকে স্বাধীন চিতীয়াকৈ কৰ্ম সম্পাদন কৰিবলৈ সাজু থাকে তেনেক্ষেত্ৰত দেশৰ আৰ্থ-সামাজিক ক্ষেত্ৰতেই অকল মাত্ৰ নহয় অন্যান্য ক্ষেত্ৰসমূহতো তেওঁলোকে চৰকাৰী সংস্থাসমূহৰ স'তে বহুসময়ত চৰকাৰৰ পৰা বিত্তীয় সুবিধা গ্ৰহণ নকৰাকৈও নিৰ্দ্দিষ্ট অঞ্চল একোটাত নিৰ্দ্দিষ্ট বিষয়ক লৈ কামকাজ অব্যাহত ৰাখিবলৈ প্ৰয়াস কৰে। এন.জি.অ' সমূহে নিজস্ব শৈলী আৰু চৰিত্ৰৰ যোগেদি কাম-কাজ ৰূপায়ণ কৰোতে তেওঁলোকে প্ৰস্তুত কৰা প্ৰকল্প বা আঁচনিসমূহৰ ৰূপায়ন সম্ভৱ কৰি তোলাটোৱেই এন.জি.অ' সমূহৰ মূল লক্ষ্য বা দিশ।

দেশ এখনৰ অন্তৰ্গতি বিভিন্ন খণ্ডত বা স্তৰত কাৰ্য ৰূপায়ন কৰিবলৈ লওতে এন.জি.অ' সমূহে সদায়েই এটা কল্যানকামী চৰিত্ৰ তেওঁলোকে গ্ৰহণ কৰা কামকাজৰ যোগেদি প্ৰকাশ কৰিবলৈ যত্ন কৰে। দেশৰ কল্যান সাধনৰ দিশটোক আগুৱাই নিয়াৰ স্বাৰ্থত এন.জি.অ' বোৰে কাম কৰে। এই কল্যান সাধনৰ দিশবোৰ ৰূপায়ন কৰিবলৈ লওতে সমাজখনৰ সমুখত দেখা দিয়া আৰ্থিক সংকট, সামাজিক সমস্যা, শৈক্ষিক সমস্যা, ৰাজনৈতিক সমস্যা আদি দূৰ কৰাৰ দিশত বিশেষ মনোবিৰেশ কৰিব লগাত পৰে। এই সমস্যাসমূহ দূৰ কৰাৰ জৰিয়তে উন্নয়ণ প্ৰক্ৰিয়া ক্ষীপ্ৰতৰ হলেহে প্ৰকৃত অৰ্থত সামাজিক কল্যানসাধন বাদ পৰি নাযায়।

ভাৰতবৰ্ষৰ প্ৰেক্ষাপট বিশ্লেষণ কৰিবলৈ গ'লে আমি দেখো যে, এন.জি.অ' সমূহ হৈছে লাভহীন ভাৱেৰে কাম কাজ কৰা এটা সামাজিক সংস্থা। যাৰ বাবে এন.জি.অ' বা কোনো বেচৰকাৰী সংস্থাৰ মাজত কোনো কাৰণতে ব্যৱসায়িক দৃষ্টিভংগী গা কৰি উঠা দেখা নাপাও। এন.জি.অ' বোৰে মূলতঃ কোনো এটা প্ৰস্তাৱিত প্ৰকল্প ৰূপায়নৰ প্ৰচেষ্টাত কামকাজ সম্পাদন কৰি সামূহিক মংগল সাধনৰ দিশত অগ্ৰাহান্বিত হৈ তাৰ স্বাৰ্থৰ প্ৰতিয়েই সচেষ্ট হৈ থকা সংস্থা। য'ত আছে লাভশূণ্য অ-ব্যৱসায়িক সামূহিক মংগলসাধনৰ প্ৰচেষ্টা

এন.জি.অ' বোৰ যিহেতু বিভিন্ন ব্যক্তি, সংস্থা বা কোম্পানীৰ দান-বৰঙণিৰ জৰিয়তে চলিবলগীয়া হয়, সেইবাবে তেওঁলোকৰ নিজাববীয়া কোনো পুঁজিৰ উৎস নাথাকে। এন.জি.অ'ৰ কাম কাজসমূহৰ প্ৰতি সমাজখনৰো এক বিশেষধৰণৰ পৰ্যবেক্ষণ বা চকু থাকে। যিসকল লোক সঁচা অৰ্থত সুবিধা পাব লগীয়া লোক বা শ্ৰেণী তেনে লোক বা শ্ৰেণীৰ প্ৰতি এন.জি.অ' বোৰ সদায় দায়বদ্ধ হৈ থাকিবলগীয়া হয়।

ভাৰতবৰ্ষৰ দৰে দেশ এখনৰ আৰ্থ-সামাজিক, শৈক্ষিক, ৰাজনৈতিক ইত্যাদি দিশসমূহৰ উন্নয়ণ সাধনৰ দিশটো যুক্তিযুক্তভাৱে আগবাঢ়ি যাবলৈ লওতে যিসমূহ কাৰক উন্নয়ণ প্ৰক্ৰিয়াৰ হেঙাৰস্বৰূপ হৈ থিয় দিয়ে প্ৰথমতে আমি এই হেঙাৰ আৰু অভাৱসমূহ দূৰ কৰিবলৈ প্ৰযত্ন কৰিব লাগিব। ভাৰতবৰ্ষ যিহেতু এখন বিশাল আৰু জনবহুল দেশ এনে এখন দেশৰ উন্নয়নৰ দিশত বিভিন্ন কাৰককে আমি হেঙাৰস্বৰূপে থিয় দিয়া দেখো। এই কাৰকসমূহৰ মাজৰ কেতবোৰ গুৰুত্বপূৰ্ণ কাৰক বুলিলে আমি ক'ব লাগিব ইয়াৰ শিশুৰ অধিকাৰ সম্বন্ধীয় দিশ, দৰিদ্ৰতাৰ ব্যাপকতা, সমাজিক অন্যায়, মানৱ অধিকাৰ, বয়োজ্যেষ্ঠসকলৰ প্ৰতি যত্ন, পৰিৱেশ সংৰক্ষণ, মহিলা সবলীকৰণ, বন্যপ্ৰাণী সংৰক্ষণ, জীৱ-জন্তুৰ অধিকাৰ, অনাময় আৰু স্বাস্থ্য, স্বাক্ষৰতা আৰু শিক্ষা, শৰনাৰ্থী আশ্ৰম, স্বাস্থ্য আৰু পুষ্টি, সংস্থাপন, ৰোগ নিয়ন্ত্ৰণ আৰু শিক্ষা আদিকে ধৰি বিভিন্ন কাৰকৰ কথা। এই ধৰণৰ কাৰকসমূহৰ বাবে কাম-কাজ সম্পাদন কৰোতে প্ৰতিটো পদক্ষেপতেই সামাজিক কল্যানৰ দিশতো যুক্ত হৈ পৰে।

দেশৰ আৰ্থসামাজিক দিশবোৰৰ উন্নয়নৰ বাবে বেচৰকাৰী সংস্থা সমূহে যি ভূমিকা লৈ কাম-কাজ কৰে তাৰ ভিতৰত সজাগতা সৃষ্টি আৰু প্ৰচাৰ প্ৰসাৰৰ দিশৰ প্ৰতি লোৱা ব্যৱস্থাপনাবোৰ অন্যতম বুলি বিবেচিত হয়। দেশৰ কল্যানসাধনৰ দিশ, বিশেষকৈ ভাৰতবৰ্ষৰ দৰে বিচিত্ৰতাপূৰ্ণ দেশএখনত ৰূপায়ণ হ'ব লাগিলে জনসাধৰণৰ মাজত পোন প্ৰথমতে সজাগতা বৃদ্ধি কৰিব লাগিব। ব্যাপক হাৰত প্ৰচাৰ আৰু সজাগতা সৃষ্টিৰ দিশত এন.জি.অ'ৰ বিশেষ অৱদান নাথাকিলে দেশৰ সামগ্ৰীক উন্নয়নৰ বাটত আহুকালৰ সৃষ্টি হ'ব পাৰে। সেইবাবে এই সংস্থাবোৰে ব্যাপক অংশৰ জনসাধৰণক আঁকোৱালি লোৱাৰ স্বাৰ্থত বিভিন্ন প্ৰচাৰ মাধ্যমৰ যোগেদি তেওঁলোকৰ বিভিন্ন কৰ্মপন্থা, কৰ্ম আৰু তাৰ সুফল, কুফলবোৰ পুংখানুপুংখভাৱে সংশ্লিষ্ট সকলক অৱগত কৰাব লাগিব।

সীমাবদ্ধ সুবিধা আৰু সুযোগৰ যোগেদি এন.জি.অ' বোৰে বিবিধ কাৰ্য্য সম্পাদন কৰিবলগীয়াটো আমাৰ দেশৰ এক স্বাভাৱিক প্ৰক্ৰিয়া। দেশৰ সৰ্বাত্মক উন্নয়নৰ প্ৰতি লক্ষ্য ৰাখি সংস্থাসমূহে প্ৰত্যক্ষ সুবিধাও জনসাধাৰণক প্ৰদান কৰে। এই দিশৰ প্ৰতি লক্ষ্য ৰাখি উল্লেখ কৰিব পাৰি যে এন.জি.অ' সমূহে প্ৰাপ্য সুবিধাৰ পৰা বঞ্চিত সমাজৰ বৃহৎ অংশৰ লোকক সুবিধা প্ৰদানৰ হকে কাম কৰি উন্নয়ণ আৰু বিকাশৰ পৰিৱেশ ৰচনা কৰিছে।

এনেবোৰ দিশ আলোচনা কৰাৰ অন্ততঃ এই কথা অৱশ্যে সত্য যে, দেশ নিৰ্মানৰ দিশসমূহক সঠিক ধৰণে আগবঢ়াই নিবলৈ ভাৰতবৰ্ষত এন.জি.অ'ৰ বিশেষ অৱদান নুই কৰিব নোৱাৰি। আজিৰ দিনত এই কথাও স্বীকাৰ কৰিব লাগিব যে এন.জি.অ' সমূহে কৰা কামকাজৰ মাধ্যমেদি অধিকাংখ্যক জনসাধাৰনৰ লগত এন.জি.অ' সমূহে সম্পৰ্ক স্থাপন কৰাই নহয় জনসাধৰণক যথেষ্ট পৰিমানে উপকৃত কৰিবলৈও প্ৰচেষ্টা ৰাখিছে।

# লোক সংস্কৃতিৰ অতীত আৰু বৰ্তমান

✍ যোগেন্দ্ৰ কলিতা
*অধ্যক্ষ, বনভাগ মহাবিদ্যালয়*

**প**ৰম্পৰাগতভাৱে প্ৰচলিত লোক জীৱনৰ কথাবোৰকে লোক সংস্কৃতি বুলি কোৱা হয়। লোক সাহিত্য বা লোক সংস্কৃতিবোৰ মানৱ সমাজৰ চেতনা লব্ধ মনৰ এক উৎকৃষ্ট ফচল। ইয়াৰ আৰম্ভণি ঘটিছিল মানুহৰ আদিম বৰ্বৰতাৰ কালত। দলবদ্ধভাৱে মানৱকুলে যেতিয়া বনত বাস কৰিছিল সেই সময়ত মানুহৰ চকুৰ আগত সংঘটিত প্ৰাকৃতিক ঘটনা পৰিঘটনাই ধৰ্মীয় চেতনাৰ উদ্ৰেক ঘটোৱাৰ পাছত অলৌকিক বা অতিলৌকিক ঘটনা প্ৰবাহৰ দ্বাৰা প্ৰভাৱন্বিত হৈ বিভিন্ন পূজা-পাতলৰ লগতে অমানৱীয় কাৰ্য্য সংঘটিত কৰিছিল। তেনেধৰণৰ অমানৱীয় কাৰ্য্যকলাপ আজিও আমাৰ সমাজত বিদ্যামান। উদাহৰণ স্বৰূপে নৰবলি বা ডাইনী হত্যাৰ লেখিকা বৰ্বৰ কাৰ্য্যৰ পৰা আজিৰ সভ্য সমাজে সম্পূৰ্ণ মুক্ত হ'ব পৰা নাই। কিন্তু ধৰ্মীয় চেতনাই মানুহক সৃষ্টিশীল কৰ্মত প্ৰতি প্ৰেৰণা যোগোৱাৰ লগতে কিছুমান প্ৰাকৃতিক ঘটনাক সুক্ষ্মভাৱে নিৰীক্ষণ কৰি তাৰ পৰা শিক্ষা ল'বলৈ শিকাইছিল। তাৰ ফল স্বৰূপে শিলে শিলে ঠেকা খাই জুই উঠা দৃশ্য প্ৰত্যক্ষ কৰি জুইৰ ব্যৱহাৰ শিকা, গছৰ পৰা ফল সৰি তাৰ গুটিৰ পৰা গজালি মেলা কাৰ্য্যৰ উপলব্ধিয়ে কৃষি কাৰ্য্যৰ ধাৰণাৰ জন্ম দিয়া ইত্যাদি প্ৰাকৃতিক ঘটনাই মানৱ সভ্যতাক এক মাত্ৰা প্ৰদান কৰা বুলি ক'ব পাৰি। বন্যতাৰ পৰা সভ্যতাৰ পথত ভৰি দিয়াৰ দীৰ্ঘকালীন সময়ছোৱাত তেওঁলোকৰ আনন্দ বেদনাৰ মুহূৰ্ত্তত মুখৰ পৰা নিঃসৃত কাহিনী সমূহে মুখে মুখে মুখ বাগৰি মৌখিক সাহিত্যৰ সৃষ্টি হৈছিল। সভ্যতাৰ বিকাশ সাধনৰ পাছৰ পৰা এই মৌখিক সাহিত্যই পৰৱৰ্ত্তী কালত বিকাশ আৰু বিস্তৃতি লাভ কৰি এক কলাত্মক ৰূপ পৰিগণিত কৰিছিল। জাতি-জনগোষ্ঠী আৰু স্থান কাল ভেদে এই মৌখিক সাহিত্য বা লোককৃষ্টি সমূহৰ পৰিৱেশন কলাৰ পাৰ্থক্য থাকিলেও তাৰ অন্তৰনিহিত সুৰ আৰু ভাৱসমূহ প্ৰায়বোৰ মৌখিক সাহিত্যৰ এক বুলি কব পাৰি। পৰৱৰ্ত্তী কালত এই লোক-সংস্কৃতি সমূহে নিজ নিজ সংস্কতিৰ বৰঘৰত অমূল্য সম্পদ হিচাবে চিহ্নিত হয়। এনেধৰণৰ বৰ্ণাঢ্য লোক সংস্কৃতি সমূহৰ বিষয়ে নৱ প্ৰজন্মই এক সম্যক আভাষ দিয়াৰ বাবে যত্ন কৰা হ'ল।

মানুহৰ সমস্ত জীৱনত জীৱন ধাৰণৰ বাবে অতীতৰ পৰা অতীৱ প্ৰয়োজনীয় ঢেঁকীশালৰ পৰা আৰম্ভ কৰি ৰান্ধনিশাল, অৱসৰ বিনোদনৰ বাবে সৃষ্ট খেল-ধেমালি, লোক নৃত্য, লোকগীত, অদৃশ্য শক্তিক আৰাধন কৰাৰ বাবে প্ৰচলিত আই সবাহ, আসন পতা সবাহ, অপেশ্বৰী সবাহ, গৰখীয়া সবাহ, স-বচনী সবাহ, মনসা পূজা, গো-পূজা, ৰীতি-নীতিৰ পৰম্পৰা হিচাবে বিহুগীত, খিচাগীত, পানীতোলা ওপৰিও জন্মগত সংস্কাৰ, মৃতকৰ সংস্কাৰ, পৰম্পৰাগত দন্দ্ব খৰিয়ালত ব্যৱহৃত গাথি শলিও লোক সংস্কতিক আপোনা বস্তু। আনন্দ বিনোদনৰ বাবে সৃষ্ট পুতলা নাচ, ঢুলীয়া নাচ, ওজাপালি আদি অনুস্থান সমূহ লোক জীৱনত অনবদ্য সৃষ্টি। আনকি এই তিনিওটা অনুস্থানক আধুনিক নাট্য সাহিত্যৰ আদিৰূপ বুলি অভিহিত কৰিব পাৰি। এইবোৰৰ উপৰিও নিত্য ব্যৱহাৰ্য্য বাঁহ বেতক শিল্প কলা এক অন্যতম শ্লিপ কলা। বৰ্তমান সময়ৰ এইবিধ শিল্প কৰ্মই জগত জিনাৰ সম্ভাৱনা থকাৰ পিছতো ই নিজৰ গৃহতে এলাগী হ'বৰ উপক্ৰম। কাৰণ বৰ্তমান সময়ত বাঁহ-বেতৰ দ্বাৰা নিৰ্মিত ধান থোৱা ডুলি, মাছ থোৱা খাৰৈ, মাছ মৰা জাকৈ, জুলুকী, প'ল, খৰাহি, দোন, কুলা-চালনী, তাতশালৰ সঁজুলি সমূহৰ বেছিভাগতে আশ্ৰয়স্থল এতিয়া সংগ্ৰাহালয়। আন এবিধ উল্লেখযোগ্য ধাতু শিল্পৰ অৱদানৰ ভিতৰত নলীয়া কটাৰী, ডুবুৰা কটাৰী, দা, জনস্তাৰীয় মেছি দা, কোৰ, কুঠাৰ কেৰাহী, মৈদা বেটী, লোটা ঘটি, চৰিয়া, গাগৰী, বান-বাতি, পিতলৰ কলহ, কাঁহ, ঘণ্টা, ঘট, তামাৰ কলহ, কোষা, অৰ্ঘ্য, সৃষ্ট পাতলৰ সামগ্ৰীয়ে আধুনিকতাৰ দপদপনিত মৃত প্ৰায় অৱস্থাত উপনীত হৈছেহি। এনেধৰণে লোক জীৱনত গৱেষণা কৰি লোক কৃষ্টি সমূহৰ হেজাৰ বিজাৰ অসমীয়া সমাজত এলাগী হৈ পৰিছে। আনকি লোক সংস্কৃতি অন্যতম অৱদান বিহুগীতৰ মাজত থকা অসমৰ প্ৰাকৃতিক সৌন্দৰ্য্য, নদ-নদী, জান-জুৰি, চৰাই-চিৰিকতি, ধাননি পথাৰ ইত্যাদিৰ সামগ্ৰিক স্বকীয়তাও এতিয়া বিজাতৰীয়া হোৱাৰ উপক্ৰম ঘটিছে।

এতিয়া কথা হ'ল পৰাম্পৰাগত ভাৱে প্ৰচলিত লোককৃষ্টি, লোকশিল্প আৰু লোকসংস্কৃতিৰ অৱস্থা এটা জাতিৰ বাবে বিপদজনক। আজিৰ বিশ্বত নিজকে এটা সংস্কৃতিবান জাতি হিচাপে। নিজক প্ৰতিস্থা কৰিবলৈ হ'লে ভাষা, সাহিত্য আৰু সংস্কৃতি অপৰিহাৰ্য্য উপাদান। এটা জাতিৰ সংস্কৃতিৰ প্ৰতিচ্ছৱিয়ে কৈ দিব পাৰে সেই জাতিটো কিমান সংস্কৃতিবান আৰু শিক্ষাৰ ক্ষেত্ৰত কিমান অগ্ৰগামী। তেনে ক্ষেত্ৰত পৰিৱৰ্তনৰ অৱস্থাত যদি জাতিটো উটি বাহি যায় তেতিয়া জাতিটোৰ অস্তিত্বৰ প্ৰতি ভাবুকি নামি আহে, আমাৰ অসম নামৰ ৰাজ্যখন অনৈক্যৰ মাজত ঐক্যৰ আদৰ্শ বহনকাৰী ভিন্ন বৰ্ণ বৈচিত্ৰৰ সংস্কৃতিৰে ভৰপুৰ সাতোৰঙী ৰামধেনু সদৃশ ৰাজ্য। যিখন ৰাজ্যৰ বাৰেৰহনীয়া সংস্কৃতিৰ লগত বিশ্বৰ কোনো দেশৰে তুলনা নহয়। এনে এখন ৰাজ্যৰ বৌদ্ধিক চিন্তা-চৰ্চাৰ আধাৰতে গঢ় লৈ উঠা লোক সংস্কৃতি সমূহৰ দীনতাই জাতিটোৰ স্বাভিমানৰ প্ৰতি এক অশনি সংকেত কঢ়িয়াই অনা দেখা যায়। ভোগবাদী সমাজ ব্যৱস্থাক যদি আমি সময় থাকোতে নিয়ন্ত্ৰণত আনিব নোৱাৰো তেতিয়া হ'লে আমাৰ জাতিটোৱে সংস্কৃতিক বিশ্বত অচিৰে হেৰুৱাই পেলাব লাগিব। অসমীয়া সমাজ জীৱনৰ প্ৰতিটো ক্ষেত্ৰৰে দাপোন স্বৰূপ লোক সংস্কৃতি সমূহৰ জৰিয়তে নিজকে বিচাৰি পোৱা সোণালী অতীতক হেৰুৱাই আমি সৰ্বহাৰা হ'ব লাগিব এইটো নিশ্চিত। সেইবাবে মই ব্যক্তিগতভাৱে আহ্বান জনাও সেই সকল মহান জাতিৰ ৰক্ষকক যি সকলে জাতি, মাটি, ভেটি, সংস্কৃতিৰ অস্তিত্ব ৰক্ষাৰ বাবে ডিঙিৰ মাত ফুলাই ভাষণ দি নিজকে দেশপ্ৰেমী বুলি জনাব বিচাৰে তেওঁলোকে বাস্তৱক অনুধাৱন কৰিবলৈ শিকক।




# এমুঠি কৰ্মঠ মানুহৰ সপোন ভঙা আৰ্চেনিক

## বালিতাৰা আৰু জি.ভি.এম.

✍ কিশোৰ কুমাৰ কলিতা

**পা**নী এক অমূল্য সম্পদ। উদ্ভিদ আৰু জীৱ-জন্তুৰ সকলোৰে বাবে পানী অপৰিহাৰ্য্য। মানুহে খোৱা পানী আৰু অন্যান্য ঘৰুৱা কাম-কাজৰ উপৰি জলসিঞ্চন, মীন পালন, পশু পালন আৰু ঔদ্যোগিক কাম কাজত পানী ব্যৱহাৰ কৰে। অসমত পৃষ্ঠজল (Surface water) আৰু ভূ-তলজল (Underground water) দুয়োটাই উভৈনদী। তদুপৰি নৈ, উপনৈ আৰু আৰ্দ্ৰভূমি সমূহেই হ'ল পৃষ্ঠজলৰ ভাণ্ডাৰ।

অসমত মৌচুমী বতাহৰ প্ৰভাৱত প্ৰতিবছৰে ১০০ ছেণ্টিমিটাৰৰ পৰা ২০০ ছেণ্টিমিটাৰ বৰষুণ হয়। জুন মাহৰ পৰা অক্টোবৰ মাহৰ ভিতৰত অসমত প্ৰায় ৯০ শতাংশ বৰষুণ হয়। এই বৰষুণৰ পানীৰ ওপৰত নিৰ্ভৰ কৰিয়েই অসমৰ কৃষকসকলে বিভিন্ন প্ৰকাৰৰ শস্য উৎপাদন কৰে। কথা হ'ল অসমত ইমানবোৰ পানীৰ উৎস থকাৰ পিছতো কৃষকে পানীৰ অভাৱত পথাৰত নামিব নোৱাৰা, বিশুদ্ধ এটুপি খোৱা পানীৰ অভাৱত অকাল মৃত্যুক সাবটিবলগীয়া ঘটনা এখন কাল্যানকামী ৰাষ্ট্ৰৰ বাবে অতি দুখজনক ঘটনা হিচাপে চিহ্নিত হৈছে। এই ক্ষেত্ৰত গনতান্ত্ৰিকভাৱে নিৰ্বাচিত চৰকাৰ সমূহে স্বাধীনোত্তৰ কালৰ পাছৰে পৰা নিৰ্বাচনকেন্দ্ৰীক চলাহি কথাৰে আভুৱা ভৰাই গ্ৰাম্য অঞ্চৱলসমূহৰ হোজা জনসাধৰনক ৰাম ঠগোন দি অহাটো একো নতুন কথা নহয়। কৃষকৰ পথাৰত জলসিঞ্চন ব্যৱস্থাৰ নামত ৰাজভড়ালৰ কৌটি কৌটি টকা পথাৰ নাপাই ফাইলতে শেষ হোৱা, মানুহৰ স্বাস্থ্য কল্যানৰ চৰকাৰী অনুষ্ঠান জনস্বাস্থ্য কাৰিকৰী বিভাগৰ পৰা বছৰে বছৰে বিশুদ্ধ খোৱা পানী যোগানৰ নামত কৌটি কৌটি টকা খৰছ কৰাৰ পিছতো জনসাধণণে এটুপি বিশুদ্ধ খোৱা পানীৰ অভাৱত থকাটো এখন গনতান্ত্ৰিক দেশৰ নাগৰিকৰ বাবে কিমান বঞ্চনাৰ পৰিচয় হ'ব পাৰে তাক ভুক্তভোগী সকলেহে উপলব্ধি কৰিব পাৰে। আমি কল্যানকামী ৰাষ্ট্ৰ ভাৰতৰ অংগৰাজ্য অসম মুলুকৰ এখন গাৱঁৰ পানীৰ বাবে সৃষ্টি হোৱা এটা সকৰুণ ছবি তথা কাহিনী আলোকপাত কৰিব খুজিছোঁ। উল্লেখ্য যে

চৰকাৰী বিভাগসমূহে বছৰ বছৰ ধৰি বঞ্চনা কৰি অহাৰ পিছত শেহতীয়াকৈ চৰকাৰৰ জনপ্ৰতিনিধিৰ মিথ্যাচাৰৰো স্বীকাৰ হ'বললগীয়া হৈছে এই গাওঁখন। নলবাৰী জিলাৰ ভৌগোলিক মানচিত্ৰ অন্তৰ্ভুক্ত তথা জিলাখনৰ মাজেৰে যোৱা ৩১ নং ৰাষ্ট্ৰীয় ঘাইপথৰ উত্তৰে অৱস্থিত গাওঁখনৰ নাম বালিতাৰা। গ্ৰাম্য জীৱনৰ জীয়া প্ৰতিচ্ছবিৰে পৰিপূৰ্ণ এখন কৃষি সমৃদ্ধিশীল গাওঁ হ'ল বালিতাৰা। নিজস্ব কৰ্ম সংস্কৃতিৰে প্ৰায় পাঁচশ পঞ্চাশটা পৰিয়ালে পথাৰত বছৰদিনৰ সপোন ৰচা এখন চহকী তথা কৃষি প্ৰগতিশীল গাওঁ। এই গাওঁখনৰ প্ৰতিটো পৰিয়ালৰ স্বাস্থ্যলৈ ঘোৰ অমানিশা নামি আহিছে। গুৰুত্বপূৰ্ণ কথাটো হ'ল গাওঁখনত পানীৰ বাবে হ'ব পৰা কলেৰা, টায়ফয়েড, নিউমোনিয়া আদি ৰোগৰ দ্বাৰা আক্ৰান্ত হ'বলগীয়া হোৱা নাই। এইবোৰ ৰোগৰ বীজাণু পানীয়ে কঢ়িয়াই যদিও চিকিৎসা বিজ্ঞানত ইয়াৰ সমাধানসূত্ৰ ওলাইছে। কিন্তু বালিতাৰাবাসীৰয়ে সেৱন কৰা পানীত এই সাধাৰণ বোমাৰৰ বীজানু নাই। প্ৰকৃতিৰ অনবদ্য উপাদান ভূতল জলত (Underground water) অভিশপ্ত ৰূপত ধৰা পৰিছে ভয়ানক আৰ্ছেনিক। পানীত থকা মৌল হ'ল হাইড্ৰজেন আৰু অক্সিজেন। প্ৰাকৃতিক ভাৱে পোৱা পানীৰ এই মৌল দুটাৰ উপৰি পানীয়ে এই মৌল দুটাৰ সহায়ত প্ৰাকৃতিকভাৱে থকা আইৰণ, কেলচিয়াম, মেগনেছিয়াম, ফচফেড ফ্লৰাইড, আৰ্ছেনিক ইত্যাদি পানীত সংযোগ হ'ব পাৰে। গুৰুত্বপূৰ্ণ যে এই উপদানসমূহ পৃষ্ঠজলতো (Surface water) এই উপাদান সমূহ উপলব্ধ হয়। কথা হ'ল বালিতাৰাৰ ভৌগোলিক পৰিমণ্ডলৰ ভূতলজলত ভয়ানক আৰ্চেনিকৰ আইবৰ্ভাব প্ৰতিজনলৈ ঘোৰ অন্ধকাৰ নমাই আনিছে। যোৱা কিছুবছৰৰ পৰা ইয়াৰ ভূতলজল সেৱন কৰি ইতিমধ্যে গাওঁখনৰ শিশুৰ পৰা বৃদ্ধলৈকে প্ৰতিজনে ভয়ানকভাৱে ক্ষতিগ্ৰস্ত হৈছে। ইতিমধ্যে গাওখনত এই আৰ্চেনিকযুক্ত পানী সেৱন কৰি শতাধিক লোক মাৰাত্মক কৰ্কট ৰোগৰ আক্ৰান্ত হ'বলগীয়া হৈছে। উল্লেখনীয় যে গাওখনৰ এই ভয়াবহ দুৰ্যোগৰ সময়তো চৰকাৰ কিম্বা জনপ্ৰতিনিধিৰ উদাসীনতাৰ বিপৰীতে আশ্ৰয়হীনক আশ্ৰয় দিয়া, দুৰ্বল তথা নিঃকিন কৃষকক সহায় কৰা আৰু মহিলা সৱলীকৰণত গুৰুত্বপূৰ্ণ অৱদান আগবঢ়াই অহা ৰাজ্যৰ অনন্য স্বেচ্ছাসেৱী অনুষ্ঠান গ্ৰাম্য বিকাশ মঞ্চই শেহতীয়াকৈ পানীয়ে মৃত্যুদূত হৈ বিভীষিকাৰ সৃষ্টি কৰি অহা বালিতাৰাবাসীৰ মুখত আজি হাঁহি বিৰিঙাবলৈ সক্ষম হৈছে। কিয়নো দীৰ্ঘ বছৰ ধৰি দমকলৰ আৰ্চেনিকযুক্ত পানী সেৱন কৰি বালিতাৰাৰ প্ৰায় ৫৫০ পৰিয়ালৰ সদস্য সকলে বিভিন্ন অচিনৰোগত আক্ৰান্ত হৈ অকালতে ৰোগীয়া হ'বলগীয়া হৈছে। উল্লেখ্য যে শিশুৰ পৰা বৃদ্ধলৈকে বিভিন্ন অচিন ৰোগৰ স্বীকাৰ হোৱাই নহয় গাওখনত যোৱা কিছুদিনত ৭৪ গৰাকী লোক ভয়ানক কৰ্কট ৰোগত আক্ৰান্ত হোৱাৰ উপৰি ভালেসংখ্যক লোক অকালতে কৰ্কট ৰোগত আক্ৰান্ত হৈ অকালতে মৃত্যু মুখত পৰিছে। ইয়াৰ পৰিপ্ৰেক্ষিতত যোৱা ২৮ ফেব্ৰুৱাৰী, ২০১৯- ত ৩নং বালিতাৰা গাওঁত গ্ৰাম্য বিকাশ মঞ্চৰ উদ্যোগত সংস্থাপিত সামূহিক ভিত্তিত আৰ্চেনিকমুক্ত পানী সংশোধন কেন্দ্ৰ এটি আনুষ্ঠানিকভাৱে মুকলি কৰি দিয়া হয়। ৩নং বালিতাৰা প্ৰাথমিক বিদ্যালয় আৰু নামঘৰ প্ৰাঙ্গনত এইডচ্.ডি. এফ.চি. বেঙ্কৰ অৰ্থ সাহাৰ্য্যত আৰু টাটা ৱাটাৰ মিচনৰ কাৰিকৰী সহায়ত স্থাপন কৰা উক্ত প্ৰকল্পটো আনুষ্ঠানিকভাৱে উদ্বোধন কৰে নলবাৰী সমষ্টিৰ বিধায়ক অশোক কুমাৰ শৰ্মাই। তদুপৰি প্ৰকল্পটোৰ পৰা এ.টি.এম. ৰে পানী বিতৰণৰ উদ্বোধন কৰে নলবাৰী জিলা উপায়ুক্ত ভাৰত ভূষণ দেৱ চৌধুৰীয়ে। উল্লেখ্য যে বালিতাৰা এখন খিলঞ্জীয়া লোকৰ বসতি প্ৰধান ডাঙৰ গাঁও। ২০১৪ চনৰ লোকসভা নিৰ্বাচনত মঙ্গদৈ লোকসভা সমষ্টিৰ পৰা বিজয়ী হৈ তদানীন্তন সাংসদ ৰমেন ডেকাই বালিতাৰা গাওক এখন আদৰ্শ গাও হিচাপে ঘোষণা কৰিছিল। দুৰ্ভাগ্যজনক কথা যে তদানীন্তন সাংসদ জনে আদৰ্শ গাও হিচাপে ঘোষণা কৰিয়ে দায়িত্ব আৰু কৰ্তব্য সামৰি সংস্কৃতিৱান মানুহখিনিক আভুৱা ভৰাইছিল। গাওখনৰ মানুহৰ জীৱন মৰনৰ সমস্যা পানীত ভয়ানক আৰ্চেনিক থকাৰ তথ্য পোৱাৰ পিছতো গনতান্ত্ৰিকভাৱে নিৰ্বাচিত সাংসদজনে গুৰুত্ব নিদিয়া কথাটো সময়ৰ ইতিহাসত লিপিবদ্ধ হৈ ৰব। দুখৰ কথা যে তদানীন্তন সাংসদজনৰ এনে দুৰ্ভাগ্যজনক স্থিতিৰ সমান্তৰালকৈ জিলা জনস্বাস্থ্য কাৰিকৰী বিভাগৰ গুৰুত্ব অতি পুতৌলগা। গাৱঁখনৰ আটাইতকৈ ভয়ানক সমস্যাটোকলৈ প্ৰতিটো পৰিয়ালে হাবুডুবু খোৱাৰ পিছতো বিভাগটোৱে জৰীপ চলাই ঘৰে ঘৰে থকা দমকল বিলাকত ৰঙা চিন যুক্ত দমকলৰ পানী সেৱন নিষিদ্ধ কৰি থৈয়ে দায়িত্ব সামৰি থলে। দুখৰ বিষয় যে উপায়হীন গাওঁবাসীয়ে এই ৰঙা চিন যুক্ত দমকলৰ পানীকে সেৱন কৰিয়ে জীৱন নিৰ্বাহ কৰিব লগা হৈছে। ফলত সমগ্ৰ গাওঁ খনতে দেখা দিছে মাৰাত্মক কৰ্কট ৰোগ। ইতিমধ্যে এই কৰ্কট ৰোগত আক্ৰান্ত হৈ প্ৰায় ডেৰশ জন লোকৰ মৃত্যু ঘটিছে আৰু কেইবাজনো লোকে কৰ্কট ৰোগত আক্ৰান্ত হৈ আছে। জনস্বাস্থ্য কাৰিকৰী বিভাগৰ এটি পানী যোগান কেন্দ্ৰ আছে যদিও এই কেন্দ্ৰৰ পৰা মাত্ৰ কেইঘৰমান লোকহে উপকৃত হৈছে। মাত্ৰ এটা চুবুৰীৰ বাবে থকা এই কেন্দ্ৰৰ পানীৰ কাৰণে উপভোক্তা সকলে মাহেকত ৬০ টকা মাচুল আদায় দিব লাগে আৰু পানী সংগ্ৰহৰ সকলো পাইপ তথা আচবাব নিজে ক্ৰয় কৰি লব লাগে। তদুপৰি পানী সংযোগ লোৱাৰ নামত দহ হাজাৰৰ পৰা পোন্ধৰ হাজাৰ টকা খৰচ কৰিব লাগে। কিন্তু গাৱঁৰ মানুহে এই ধন খৰছ কৰাৰ সম্বল নথকা বাবে পানী যোগান কেন্দ্ৰৰ ওচৰৰ মানুহো এই কেন্দ্ৰৰ পৰা পানী পোৱাৰ পৰা বঞ্চিত হ'ব লগা হৈছে। সাংসদ ৰমেন ডেকাই আদৰ্শ গাওঁ হিচাপে বালিতাৰা গাৱঁৰ বাবে একো নকৰিলে। বালিতাৰাৰ মানুহক পানী যোগান ধৰাৰ ক্ষেত্ৰত নিৰ্লিপ্ত হৈ থাকিল সাংসদ ৰমেন ডেকা। বছৰ বছৰ ধৰি এই ভৱাবহ আৰ্ছেনিক আৰু ফ্লৰাইড যুক্ত পানী সেৱন কৰা বালিতাৰা গাৱঁত এতিয়া আন ঠাইৰ পৰা মানুহ আলহীৰ ঘৰত গ'লে খোৱা পানী লগত লৈ যায় বুলি স্থানীয় লোকে আক্ষেপ প্ৰকাশ কৰে। বহুতৰে ঘৰত আলহীয়ে চাহো নাখায় বুলি দুখ প্ৰকাশ কৰে ভুক্তভোগী গওঁঞাই। বালিতাৰা বাসীক বিশুদ্ধ খোৱা পানী যোগান ধৰাৰ ক্ষেত্ৰত অসম চৰকাৰ তথা জনস্বাস্থ্য কাৰিকৰী বিভাগ সম্পূৰ্ণ ৰূপে ব্যৰ্থ হোৱাৰ পিছত সম্প্ৰতি স্বেচ্ছাসেৱী অনুষ্ঠান গ্ৰাম্য বিকাশ মঞ্চই বালিতাৰাবাসীৰ ত্ৰানকৰ্তাৰ ৰূপত থিয় হৈছে। মন কৰিবলগা কথা যে বালিতাৰা ভৌগোলিক অৱয়ৱ আৰু জনসংখ্যাৰ তুলনাত মাত্ৰ এটা শোধন পানী প্ৰকল্পই সমীচীন নহয়। সময় থাকোতেই চৰকাৰ তথা জনপ্ৰতিনিধি আৰু সংশ্লিষ্ট বিভাগে কৃষি অৰ্থনীতিৰ ভড়াল বালিতাৰাবাসীক এটুপি বিশুদ্ধ খোৱাপানী যোগান ধৰিলে হয়তো গাওখনলৈ আলহী অতিথি নিৰ্ভয়ে যোৱাৰ পথ সুগম হ'ব।

# ব্যক্তি, সমাজ, ধৰ্ম ৰাজনীতি ইত্যাদি

✍ ক্ষিতীশ কুমাৰ কাকতি

নানা জাতি-উপজাতিৰে বিভিন্ন সমাজ লগ হৈ একীভূত আৰু সমন্বিত এক বৃহৎ ভাৰতীয় ৰাষ্ট্ৰ গঠন হৈছে। ব্যক্তি লৈয়ে সমাজ, গতিকে ব্যক্তিৰ সমষ্টি সমাজ গঠনৰ প্ৰক্ৰিয়াটোত ব্যক্তিৰ প্ৰয়োজন অনিবাৰ্য। ব্যক্তি অবিহনে সমাজৰ কল্যাণৰ কথা ভৱাটো অৰ্থহীন, অথচ ব্যক্তিক বাদ দি সমাজ কল্যাণৰ অৱাস্তৱ প্ৰচেষ্টা কৰা বহু ক্ষেত্ৰত দেখা যায়। উন্নত ব্যক্তিলৈয়ে উন্নত সমাজ আৰু সেই উন্নত সমাজেই যদি ৰাষ্ট্ৰক নেতৃত্ব দিয়ে তেনেহ'লে সেই ৰাষ্ট্ৰ উন্নত ৰাষ্ট্ৰ বুলি জনা যায়। গতিকে ব্যক্তিৰ জীৱন-ধাৰাৰ ওপৰত দাম্পত্য জীৱন, পাৰিবাৰিক জীৱন, সমাজ জীৱন তথা ৰাষ্ট্ৰ জীৱন নিৰ্ভৰ কৰে। সুনিয়ন্ত্ৰিত দাম্পত্য জীৱনৰ মাধ্যমেদি শ্ৰেষ্ঠ মনীষীৰ জন্ম হয়। সুনিয়ন্ত্ৰিত দাম্পত্য জীৱন গঢ়ি তুলিবলৈ পৰিয়ালত নাৰীৰ যি মহান কৰ্তব্য তাক আখৰে আখৰে পালন কৰিব লাগিব। ভাৰতীয় নাৰীয়ে সন্তান সকলৰ বাবে, পৰিয়ালৰ বাবে, সমাজখনৰ বাবে জ্ঞান প্ৰজ্ঞাৰে নিজকে ত্যাগ কৰাৰ উদাহৰণ বহু আছে। *Frederic* Harrison-কৈছে- *"The Family is the Real Social unit and what Society has to do is to promote the good of the family. and in the family women is the completely supreme as is man in the state. To keep the family true refined, affectionate, faithful is a grandeur task than to govern the state"*- কিন্তু অতি দুখৰ বিষয় যে বৰ্তমান মানুহৰ ব্যক্তিগত জীৱন দাম্পত্য জীৱন, পাৰিবাৰিক জীৱন, সামাজিক জীৱন লগতে ৰাষ্ট্ৰীয় জীৱনত ভাবিব নোৱাৰা ধৰণে বিপৰ্যয় নামি আহিছে। ইয়াৰ পৰা স্পষ্ট প্ৰতীয়মান হয় যে য'ত ব্যক্তি বা পাৰিবাৰিক জীৱনত অশান্তি তাত সমাজ বা ৰাষ্ট্ৰীয় জীৱনত শান্তি বা শৃঙ্খলা আহিব নোৱাৰে। বৰ্তমান দেশত তদ্ৰুপ অৱস্থা, ইয়াৰ মূল কাৰণ হৈছে মানুহৰ প্ৰবৃত্তিমুখী চলন। প্ৰবৃত্তি পৰায়নতাৰ কাৰণে মানুহৰ মাজত দেখা দিছে বোধহীন কৰ্ম, অনিয়ন্ত্ৰিত আচৰণ, দণ্ডখেয়াল, উদ্বেগ, অনিশ্চয়তা, কপটতা, অস্থিৰতা, উত্তেজনা, বিবাহ-বিচ্ছেদ, পাৰিবাৰিক অশান্তি, মানসিক যন্ত্ৰনা ইত্যাদি। আজি দেশত চৰিত্ৰবান নেতাৰ অভাৱ। দেশৰ নৈতিক চৰিত্ৰ ভাঙি পৰিছে। দেশ স্বাধীন হোৱাৰ সপ্তম দশক অতিক্ৰম কৰাৰ পিছতো দেশত শান্তিৰ পৰিবৰ্তে অশান্তিহে বেছি গা কৰি উঠিছে। গতিকে বুজা যায় ৰাজনীতিৰ মাধ্যমেৰে ইয়াৰ সমাধান কেতিয়াও সম্ভৱ নহয়। কাৰণ ৰাজনীতি য'ত আদৰ্শবিহীন তাত সেই অশান্ত অৱস্থাৰ সমাধান আহিব নোৱাৰে। একমাত্ৰ আদৰ্শৰ মাজেৰে এটা জাতিৰ মাজত জাতীয় সংহতি, শান্তি, শৃঙ্খলা, ঐক্য, প্ৰগতি তথা ভাতৃত্ববোধ আশা কৰিব পৰা যায়; দেশৰ নাগৰিকসকলৰ মাজত জাতি, বৰ্ণ, সম্প্ৰদায় নিৰ্বিশেষে পাৰস্পৰিক আত্মীয়তাবোধ, প্ৰেম-প্ৰীতি, বিশ্বাস আদি গঢ় লৈ উঠিব পাৰে। সমাজৰ অন্তৰ্গত ব্যক্তি সকলৰ ধনাত্মক চিন্তা-চৰ্চা, কৰ্ম, জ্ঞান, প্ৰজ্ঞা তথা মানবীয় প্ৰমূল্য সমূহ আচলতে এক গুৰুত্বপূৰ্ণ কাৰক। যিবোৰ কাৰক ধৰ্মীয় আদৰ্শৰ মাজেৰে সম্ভৱ হৈ উঠিব পাৰে। মানৱ জীৱনৰ উদ্দেশ্য গুৰুত্ব সহকাৰে লোৱাত দেশৰ ৰাজনৈতিক প্ৰভাৱে বিশেষ একো অৰিহনা যোগাব পৰা নাই।

সম্প্ৰতি দেশবাসীৰ জীৱনদৰ্শন হৈছে ভোগবাদ, এই ভোগ সৰ্বস্ব জীৱনৰ ফলত আজি মানুহে ক্ৰমে ক্ৰমে মানসিক ভাৰসাম্য হেৰুৱাই পেলাইছে যান্ত্ৰিক সভ্যতা আজি চৰম শিখৰত উপনীত হৈছে। সমাজ জীৱনৰ প্ৰায়বোৰ ক্ষেত্ৰতে বিকৃত ৰূপটোৱে আমাৰ মানসিকতাত প্ৰভাৱ পেলাইছে। ভোগ সৰ্বস্ব সমাজ ব্যৱস্থাত প্ৰচুৰ সম্পদৰ অধিকাৰী জনহে সুখী বুলি গণ্য কৰি অহা হৈছে। নৈতিক বা আধ্যাত্মিক দিশত কোনো গুৰুত্ব নাই। অনিয়ন্ত্ৰিত ভোগবাদে আচলতে ধ্বংসকহে উদ্‌গণি দিছে, যদিও বেচিভাগ ব্যক্তিৰে তাৰ প্ৰতি গুৰুত্ব নাই। ভোগবাদৰ প্ৰাবল্য মুখ্য

হৈ পৰা হেতুকে হিংসা ৰাজনৈতিক দলাদলি বাঢ়ি গৈছে। বৰ্তমান বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাই বাহ্যিক স্বাচ্ছন্দৰ মাজেৰে নৱপ্ৰজন্মক আত্মকেন্দ্ৰিক কৰি গঢ়ি তুলিছে। এটা সুস্থ শুদ্ধ আৰু সমৃদ্ধ জীৱন যাপনৰ বাবে নৈতিক আধ্যাত্মিক তথা নান্দনিক প্ৰমূল্যবোধৰ অভাৱ পৰিলক্ষিত হৈছে। ৰাজনৈতিক নেতাসকলো ভোগবাদৰ পিছত দৌৰিছে মানৱ জীৱনৰ উদ্দেশ্যক গুৰুত্ব সহকাৰে লোৱাত দেশৰ ৰাজনৈতিক প্ৰভাৱে বিশেষ একো অৰিহণা যোগাব পৰা নাই।

তথাকথিত ৰাজনীতিত প্ৰত্যেকজন নেতাই এটা এটা দল তৈয়াৰ কৰিছে। এটা দল, মন্ত্ৰী, প্ৰধানমন্ত্ৰী হোৱাৰ কামনাত কাৰো স্বাৰ্থৰ কথা কোনেও নাভাৱে। আৰু ব্যক্তি স্বাৰ্থৰ কাৰণে সমাজ বা ৰাষ্ট্ৰৰ মংগল স্বাৰ্থী কোনেও হ'ব নোৱাৰে। সিহঁতে নদীৰ গৰাখহনীয়াৰ নিচিনাকৈ নিজেও খহিছে আনকো খহাইছে। সম্প্ৰতি ভাৰতৰ তথাকথিত গণতান্ত্ৰিকতাই ভাৰতীয় সংস্কৃতিক কলুষিত কৰিছে।

জাতি ভেদ প্ৰাদেশিকতাবাদ, ভাষাবাদ আদি ঠেক মানসিকতাই ভাৰতীয় জাতীয় সংহতি বিনষ্ট কৰিছে। বৰ্ণ বৈষম্যৰ নামত সংকীৰ্ণ জাতি ভেদৰ সৃষ্টি হৈছে। প্ৰত্যেক প্ৰদেশতে সম্প্ৰতি বিচ্ছিন্নতাবাদে গা কৰি উঠিছে। এটা প্ৰদেশৰ নাগৰিকে অইন এটা প্ৰদেশত বাস কৰাটো ভয়ানক হৈ পৰিছে।

এখন সমাজ বা ৰাষ্ট্ৰ উন্নতিৰ পথত আগবাঢ়ি যাবলৈ হ'লে সু-নেতৃত্বৰ অতি আৱশ্যক। নেতৃত্ব দিবলৈ হ'লে নেতাজনৰ কিছুমান বিশেষ গুণৰ প্ৰয়োজন। যেনে- কৰ্মোদ্যম, বুদ্ধিমত্তা, সাহস, ধৰ্মীয়বোধ, সামূহিক দায়িত্ববোধ, নৈতিকতা ইত্যাদি। নেতৃত্বৰ মূল কথাই হ'ল মানুহৰ মংগল চিন্তা কৰা। সেয়া ধৰ্মৰ মাজেৰেই হওক বা ধৰ্মীয় নিৰপেক্ষভাৱেই হওক। ধৰ্ম মানে কিছুমান নীতি-বিধিঙ্গ যিবোৰ আচৰণ কৰিলে নিজৰ লগতে আনৰ জীৱন মংগল প্ৰসূ হৈ উঠে। সুন্দৰ সুশৃংখল, শান্তিপূৰ্ণ জীৱনেই আধ্যাত্মিক জীৱনৰ ভিত্তিভূমি। সেয়েহে নেতৃত্ব দিবলৈ হ'লে এজন নেতাৰ ভিতৰত প্ৰেম, উদাৰতা সকলোৰে প্ৰতি দয়া মৰম থকাটো বাঞ্ছনীয়। নিজে সুকেন্দ্ৰিক হৈ মানুহক সুকেন্দ্ৰিক কৰি তুলিব লাগিব।

প্ৰকৃততে সুসন্তান অবিহনে এখন ভাল সমাজ, তথা এখন সুন্দৰ ৰাষ্ট্ৰৰ কথা ভাবিব নোৱাৰি। সুবিবাহৰ মাজেৰে জন্ম হোৱা সন্তানে ব্যক্তি স্বাৰ্থতকৈ সমাজৰ স্বাৰ্থ আৰু ৰাষ্ট্ৰৰ স্বাৰ্থত মনোনিবেশ কৰি প্ৰকৃত সত্যৰ সন্ধান বিচাৰে। আৰু সেই ভাৱে সমাজ ৰাষ্ট্ৰৰ উন্নতিৰ কৰ্মত হাত দিয়ে। এনে ব্যক্তিৰ আত্মঅহংকাৰ নাথাকে বাবে নিজক প্ৰতিষ্ঠা কৰাতকৈ অন্যৰ মংগল প্ৰতিষ্ঠা কৰাত বেছি আনন্দ পায়। বিবাহৰ উদ্দেশ্য হ'ল সুপ্ৰজনন আৰু উদ্বৰ্দ্ধন। প্ৰজননত গুণ বৈশিষ্ট্যৰ সম্যক বিকাশ লৈ যি সন্তান আহে তাৰ শিক্ষাও সহজ হয়। সেইবাবে আৰ্য্য ভাৰতৰ ঋষি সকলে বিবাহত বৰ্ণ, বংশ, গোত্ৰ, ৰাশি, বয়স ইত্যাদিৰ বিচাৰ কৰি চাইছিল।

সন্তানৰ জন্ম পিতৃ-মাতৃৰ যোগেদি হয়। ভাল পিতৃ- মাতৃ অবিহনে সুসন্তান পোৱা অসম্ভৱ। সন্তানক আদৰ্শ মানুহ হিচাপে গঢ়ি তুলিবলৈ পিতৃ-মাতৃয়ে প্ৰথমে আদৰ্শ মানুহ হোৱাৰ সাধনা কৰিব লাগিব। ধন-সম্পত্তি বা যশ গৌৰৱ অৰ্জন কৰাতকৈ আদৰ্শ পিতৃ-মাতৃ হ'ব পৰাটো বহুগুণে শ্ৰেয়। আনহাতে তিৰোতাৰ স্বামীৰ প্ৰতি থকা শ্ৰদ্ধা, ভক্তি, আনুগত্য, কৃতিবোধৰ ওপৰত ভিত্তি কৰিহে সন্তানৰ চৰিত্ৰ নিৰূপিত হয়। উদাহৰণস্বৰূপে আমি ৰামায়ণ, মহাভাৰতৰ চৰিত্ৰ বিলাক লব পাৰো। মুনি বিশ্ৰবাক শ্ৰদ্ধাহীন আৰু কামভাৱত উন্মোক্ত হৈ গ্ৰহণ কৰাৰ বাবে সুমালি কন্যা নিকশায় ৰাৱনৰ দৰে সৃষ্টি ধ্বংসকাৰী পুত্ৰৰ জন্ম দিছিল। ধৃতৰাষ্ট্ৰৰ প্ৰতি অশ্ৰদ্ধা হেতুকে গান্ধাৰী সতী হৈয়ো বিধ্বংসী শতপুত্ৰৰ জন্ম দিছিল। আকৌ ধ্ৰুব, প্ৰহ্লাদ বিদূৰ, হনুমানৰ জন্ম ইতিহাসত পোৱা যায়, নাৰীৰ স্বামীৰ প্ৰতি শ্ৰদ্ধাপ্লুত স্নেহ। সেইবাবে গীতাত ভগৱান শ্ৰীকৃষ্ণই দ্বিব্য, জন্ম আৰু কৰ্মৰ কথা কৈছে। জন্ম দিব্য হ'লে কৰ্মও দিব্য হয়। অৰ্থাৎ দীপ্তিমান উজ্বল হৈ উঠে। সুজাতকৰ জন্ম নহ'লে এখন কল্যানকামী ৰাষ্ট্ৰৰ কথা ভাৱিব নোৱাৰি।

মৌৰ্য বংশৰ ৰজা চন্দ্ৰগুপ্তৰ মন্ত্ৰী আছিল চানক্য। চাণক্য পণ্ডিতৰ গুণ গৰিমাৰ কথা শুনি এবাৰ মেগাস্থানিছ চন্দ্ৰগুপ্তৰ ৰাজসভালৈ আহিল। তেতিয়া সন্ধিয়া সময়। মন্ত্ৰী চানক্য ৰাজকৰ্মত ব্যস্ত আছিল। এডাল মম জ্বলাই ৰাজ কাৰ্য্যৰ কাম কৰি আছিল। মেগাস্থানিছক দেখি নিজৰ কাম সামৰিলে লগতে মম বাতিডাল নুমাই অইন এডাল মমবাতি জ্বলাই দিলে। মেগাস্থানিছে সোধাত চাণক্যই ক'লে "সেইডাল চৰকাৰৰ পইচাৰে কিনা মম বাতি, মোৰ এতিয়া আপোনাৰ লগত ব্যক্তিগত কথা, ব্যক্তিগত মমৰ পোহৰত কথা পাতিম" চাণক্যই প্ৰতি ঘৰতে শান্তি বিৰাজ কৰাইছিল। এগাল সোন পৰি থাকিলেও কোনেও তুলি নলৈছিল। অইনৰ পৰি থকা বস্তু যে কিয় নিব লাগে তাক কোনেও বুজিবই পৰা নাছিল। (দীপৰক্ষী) মৌৰ্যসম্ৰাট চন্দ্ৰগুপ্তই চাণক্য পণ্ডিতৰ উপদেশ মতে ৰাজ্য শাসন কৰি তেওঁৰ বিশাল সাম্ৰাজ্যত শান্তি, সুশৃঙ্খলা প্ৰতিষ্ঠা কৰিছিল। আনহাতে শিৱাজীয়ে ৰামদাসক গুৰুৰূপে গ্ৰহণ কৰি, তেওৰ আদেশ, নিৰ্দেশ পালন কৰি বিৰাট মহাৰাষ্ট্ৰ গঠন কৰিব পাৰিছিল। শিৱাজী শৈশৱৰ পৰাই অতি মাতৃভক্ত আছিল। গুৰুভক্তি আৰু মাতৃভক্তিৰ বাবেই শিৱাজীয়ে জীৱনৰ প্ৰতি পদক্ষেপতে বিজয়ৰ মাল্য অলংকৃত কৰিব পাৰিছিল।

মহামতি অশোকে বুদ্ধক আদৰ্শ গুৰুৰূপে গ্ৰহণ কৰি বৌদ্ধ ধৰ্মৰ শান্তি আৰু মৈত্ৰীৰ বাণী প্ৰচাৰ কৰি চণ্ডাশোকৰ পৰা ধৰ্মাশোকলৈ ৰূপান্তৰিত হ'ব পাৰিছিল। আৰু নিজ ৰাজ্যত শান্তি, শৃঙ্খলা ঘুৰাই আনিব পাৰিছিল।

গতিকে বুজা গ'ল ৰাজনীতি য'ত ধৰ্মবিহীন তাত কেতিয়াও শান্তি প্ৰতিষ্ঠা হ'ব নোৱাৰে। এই সম্পৰ্কে স্বামী বিবেকানন্দই "ভাৰতে বিবেকানন্দ" নামৰ গ্ৰন্থখনত লিখিছে - "প্ৰত্যেক ব্যক্তির যেমন একতা বৈশিষ্ট্য আছে প্ৰত্যেক জাতিৰো তেমনি একতি নিজস্ব বৈশিষ্ট্য আছে। রাজনীতি বা সমাজনীতি হয়তো ইংলেণ্ড বা অন্য কোন দেশের মূল ভিত্তি হতেপারে, কিন্তু ভারতের মূল ভিত্তি ধর্ম আর কোন জাতি যদি তার হাজার হাজার বৎসরে গতিকে রোধ করে তার স্থানে অন্য কিছু বসাই তবে সেই জাতি অচিরেই ধ্বংস প্রাপ্ত হবে। অত এব ভারতবাসী তোমরা ধর্মের স্থানে অন্য কিছু বচাইওনা" বৰ্তমান দেশত সাম্য অৱস্থা ফিৰাই আনিবলৈ স্বামীজীৰ কথাৰ প্ৰতি গুৰুত্ব দি দেশৰ প্ৰতিজন মানুহে ধৰ্মক ভিত্তি কৰি চলিব লাগিব। ধৰ্মই বাস্তৱ ৰূপ পাই আদৰ্শৰ মাজেৰে। গতিকে ধৰ্মক ভিত্তি কৰি তাৰ ওপৰত বহুৱাই দিব লাগিব ৰাজনীতিক, তেতিয়াহে দেশত ঐক্য আৰু শান্তি প্ৰতিষ্ঠিত হ'ব।

**English Section**




# Communication and Development – ethnic domain transcending political boundary

## A take on cultural integrity between South East Asia and North East India

✍ **Asim Kumar Ghos**
Kolkata

Every individual identify his/herself with their own cultural identity. This is a significant contributor to the progress various communities are making in relation to Human development. We have ensured development in terms of health, education and livelihood. Convergence of culture and communication is necessary for any ethnic community and for nation state to gear towards development. It has been observed that rarely the growth of indigenous culture of particular community and

the development of nation is happening simultaneously; at least as per the parameters of development of nation State. This is very evident with the concept of development dynamics of hill and valley, tribal and non tribal, community depending upon industrial economy, community depending upon agro economy and community depending upon forest economy, community victim of prolonged armed conflict.

Culture is about practices of particular ethnic community in respect of social, ethnic, religious and political lives. Individuals following the norms of particular culture in defined boundaries are set to form a community. Culture, communication, belief and even governance can be redefined beyond its geographical boundary. As we will see in this article taking North East India as a classic example. After 69 years of India's independent mainstream media, politics, social norms and economy has not been able to influence its cultural territories. Contrary to that, the Korean channel and movies of Thailand and Singapore are very much in the television screen of the household of the North East.

The rest of the India associates its ethnicity with Aryans and Dravidians. Whereas North east India is more comfortable to associate with communities like with Kuki Chin and Mandele. Their most common travel destinations are Singapore, Thailand and Bangkok. If we peep at the cuisine styles of northeast, its mostly steamed or boiled food adopted from the communities living in the hills of the south east Asia. These practices have crossed the national geographical boundries and prevalent very much in North East India. Rather we can say that geographical re defining of territories could hardly impact the cultural assimilation and connection.

The influence of indigenous culture happening through various mode of communication, this is not confined to the modern media as we see...rather governance style, intellectual talk, local indigenous folk song, martial art, folk dance, rituals, script, language, inter change of cultural diversity and integrity, universities of these countries are engaged in student exchange programme.

Communication is not merely language, print and electronic media, publication etc. Communication also means the traditional stories, music, indigenous cultural practices, governance system. Indigenous Culture also means the food habits, dress code, lifestyle and ethnic beliefs. It is not be confined by geographical territory and political boundary.

The ethnic composition of Northeast India is complex and unique. This is mainly because of the extensive migration of various ethnic groups from the surrounding East and Southeast Asian regions in the ancient times. There had also been raids and invasions by many invaders from Burma on the one side and from the Indian plains on the other. Such invasions left an abundant number of races, religions and languages. Consequently, this contributed in making Northeast India a storehouse of nationalities. It can be easily inferred from the languages spoken or the myths created that the ancestors of many ethnic-tribal groups in the region hailed from far flung regions. A large number of tribal groups living in Northeast India are descendents of those who migrated here centuries ago from countries like-Mongolia, Tibet, China, Laos, Cambodia and Thailand. Therefore, this region can better be called a 'Mongoloid India' and culturally it is a part of the Southeast Asia. Northeast India represents an ethnological transition zone between India and neighbouring China, Myanmar, Bhutan and Bangladesh. There had been waves of migration of various ethnic groups to the region.

Many communities in northeast India traces their origin south of the Yarlung Zangbo, source of the Brahmaputra River, including the Tai-Ahoms or Ahoms, an offspring of the Tai people who are called Shan in Myanmar, Thai in Thailand, Lao in Laos, Dai and Zhuang in China and Tay-Thai in Vietnam. Many of us are not aware that the Meitei, who is assumed to be a part of the Black Tai, out of the three kindred of Tai: White Tai, Black Tai and Red Tai, are addressed as Tai mi meaning Tai people by many hill tribes in Manipur. Even the Manipuri vernacular meaning of the universe is Taibangpan, meaning the world in which the Tai reign, is suggestive of the old connection with the Tai community in Yunnan.

The similarities in the name of places may be no coincidence. A predominantly Loi village Tairenpokpi, which is situated at the foothills of Imphal West may be one of the early settlement of the Tai people who probably migrated from Yunnan, as the name suggest. In Yunnan there is a place called Damenlong, pronounced as Tamenlong. Whether Tamenglong in Manipur and Damenlong has any mythological and historical connection even in the oral history and tradition must inspire our

Anthropologist, Linguists and Historians alike. Tangkhul Naga legend has that Yunnan is the place of origin of the Tangkhul. Many Naga friends from Nagaland, when inquired about the origin of the Naga shares that some of the Naga may have migrated from South East Asia, as there are oral history and discovery of fossils and shells peculiar to ocean.

Worldwide human race make distinction between each other in relation to the geographical boundaries, climate, religion, ethnicity, colours, language, food habits, physical features etc. Differences of cultural and social identity are now the subject of polity of human beings. likewise we see the people of different continents with different way of their culture and identity, Worldwide, communities are surviving with their own identity. We have not come out from the feelings of separatism. Time to time it appears through sports, Politics and development paradigm. Though we see the development of these races in terms of education, economy, sports, polity and yes there is convergence of culture and that lead to the development of community. Here the education and constitutional framework of country and United Nations are playing a greater role- it gives liberty to community to survive with their own culture with language and also at the same time to survive with common principles so that one ethnic community can interact with others and learn from each other. The culture of agro community is characterised by their product and usage, it is also cross cutting the religious line. The culture of tribal and hill community is based on the culture of forest and hill, where one can find calm and peace, freshness and at the same time isolation. All the practices related to the religion, economy, social life evolved from the nature and their survival is in it. The cultural of industrial society is depending upon the community of workers whose capability and skills to deliver keep them united and also help them develop new ways of life.

Some of the regions in India is facing issues in converging culture and development. North Eastern India is the land of culture and nature. More than 50 ethnic communities are living in these areas and are governed by their own cultural practices. Some examples are Khobu, Maring, Mou, Meitei, Kuki, Naga, Ahom, Bodo, mizo, Khasi, Thadou, Thankhul, Paitei, Gangte etc. Village chief are the ultimate authority. The structure and philosophy of such system is different from Democratic framework as presented by Indian Constitution. The struggle to meet at a common juncture often leads to conflict situation. Such conflict is often caused by political interference and divisive strategies adopted by its leaders. The minority ethnic groups endure long term discrimination and try to mobilise political support for their benefit. The territorial integrity is vigorously challenged by diversities of 36 ethnic groups in Manipur.

Ethnic conflicts are observed in between the Adivasi and Bodo, Muslim Vs. Bodo, Kuki Vs. Naga, Meitei Vs. Muslims etc. these ethnic conflict now become the political conflict in between them and further it is transformed into the armed conflict in the region. these conflicts draws the community in backward direction. But it is also true that comprehensive social and economic development of the region is reducing the ethnic differences. Promotion of education in these states is playing a prime role in reducing the ethnic differences. Similarly, new economic (livelihood) options, market economy are also paving way to the community to come forward together. Assam Meghalaya and Sikkim are the unique examples to come up with the differences among the ethnic conflict and moving towards development.

Role of Media is also limited but significant in such situation. The media has limited accessibility due to geographical barriers of hills and political interference of underground ethnic groups. The state also often limits their mobility. Media persons are questioned by the Security forces. Their hands are tied up due to the conflict situation. Region is divided in valley and hill. Media reporting is not reaching to all the places at a time. Local network is also confined to certain geographical area due to lack of infrastructure and security reasons

Amidst this situation, media continues to play crucial role in reporting human rights violations by both state and non-state actors and military oppression. The regional media is more alert than the mainstream media from the mainland India. Big media houses are picking up the story from local media houses and initiating policy debate and discourse at national level. In one such incident a young boy has been killed by armed personnel in the middle of a market place in the year 2010. Tehelka.com highlighted the issue with photographs

in national media. As a result, enquiry commission had been set up. In the year 2017, cases are being handover to the Central Bureau of Investigation for further verifications so that Justice can be delivered. Media is playing the bigger role in protecting the human rights, protecting the child right issues. Cases related to the child sexual abuse, child trafficking, non functioning of schools and hospital are being published to alert the implementing authority, they are putting watch on the atrocities against women and helping bureaucracy, politician and judiciary to act upon.

It is natural to observe that as 'Mongoloid India', the Northeast region shares ethnic similarities with the surrounding Mongoloid populace living in the neighbouring countries of East and Southeast Asia. This is also revealed that there had been extensive migrations in the region covering the trans Himalayan and other Asian areas. Through such migrations there had been transfer of cultures along with populace. The people of the region are aware about their ethnic-cultural links with surrounding areas. However, in present times most of them are on the verge of losing such linkages due to a number of factors which include nationalising tendencies penetrating from rest of India. The potential points of such linkages have been that this could serve the purpose of building a strong bond with the countries of East and Southeast Asian nations. This would, in the present age of globalisation, serve the economic purpose of India, and in turn bring prosperity to the region as well. Such potentiality seems to have exerted influence in the minds of policy makers of our country. This is obvious from launching of policies like 'Look East Policy' in recent past. Sections of people are still optimistic that such policy if implemented properly at a sooner date, would transform Northeast India into a hub of Indian trade with Asian economic giants, and this would develop the region and many of the problems from which the region has been suffering would disappear automatically. Being specific to China, it can be said that the revival of the ancient trade and cultural contacts could serve the great purpose of strengthening India-China relations. Cultural aspects have always been a building factor in the strained relations between countries. The usage of various modern technologies of communication would help in reenergizing the age-old cultural relations. In the present age of globalization where there is increasing cultural assimilation, there is scope for the reshaping the ancient cultural contacts.

*"Geography is no longer a buffer. Events taking place across borders, near and far, impact on a much more direct manner on us. In some cases, such developments affect our bilateral relations and regional relations; in other cases, they affect our economic and social fabric..... India is aware of the geo-economic potential of the North-Eastern region as a gateway to East and South-East Asia. I am convinced that by gradually integrating this region through cross-border market access, the North Eastern states can become the bridge between the Indian economy and what is beyond doubt the fastest growing and dynamic region of the world.":*

*Shri Pranab Mukherjee as the External Affairs Minister of India2 in 2007. (He was also Hon. President of India)*

**References...**


- http://science.jrank.org/pages/8755/Communication-in-Southeast-Asia-its-Influence-Postcolonial-Society.html
- http://kanglaonline.com/2011/05/cultural-links-between-northeast-india-and-eastsoutheast-asia/
- Ethnic and Cultural Ties between Northeast India and China: Insights from the Past Sailen D. Das Department of Political Science, Assam University (Diphu Campus), Karbi Anglong, Assam-782462,
- http://www.business-standard.com/article/news-ani/role-of-media-in-promoting-regional-derstanding-in-south-asia-116020700195_1.html
- http://www.idsa.in/book/role-of-media-promoting-regional-understanding-south-asia.



# Language, People and Power: Thoughts on Nagamese

✍ Dr. Sanjay (Xonzoi) Barbora

In an informal aside at an official meeting, a well-known academic mused about the plight of Nagamese as a language. He wondered if anyone was really interested in its development and growth. Those of us with an interest in the history and culture of the region immediately set our minds on a quick scan of occasions when governments and public bodies have done anything to promote Nagamese. I recalled a few instances when Assamese intellectuals - such as Bhupen Hazarika - and public bodies - like the Assam Sahitya Sabha - made efforts to use Nagamese to reconnect the histories and politics of the peoples of Assam and Nagaland. In the 1950s and 1960s, the Assam Sahitya Sabha attempted to maintain a dialogue between the people of Nagaland and North Eastern Frontier Agency (NEFA), against the backdrop of a political dismemberment of the colonial province of Assam. Bhupen Hazarika, the quintessential crowd-pleaser, had a ready Nagamese version of some of his Assamese songs. Clearly, these efforts were not enough to prevent the eventual reorganisation of the region, nor could they elevate Nagamese from the realm of Creole patois. The academic in question then opined that Nagamese was not loved by anyone. Not the government, nor the communities that speak it.

Perhaps there is some truth in his pronouncement. It is not the language that children learn from their mothers. Very few people would claim it be their mother tongue, opting instead to be speakers of Tenyidie, Kyong, Nocte, Sumi or any other language that places them within the realm of a definite language-speaking kin community. Some linguists would therefore claim that Nagamese is not really a language, but merely a degraded remnant of languages that are spoken somewhere

কথা মতে কাম প্ৰায় এসপ্তাহৰ ভিতৰত মাটি চহকৰা হৈ গ'ল উন্নত মানৰ নেমু পুলি আনি উন্নত পদ্ধতিৰে শাৰী শাৰীকৈ ৰোপণ কৰা হ'ল। প্লাষ্টিকৰ নেটেৰে বেৰ দিয়া হ'ল, পানী দিয়াৰ বাবে এটা দমকলৰ ব্যৱস্থাও কৰা হ'ল। আৰম্ভণীতে প্ৰায় চাৰি বিঘা মাটিত নেমু খেতি কৰা হ'ল। এনেকৈ প্ৰায় দুই বছৰ পাৰ হ'ল। তৃতীয় বছৰত নেমু লাগিবলৈ আৰম্ভ কৰিলে, সময় মতে বিভিন্ন দৰব যোগান ধৰা হ'ল। মহেন্দ্ৰ মাষ্টৰে আজি কালি নেমু বাগানখনৰ মাজতে সোমাই কাম কৰি থাকে। প্ৰথম বছৰত মহেন্দ্ৰ নেমু বিক্ৰী কৰি প্ৰায় আশী হেজাৰ মান টকা পালে আৰু আনন্দত আত্মহাৰা হৈ উঠিল। পইচা পাই মহেন্দ্ৰই আৰু দুগুণ উৎসাহেৰে যিমান পাৰি সিমান সময় নেমু বাগানখনতে দিবলৈ ধৰিলে। এনেকৈ দ্বিতীয় বছৰত নেমু বিক্ৰী কৰি প্ৰায় তিনি লাখ মান টকা পালে। এইবাৰ মহেন্দ্ৰই আৰু দুবিঘা মাটি চহ কৰি নিজৰ খৰচতে নেমু পুলি ৰোপণ কৰিলে। ছয় বছৰ মানৰ ভিতৰত মহেন্দ্ৰ প্ৰতি বছৰে প্ৰায় ছয়-সাত লাখমান টকাৰ নেমু বিক্ৰী কৰে। লাহে লাহে ঘৰ দুৱাৰো অলপ ভাল কৰিব ধৰিলে আৰু এখন চোতা হাতী গাড়ী কিনি আনিলে। লাহে লাহে বাকী থকা মাতিখিনিতো মহেন্দ্ৰই নেমু ৰোপন কৰি দুজন মানুহক বছৰি হিচাপত ৰাখিলে। এতিয়া মহেন্দ্ৰৰ চাৰিখন চোতা হাতী আৰু এখন টাটা ডি.ৱাই। মহেন্দ্ৰ ব্ৰেণ্ডৰ নেমু এতিয়া অসমৰ বিভিন্ন জিলাত বেচা-কিনা হয়। অসমৰ বাহিৰে অন্য ৰাজ্যতো মহেন্দ্ৰৰ নেমুয়ে আগস্থান পাইছে। কেইদিনমান আগতে মহেন্দ্ৰই কাম কৰা স্কুলখনৰ কেবাগৰাকী ছাত্ৰ-ছাত্ৰী ছাৰৰ নেমু বাগানৰ চাবলৈ আহিছিল। ছাত্ৰ-ছাত্ৰীসকলৰ লগত বহু সময় কথা বতৰা পাতি চাহ-জলপান খুৱাই বিদায় দিয়াৰ আগমুহূৰ্তত কলে যে অহা সোমাবাৰে মই এবাৰ স্কুললৈ যাম পাৰিলে তোমালোক থাকিব। এতিয়া যোৱা সন্ধিয়া হ'লে দিগদাৰি হ'ব নহয়। ছাত্ৰ-ছাত্ৰী সকলে মহেন্দ্ৰৰ চৰণ চুই সেৱা জনাই বিদায় মাগিলে। মহেন্দ্ৰই আনন্দৰ চকুপানী তুকিলে আৰু ভাবিলে এই ছাত্ৰ-ছাত্ৰী সকলক এৰি অহাৰ মোৰ কিমান বছৰ হ'ল কেইবাজনে চাকৰিও পালে তথাপিও সিহঁতৰ মহেন্দ্ৰ চাৰক এতিয়াও পহৰা নাই।

সেইদিনা সোমবাৰ, সময় ৰাতিপুৱা দহ বাজিল মহেন্দ্ৰ দৌৰা দৌৰিকৈ কাপোৰ যোৰ পিন্ধি ভগা চাইকেলখনত লাফ মাৰি কেৰ কেৰ শব্দ কৰি স্কুললৈ যাত্ৰা কৰি স্কুল পাবলৈ কিছু দুৰ থাকোতে মহেন্দ্ৰই দেখিলে স্কুলত অজস্ৰ মানুহ, তেওঁ ভাবিলে স্কুলত বোধহয় কোনোবা মন্ত্ৰী এম.এল.এ. আহিছে। মোৰেই ভাগ্য বাল কিজানী মানুহবোৰক লগ পাম। আগৰ দৰে চাইকেলখন গছ ডালত আউজাই থৈ স্কুলৰ ফালে প্ৰৱেশ কৰোতেই মনুহবোৰ মহেন্দ্ৰৰ ফালে দৌৰি অহি সকলোৱে নমস্কাৰ জনালে আৰু ক'লে ছাৰ আপোনাক চাবলৈ ইমান বোৰ মানুহ ৰৈ আছে। মহেন্দ্ৰৰ নজনাকৈ চকু দুটা চলচলীয়া হৈ পৰিল। সকলোৱে গছৰ তলতে একেলগে বহি কথা বতৰা পাতিলে, স্কুলখনৰ বিষয়ে আলোচনা কৰিলে আৰু ক'লে যে এই বছৰতে স্কুলখন চৰকাৰী হ'ব। মই মন্ত্ৰীৰৰ লগত কথা পাতিছো। এই বছৰতে স্কুলখন চৰকাৰী হ'ব। আটায়ে আনন্দতে চিঞৰি উঠিল। কেইজনমান বয়োজ্যেষ্ঠ মানুহে আহি মহেন্দ্ৰৰ ভৰিত ধৰিবলৈ চেষ্টা কৰিছিল যদিও সম্ভৱ ন'হল, মহেন্দ্ৰই সেই কাম কৰিব নেদিলে। লগতে মহেন্দ্ৰই আৰু এটা কথা ক'লে যে স্কুল খনৰ তিনিটা শ্ৰেণীৰ কোঠা মই পকী কৰি দিম। অহা সপ্তাহত কাম আৰম্ভ হ'ব। মানুহবোৰ পাগলৰ দৰে হৈ গ'ল। আনন্দতে আত্মহাৰা হ'ল। এই ভগা চিগা, ঘৰ গুছি পকী ঘৰ হ'ব। গাওঁৰ মানুহবোৰৰ, ছাত্ৰ-ছাত্ৰী সকলৰ আনন্দ নালাগিব। মনেহন্দ্ৰই আকৌ ক'বলৈ ধৰিলে যে মানুহে কেইটামান বস্তুৰ পৰা সদায় আতৰত থাকিব লাগে। সেইয়া হ'ল লোভ, মোহ, অন্যায়, নিৰ্দয় অহিংসা আদি। আজি মহেন্দ্ৰ মাষ্টৰক হয়তো এজন পাগল হিচাপে দেখা হেতেন, কিন্তু মোক জীয়াই ৰাখিলে এই স্থানলৈ আনিলে মানুহক সহায় কৰিব পৰা কৰিলে। একমাত্ৰ এটা স্বেচ্ছাসেৱী অনুষ্ঠানে। সেইয়া হল ......... নামটো নকওঁ কাৰণ আপোনালোকৰ মাজলৈও নিশ্চয় আহিব দুখীয়াৰ ওচৰত ভগৱান হৈ থিয় দিবলৈ। অ সেই অনুষ্ঠান (NGO)তো মোৰ মনত 'ভগৱান',

ভ-গ-বা-ন...।



# আলিংগন

✍ পল্লৱী দেৱী

*স্বেচ্ছাসেৱিকা, গ্ৰাম্য বিকাশ মঞ্চ*

**বৃ**হৎ কোঠালিটোত সংলগ্ন লনখনত ঠিয় দিছে প্ৰেৰণা তাইৰ দৃষ্টি সন্মুখৰ নীলা আকাশখনত। সকলোৱে কয় আকাশ মানেই শূণ্যতা কিন্তু তাৰ পিছটো তাই মনত কঢ়িয়াই লৈ ফুৰে আকাশখন এবাৰ চুই চোৱাৰ অযুত হেঁপাহ। আকাশৰ নীলাত যেন লালিত-পালিত হয় হেজাৰ বৰ্ণিল স্বপ্ন। আকাশ প্ৰাপ্তিৰ শেষ সীমা। কিন্তু যাৰ অস্বিত্বই শূণ্য তাৰ ৰং বোৰ জানো ধূসৰ নহ'ব।

প্ৰেৰণাৰ মনৰ আকাশ খনৰ ৰংবোৰ যেন ধূসৰ হৈছে। আৱামি চকী খনত বহি তাই জোনবাইটি লৈ চালে শুকুলা মেঘ খিনিৰ লগত যেন লুকাভাকু খেলিছে, জোনবাই জনী তাইৰ বৰ প্ৰিয়। দুমহলীয়া অট্টালিকাৰ তাই থকা কোঠালিটোৰলনখনৰ সমান্তৰালকৈ বাঢ়ি অহা গছকেইজোপাই যেন তাইৰ বাবে প্ৰাচীৰ হৈ ঠিয় দিছে। জোনাক খিনিক তাইৰ ওচৰত অহাত বাধা প্ৰদান কৰিছে। জোনাক খিনি ক্ষনিক সময়ৰ বাবেই পালেও তাই হৃদয়ৰ কেনভাছত লিখিলেহেতেঁন সুখৰ ঠিকনা।

- বৌ-

- অঃ! ৰাণী কোৱা

- কি কৰিছা তুমি ইয়াত?

- জোনাক খিনিৰে মোৰ বুকুৰ কেনভাছত এখন ছবি আঁকিব বিচাৰিছো, য'ত থাকিব এবুকু সঁচা মৰম, কিছু আলসুৱা অভিমান আৰু জোনাকৰ দৰে শান্তি।

- বৌ তুমি কি কৈছা মই বুজি পোৱা নাই!

- আকৰি এইবিলাক সৰু ছোৱালীয়ে বুজি নাপায়।

- অহ্। শুনা চোন তোমাক এটা কথা কবলৈ আহিছিলো। কোনোবা এজন মানুহ আহিছে তোমাক লগ পাবলৈ।

- মোক লগ পাবলৈ! কোন আহিলেনো? ইয়াত চোন চিনাকি ও কোনো নাই। কলিকতাত আহিবৰ আমাৰ বেছিদিন হোৱা নাই। তাতে এখেত ঘৰত নাই, ৰাণী এ আকৌ হিন্দী কোৱাৰ ভয়ত কমত সোমাল। তাইক আমিয়েই লৈ আহিছিলো আশ্ৰমৰ পৰা অকলশৰীয়া ছোৱালী মোৰ লগত ঘৰুৱা কাম বনত সহায় কৰি দিয়ে।

মই ভয়ে ভয়ে ড্ৰয়িং ৰুমলৈ সোমাই গলো। এজন ভদ্ৰ লোক ফৰ্মেল কাপোৰ, হাতত দামী ঘড়ী, চকুত এযোৰ চশমা, বয়স ৩৮ মান হ'ব। বাহিৰত দুজন চিকুৰিটি ৰখি আছে বেচ দামী গাড়ী এখনো।

কিন্তু এয়াচোন মৃগাং। মৃগাংগক দেখি মোৰ বুকুখন এক অজান আকাংশাত কঁপি উঠিল, ভৰি খন যেন কঁপি বলৈ ধৰিছে। মোৰ নিজৰ চকুযুৰিকে যেন বিশ্বাস কৰিব পৰা নাই।

- প্ৰেৰণা, চিনি পাইছা নে মোক!

- অ...হ....।

- তোমাক কৈছিলো নে মই যে এদিন মই এজন উচ্চপদস্থ চৰকাৰী বিষয়া হৈ তোমাৰ ওচৰত আহিম। চোৱা মই আজি তোমাৰ সন্মুখত।

- মোৰ আনন্দখিনি হৃদয়ৰ পৰা চকুপানী ওলাই আহিছে।

- প্ৰেৰণা, কিয় কান্দিছা তুমি! চোৱা, তুমি ভালপোৱা Dairy milk, little heart biscuit আৰু এইটো তোমাৰ প্ৰিয় মিঠাই কালাকন্দ।

মৃগাংকই মোৰ দুগালেদি বৈ অহা চকুলোখিনি মচি মোৰ মূৰত হাত বুলাই ক'লে - নাকান্দিবা। মোৰ এনেকুৱা লাগিছিল যেন মই তাক সৰু কেঁচুৱাৰ নিচিনা সাৱটি ধৰি চিঞৰি চিঞৰি কান্দিম, কিন্তু মই থমকি ৰলো কাৰণ আজি মই আনৰ হলো।

- প্ৰেৰণা

- হুঁ...

তোমাক এবাৰ চাবলৈ বহুত মন আছিল সেইকাৰণে মই তোমাৰ ঘৰত আহিলো। বিশ্বাস কৰা তোমাৰ জীৱনত মই একো আউল নলগাওঁ। আজি এক সপ্তাহ হ'ল মই বিৰভূম জিলাত উপায়ুক্ত হিচাপে যোগাদান কৰা। ইমান কৰ্ম ব্যস্ততাৰ মাজতো তোমাক এবাৰ চাবলৈ সদায় মন যায়। সকলোৰে বাবে মই এজন গহীন গম্ভীৰ আই.এ. এছ. বিষয়া হ'ব পাৰো কিন্তু তোমাৰ কাৰণে মই সদায় যেন "পাগল"। যিটো মোৰ প্ৰিয় নাম 'পাগল'। তোমাৰ মৰমৰ নাম। তোমাক মই চৰ্তহীনভাৱে ভালপাইছিলো আৰু পাই যাম। তোমাৰ প্ৰিয় গীতৰ কলিটি জুবিন গাৰ্গৰ সেই বিখ্যাত গানটোৰ - 'মই আছো তোমাৰেই দুচকুৰে পাহিতে চোৱা তুমি দুচকু জপাই' আৰু তুমি কি ভাবিছা বিখ্যাত লেখিকা অদিতী ফুকন কোন হয় মই নাজানো লোক চকুৰ পৰা তুমি নিজক লুকুৱাই ৰাখিছা কিন্তু তোমাৰ কলমেৰে নিগৰত প্ৰতিটো বাক্য মোক অতি চিনাকি হৃদয়ৰ হৃদস্পন্দন।

আবেগৰ ৰাগীত মৃগাংকই একে উশাহতে গোটেই খিনি কথা কৈ শেষ কৰিলে। মই আৰু নিজক ৰখাব নোৱাৰিলো তাৰ আঁঠুত মূৰটো থৈ হুকহুকাই কান্দিছিলো।

হয়, আজিৰ পৰা ৯-১০ বছৰ আগৰ কথা মই তেতিয়া এম.এছ.ডব্লিউ. পঢ়া শেষ কৰি এন.জি.অ' এটাত কাম কৰি আছিলো। বহুত কৰ্মব্যস্ততা জীৱন। সেইদিনা ৰবিবাৰ আছিল ফেচবুকটো খুলি চালো বহুত Friend request তাৰ মাজত মৃগাংকক পাইছিলো। আমাৰ মাজত বন্ধুত্বৰ দ্বাৰা সম্পৰ্কটো আগবাঢ়িল দুমাহ মান হ'ল। এনেদৰে আমাৰ মাজত মেছেজত কথা বতৰা চলি থাকোতেই সি এদিন ক'লে - মই ঘৰত যাম মানে নগাওঁত মোৰো ঘৰ তাতেই। সিহঁতৰ ঘৰৰ পৰা ১৩-১৪ কি.মি. ৰ মান দূৰত। সি তেতিয়া NF ৰেলৱেত কাম কৰে যোৰহাটত। তাৰ আগতে আমাৰ ওচৰৰে চাৰ্কোল অফিচত প্ৰজেক্ট অফিচাৰ হিচাপে কাম কৰিছিল, সেই সূত্ৰে আমাৰ গাওঁখন চিনি পায়। সেইদিনাও ৰবিবাৰ হঠাৎ এটা ফোন আহিল-

- হেল্ল ....

- হয় কোন?

- মই মৃগাংক

- অ... হ. কওঁক

- আজি তোমালোকৰ ঘৰত গধূলিৰ চাহ কাপ খুৱাব নেকি?

- নিশ্চয়, কিন্তু আপুনিটো যোৰহাটত।

- না...

- তেতিয়াহ'লে! মোৰ মনটো যেন আনন্দত নাচি উঠিল।

- নগাওঁত।

- কেতিয়া আহিলে?

- দুপৰীয়া ১ টা মানত।

- সঁচা?

- ও সঁচা। চাহ কিহেৰে খুৱাবা কোৱা?

- কিহেৰে খাব কওঁক?

- নাৰিকল লাৰু আৰু চেনী নিদিয়া ৰঙা চাহ।

- ইমানেই?

- অহ।

সিদিনা তেখেতে দুজন বন্ধুৰ লগত আমাৰ ঘৰত আহিছিল সন্ধিয়া। মা-দেউতাৰ লগত চিনাকি হৈছিল মোৰ বন্ধু হিচাবে। সিদিনাও তেওঁ মোৰ বাবে আনিছিল ডেইৰী মিল্ক চক্‌লেট, লিটল হাৰ্ট বিস্কুট আৰু কালাকন্দ। ৰাজনৈতিক জগতৰ পৰা আৰম্ভ কৰি পাকঘৰলৈকে কিমান যে কথা পাতিছিল মা-দেউতাৰ লগত।

সিদিনা মোৰ হৃদয়ত এপাহি গোলাপে কলি মেলিছিল আৰু মোৰ দুচকুত জোনাকী এজাকে জিলমিল কৰিছিল সংগোপানে।

তাৰ দুদিন পিছত তেওঁ আকৌ আহিছিল যোৰহাটলৈ।

- হেল্ল

- গৈ পালো আপুনি?

- ও পালো।

- ক'ত এতিয়া?

- অফিচত, আজি Control roomত duty আছে। মই আৰু বেছিদিন এইটো চাকৰি নকৰো। একেবিলাক কাম কৰি বিৰক্তি লাগে। মোৰ এটা সপোন আছে জানা এজন উচ্চপদস্থ চৰকাৰী বিষয়া হোৱা।

- নিশ্চয় পাৰিব আপুনি মোৰ শুভকামনা সদায় আছে আপোনাৰ লগত।

- কিন্তু মোৰ এতিয়া কি মন গৈছে জানা!

- কি?

- তোমাৰ দুচকুৰ নীলাত নিজকে বিলীন কৰি দিবলৈ মন গৈছে।

- ধেৎ, পা...গ...ল।

এনেদৰে আমাৰ সম্পৰ্কটো দুবছৰীয়া হ'ল। সময়ৰ সোঁতত যেন আমি বৈ থাকিলো। লাহে লাহে মোৰ ঘৰত বিয়াৰ কথা ওলাবলৈ লৈছিল। ইমান দিনত আমি দুয়ো কোনোৱে কাকো প্ৰেমৰ প্ৰস্তাৱ দিয়া নাই। কিন্তু মোৰ হিয়াত যে মগাংকৰ প্ৰেমৰ অনল জ্বলিয়ে আছিল। এদিন মই তাক মোৰ ভালপোৱাৰ কথা কলো কিন্তু সি পোনসাতে নাকচ কৰিছিল।

- বহুত বেয়া পাইছো আপোনাক!

- কিয় প্ৰেৰণা?

- মানুহে কৈ ন যে যাচি দিয়া সোণৰ মূল্য নাই

- মিছা!

- এইটোৱেই সঁচা।

- You are a jewel for me and their is a great value for me but the acceptation is different.please try to understand.

- মিছা এইবিলাক। এদিন মই আপোনাক দেখুৱাম মোৰ মূল্য

- মিছা হ'লে মই তোমাক মই প্ৰতাৰণা কৰিলো হয় There is a great value of you in my heart মই কাকো প্ৰতৰণা কৰিব নোৱাৰো, প্ৰেৰণা।

- আপুনি মোৰ লগত ভুল কৰিলে।

- কি ভুল কৰিলো কোৱা?

- কোনো প্ৰয়োজন নাই জনাৰ।

- ভুল নুবুজিবা প্ৰেৰণা মই কাৰোবাক কথা দিয়া আছে।

- I never see you again in my life Mr.Mriganka ..... bye....... Forever.

- কিয়? মোৰ ভুল কি? হয়, মই তোমাক প্ৰতৰণা কৰিব বিচৰা নাই বাবেই সকলো কথা মই তোমাক সন্মুখত কৈছো। তোমাক মিছা আশা দিয়া নাই। মিছাকে তোমাৰ সন্মুখত প্ৰতাৰক হ'ব খোজা নাই। তুমি যদি যাব বিচাৰিছা ঠিক আছে যোৱা, কিন্তু তোমাৰ প্ৰতি থকা মোৰ মৰম, ভালপোৱা, সন্মান সদায় তেনেদৰেই থাকিব মোৰ হিয়াত। বিদায় প্ৰেৰণা, নিজৰ যত্ন লবা।

সেইদিনাৰ পৰা মৃগাংকৰ লগত মোৰ কোনো সম্পৰ্ক নাই। আমাৰ দুয়োজনৰ সম্পূৰ্ণ নাম এতিয়া লৈকো কোৱাই নাই মোৰ নাম-প্ৰেৰণা দাস আৰু মগাংকৰ নাম- মৃগাংক গোস্বামী। মৃগাংকই তাৰ মাকক কথা দিছিল যে সি ব্ৰাহ্মণ সম্প্ৰদায়ক বাদ দি বেলেগ সম্প্ৰদায়ৰ ছোৱালীক বিয়া নাপাতে। কাৰণ তাৰ ককাঁয়েকে বেলেগ সম্প্ৰদায়ৰ ছোৱালী বিয়া পতা বাবে দেউতাকে অন্তৰত অতিমাত্ৰা আঘাত পাই হৃদদযন্ত্ৰৰ ক্ৰিয়া বন্ধ হৈ মৃত্যুক সাৱটি লৈছিল। এই বোৰ কথা মই মোৰ বিয়াৰ এবছৰ মান পিছতহে গম পাইছিলো মৃগাংক কিন্তু এতিয়াও অবিবাহিত।

অহ! ইয়াৰ মাজতে মৃগাংকৰ লগত সম্পৰ্ক ছেদ হোৱাৰ পিছত মোৰ বিয়া হৈছিল। নিখিল চলিহাৰ লগত সদা কৰ্মব্যস্ত এজন লোক যেন ঘড়ীৰ কাটাতকৈও এক ছেকেণ্ড আগত চলিব। তেখেত বৰ্তমান আই.চি.আই. বেংকৰ ব্ৰান্স মেনেজাৰ কলিকতাত। বহুত মৰমিয়াল কিন্তু তাৰ পিছতো যেন মোৰ হৃদয়ৰ কোনোবা কোণত অলপ শূণ্যতা ৰৈ যায় আৰু সেই শূণ্যতা খিনি পূৰাবলৈ মই অদিতি ফুকন হৈ শব্দৰ মায়াজাল সৃষ্টি কৰো।

- প্ৰেৰণা

- হু .....

- উঠা, মোক ৰঙা চাহ একাপ দিয়া।

মই মৃগাংকৰ মাতত বাস্তবলৈ ঘুৰি আহিলো। ইমান সময় মই তাৰ আঁঠুত মূৰ থৈ শুই আছিলো। লৰালৰিকৈ পাকঘৰত গৈ চাহ বনালো।

- লওক চাহ

- সোৱাদ কিন্তু আজিৰ পৰা ৮ বছৰ আগৰে আছে। বাৰু মই এতিয়া যাওঁ। মোৰ এখন সংবাদ মেল আছে চাৰ্কিত হাউচত। প্ৰেৰণা নিজৰ যত্ন লবা। আ.....হি......ছো...

মৃগাংক গ'ল গৈ। তাৰ গাড়ীখনে উৰুৱাই থৈ যোৱা ধূলিখিনিয়েচোন মোৰ হৃদয়ৰ কেনভাছত আঁকিব লোৱা ছবিবোৰ আকৌ এবাৰ ধূসৰ কৰি থৈ গ'ল।

# অনুশোচনা

✍ জুৰি তালুকদাৰ
*স্বেচ্ছাসেৱিকা, গ্ৰাম্য বিকাশ মঞ্চ*

টোপ টোপকৈ নিয়ৰৰ টোপাল বোৰ ঘৰৰ চালত পৰি আছে, ঘড়ীটোৱে টিকটিক্ শব্দ কৰি আছে, আন একো শব্দ নাই। আঘোণৰ শীতৰ সেমেকা ৰাতি, মাজে মাজে দূৰৈৰ কোনোবা গাঁৱত কুকুৰৰ ভুক ভুক শব্দ ভাহি আহে। নিশা তেতিয়া দুইমান বাজিছে বকুলৰ তিনি মহীয়া কেচুৱাটো মাকৰ বুকুৰ মাজতখোহ খোৱাইহে আছে, বোধয় তাৰভোক, পিয়াহ লাগিছে, মাকৰ গাখীৰ খাব বিচাৰিছে। মাকে গমেই পোৱা নাই, টোপনীত লাল-কাল কিয় নহব চাৰিদিন ধৰি চকু মুদা নাই মাক মনোমতী আৰু বাপেক বকুলে। কেচুৱাটোৰ বেমাৰ ওচৰত ডাক্তৰো নাই, সেয়েহে গাওঁৰ কোনবা মহিলা এজনীৰ পৰা তেল জাৰি, চেনী জাৰি এইবোৰ আনি ব্যৱহাৰ কৰি আছে। চাৰি দিন ধৰি কেৱল কান্দিয়ে আছে, আজি অৱশ্যে অলপ কান্দিবলৈ এৰিছে। মনোমতিৰো বয়স বোধহয় যোল্ল-সতৰ বছৰমান হৈছে। প্ৰেমত পৰি বকুলৰ লগতে উপযুক্ত বয়স নহওতে বিয়া হ'ব লগা হ'ল। বকুলেও মিস্ত্ৰীৰ লগত দিন হাজিৰা কৰে, কেচুৱাটোৰ বেমাৰৰ কাৰণে বোধহয় সিও পাচ-ছয় দিনমান কামলৈও যাব পৰা নাই। হাতত টকা-পইচা থাকিলে হয়তো টাউনলৈ নি কেচুৱাটোৰ চিকিৎসা কৰিব পাৰিলে হেতেন। কিন্তু সেইয়াও কৰিব পৰা নাই, সেয়েহে ভগৱানৰ ওপৰতে ভৰষা কৰি ল'ৰাটো ঘৰতে সেকা পোৱা কৰি আছে।

হঠাৎ কেচুৱাটোৱে বিকৎ চিঞৰ এটা মাৰি চিৎকাৰ কৰি উঠিল, বকুল আৰু মনোমতী একে জাপে উঠি কেচুৱাটোক সাৱটি ধৰিলে। মাকে লক্ষ্য কৰিলে তাৰ শৰীৰটো একদম ঠাণ্ডা পৰি গৈছে। বকুল আৰু মনোমতী কান্দিবলৈ ধৰিলে, সিহঁতৰ কান্দোন শুনি ওচৰ চুবুৰীয়াৰ কেবাতাও পুৰুষ-মহিলা আহি উপস্থিত হ'ল আৰু সকলোৱে জুই ধৰি সেকিবলৈ ধৰিলে। গাওঁখনত চাইকেল কেইখন মানৰ বাহিৰে এখন গাড়ী নাই। সেয়েহে দুজন ল'ৰাই চাইকেল মাৰি গৈ দুৰণীৰ গাওঁ এখনৰ পৰা এখন অত ৰিক্সা মাতি আইনলে। এইবোৰ কৰোতে তেতিয়া সময় নিশা চাৰিমান বজিলেই। পুব আকাশৰ পৰা এন্ধাৰ ফালি পোহৰৰ ৰেঙণি পৃথিৱীত পৰি পৃথিৱীখন সতেজ হ'বলৈ আৰম্ভ কৰিছে। দৌৰা দৌৰি কৰি যেনি আছে তেনি অটোৰিক্সা খনত উঠিল বকুল, মনোমতী আৰু কেঁচুৱাটো। অৱশ্যে ৰিক্সা যোৱাৰ সময়ত দুজনমান মানুহে হাতৰ মুঠিতে বকুলক কিবা অলপ পইচা দিলে। যি নিদিয়ক সেইখিনি সময়ত বকুলৰ কাৰণে সেয়াই বহুত। যেনেকৈ পানীতপৰা মানুহৰ বাবে এডাল খেৰ কুটাই ডাঙৰ আশ্ৰয়স্থলী হৈ পৰে তেনেকৈ বকুলৰ বাবে সেইখিনি সময়ত সেয়াই বহুত। হেকাৰ-বেকাৰ কৰি অটো ৰিক্সাখন এঘণ্টা মানৰ মূৰত টাউন পালে, বকুল আৰু মনোমতীৰ মুখত এসাৰো মাত নাই কেৱল মাত্ৰ ভগৱানক ভাবিছে। টাউনৰ চৰকাৰী মেডিকেলত সোমাল দৌৰা দৌৰি কৰি। ডাক্তৰে চালে আৰু নাৰ্চক ক'লে ক্ৰিটিকেল, সোনকাল অক্সিজেন দিয়াৰ ব্যৱস্থা কৰা। দৌৰা-দৌৰি কৰি অক্সিজেন লগালে। ইঞ্জেকশ্চন দিলে। মুঠৰ ওপৰত চিকিৎসাত কোনো কৃপালানি কৰা নাই।

ৰাতিপুৱা দহমান বাজিল। বকুলহঁতৰ গাৱঁৰ কেবাজনো মানুহ খবৰ লবলৈ আহিল। এজন অলপ লিখা পঢ়া যুৱকে বকুলৰ লগত গৈ ডাক্তৰক সুধিলে- চাৰ আচলতে কেচুৱাটোৰ কি হৈছে? চিকিৎসকে এফালৰ পৰা কবলৈ ধৰিলে যে শিশুটি পুষ্টিহীনতা, ৰক্তহীনতাত ভুগিছে। ওজন যিমান থাকিব লাগে তাতকৈ বহুত কম আছে। মাকৰ গাখীৰ খাবলৈ নাপায়। ল'ৰাজনে আকৌ সুধিলে, চাৰ আচলতে এইবোৰ কি কাৰণত হয়। চিকিৎসকে তাক ভালকৈ বুজাই দিলে যে চাওঁক ছোৱালী মানুহে সদায় উপযুক্ত বয়সত বিয়া হ'ব লাগে। গৰ্ভৱতী মহিলাই সদায় পুষ্টিকৰ খাদ্য খাব লাগে, আইৰণ যুক্ত বস্তু খাব লাগে। প্ৰটিনযুক্ত খাদ্য খাব লাগে। আইৰণ ফলিক টেবলেট খাব লাগে। সময়মতে স্বাস্থ্য পৰীক্ষা কৰিব লাগে, মানসিক বা শাৰিৰীক কোনো ধৰণৰ হেঁচা পাব নালাগে। এতিয়া কথা বুজি পালে নে? হয় ছাৰ, পাইছো বুলি ল'ৰাজনে মুৰ দোৱালে আৰু ভাবিলে যে বকুলৰ ঘৈনীয়েকজনী এইবোৰৰ সম্পূৰ্ণ বিপৰীত। সেই কাৰণে হয়টো আজি কেচুৱাটোৰ এনে অৱস্থা। এইবোৰ ভাবি থাকেতে নাৰ্চ এজনীয়ে দৌৰি আহি ডাক্তৰত মাতি লৈ গ'ল আৰু বকুলৰ ল'ৰাটো কিছু সময় ছোৰা-চিতা কৰি ক'লে উপায় নাই, আমি কেঁচুৱাটোক বচাব নোৱাৰিলো। বকুল আৰু মনোমতীৰ মূৰৰ ওপৰত আকাশখন ভাগি পৰা যেন পালে আৰু হুক হুক কৈ কান্দি উঠিল। মনোমতীয়ে মৃত সন্তানটো বুকুৰ মাজত সাৱটি লৈ চিঞৰি চিঞৰি কান্দি থাকিল। এটা সময়ত মৃত পুত্ৰক কোলাত লৈ বকুল আৰু মনোমতী খোজ কাঢ়িলে ঘৰলৈ। সি বুজি পালে যে এটা সন্তান জন্ম দিবলৈ হ'লে তাৰ আগতে মাকক সম্পূৰ্ণ সুস্থ সবল কৰি তুলিব লাগিব; উপযুক্ত বয়সৰ হ'ব লাগিব। সি মনতে প্ৰতিজ্ঞা কৰিলে এইবাৰ মনোমতীক সম্পূৰ্ণ সুস্থ সবল কৰিহে সন্তানৰ কথা ভাবিব। বকুল আজি নিজেই নিজেই অনুশোচনাত ভূগিছে।

# দত্তক গ্ৰহণ

✍ প্ৰজ্ঞাশ্ৰী চক্ৰৱৰ্ত্তী
*স্বেচ্ছাসেৱিকা, গ্ৰাম্য বিকাশ মঞ্চ*

"Adoption" এক মৰমসনা বিকল্প পিতৃ-মাতৃ হোৱাৰ সৌভাগ্য উপভোগ কৰাৰ। "Adoption" যাৰ অৰ্থ দত্তক গ্ৰহণ বা সন্তান তুলি লোৱা। ২০১৭ ইং চনৰ এপ্ৰিল মাহৰ পৰা গ্ৰাম্য বিকাশ মঞ্চই Specialised Adoption Agency চমুকৈ SAA হিচাপে কাম কৰিবলৈ আৰম্ভ কৰে। মই উক্ত প্ৰকল্পটোৰ সমাজ সেৱিকা হিচাপে নিয়োজিত হৈছিলো। প্ৰকল্পটো আৰম্ভ হোৱাৰ পৰা বিভিন্ন ঠাইত আমি "Adoption" বা দত্তক গ্ৰহণৰ প্ৰচাৰ চলাইছিলো যাতে ৰাইজ ইয়াৰ প্ৰতি সজাগ হয়। অনাথ, পৰিত্যক্ত, অৱহেলিত শিশু সকলে যাতে এটা পৰিয়াল পায় আৰু সন্তাহীন দম্পত্তিয়ে দত্তক গ্ৰহণৰ যোগেদি সন্তানৰ সুখ ভোগ কৰিব পাৰে। আমি আশাকৰ্মীসকলক এই ক্ষেত্ৰত সজাগ আৰু প্ৰসূতিসকলৰ লগত কাম কৰে।

সময় উকলাৰ লগে লগে বহু দম্পত্তি আমাৰ অনুষ্ঠানলৈ আহিল আৰু কেনেকৈ কি কৰিব লাগে সন্তান তুলি লোৱাৰ বাবে তাৰ বুজ ল'লে। সন্তান তুলি লবৰ বাবে এহাল দম্পত্তিয়ে অভিভাৱক হিচাপে পঞ্জীয়ন কৰিব লাগে CARA (Central Adoption Resowrec Agency) Portal অত। তাৰ পিছত তেওঁলোকৰ স্থানীয় জিলাৰ SAA ৰ সমাজ সেৱিকাই তেওঁলোকৰ ঘৰ পৰিদৰ্শন কৰি CARA লৈ তাৰে ৰিপৰ্ট পঠাব লাগে। তেওঁলোকৰ যোগ্যতা বিবেচনা কৰি অভিভাৱক সকলে ঘৰ পৰিদৰ্শন সমীক্ষা (Home Study Report) বিপৰীতে অনুষ্ঠানক ৬,০০০ টকা দিব লাগে। তাৰ পিছত শিশু তুলি লোৱাৰ সময়ত ৪০,০০০ টকা আৰু শিশু গ্ৰহণৰ পিছত দুবছৰলৈ প্ৰতি ছমাহে Follow up Visit ৰ নামত দুহেজাৰকৈ SAA ক দিব লাগে। পঞ্জীয়ন কৰাৰ পিছৰ পৰা শিশু গ্ৰহণৰ দুবছৰলৈ সৰ্বমুঠ ৫৪,০০০ টকা অভিভাৱক সকলে ব্যয় কৰিব লাগে।

বহু সন্তানহীন দম্পত্তি আমাৰ অনুষ্ঠানলৈ সন্তান তুলি লোৱাৰ হেঁপাহত আহিছিল কিন্তু গোটেই প্ৰক্ৰিয়াটোত ব্যয় কৰিবলগা টকাৰ কথা শুনি দুখমনে উভতিছিল। কাৰণ তেওঁলোক অপৰাগ ইমান টকা ব্যয় কৰিবলৈ। Juvenile Justice Act, 2016 ৰ অধীনত Adoption ৰ ব্যৱস্থা ভাল উদ্দেশ্যৰেই কৰা হৈছিল যাতে কোনো শিশু পৰিত্যক্ত বা অৱহেলিত নহয় আৰু সিহঁতে এটা পৰিয়াল পাওঁক আনহাতে সন্তানহীন দম্পত্তিয়ে সন্তানৰ সুখ ভোগ কৰক।

কিন্তু এই দত্তক গ্ৰহণ বা সন্তান তুলি লোৱা ব্যৱস্থাটো জানো সকলোৰে বাবে উপভোগ্য? বহু দুখীয়া দম্পত্তি আছে যিয়ে নিজৰ সন্তান নোহোৱাৰ বাবে সন্তান তুলি ল'বলৈ আগ্ৰহী কিন্তু গোটেই প্ৰক্ৰিয়াত ব্যয় কৰিব লগা ধনৰ যোগান তেওঁলোকে ধৰিব নোৱাৰে। এনেকুৱাটো নহয় যে ধনবান দম্পত্তি সকলেহে সন্তান ভালদৰে ডাঙৰ দীঘল কৰিব পাৰে। আমি সকলোৱে দেখিছো বহু দুখীয়া দম্পত্তিয়েও তেওঁলোকৰ সন্তান সযতনে ডাঙৰ-দীঘল কৰি উচ্চ শিক্ষাৰে শিক্ষিত কৰি তুলিছে।

সন্তান তুলি লোৱাৰ ব্যৱস্থাটো অকল ধনী শ্ৰেণীৰ লোকৰ বাবেহে বনোৱা হৈছে যেন অনুভৱ হয়। সমাজ সেৱিকা হিচাপে দত্তক গ্ৰহণ সংস্থাত নিয়োজিত হোৱাৰ পিছত গ্ৰহণ কৰা প্ৰশিক্ষণ এটিত আমি দুজনমানে এই বিষয়টোত মাত মাতিছিলো যে সকলো দম্পতীৰ বাবে ইমান টকা খৰচ কৰাটো সম্ভৱপৰ নহয়। কিন্তু কেন্দ্ৰীয় কৰ্তৃপক্ষৰ মতে সেইখিনি পইচা খৰচ কৰিব নোৱাৰা দম্পত্তি এহালে কেনেকৈ সন্তান ডাঙৰ-দীঘল কৰিব। কিন্তু বাস্তৱ ক্ষেত্ৰত আমি দেখিছো বহু কষ্ট কৰি দিন হাজিৰা কৰা লোকেও সন্তান ভালদৰে ডাঙৰ দীঘল কৰি ভাল শিক্ষা প্ৰদান কৰি আহিছে। তেনে ক্ষেত্ৰত এই দুখীয়া এছাম দম্পত্তিক কিয় সন্তান তুলি লোৱাৰ পৰা দূৰত ৰাখিব বিচৰা হৈছে। পইচাই জানো ভাল মাক-দেউতাক হ'ব পৰাৰ চিন? সু-সংস্কাৰ জানো ধনে দিব পাৰে? নোৱাৰে কাৰণ সংস্কাৰ ধনেৰে কিনিব পৰা বস্তু নহয়। এখন দুখীয়া ঘৰতো শিশু এটি ভালদৰে লালন-পালন কৰিব পৰা পৰিৱেশ থাকিব পাৰে। গতিকে সন্তান তুলি লোৱাৰ ব্যৱস্থাটো দুখীয়া লোক সকলেও গ্ৰহণ কৰিব পৰা হ'লে শান্তি লভিলোহেঁতেন।

# গণতন্ত্ৰ আৰু শিক্ষা

✍ লভিতা কলিতা
*স্বেচ্ছাসেৱিকা, গ্ৰাম্য বিকাশ মঞ্চ*

'গণতন্ত্ৰ আৰু শিক্ষা' বৰ্তমান সমাজত বহুলভাৱে প্ৰচলিত আৰু সকলোৰে চিনাকি দুটা শব্দ। গণতন্ত্ৰ ইংৰাজী প্ৰতিশব্দ 'Democracy' শব্দটো গ্ৰীক ভাষাৰ 'Demos' আৰু 'Krates' শব্দৰ পৰা আহিছে। 'Demos শব্দৰ অৰ্থ হ'ল 'জনসাধাৰণ বা মানুহ' আৰু 'Krates' শব্দৰ অৰ্থ হ'ল 'ক্ষমতা বা শাসন'। এই দুয়োটা শব্দ যোগ কৰি পোৱা অৰ্থটো হ'ল জনসাধাৰণৰ দ্বাৰা কৰা শাসন। শিক্ষাবিদ এৰিষ্টটলৰ মতে 'গণতন্ত্ৰ হ'ল জনসাধাৰণৰ চৰকাৰ'। ইয়াত ৰাইজে ৰজা। ধনীকতন্ত্ৰৰ শাসনৰ অধীন হৈ নাথাকি মানুহে নিজকে শাসন কৰিবলৈ হ'লে মানুহ শিক্ষিত হ'ব লাগিব। উপযুক্ত জ্ঞান, গুণাৱলী, বিশ্লেষণাত্মক মনোভাৱৰ অবিহনে এনে প্ৰত্যাশা কৰাটো ব্যৰ্থ। এই ক্ষেত্ৰত শিক্ষাই অতি গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। কিয়নো গণতান্ত্ৰিক দেশত ৰাইজে নিৰ্বাচিত কৰা প্ৰতিনিধিৰে ৰাইজৰ চৰকাৰ গঠন কৰা হয়। যদি নাগৰিকসকল অশিক্ষিত হয় বা শুদ্ধাশুদ্ধ বিচাৰ কৰিব পৰা ক্ষমতা নাথাকে তেনেহ'লে তেওঁলোকে উপযুক্ত প্ৰতিনিধি নিৰ্বাচন কৰি দিয়াত ব্যৰ্থ হ'ব। তেনেদৰে গঠন হোৱা চৰকাৰখনেও দেশৰ উন্নতিৰ বাবে কোনো কাম কৰিব নোৱাৰিব। সেয়েহে গণতান্ত্ৰিক দেশত সাৰ্বজনীন শিক্ষাৰ ব্যৱস্থা কৰা হয়। সেয়েহে সমসাময়িক সমাজৰ শিক্ষাৰ্থীসকলে গণতন্ত্ৰ, সমাজবাদ, ধৰ্মনিৰপেক্ষতাবাদৰ বিষয়ে শুদ্ধ জ্ঞান বিকশাই তোলা উচিত। গণতন্ত্ৰ হ'ল সুন্দৰ জীৱন-যাপনৰ এক পৰিকল্পনা আৰু শিক্ষা হ'ল এই পৰিকল্পনাৰ ব্যৱহাৰিক দিশ। গণতন্ত্ৰৰ সফলতা নিৰ্ভৰ কৰে নাগৰিকসকলৰ অনুৰাগ আৰু সহযোগিতাৰ মনোভাৱৰ ওপৰত। গণতান্ত্ৰিক ৰাষ্ট্ৰ এখনৰ পূৰ্ণাংগ বিকাশত নাগৰিকৰ অৰিহণা অধিক। সেয়েহে গণতান্ত্ৰিক শিক্ষাৰ আদৰ্শ পদ্ধতি এনে হোৱা উচিত যাতে ই নাগৰিকসকলৰ চৰিত্ৰৰ মৌলিক গুণবোৰ বিকশাই তোলে। গণতান্ত্ৰিক শিক্ষা ব্যৱস্থাৰ আন এটা গুৰুত্বপূৰ্ণ দিশ হ'ল প্ৰতিজন নাগৰিকৰে গণতান্ত্ৰিক দৃষ্টিভংগীৰ প্ৰসাৰ আৰু মূল্যবোধৰ বিকাশ সাধন কৰা। ভাৰতীয় সংবিধানেও ২১নং অনুচ্ছেদত উল্লেখ কৰিছে যে ৰাজ্যসমূহে ৬ৰ পৰা ১৪ বছৰ বয়সৰ সকলো ছাত্ৰ-ছাত্ৰীৰ বাবে বিনামূলীয়া আৰু বাধ্যতামূলক শিক্ষা প্ৰদান কৰিব।

শিক্ষা হ'ল এটা সামাজিক প্ৰক্ৰিয়া। শিক্ষাই এজন ব্যক্তিক নিজৰ অধিকাৰ আৰু কৰ্তব্যৰ প্ৰতি সচেতন কৰি তোলে। গণতন্ত্ৰক সাফল্যমণ্ডিত কৰিব পৰা গুনাৱলী যেনে বিশ্ব ভাতৃত্ববোধ, আনৰ মতামতৰ প্ৰশংসা ইত্যাদি গুণবোৰৰ বিকাশ সাধনত শিক্ষাই সহায় কৰে। শিক্ষাই নেতৃত্বদানৰ প্ৰশিক্ষণ দিয়ে। উপযুক্ত ব্যক্তিক নেতৃত্বৰ প্ৰশিক্ষণ প্ৰদান কৰি গণতন্ত্ৰক সফল কৰাত শিক্ষাৰ ভূমিকা অগ্ৰণীয়। ৰাজনৈতিক দলবোৰে নিৰ্ধাৰণ কৰা নীতি বা আঁচনিসমূহ মূল্যায়ণৰ বাবেও শিক্ষাৰ প্ৰয়োজন। উপযুক্ত শিক্ষাৰে শিক্ষিত ব্যক্তিয়ে পুংখানপুংখভাৱে আঁচনিসমূহ বিশ্লেষণ কৰি কাৰ্যকৰী কৰণৰ বাবে কাৰ্যপন্থা গ্ৰহণত সহায় কৰিব পাৰে। শিক্ষাৰ জৰিয়তে নাগৰিকক উন্নত বিজ্ঞান প্ৰযুক্তিৰ জ্ঞান প্ৰদান কৰি পৰিৱৰ্তিত সমাজত খাপ খুৱাই লোৱাৰ বাবে শিক্ষাৰ প্ৰয়োজন। গণতন্ত্ৰ যিহেতু জনাসাধাৰণৰ দ্বাৰা গঠিত জনসাধৰণৰ চৰকাৰ সেয়েহে এখন গণতান্ত্ৰিক ৰাষ্ট্ৰৰ শৈক্ষিক বিন্যাসটো জনসাধাৰণৰ স্বাৰ্থৰ ওপৰত আধাৰিত হ'ব লাগে। গণতান্ত্ৰিক নীতি অনুসৰি সকলো ব্যক্তিয়ে শিক্ষাৰ ক্ষেত্ৰত সমান সুযোগ পোৱা উচিত।

গণতান্ত্ৰিক শিক্ষা ব্যৱস্থাত শিক্ষকৰ ভূমিকা অপৰিসীম। কিয়নো শিক্ষক হ'ল সমাজ গঢ়োঁতা। বিদ্যালয়ত ছাত্ৰ-ছাত্ৰীসকলে শিক্ষকৰ সান্নিধ্যত গণতন্ত্ৰৰ ধাৰণাটো সহজে আয়ত্ব কৰি লয়। শিক্ষকক দেশৰ কৃতিত্ব আৰু অভিলাষ জোখাৰ মাপকাঠী হিচাপে বিবেচনা কৰা হয়। যিহেতু ছাত্ৰ-ছাত্ৰীসকল শিক্ষকৰ দ্বাৰা অধিকভাৱে প্ৰভাৱিত হয় সেয়ে ছাত্ৰ-ছাত্ৰীসকলৰ অভ্যাস, আচাৰ, আচৰণ, প্ৰকাশভংগী আৰু অন্যান্য ক্ষেত্ৰসমূহ তথা চৰিত্ৰ আৰু ব্যক্তিত্ব গঠন কৰিবলৈ যাওঁতে শিক্ষকজনে নিজৰ দৃষ্টিভংগী আৰু আচৰণৰ ক্ষেত্ৰত অধিক গণতান্ত্ৰিক আৰু মানৱীয় হোৱা উচিত তেতিয়াহে তেওঁ নিজৰ ছাত্ৰ-ছাত্ৰীক গণতান্ত্ৰিক আদৰ্শবোৰ অনুসৰণ কৰিবলৈ প্ৰভাৱিত কৰিব পাৰিব। গতিকে দেখা গ'ল যে গণতন্ত্ৰ আৰু শিক্ষা ব্যৱস্থা এটা আনটোৰ লগত ওতপ্ৰোতভাৱে জড়িত। সেয়েহে গণতন্ত্ৰক সাফল্যমণ্ডিত কৰিবলৈ শিক্ষা অপিৰহায্য।




# শিশুৰ সামাজিকৰণৰ প্ৰক্ৰিয়াত পৰিয়ালৰ ভূমিকা

✍ হিমানী ৰাজবংশী
স্বেচ্ছাসেৱিকা, গ্ৰাম্য বিকাশ মঞ্চ

পৰিয়াল হ'ল এক সামাজিক অনুষ্ঠান। পৰিয়ালক কেন্দ্ৰ কৰিয়ে মানুহৰ সামাজিক জীৱন আৰম্ভ হয়। মানুহ পৰিয়ালতে জন্মে আৰু পৰিয়ালতেই গোটেই জীৱন অতিবাহিত কৰে। সামাজপাতি কাম কৰিবলৈ মানুহে যিবোৰ পৰম্পৰা আৰু সংস্থা গঢ়ি তুলিছে তাৰ ভিতৰত বিবাহ আৰু পৰিয়ালে আটাইতকৈ গুৰুত্বপূৰ্ণ আৰু পুৰণি। সামাজিক ৰীতি-নীতি অনুসৰি যেতিয়া কোনো পুৰুষ বা নাৰীয়ে বিবাহ-বন্ধনত আৱদ্ধ হৈ একেলগে বাস কৰে তেতিয়াই পৰিয়াল গঠন হয়। মেক আইভাৰ আৰু পেজৰ মতে - "পৰিয়াল এনে এক নিৰ্দ্দিষ্ট আৰু স্থায়ী যৌন সম্বন্ধৰ দ্বাৰা পৰিবেষ্টিত ব্যক্তিৰ, যি সন্তান জন্ম দিয়াৰ লগতে লালন-পালন কৰা কাৰ্য্য সম্পাদন কৰে।"

পৰিয়ালে সামাজিকৰণৰ কামসমূহ সম্পাদন কৰে। সামাজিক জীৱন ধাৰণৰ সকলো শিক্ষা পৰিয়ালে শিশুক দিবলৈ সক্ষম হয়। পৰিয়ালৰ মাজতে শিশুৰ শাৰিৰীক আৰু মানসিক বিকাশ হয়। শিশু সকলৰ আগ্ৰহ আবেগ অনুভূতি সকলো বিকাশ হয় পৰিয়ালৰ মাজতে শিশুৰ চৰিত্ৰ গঠন হয় পৰিয়ালৰ মাধ্যমত। এই ক্ষেত্ৰত পৰিয়ালৰ প্ৰত্যেকজন সদস্যই গুৰুত্ব দিয়াটো অত্যন্ত প্ৰয়োজনীয়। আনহাতে শিশুৰ বৌদ্ধিক, শৈক্ষিক বিকাশৰ বাবে পৰিয়ালে প্ৰধান সামাজিক অনুষ্ঠান হিচাপে পৰিগণিত হৈছে। পৰিয়ালৰ জ্যেষ্ঠ সদস্য সকলৰ ধ্যান-ধাৰণা, মাত-কথা, ভাৱ-ভংগী, কাম কৰাৰ কৌশল শিশুবোৰৰ ওপৰত পৰে। আনহাতে অনুকৰণ- প্ৰিয় এই শিশুবোৰে ডাঙৰ সকলক অনুকৰণ কৰে। পৰিয়ালে শিশুৰ ব্যক্তিত্ব গঠনত নিৰ্ণায়ত্মক প্ৰভাৱ পেলায়। ফ্ৰয়েড আৰু অন্যান্য মনোবিজ্ঞানী সকলে প্ৰমাণ কৰিছে যে শিশুৱে প্ৰাপ্তবয়স্ক অৱস্থাতো একে ধৰণৰ চৰিত্ৰ আৰু মানসিক দৃষ্টিভংগী প্ৰদৰ্শন কৰে। যিবোৰ তেওঁ সৰু কালৰ পৰাই পৰিয়ালত আয়ত্ব কৰে। পৰিয়ালৰ প্ৰভাৱ গোটেই জীৱন মানুহৰ ওপৰত থাকি যায়। কনফুছিয়াছে বহুদিন আগতে কৈছিল উন্নত সমাজ গঢ়িব লাগিলে পৰিয়াল বোৰ উন্নত কৰিব লাগিব "If You want to improve Society, improve family"

পৰিয়াল হ'ল মানুহৰ সকলো প্ৰকাৰৰ মানৱীয় অনুভূতিৰ আধাৰ স্থলী। মানুহৰ দুখ-সুখ, হাঁহি-কান্দোন, ভয়-ভক্তি মৰম-চেনেহ, যশ-অপযশ আদি সকলো অনুভূতি বোৰৰ এক নিবিড় এনাজৰীৰে বান্ধ খাই থাকে। পৰিয়ালৰ প্ৰত্যেক জন ব্যক্তিয়ে সুখ-দুখৰ সমভাগী হয়।

শিশুৰ ব্যক্তিত্ব আৰু চৰিত্ৰ গঠনত পৰিয়ালৰ প্ৰভাৱ অপৰিসীম আৰু এই পৰিয়ালতে শিশু সকলে সামাজিক দায়বদ্ধতাৰ অৰ্থ আৰু সহযোগিতাৰ প্ৰয়োজনীয় শিক্ষা লাভ কৰে। পৰিয়ালৰ আৰ্থিক অৱস্থা সুখ-শান্তি ৰক্ষণা বেক্ষণ বা মান মৰ্য্যাদা ইত্যাদিৰ বাবে সদস্য সকলে সদায় চিন্তা কৰা পৰিলক্ষিত হয়। মেক আইভাৰ আৰু পেজে মন্তব্য কৰিছিল যে, দুৰ্যোগৰ দিনত মানুহে তেওঁলোকৰ দেশৰ বাবে যিমানেই কাম নকৰক; যুদ্ধ নকৰক বা মৃত্যুবৰণ নকৰক তথাপি পৰিয়ালৰ বাবে তেওঁলোকে কৰ্তব্য কৰি যাবই লাগিব।

সামাজিকৰণৰ প্ৰথম অনুষ্ঠান হ'ল পৰিয়াল। শিশুৰ শিক্ষাৰ ক্ষেত্ৰত পৰিয়াল সমূহে এটি গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহন কৰি আহিছে। অধ্যাপক ব্ৰাউনে কৈছে যে, ব্যক্তি বা দল বা সমাজৰ মাজত সম্বন্ধ স্থাপনৰ মূল ভেটি হৈছে পৰিয়াল। কিয়নো পৰিয়ালৰ জৰিয়তে হে শিশুৱে বাহিৰৰ জগতৰ লগত পৰিচয় হ'বলৈ সুযোগ পায়। প্ৰকৃততে ঘৰেই হ'ল শিশুৰ আচল শিক্ষা ঠাই। কোনো এটা শিশু যিটো পৰিয়ালত জন্মে সেই পৰিয়ালৰ সকলো ব্যক্তিৰ দ্বাৰা প্ৰভাৱান্বিত হয় আৰু পৰিয়ালটোৰ সকলো দিশৰ পৰিৱেশ শিশুটোৰ ওপৰত প্ৰতিফলিত হয়। অভিভাৱকৰ লগতে পৰিয়ালৰ আন আন সদস্যৰ আচৰণেও শিশুৰ চৰিত্ৰত চাপ পেলায়। সুস্থ পৰিয়ালৰ পৰিৱেশৰ মাজত শিশুৱে কু-অভ্যাস গঢ়িবলৈ বা আহৰণ কৰিবলৈ সুযোগ নাপায়। 'হিলী আৰু ব্ৰোনাৰ নামৰ শিক্ষা সমাজ বিজ্ঞানী দুজনে তেওঁলোকৰ গ্ৰন্থ "DELINQUENCE And its treatment"ত উল্লেখ কৰিছে যে অপৰাধ প্ৰবন শিশুবিলাকৰ বেছি ভাগেই ভগ্ন পৰিয়ালত জন্ম লাভ কৰি তাৰ মাধ্যমেৰে বিকাশ লাভ কৰিবলৈ সক্ষম হয়। আৰু সেই অপৰাধ প্ৰৱন শিশুবোৰে সমাজৰ লগত সম্বন্ধ স্থাপন কৰিবলৈ অক্ষম হয়। শিশুৱে যিবোৰ কু আৰু সু আচৰণ সমাজত আহৰণ কৰে সেইখিনি পৰিয়ালৰ পৰাই আহৰণ কৰে। পৰিয়াল সমূহত যেতিয়া শান্তি সম্প্ৰীতি নোহোৱা হয় তেতিয়া সেই পৰিয়াল ল'ৰা-ছোৱালী ধ্বংসমুখী হয়। আৰু শেষত তেনেকুৱা পৰিয়ালৰ বেছিভাগ শিশুৱে চোৰ ডকাইত হত্যাকাৰী, বলাৎকাৰী আৰু মানসিক ৰোগৰ স্বীকাৰ হয়। বৰ্তমান সামাজিক পৰিবৰ্তন সমূহে সামাজিক ধাৰা তথা সামাজিক প্ৰক্ৰিয়াটোত বিস্তাৰ পৰিবৰ্তন সাধন কৰিছে। পৰিয়ালৰ সদস্য সকলৰ স্বভাৱ চৰিত্ৰ আৰু সাধাৰণ কাৰ্য-কলাপ যাতে সমাজ সন্মত হয় তাৰ প্ৰতি পৰিয়ালে সদায় লক্ষ্য ৰখা উচিত। সদস্য সকলে যাতে সামাজিক মূল্যবোধ ৰক্ষা কৰি নীতি নিয়মৰ মাজেৰে কাম কৰে আৰু তেওঁ লোকৰ আচৰণত যাতে মানৱীয় প্ৰমূল্যবোধ প্ৰকাশ পায় তাৰ প্ৰতি যত্নপৰ হ'ব লাগে। পৰিয়ালৰ সদস্য সকলে আইন বিৰোধী বা সমাজ বিৰোধী কামৰপৰা নিজকে আতৰাই ৰাখে তাৰ প্ৰতি লক্ষ্য ৰখা উচিত। শিশু অৱস্থাৰ পৰা পৰিয়ালে নীতি-বচন, ভাল মহৎ লোকৰ জীৱনী আদিৰ জৰিয়তে শিষ্টাচাৰী, দেশৰ প্ৰতি অনুগত্য স্বীকাৰ সহযোগিতা, সত্যবাদী, সহানুভূতিশীল শৃঙ্খলাবদ্ধ আদি গুণৰ অধিকাৰী হ'বলৈ গুৰুত্ব দিব লাগে

বৰ্তমান সমাজ ব্যৱস্থাত পৰিয়ালৰ গুৰুত্ব কিছু কমি আহিছে। তাৰ কাৰণ যৌথ পৰিয়াল ব্যৱস্থাৰ ভাঙোন। তথাপিও যিয়ে নহওক বিদ্যাৰ প্ৰতি আগ্ৰহী অভিভাৱক -অভিভাৱিকা সকলে যথেষ্ট ত্যাগ




স্বীকাৰ কৰি নিজৰ ল'ৰা-ছোৱালীৰ বাবে সুন্দৰ পৰিৱেশ সৃষ্টি কৰাৰ প্ৰচেষ্টা অব্যাহত ৰাখিছে।

সামাজিক নিয়ন্ত্ৰণৰ অন্যতম অভিকৰ্তা হিচাপে আজিও পৰিয়াল সমূহে আধুনিক মনোভাৱেৰে এটা পুৰুষৰ পৰা আন এটা পুৰুষলৈ সংস্কৃতিৰ হস্তান্তৰ আৰু ৰক্ষণাবেক্ষণ দি আহিছে। গতিকে, সামাজিকৰণৰ মাধ্যম হিচাপে পৰিয়াল এক অপৰিহাৰ্য্য অংগ।



# পাৰিবাৰিক হিংসা ঃ কিছু আভাষ

✍ ববিতা দাস
*স্বেচ্ছাসেৱিকা, গ্ৰাম্য বিকাশ মঞ্চ*

Domestic Violence Act., 2005 (পাৰিবাৰিক হিংসা আইন, ২০০৫) এই আইনখনৰ বিষয়ে জানিবলৈ যাওঁতে 'Violence' শব্দটোৱে নো কি বুজাইছে সেইটো জানিব লাগিব। Violence শব্দটোৱে হত্যা, হিংসা, নিৰ্যাতন (মানসিক, শাৰিৰীক) হিংসা আদি অৰ্থ প্ৰকাশ কৰিছে। এই ক্ষেত্ৰত সমাজৰ প্ৰতিজন ব্যক্তিয়ে যিকোনো পৰিস্থিতিত নিৰ্যাতন হ'বপাৰে হয়তো ব্যক্তি জন পৰিয়াল বা সমাজৰ পৰা নিৰ্যাতিত হ'ব পাৰে।

ইয়াৰ পিছতে আমি আহো Domestic Violence বা পাৰিবাৰিক হিংসা। নিৰ্যাতন মানে কি? সেই বিষয়ে কিছু কথা জনাৰ বাবে পৰিবাৰিক নিৰ্যাতন হৈছে যিকোনো ধৰণৰ অৱস্থাসূচক অপৰাধমূলক কাৰ্য্য বা আচৰণ বা যি শাৰিৰীক, মৌখিক, মানসিক, আৱেগিক, যৌন আৰু আৰ্থিক নিৰ্যাতনৰ পথ প্ৰশান্ত কৰে, সেই হৈছে পাৰিবাৰিক হিংসা বা নিৰ্যাতন।

পাৰিবাৰিক নিৰ্যাতন বুলি কলে আমি প্ৰথমে মহিলা গৰাকীৰ মুখখন সন্মুখত ভাহি উঠে। পৰাম্পৰাগত সামাজিক ধাৰণাৰে যুগ যুগ ধৰি কৰি অহা মহিলাৰ প্ৰতি বৈষম্যই বুলি অভিহিত কৰো যে অকল মহিলা সকলোকে ক্ষতিগ্ৰস্ত কৰিছে সেয়া নহয় বৰঞ্চ সমগ্ৰ মানৱ সমাজৰ ওপৰত ইয়াৰ কুপ্ৰভাৱ স্পষ্টভাৱে প্ৰকট হৈ আহিছে। নিজৰ ঘৰখনৰ পৰা আৰম্ভ কৰি বহল পৰিসৰলৈ ইয়াৰ প্ৰভাৱ ভিন্ন ৰূপত দেখা যায়। মানৱ সমাজৰ প্ৰকৃত প্ৰগতিৰ বাবে লিংগ বৈষম্য দূৰ কৰাটো প্ৰাথমিক চৰ্ত য'ত সমাজৰ সকলোৱে পৰাম্পৰাগত সামাজিক ধাৰণা ওফৰাই বাস্তৱিক পদক্ষেপ আৰু সিদ্ধান্ত কৰিব লাগিব চৰকাৰে মহিলা সবলীকৰণৰ বাবে যদিও যথেষ্ট ব্যৱস্থা গ্ৰহণ কৰিছে তথাপিও মহিলা সকল নিৰ্যাতিত হৈছে বিভিন্ন দিশত আৰু সেইবাবে ভাৰত চৰকাৰে মহিলা সকলৰ সুৰক্ষাৰ বাবে ১৩ চেপ্তেম্বৰ, ২০০৫ চনত "The Protection of

women from Domestic Violence" এই আইনখন গৃহিত কৰে। এই আইনখন গোটেই ভাৰতবৰ্ষতে প্ৰযোজ্য জম্মু-কাশ্মিৰৰ বাহিৰে। 'পাৰিবাৰিক নিৰ্যাতনৰ পৰা মহিলাৰ সুৰক্ষা আইন ২০০৫ ৰ ভাৰতবৰ্ষত প্ৰয়োজনীয় ঃ বিশ্বজোৰা বিভিন্ন পৰিসংখ্যাসমূহৰ মতে প্ৰতি তিনি গৰাকী মহিলাৰ মাজৰ পৰা এগৰাকীয়ে জীৱনৰ কোনো এটা সময়ত নিকটতম সম্পৰ্কৰ পৰা নিৰ্যাতনৰ সন্মুখীন হয়। উক্ত সমীক্ষাটো ১৯৯৭ চনত বিশ্ব স্বাস্থ্য সংস্থাই কৰিছিল।

ভাৰতীয় মহিলাৰ ক্ষেত্ৰত নিৰ্যাতনৰ মাত্ৰা যথেষ্ট বেছি। জৰীপ চলোৱা মহিলা সকলৰ ভিতৰত ২২ শতাংশৰ পৰা ৬০ শতাংশই এনে নিৰ্যাতনৰ ভূক্তভোগী। ১৯৯১ চনৰ পৰা ১৯৯৫ চনৰ ভিতৰত সময়ছোৱাত উৎপীড়িত আৰু যৌতুক জনিত মৃত্যুৰ ঘটনাবোৰৰ হাৰ ৭১.৫ শতাংশ বৃদ্ধি পোৱাৰ তথ্য পোৱা গৈছে। দিল্লীৰ আই.ছি.এছ. আৰ কৰা এক অধ্যয়নৰ (১৯৮৯) চনত এই কথা ওলাই পৰে যে প্ৰতি চাৰি গৰাকী যৌতুকৰ বলি হোৱা মহিলাৰ মাজৰ এগৰাকীক আত্মহত্যা কৰিবলৈ বাধ্য কৰোৱা হয়। সেয়ে এই বিষয়ত এই আইনখনৰ প্ৰয়োজন অতি গুৰুত্বপূৰ্ণ।

**এই আইনখনৰ কাম কি? ঃ** ২০০৫ চনৰ পাৰিবাৰিক নিৰ্যাতন আইনৰ প্ৰধান কাম হৈছে নিকটতম সম্পৰ্কসমূহৰ মাজত হোৱা পাৰিবাৰিক নিৰ্য্যাতন তাৎক্ষনিকভাৱে বন্ধ কৰা।

**এই আইনখনৰ মূল লক্ষ্য ঃ** এই আইনখনৰ মূল লক্ষ্য হৈছে সুৰক্ষা প্ৰদান আৰু পাৰিবাৰিক নিৰ্যাতন প্ৰতিৰোধ কৰা। নিৰ্যাতনৰ সন্মুখীন হোৱা মহিলা গৰাকীৰ বাবে কিছু অৱকাশ আৰু সময়ৰ একান্ত প্ৰয়োজন যাতে তেওঁ নিৰ্যাতনৰ ভয়ৰ পৰা মুক্ত হৈ নিৰ্ভয়ে জীৱন যাপন কৰিব পাৰে আৰু মুল অধিকাৰ সমূহৰ ক্ষেত্ৰত কোনো আপোচ নকৰাকৈ সিদ্ধান্ত ল'ব পাৰে। (যেনে ঃ ল'ৰা - ছোৱালীৰ তত্বাৱধানত অধিকাৰ ক্ষতিপূৰণ)

**এই আইনখনে কাক কাক সামৰে ঃ** এই আইনখনে একেলগে একেখন ঠাইতে বসবাস কৰা বা গৃহস্থী কৰা ওপৰত ভিত্তি কৰি সকলোৰে ক্ষেত্ৰতে প্ৰযোজ্য। বিবাহিত মহিলা, জীয়ৰী, বিধবা, ওঠৰ বছৰৰ তলৰ ল'ৰা-ছোৱালী, মাতৃ সকলৰ বাবেই এই আইনখনে সহায় আগবঢ়ায়।

**পাৰিবাৰিক নিৰ্যাতনৰ অভিযোগ পোৱাৰ পিছত অভিযোগ গ্ৰহণকাৰীৰ কৰ্তব্য কি? ঃ** প্ৰথমে এনে ধৰণৰ অভিযোগ সমূহ আৰক্ষী, সুৰক্ষা বিষয়া, সেৱা যোগান ধৰোতা বা দণ্ডাধীশৰ ওচৰত অভিযোগ দাখিল কৰিব লাগিব।

এতিয়া অভিযোগ পোৱাৰ পিছত অভিযোগ গ্ৰহণকাৰীৰ কাম ঃ

ক) এই আইনৰ অধীনত সাহাৰ্য্য বিচাৰি দণ্ডাধীশৰ ওচৰত এক আবেদন কৰিব পৰাৰ অধিকাৰৰ বিষয়ে তেওঁক অৱগত কৰোৱা।

খ) তেওঁ কিদৰে সেৱা আগবঢ়োওতা আৰু সুৰক্ষাৰ বিষয়ে যোগাযোগ কৰিব পাৰে সেই বিষয়ে জনোৱা।

গ) যদিহে প্ৰয়োজন হয় তেওঁক বিনামূলীয়াকৈ আইন সেৱা আৰু পৰামৰ্শ লাভ কৰাৰ অধিকাৰ দিয়া।

এই আইনখনৰ মতে বন্ধু-বান্ধৱী, আত্মীয়স্বজন, সুৰক্ষা বিষয়া, স্বেচ্ছাসেৱী সংস্থা, আদিৰ সদস্য বিলাকৰ পৰা সহায় পাব পাৰে। আইনখনে জৰুৰী বাবে সহায় আগবঢ়ায়।

ক) সুৰক্ষাৰ আদেশ - তাৎক্ষনিকভাৱে নিৰ্যাতন বন্ধ কৰিবলৈ

খ) বাসস্থানৰ আদেশ মহিলাগৰাকীক ঘৰৰ পৰা বাহিৰ কৰি নিদিবলৈ থাকিবৰ বাবে বিকল্প স্থানৰ ব্যৱস্থা কৰিবলৈ প্ৰযোজন অনুসৰি নিৰ্যাতনকাৰীক মহিলা গৰাকীক ঘৰত প্ৰৱেশ কৰাৰ ক্ষেত্ৰত বাধা দিয়াৰ আদেশ।

গ) আৰ্থিক সাহাৰ্য্য - এক পক্ষীয় আৰু তাৎকালীন বাবে অৰ্থ পৰিশোধ কৰাৰ আদেশ।

ঘ) তত্বাৱধানৰ আদেশ আৰু মহিলা গৰাকীয়ে যাতে নিৰাপদে নিজৰ সন্তানক লগ কৰিব পাৰে তাৰ আদেশ।

ঙ) চিকিৎসা আৰু অন্যান্য প্ৰয়োজনীয় সেৱাসমূহৰ ক্ষতিপূৰণৰ আদেশ।

আইনখনৰ ক্ষেত্ৰত আৰক্ষীৰ কাম কি - এগৰাকী মহিলা নিজে থানালৈ যাব নালাগে, তেতিয়া নিজে সকলো কাম কৰিব লাগিব।সুৰক্ষা বিষয়া সকল কোন - ৰাজ্য চৰকাৰৰ বিষয়া, স্বেচ্ছাসেৱী সংস্থাৰ প্ৰতিনিধি, এওঁলোকক ৰাজ্য চৰকাৰে প্ৰতিখন জিলাতে উপযুক্ত অৰ্হতা সম্পন্ন ব্যক্তিক জিলাখনৰ সামাজিক, সাংস্কৃতিক, পটভূমি অনুসৰি নিযুক্তি দিব।

**সুৰক্ষা বিষয়াৰ কাম ঃ**

ক) আদেশ সমূহ জাৰি কৰাৰ বাবে আবেদন কৰা আৰু ভূক্তভোগী উপযুক্ত সাহাৰ্য্য প্ৰদানৰ ক্ষেত্ৰত দণ্ডাধিসক সহায় কৰা।

খ) দণ্ডাধীষক দিবলৈ পাৰিবাৰিক নিৰ্যাতনৰ প্ৰতিবেদন প্ৰস্তুত কৰা, স্থানীয় আৰক্ষীলৈ ইয়াৰ প্ৰতিলিপি প্ৰেৰণ কৰা।

গ) মহিলাগৰাকীয়ে আশ্ৰয়, গৃহ, চিকিৎসা, আইন সাহাৰ্য্য পৰামৰ্শৰ দৰে পাবলগীয়া অন্যান্য সেৱা সমূহ দণ্ডাধীশৰ কৰ্তৃত্বধীন স্থানীয় এলেকা এটাৰ ভিতৰত লাভ কৰিছে নে তাক সুনিশ্চিত কৰা।

ঘ) পৰিশোধ সুৰক্ষাৰ ক্ষেত্ৰত জাৰি কৰা দণ্ডাধীশৰ আদেশ কাৰ্য্যকৰী হোৱাটো নিশ্চিত কৰা।

**আইনখনৰ সীমাবদ্ধতা ঃ** মানৱ সমাজে যদিও আগবাঢ়ি গৈ আছে তথাপিও এতিয়াও নাৰী-পুৰুষৰ মাজত স্পষ্ট বিভাজন দেখা গৈছে যৌতুক, বিবাহ-বিচ্ছেদ, বিভিন্ন শাৰিৰীক তথা মানসিক, যৌন নিৰ্যাতন, ভ্ৰূণ হত্যা এইবোৰ এতিয়াও ক্ষিপ্ৰ গতিৰে বৃদ্ধি পাই আহিছে। এইবোৰ জানো সভ্যতাৰ চিনঙ্গ শেষত বে-চৰকাৰী সংস্থা এটাই মহিলাসকলৰ অধিকাৰৰ সুৰক্ষাৰ হকে কাম কৰি থকা অন্য চৰাকীৰ স্বেচ্ছসেৱী সংস্থা সেৱা যোগান ধৰোতা হিচাপে পঞ্জীভূত হ'ব পাৰে।




# এজ'লা-কৃষি ঃ পশুপালন খণ্ডত এক সম্ভাৱনীয়তা

✍ ডাঃ আৰফান আলী
*কৃষি বিজ্ঞানকেন্দ্ৰ, নলবাৰী*

এজ'লা এবিধ পানীত উপঙি থকা শেলুৰৈ সদৃশ ঢেকীয়া জাতীয় উদ্ভিদ এজ'লাচি/ছালভিনিয়াচি পৰিয়ালৰ অন্তৰ্ভুক্ত। প্ৰকৃততে এজ'লাৰ লগত এনাবিনা নামৰ এবিধ নালী-সেউজীয়া শেলুৰৈ সহবাস কৰে যি বায়ুমণ্ডলীয় নাইট্ৰজেন পুঞ্জিভূত কৰে আৰু এজ'লাৰ বাবে ব্যৱহাৰ উপযোগীকৈ প্ৰস্তুত কৰে। আনহাতে এজ'লাই কাৰ্বন, প্ৰয়োজনীয় অন্য পদাৰ্থ আৰু পৰিৱেশ প্ৰদান কৰে যাতে এই এনাবিনা শেলুৰৈ বিধৰ বৃদ্ধি আৰু বিকাশ ঘটিব পাৰে। এনেদৰে দুয়োবিধ উদ্ভিদৰ এটা আনটোৰ ওপৰত নিৰ্ভৰশীল যদিও লাভজনকভাৱে সহবাস কৰে। ইয়াক ছিমবায়'ছিচ বুলি কোৱা হয়।

এজ'লাত বহু পৰিমাণে প্ৰ'টিন, প্ৰয়োজনীয় এমাইন' এচিড, ভিটামিন যেনে- ভি.এ, ভি.বি-১২, বিটা কেৰ'টিন ইত্যাদি, খনিজ পদাৰ্থ যেন- কেলছিয়াম, ফছফৰাছ, কপাৰ, মেগনেছিয়াম ইত্যাদি। শুকান ওজন হিচাপত এজ'লাত ২৫-৩৫ শতাংশ প্ৰ'টিন, ১০-১৫ শতাংশ খনিজ পদাৰ্থ থকাৰ ওপৰিও বিভিন্ন এমাইন' এচিডৰ মিশ্ৰন, জৈৱ সক্ৰিয় পদাৰ্থ সমূহ আৰু জৈৱ পৰিমানৰ আদি পোৱা যায়। গতিকে এজ'লাৰ উচ্চ গুণ সম্পন্ন জৈৱ গাথনিৰ বাবে পশুধনৰ খাদ্যত ইয়াক ব্যৱহাৰ কৰি খাদ্যৰ উৎপাদন খৰচ বহু পৰিমানে কমাব পৰা দেখা গৈছে। এজ'লাত যথেষ্ট পৰিমানে প্ৰ'টিন আৰু অতি কম পৰিমানৰ লিগ্‌নিন থকা বাবে পশুধন বিলাকে সহজতে হজম কৰিব পাৰে।

তামিলনাডু আৰু কেৰালাত (NARDEP) দুগ্ধ উৎপাদনকাৰী পশুধনৰ দৈনন্দিন খাদ্যৰ লগত ১.৫-২.০ কি.গ্ৰাম এজ'লা মিহলাই পৰীক্ষামূলক ভাৱে দেখা গৈছে যে ১৫-২০ শতাংশ লৈকে গাখীৰ উৎপাদন বৃদ্ধি পাইছে। ১৫-২০ শতাংশ বাণিজ্যিক পশুখাদ্য, বিশেষকৈ তৈল জাতীয় উপাদান, একে পৰিমানৰ এজ'লা সংযোজনৰ দ্বাৰা কম পৰিব পাৰি। তাৰোপৰি এজ'লা খুওৱাৰ ফলত সাৰ্বিকভাৱে উৎপাদিত গাখীৰৰ গুণগত মানৰ উন্নয়ণ, সাধাৰণ স্বাস্থ্যৰ উন্নতি পৰিলক্ষিত হোৱাৰ উপৰিও পশুধনবাৰ দীৰ্ঘায়ু হোৱা বুলি প্ৰকাশ পাইছে।

দিনক দিনে গাখীৰ আৰু মাংসৰ চাহিদা বাঢ়ি অহাৰ লগে লগে পশুপালনো এক লাভজনক বৃত্তি হিচাপে পৰিগণিত হৈছে। পশুপালনৰ ব্যৱস্থাপ্ৰণালী আৰু পৰিসৰ দ্ৰুতগতিত বাঢ়িব ধৰিছে। পশুধনৰ চৰণীয়া পথাৰবোৰত বছৰি দুই তিনিবিধ খাদ্য শস্য উৎপাদন কৰিব আৰম্ভ কৰাত ঘাঁহনিবোৰ নাইকীয়া হোৱা পৰিলক্ষিত হৈছে। গতিকে এনেয়ে প্ৰাকৃতিকভাৱে পোৱা ডাল-পাত, ঘাঁহ ইত্যাদিৰ নাটনি হোৱাৰ কাৰণে আমি বহু পৰিমাণে বজাৰত পোৱা বাণিজ্যিক পশুখাদ্যৰ ওপৰত সম্পূৰ্ণ নহ'লেও আংশিকভাৱে নিৰ্ভৰশীল হ'ব লগীয়া হৈছে। এনেদৰে খাদ্যাংশত খৰচ বঢ়াৰ ফলস্বৰূপে প্ৰতি একক গাখীৰ বা মাংস উৎপাদনৰ খৰচ বাঢ়ি গৈছে। প্ৰস্তুতকৰণৰ ওপৰত নিয়ন্ত্ৰণ নথকা এই বাণিজ্যিক খাদ্যবোৰত পাৰ্শ্বক্ৰিয়াজনিত গুণসম্পন্ন কিছুমান ক্ষতিকাৰক পদাৰ্থও মিহলি কৰা হয়। উদাহৰণস্বৰূপে ইউৰিয়া-নাইট্ৰ'জেনৰ পৰিমান বেছিকৈ দেখুওৱাৰ উদ্দেশ্যে, কৃত্ৰিম ভাৱে গাখীৰ বঢ়োৱাৰ বাবে কিছুমান পদাৰ্থ এনে পদাৰ্থই গাখীৰৰ মান কমোৱাৰ লগতে স্বাস্থ্য অৱনতি ঘটাই পশুধন হ্ৰস্বায়ু কৰে। এজ'লা দুগ্ধ উৎপাদনকাৰী পশুধনৰ খাদ্যত ব্যৱহাৰ কৰাৰ

ওপৰি ভেৰা, ছাগলী, গাহৰী, হাঁহ-কুকুৰা, শহাপহু আদিকো খুওৱাব পাৰি।

এজ'লাৰ দ্ৰুত উৎপাদনৰ বাবে প্ৰতি এককৰ সংখ্যা দুগুণলৈ বাঢ়ি যোৱাৰ লাগতীয়াল সময় নূন্যতম ৰখাৰ চেষ্টা কৰিব লাগে। মাজে সময়ে গৰুৰ গোবৰৰ জুলীয়া মিশ্ৰণত ছুপাৰ ফছফেট মিহলাই প্ৰয়োগ কৰিব লাগে আৰু এজ'লাবোৰক অধিক খনিজ লৱন সমৃদ্ধ কৰি ৰাখিবলৈ নাইটৰে'জেনৰ বাহিৰে সপ্তাহত এবাৰকৈ অন্যান্য খনিজ উপাদনসমূহ যেনে মেগনেছিয়াম, লো, তাম, গন্ধক ইত্যাদি যুক্ত অণু পৌষ্টিক তত্ত্বৰ যোগান ধৰিব লাগে। এনে তত্ত্বেবোৰ প্ৰয়োগ কৰি থাকিলে এজ'লাৰবোৰক ৰেণু পূৰ্ণ (Sporulation stage) অৱস্থালৈ যোৱাত বাধা দিয়ে আৰু ফলস্বৰূপে উৎপাদন বৃদ্ধি পায়। নাইট্ৰ'জনৰ বৃদ্ধি আৰু অণু পৌষ্টিক তত্ত্বৰ অভাৱ ৰোধ কৰিবলৈ প্ৰতি ৩০ দিনত এবাৰকৈ বেডৰ পৰা ৫ কি.গ্ৰাম মাটি আঁতৰাই নতুন মাটি দিব লাগে। নাইট্ৰ'জেনৰ বৃদ্ধি ৰোধ কৰিবলৈ প্ৰতি ১০ দিনৰ অন্তৰালত ১৫-২০ শতাংশ পানী সলাই পৰিষ্কাৰ পানীৰে পুণৰ ভৰাব লাগে। এজ'লা টেংকৰ গড় উচ্চতা সদায় ২৫° ছেৰ (২০-২৮° ছে.) তলত ৰাখিবলৈ চেষ্টা কৰিব লাগে। যদি কেনেবাকৈ উষ্ণতা বাঢ়ি যায় প্ৰদত্ত চালিটোত পোহৰৰ চোক ৪০ কি. লাক্সৰ তলত ৰাখিব লাগে। পাতলকৈ মাত্ৰ ৫০ শতাংশ সূৰ্য্যৰ পোহৰ পৰাকৈ ৰাখিব লাগে অৰ্থাৎ নেট আদিৰ জৰিয়তে ছাঁৰ ব্যৱস্থা কৰিব লাগে। ঘনত্ব কমাই ৰাখিবলৈ উৎপাদিত এজ'লাৰবোৰ প্ৰতিদিন বা এদিন বাদ দি এদিন চপাব লাগে। মাজে সময়ে এজ'লা থকা পানীখিনিৰ pH পৰীক্ষা কৰিব লাগে আৰু ৫.৫ ৰ পৰা ৭.৫ ৰ মাজত ৰাখিব লাগে। সাধাৰণ আপেক্ষিক আৰ্দ্ৰতা ৬৫-৮০ শতাংশ হোৱাটো বাঞ্চনীয়।

এজ'লা উৎপাদনৰ বাবে প্ৰথমে নিৰ্বাচিত ঠাইডোখৰৰ পৰা ঘাঁহ-বন ইত্যাদি পৰিষ্কাৰ কৰি সমানভাৱে আয়তাকাৰ গাত কৰি ইটা পাতি দিয়া হয়। গাতটোৰ কাষবোৰ পাৰ হৈ যোৱাকৈ ২x২ বৰ্গ মিটাৰ আকাৰৰ, অতিবেঙুণীয়া ৰশ্মীৰে স্থিত কৰা (UV stabilized) ছিলপ'লিন পাৰি দিব লাগে। ছিলপ'লিনৰ ওপৰত ১০ লিটাৰ পানীৰ লগত ২ কি.গ্ৰাম গৰুৰ গোবৰৰ জুলীয়া মিশ্ৰনত ৩০ গ্ৰাম ছুপাৰফছফেট মিহলাই প্ৰয়োগ কৰিব লাগে। পিছলৈ উপৰোক্ত আকাৰৰ বেড এখনৰ পৰা দৈনিক ৫০০ গ্ৰাম বা তাৰ ওপৰত এজ'লা চপাবলৈ আৰু দ্ৰুত বিস্তাৰ নিশ্চিত কৰিবলৈ প্ৰতি ৫-৬ দিনৰ মূৰত এবাৰ ১ কি.গ্ৰাম গোবৰৰ সৈতে ২০ গ্ৰাম ছুপাৰ ফছফেটৰ মিশ্ৰন প্ৰয়োগ কৰিব লাগে। এজ'লাৰ চৌবাচ্চাটোত পানীৰ স্তৰৰ গড় উচ্চতা প্ৰায় ১০ ছে.মি. (৫-১২ ছে.মি.) বজাই ৰাখিব লাগে। এনেদৰে প্ৰস্তুত কৰি উলওৱা এজ'লা বেডখনৰ মাটি আৰু পানীখিনি ভালকৈ লৰাই লৈ এজ'লা কালচাৰৰ মাতৃ বীজ সমান ভাৱে পানীৰ ওপৰত ছটিয়াই দিব লাগে। বীজবিপনীৰ লগে লগে তাৰ ওপৰত পৰিষ্কাৰ পানী ছটিয়াই দিব লাগে। তেনে কৰিলে পিছলৈ এজ'লা গছবিলাক পোন হয় ইয়াৰ একসপ্তাহ মানৰ ভিতৰতেই এজ'লা বিলাকৰ বিস্তাৰ হৈ ডাঠ দলিচাৰ দৰে হৈ পৰে। প্ৰায় ১৫ দিন মানৰ পিছৰ পৰা প্ৰতিদিনেই ৫০০-৬০০ গ্ৰামকৈ এজ'লা চপাব পাৰি। প্লাষ্টিকৰ জাল বা ফুটা থকা চালনীৰ সহায়েৰে এজ'লাবোৰ উঠাব লাগে। এজ'লাৰ পৰা গোবৰৰ গোন্ধ আঁতৰোৱাৰ বাবে পৰিষ্কাৰ পানীত ধুব লাগে।

গৱেষণাৰ পৰা দেখা যায় যে কৃষি পথাৰত এজ'লাৰ বহুল প্ৰয়োগ হোৱাৰ উপৰি প্ৰত্যক্ষ আৰু পৰোক্ষ দুয়ো ধৰণে খাদ্য উপাদন হিচাপে




এজ'লা ব্যৱহাৰ হোৱাৰ প্ৰবল সম্ভৱনীয়তা বিদ্যামান। অতি সহজতে বিশেষ কোনো উপযোগী মাটি নোহোৱাকৈ অত্যন্ত কম মূলধন খটুৱাই এজ'লা উৎপাদনৰ আঁচনি হাতত লব পৰা যায়। এনেকি কেচুসাৰবো পৌষ্টিক মানদণ্ড আৰু অধিক উন্নয়ণৰ বাবে তাত এজলা সংযোজনৰ সম্ভাৱনীয়তাও উজ্বল আমাৰ কৃষক, পশুপালক, কৃষি উদ্যোগী আৰু উদ্যমী লোক তথা যুৱক-যুৱতী সকলে কম মাত্ৰাত নিজৰ ব্যৱহাৰৰ বাবে আৰু বহল ভিত্তিত ব্যৱসায়িক উদ্দেশ্যে এজ'লা উৎপাদনৰ বাবে আগবাঢ়ি আহিব লাগে। বেচৰকাৰী অনুষ্ঠান সমূহেও খণ্ড বা মাণ্ডলিক ভিত্তিত এজ'লা উৎপাদনৰ উদ্‌গনি যোগাই কৰ্মসংস্থাপনৰ তথা আত্মসংস্থাপনৰ পথ মুকলি কৰিব পাৰে। এজ'লা উৎপাদনৰ সবিশেষ প্ৰযুক্তি আৰু প্ৰয়োগশৈলী বিষয়ে তথ্য আহৰণৰ বাবে ওচৰৰ কৃষি বিজ্ঞান কেন্দ্ৰ, অসম কৃষি বিশ্ববিদ্যালয় আৰু তাৰে অধীনস্থ মহাবিদ্যালয়সমূহত থকা সংশ্লিষ্ট বিষয়াৰ লগত যোগাযোগ কৰিব পাৰে।



# থলুৱা খেলৰ প্ৰয়োজনীয়তা আৰু ইয়াৰ বৈজ্ঞানিক দৃষ্টিভংগী

✍ হীৰক জ্যোতি বৰ্মন
*স্বেচ্ছাসেৱক, গ্ৰাম্য বিকাশ মঞ্চ*

পৰিবৰ্তনৰ মাজেৰে উত্তৰণ হৈ মানুহৰ বহু কাম, বহু আচৰণ আৰু প্ৰবৃত্তি আদি মনকৰিবলগীয়া। কৃষি কাৰ্য্যৰ দ্বাৰা অলপ খাদ্য উৎপাদন কৰিবলৈ সক্ষম হোৱাৰ পিছত অৱসৰৰ কালছোৱাত মানুহে আনন্দ বা মনোৰঞ্জনৰ বাবে বাছি লৈছিল দৌৰ, সাতোৰা, গীত মাত, নৃত্য আদি।

পৃথিৱীৰ প্ৰায়বোৰ জাতিৰ মাজতে আদিৰ পৰা খেলা ধূলা নিজৰ ধ্যান ধাৰনা আৰু দৃষ্টি ভংগীৰ জৰিয়তে ক্ৰীড়াৰ এক প্ৰচলন আছিল। ভাৰত, চীন, গ্ৰীছ, ইটালী আদি দেশত ক্ৰীড়াৰ এক জাগৰণ বিভিন্ন তথ্য তথা মহাকাব্য সমূহৰ জৰিয়তে প্ৰকাশ আৰু উল্লেখ কৰা দেখা গৈছে।

*থলুৱা অঞ্চলৰ খেল সমূহৰ মাজত যে এক বৈজ্ঞানীক দৃষ্টি ভংগী আৰু দ'লগত ভাৱে কাম কৰাৰ এক মানসিকতা জাগ্ৰত হয়তাক কেতিয়াও আমি নুই কৰিব নোৱাৰো। আত্মবিশ্বাস, চকু আৰু হাতৰ ভাৰাযাম্য আৰু যথাযথ ব্যৱহাৰ, সুস্থিৰ মানসিক স্থিতি, দৈহিক শিথিলতা, দ'লত কাম কৰা মানসিকতা বা দ'লৰ প্ৰতি আনুগাত্যতা বৃদ্ধি, হীন চিন্তা পৰিহাৰ আৰু আনক সন্মান জনোৱা আদিৰ উত্তৰণ ঘটে।*

মহাভাৰতৰ যুগতো সেই যুগৰ সমাজত প্ৰচলিত ৰথ চালনা, কাড় মৰাৰ প্ৰতিযোগিতা, মল্লযুদ্ধ আদিৰ প্ৰচলন সবিস্তাৰে বৰ্ণনা আছে। ঠিক সেইদৰে উত্তৰ পূৰ্বাঞ্চলৰ বিভিন্ন জাতি জনগোষ্ঠীৰ মাজতো থলুৱা ভাৱে বিভিন্ন খেল ধেমালীৰ প্ৰচলন আছিল। তাৰ ভিতৰত অন্যতম ধোপখেল, কাড়িখেল, টাংগুটি, ৰচীটনা, সাতোৰা, মল্লযুজ আদি। এইফালে আহোম সকলৰ ৰাজত্ব কালছোৱাত ক্ৰীড়াৰ ক্ষেত্ৰখন আছিল অতি গৌৰৱ উজ্বল যুগ। স্বৰ্গদেউ সকলে ন ন খেল ধেমালীৰ প্ৰতি উৎসাহ যোগায় হাতীযুজ, শেন কনুৱাৰ যুজ, ম'হ যুজ, মাল যুজ, ঘোৰা দৌৰ, কণী যুজ, আদিৰ দ্বাৰা জন সাধৰণক ভাগ লবলৈ উৎসাহ যোগাইছিল।

অঞ্চলভেদে খেলৰ নাম আৰু ইয়াৰ ধৰণ বেলেগ হোৱা দেখা যায় যদিও থলুৱা অঞ্চলৰ খেল সমূহৰ মাজত যে এক বৈজ্ঞানীক দৃষ্টিভংগী আৰু দ'লগত ভাৱে কাম কৰাৰ এক মানসিকতা জাগ্ৰত হয় তাক কেতিয়াও নুই কৰিব নোৱাৰি।

এই অঞ্চলত প্ৰচলিত কিছু সংখ্যক খেল হৈছে ধোপ খেল, বাটুলগুিটি (গুলটি), কুকুৰা যুজ, কণী যুজ, ৰচীটনা, টাং গুটি, কচু গুটিৰ খেল, লাচ খেল, ইচনি-বিচনি, পদুম (দৌল, কৌ, চৰকান) খেল, লুকা-ভাকু, ৰজা ৰাণী (অলং-দলং), ধাপু, মাৰ্বল (পিল্লা, বাকচ, লৰি), কুট-কুট, চাইকেলৰ চকা চলোৱা খেল, বালিঘৰ, টেকেলি ভঙা, ভটা খেল, তামোল ঢকুৱাৰে খেলা খেল, টেঙাবল, তিনিঠেঙীয়া দৌৰ, পানী-পাৰ খেল, বেং জাপ মৰা (ভেকুলী জাপ), এডিম-চেদিম খেল আদি উল্লেখ যোগ্য। উল্লেখ্য খেল সমূহৰ প্ৰচলন কিছু কিছু অঞ্চলত যদিও বা চলি আছে কিন্তু বেছি সংখ্যক খেল ধেমালী কিন্তু আমাব পাহৰণিৰ গৰ্ভত আৰু নৱ প্ৰজন্মৰ মাজত সমূলি অন্তৰ্ধাণ।

এই লিখিনিত আলোচনা কৰা খেল সমূহৰ ভিতৰত বেছি সংখ্যক খেল হৈছে খৰচহীন, কোনো বিশেষ খেল সামগ্ৰী নোহোৱা বিধৰ য'ত এটা শিশুৰ বহু কেইটা দিশৰ বিকাশৰ উত্তৰণত সহায় কৰে। যেনে- চকু আৰু হাতৰ ভাৰসাম্য আৰু যথাযথ ব্যৱহাৰ, হাত-ভৰিৰ সঞ্চালনং, একাগ্ৰতা, উপস্থিত বুদ্ধি, দক্ষতা, কৌশল, সিদ্ধান্ত লব পৰা মানসিকতা, আনক সন্মান জনোৱা, আত্মবিশ্বাস, সুস্থিৰ মানসিক স্থিতি, দৈহিক শিথিলতা, দ'লত কাম কৰা মানসিকতা বা দ'লৰ প্ৰতি আনুগত্যতা বৃদ্ধি, হীন চিন্তা পৰিহাৰ আদি। য'তে এগৰাকী শিশু বা ব্যক্তি হৈ পৰে

মানসিক আৰু শাৰীৰিক ভাৱে শক্তিশালী।

ক্রিকেট, ফুটবল, ভলিবল, টেনিছ, বেডমিণ্টন আদি খেল সমূহে আন্তর্জাতিক মান্যতা লাভ কৰাৰ বাবে জনপ্রিয়তা বৃদ্ধি পোৱাৰ লগে লগে আমাৰ ল'ৰা-ছোৱালীয়ে এইবোৰ খেলৰ প্ৰতি অধিক আকৃষ্ট হৈ পৰা দেখা গৈছে। যাৰ ফলত আমাৰ নিজস্ব খেল সমূহ অনাদৃত হৈ পাহৰণিৰ গৰ্ভত হেৰাই যাবলৈ ধৰিছে। এই সমূহ খেলৰ অন্তৰালত প্ৰায় ভাগ খেলৰ আৰতেই থকা প্ৰচুৰ অৰ্থলাভৰ ইচ্ছাৰ বাবেও আমাৰ নতুন প্ৰজন্মৰ নিজা স্বকীয় খেল ধেমালীৰ প্ৰতি আওকান কৰি বিশ্বমানৰ খেল-ধেমালীৰ প্ৰতি আকোৱালি লবলৈ ধৰিছে যিটো আমাৰ বৃহত্তৰ জাতিটোৰ বাবে এক নিশ্চিত প্ৰত্যাহ্বান স্বৰূপ। গতিকে যি সকল বয়োজ্যেষ্ঠ তথা নৱপ্ৰজন্মই এই খেল সমূহৰ প্ৰক্ৰিয়াবোৰ জানে তাক আজিৰ সতি-সন্ততিক পদ্ধতিগতভাৱে শিকায় শাৰিৰীক আৰু মানসিক ভাৱে উৎকৰ্ষ সাধন কৰিবলৈ ইন্ধন যোগোৱাৰ বাবে এক আহ্বান। এই ক্ষেত্ৰত বৰবৰীস্থিত শৈশৱ বিদ্যাপীঠ নামৰ শিক্ষানুষ্ঠানটিয়ে বিভিন্ন দেশৰ থলুৱা খেল-ধেমালীৰ ওপৰত গুৰুত্ব দি কেনেদৰে পাঠ্যক্ৰম সমূহৰ মাজত শিশু সকলক আগুৱাই নিব পাৰি তাৰ প্ৰতি প্ৰয়াস অক্ষুন্ন ৰাখিছে লগতে ভিন্ন বৰ্গকো প্ৰশিক্ষণ দি আহিছে।

তলত কিছু জনপ্ৰবাদৰ দ্বাৰা অহা গীত উল্লেখ কৰি আপোনাৰ শৈশৱৰ নষ্টালজিক পুনৰাই মনত পেলোৱাৰ প্ৰয়াস কৰাৰ চেষ্টা কৰা হ'ল ঃ-

**বগলী আৰু কেকোৰাৰ গীত ঃ**

বগলী - এঁকৰি বেং কৰি ওলাই আহা লাহে কৰি<br>
বগে এটি সেৱা কৰি যায়<br>
কেঁকোৰা-কৰ যদি কৰ; তাৰে পৰাই কৰ<br>
ওলাই যাব নোৱাৰো মোৰ দেহা থৰ বৰ।

শিয়ালী আৰু কাছৰ গীত ঃ

শিয়াল - টিলিং টালাং সদাশিৱ<br>
হাত ভৰি নাই কেনাই জীৱ।<br>
কাছ - চকু থাকোতে নহ'বা কণা<br>
খাব খোজা যদি ভিজাই আনা

**ৰ'দৰ গীত ঃ**

ৰ'দালিয়ে ৰ'দ দে<br>
আলি কাটি জালি দিম<br>
বৰ পীৰা পাতি দিম<br>
তাতে বহি বহি ৰ'দ দে<br>
ৰ'দালিৰ মাকৰ তিনিডাল চুলি<br>
গৈ গৈ পালাক বিৰিণাৰ গুৰি।

ৰ'দ দি দি বৰষুণ আহে<br>
কণা শিয়ালৰ বিয়া<br>
ঘনচিৰিকায় তামুল কাতে<br>
আমাকো এখন দিয়া।।

শিয়ালৰ গীত ঃ

শিয়ালী এ' নাহিবি ৰাতি<br>
তোৰে কাণে কাটি লগামে বাতি

**হলৌ বান্দৰৰ গীত ঃ**

হলৌ উঠিল টকৌৰ গছত<br>
লগাই খদৌ মদৌ<br>
ঝৰ ঝৰ কৈ সৰিল নিয়ৰ<br>
হ'ল জলৌ জপৌ।

**হাত লুকুৱাৰ খেল ঃ**

ইচনি বিচনি<br>
ঢাইৰকা লাউ<br>
মোৰ ঢাৰাখন পাৰি থওঁ<br>
মৌ পৰে চিলা উৰে<br>
গৰ্ভ ৰজাই চাউল কাঢ়ে<br>
চাউল চৰাংটে চাউল চৰাংটে<br>
ৰজা হ'ল বুঢ়া<br>
চাঙলি দি কাইটপা নোৰি<br>
বইটা মাছৰ মুৰা

**হাত উলিওৱা খেল ঃ**

বুঢ়া- বুঢ়ী! তুহাৰ হাত দুখান কিহে নিলাক<br>
চিলাই নিলাক<br>
চিলাই নি কি কল্লাক?<br>
বুনত ফেল্লাক<br>
বুনখিনি কি হ'ল?<br>
পুৰি গেল<br>
চাই মাখা কিহে নিলাক?<br>
ধুবাই নিলাক।<br>
ধুবাই নি কি কল্লাক?<br>
ৰাজাৰ কাপুৰ ধুলাক।<br>
কাপোৰ ধুই কি কৈল্লাক?<br>
ৰাজাক দিলাক<br>
সেই ৰাজা কোক গেল?<br>
পহু মাৰবা গেল<br>
সেই পহু কি হ'ল?<br>
নদী পাৰ হ'ল।<br>
সেই নদী কি হ'ল?<br>
সুখে গেল<br>
মাছখিনি কি হ'ল?<br>
বগুলাই খালাক।<br>
হা হা আমাৰ হাত গিলা ওলে গেল।।

বি.দ্ৰ. ঃ থলুৱা আৰু পৰাম্পৰাগত খেল ধেমালি নামৰ কিতাপখনৰ অনুপ্ৰেৰণাত।

# মধ্য বাহুৰ পৰিধি

✍ দ্বিপেন দাস
*স্বেচ্ছাসেৱক, গ্ৰাম্য বিকাশ মঞ্চ*

MUAC মানে হ'ল mid upper Arm Circumference যাৰ অসমীয়া অৰ্থ হ'ল মধ্য ওপৰ বাহুৰ পৰিধি MUAC Measurement ৰ জৰিয়তে সৰ্বপ্ৰথমে এটা শিশুৱে যে কিবা বেমাৰ বা অন্য ৰোগত আক্ৰান্ত হৈছে সেইটো আমি নিশ্চিত কৰিব পাৰো। MUAC জোখাৰ বাবে WHO (world health organazation) ৰ Grouth standard ৰ ভিত্তিত তেখেত সকলে MUAC TAP সাজি উলিয়াইছে। এই TAP ডালত সাধাৰণতে তিনিটা ৰং দেখিবলৈ পোৱা যায়। ১৩.৫ ছে.মি. সাধাৰণতে সেউজীয়া হিচাপে ধৰা হয় আৰু ১২.৫ ছে.মি. ৰৰ তলত হালধীয়া অৰ্থাৎ (At risk) হিচাপে ধৰা হয়। ১১.৫ ছে.মি. তলত ৰঙা অৰ্থাৎ পুষ্টিহীনতা হিচাপে ধৰা হয়। MUAC জোখাৰ বাবে WHO য়ে বয়সৰ সময়সীমা নিৰ্ধাৰণ কৰিছে। ছয় মাহৰ পৰা ৫ বছৰলৈ। ৫ বছৰ হৈ গ'লে এই জোখ লোৱা নহয়। এই জোখৰ মাধ্যমেৰে আমি এটা শিশুক কি অৱস্থাত আছে নিৰ্ধাৰণ কৰিব পাৰো। এই MUAC জোখ লোৱাৰ সময়ত পৰিয়াল তথা স্বাস্থ্য কেন্দ্ৰৰ স্বাস্থ্য কৰ্মী সকলে আমাক পুৰ্ণ সহযোগিতা আগবঢ়াই আহিছে। যদি অংগনাবাড়ী কৰ্মী, আশা কৰ্মীয়ে এই MUAC কৰিব লাগে যদিও সকলো কৰ্মীয়ে এই পদ্ধতিৰে জোখ মাখ কৰা দেখা নাযায়। যাৰ ফলত আমাৰ সমাজত কিছুমান এনে শিশু চৰকাৰী সুবিধাৰ পৰা বঞ্চিত হোৱা দেখা যায়।



গ্ৰাম্য বিকাশ মঞ্চৰ দ্বাৰা ৰূপায়িত শিশু অধিকাৰ প্ৰকল্পৰ অন্তৰ্গত গাওঁবোৰত স্বেচ্ছাসেৱক সকলে মাতৃগোট, শিশু গোট, যুৱ গোট, আশা আৰু অংগনাবাড়ী কৰ্মীৰ জৰিয়তে এই কাৰ্য্য চলাই থকা দেখা যায়। গাওঁবোৰত যেতিয়া আমি পুষ্টিহীনতাত ভোগা শিশু দেখা পাও তেতিয়া স্বাস্থ্যকেন্দ্ৰৰ জৰিয়তে NRC (Nutrition Rehabilitation Centre) সম্পূৰ্ণ বিনামূলীয়াকৈ লৈ যোৱা হয়। তাত তেখেত সকলে শিশুটোৰ প্ৰয়োজনীয় সকলো সুষম আহাৰ কি কি পদ্ধতিৰে খুওৱা লাগে মাক বা অভিভাৱকক Counseling কৰি পঠিয়াই। যাৰ দ্বাৰা মাক আৰু অভিভাৱকে শিশুটোৰ ভৱিষ্যতে প্ৰয়োজন হোৱা সকলো ধৰণৰ খাদ্যৰ যোগান ধৰে। গ্ৰাম্য অঞ্চলত আমি যেতিয়া MUAC কৰো তেতিয়া এটা বস্তু লক্ষ্যত পৰাত দেখা যায় যে যিবোৰ শিশু পুষ্টিহীনতাত ভোগে তেখেত সকলৰ অৰ্থনৈতিক অৱস্থা সিমান পিছপৰা নহয়। তেখেত সকলে শিশুৰ প্ৰয়োজনীয় সকলো সুবিধা দিব পাৰে। মাতৃ অতি স্নেহ বা সময়ৰ কাৰণে পুষ্টিহীনতাত ভোগে। শিশুৱে চিফ, মিমি, কুৰকুৰী ইত্যাদি খোৱাৰ বাবে শিশুৰ গেষ্টিক হ'বলৈ আৰম্ভ কৰে, যাৰ ফলত শিশুটোৱে অন্য কোনো বস্তুৰ সোৱাদ নোপোৱা হয়। ৰং বিৰঙৰ পেকেটৰ খোৱা বস্তুবোৰহে লাগে, যাৰ ফলত শিশুটো পুষ্টিহীনতাত ভূগিবলৈ আৰম্ভ কৰে। আনহাতে দুখীয়া পৰিয়ালৰ শিশুৱে ৰং-বিৰঙৰ খোৱা বস্তুৰ পৰা বিৰত থকা বাবে ঘৰতে পোৱা ফল, ভাত, অন্যান্য খোৱা বস্তুবোৰ খায় যাৰ ফলত গ্ৰেষ্টাইটিছৰ নিচিনা বেমাৰত ভুগিবলগীয়া নহয়। গেষ্টিক নথকা শিশুৱে সকলো খোৱা বস্তুৰ খোৱাদ পায় আৰু ঠিক মতে হজম হয়, যাৰ ফলত শিশুটিৰ পুষ্টিহীনতাত নোভোগে। MUAC জোখা কাম আশা কৰ্মী আৰু অংগনাবাড়ী কৰ্মীয়ে কৰিব লাগে যদিও কোনো এলেকাৰ অংগনাবাড়ী কৰ্মী আৰু আশা কৰ্মীয়ে উক্ত কাৰ্য্যসূচীটো সঠিক ধৰণে ৰূপায়ণ কৰা নাই তেতিয়া আমি অংগনাবাড়ী আৰু আশা কৰ্মীৰ লগত যোগাযোগ কৰাটো অতি প্ৰয়োজন। এটা শিশু যদি ৬ মাহৰ পৰা ৬০ মাহৰ ভিতৰত পুষ্টিহীনতাত ভোগে শিশুটি পিছলৈ বহু পিছ পৰি যায়। MUAC জোখাৰ ক্ষেত্ৰত ভৱিষ্যত শিশু সকলৰ সুৰক্ষিত হোৱাত আটায়ে সহযোগিতা আগবঢ়োৱা উচিত।

# যুৱ প্ৰজন্মৰ সাহিত্য চৰ্চা আৰু সমস্যা

✍ দিপবিজয় বৰুৱা

সাহিত্য সমাজৰ দাপোন স্বৰূপ। মানৱ জীৱনৰ আশা, আকাংখা, সুখ-দুখ, সমস্যা বিভিন্ন চিন্তাশীল লেখনিৰে এগৰাকী সৃষ্টিশীল লেখকে সাহিত্যত তাৰ প্ৰতিফলন ঘটায়। সাহিত্যই মানুহক আনন্দ প্ৰদান কৰে, মনৰ অৱসাদ দূৰ কৰে, চিন্তাৰ উদ্বেগ কৰায়। অসমীয়া ভাষা সাহিত্যই লিখিত ৰূপ লাভ কৰাৰ পাছৰে পৰা বৰ্তমানলৈকে বহুতো উৎকৃষ্ট মানৰ সাহিত্যৰ সৃষ্টি হ'ল। চামে চামে লেখক লেখিকাই নিজৰ নিজৰ সৃষ্টিশীল দক্ষতাৰে বহুতো মহা মূল্যৱান গ্ৰন্থ পাঠক সমাজক উপহাৰ দিছে। কিন্তু সাম্প্ৰতিক প্ৰেক্ষাপটত তুলনামূলক দৃষ্টিভংগীৰে লক্ষ্য কৰিলে দেখা যায় যে যুৱ প্ৰজন্মৰ মাজত সাহিত্য চৰ্চাৰ প্ৰৱনতা খুৱেই কম। সেইয়া সামাজিক, অৰ্থনৈতিক বা যিকোনো কাৰণ হ'ব পাৰে। বৰ্তমান সুৰক্ষিত ভাৱিষ্যতৰ দৌৰত আমি পাহৰি গৈছো আমাৰ অন্তৰাত্মত থকা প্ৰতিভা, সৃজনীশীলতাৰ কথা। আমি হৈ পৰিছো কেৱল স্কুলীয়া পাঠ্যক্ৰমৰ মাজত সোমাই বোবা হৈ সোমাই থকা একো একোটা যন্ত্ৰ। য'ত নিজৰ বাবে ভাৱিবলৈ সময়ৰ অভাৱ। বহুতো ছাত্ৰ-ছাত্ৰীয়ে ভাবে "লেখা মেলা কৰি কি কৰিম, এইবোৰত সময় দিলে পাছলৈ অৰ্থনৈতিকভাৱে স্বচ্ছল হ'ব নোৱাৰিম।" এনেকুৱা ধৰণৰ মানসিকতা আজিকালি দেখা যায়। কিন্তু এইবোৰৰ মাজতো যুৱ প্ৰজন্মৰ যিসকল লেখক-লেখিকাই বৰ্তমান লেখা-মেলা অব্যাহত ৰাখিছে; তেওঁলোকৰ মাজতো বিভিন্ন ধৰণৰ সমস্যাই মূৰ দাঙি উঠিছে। এই সমস্যা সমূহ দুই ধৰণৰ- প্ৰথমতে, তেওঁলোকৰ নিজৰ মাজত থকা সমস্যা আৰু দ্বিতীয়তে সন্মুখত থকা সমস্যা।

লেখক-লেখিকাসকল নিজে নিজৰ বাবে সমস্যাৰ কাৰণ হ'ব পাৰে— তেওঁলোকে নিজক আৱিষ্কাৰ কৰাত ব্যৰ্থ, অধ্যয়ন বিমুখিতা, চৰ্চাৰ অভাৱৰ লগতে লিখাৰ ধাৰাবাহিকতা নৰখা, অভিজ্ঞতাহীন লগতে সামাজিক ক্ষেত্ৰখনৰ পৰা আঁতৰি থকাৰ বাবে অভিজ্ঞতা অৰ্জনত ব্যৰ্থ আৰু আত্মবিশ্বাসৰ অভাৱ। এই আটাইকেইটা কাৰকে যুৱপ্ৰজন্মৰ সাহিত্য চৰ্চাত প্ৰতিবন্ধকতাৰ সৃষ্টি কৰে। এখন আলোচনী প্ৰত্যেক অনুষ্ঠান বা প্ৰত্যেকখন সমাজৰ দাপোন স্বৰূপ। ইয়াত স্কুলীয়া ছাত্ৰ-ছাত্ৰীয়ে বা যুৱ প্ৰজন্মই সাহিত্য প্ৰতিভা প্ৰকাশৰ সুবিধা পায়। যিসকল ছাত্ৰ-ছাত্ৰীৰ লেখা আলোচনীৰ পাতত প্ৰকাশ পায়; তেওঁলোকে কিন্তু পৰৱৰ্তী কালত লিখাৰ ধাৰাবাহিকতা নাৰাখে। যুৱ প্ৰজন্মৰ লেখকৰ সংখ্যা কম হৈ অহাৰ ইয়ো এটা কাৰণ হ'ব পাৰে।

দ্বিতীয় সমস্যাটো হৈছে লেখক-লেখিকাসকলৰ সন্মুখত থকা সমস্যা। নতুন চাম লেখক-লেখিকাৰ যিসমূহ লেখা সেই সমূহ প্ৰকাশ কৰাৰ ক্ষেত্ৰত প্ৰকাশকসকল মুঠেই আগ্ৰহী নহয়। তেওঁলোকে ভাবে যে নতুন লেখক মানেই তেওঁলোকে ভাল নিলিখে আৰু ব্যৱসায়িক লাভা-লাভাৰ স্বাৰ্থত তেওঁলোকে নতুন লেখকসকলৰ লেখা প্ৰকাশ কৰাত উৎসাহী নহয়। ফলত লেখক-লেখিকা সকলৰ মানসিকভাৱে ভাঙি পৰে। কিন্তু তেওঁলোকে ভাঙি পৰাৰ বিপৰীতে এনেদৰে ভাৱিব লাগিব যে এয়াই শেষ নহয়, আৰম্ভণিহে আৰু দুগুণ উৎসাহেৰে লিখিবলৈ চেষ্টা কৰিব লাগে।

নতুন লেখক-লেখিকাসকলৰ প্ৰকাশিত কিতাপৰ পাঠকৰ সংখ্যা খুৱেই কম। অগ্ৰজসকলে তথা পাঠকসকলে তেওঁলোকৰ লেখাসমূহ পঢ়ি তেওঁলোকৰ দোষ-ত্ৰুতি তথা সম্ভাৱনীয়তাবোৰ যদি আঙুলীয়াই দিয়ে তেন্তে লেখকসকলে দুগুণ উৎসাহ অনুভৱ কৰিব। পাঠকসকলে কেইজনমান মুষ্টিমেয় লেখকৰ বাদে যুৱ প্ৰজন্মৰ লেখাসমূহ খুৱ কম পঢ়ে। বহুতেই বেটুপাতত নতুন আৰু অচিনাকি লেখক নাম দেখি নপঢ়ে। পাঠকসকলে লেখক-লেখিকাসকলৰ নামলৈ লক্ষ্য কৰাতকৈ অৰ্থাৎ ব্যক্তিকেন্দ্ৰীক হোৱাতকৈ বিষয়কেন্দ্ৰীক কৰি যদি কিতাপখন ক্ৰয় কৰে তেন্তে লেখক-লেখিকাসকলে প্ৰেৰণা পাব। তৃতীয়তে, বিষয় বৈচিত্ৰহীনতাৰ বাবে নতুন লেখকৰ লেখাসমূহে পাঠকৰ কাষ চাপিব পৰা নাই। তেওঁলোকে যদি সামাজিক সমস্যা সমূহ সমস্যা কৰি নথৈ শক্তিশালী চৰিত্ৰৰ সৃষ্টিৰ জৰিয়তে তাক সামাধান কৰিব পৰা উপন্যাস বা গল্পৰ সৃষ্টি কৰিব পাৰে তেন্তে নিশ্চয়কৈ উন্নত মানৰ সাহিত্যৰ সৃষ্টি হ'ব নতুন চাম লেখকসকলে গল্প আৰু কবিতা এই দুই মাধ্যমতহে সাহিত্য চৰ্চা কৰা দেখা যায় বা তেওঁলোকৰ লেখা সীমাবদ্ধ কৰি ৰাখে। তেওঁলোকে যদি নিজৰ সৃজনীশীলতা আৰু অভিজ্ঞতাৰে সাহিত্যৰ সকলো দিশতে বিশেষকৈ উপন্যাস, সমালোচনা, অনুবাদ আদি দিশত তেওঁলোকৰ চিন্তা প্ৰসাৰিত কৰিব পাৰে, তেন্তে অসমীয়া ভাষা সাহিত্যৰ ভঁৰাল যথেষ্ট চহকী হ'ব। এইখিনিতে আৰু এটা কথা এই যে যুৱ লেখক সকলৰ মানসিকতা সম্পূৰ্ণৰূপে সলনি কৰিব লাগিব। কিয়নো বেছিভাগ যুৱ লেখক- লেখিকাই কোনো লেখনিৰ জৰিয়তে কম সময়তে জনপ্ৰিয়তা লাভ কৰিব বিচাৰে। জনপ্ৰিয়তা ক্ষন্তেকীয়া কিন্তু সাহিত্য স্থায়ী। কেতিয়াবা কেতিয়াবা দেখা যায় যে কোনো এজন লেখকে কোনো এখন বিশেষ গ্ৰন্থৰ বাবে জনপ্ৰিয়তা লাভ কৰিলে বা পাঠকসমাজে তেওঁক চিনি পালে। কিন্তু পৰবৰ্তী কালত সেই লেখক গৰাকীয়ে তেওঁৰ লিখাৰ ধাৰাবাহিতকা নাৰাখে। ফলত তেওঁকে পাঠকসমাজে পাহৰি যায়। ই অতি দুৰ্ভাগ্যজনক।

সাহিত্য স্থবিৰ নহয়, ই গতিশীল। পৰিৱৰ্তনৰ ধামখুমীয়াত সকলো সলনি হোৱাৰ লগতে সাহিত্যৰ ক্ষেত্ৰখনো সলনি হয়। আলোচিত সমস্যাবোৰৰ মাজতো এনে কিছুমান যুৱ লেখক-লেখিকা আছে, যিয়ে নিজস্ব মৌলিকতা প্ৰয়োগ কৰি বহুতো উৎকৃষ্ট মানৰ লগতে বিশ্ব সাহিত্যৰ লগত ফেৰ মাৰিব পৰা সাহিত্যৰ সৃষ্টি কৰি আহিছে। এইয়া খুৱ আশাৰ বতৰা। আমি আশাবাদী, অনাগত দিনতো নতুন প্ৰতিভাৱান লেখক-লেখিকাৰ জন্ম হ'ব আৰু তেওঁলোকৰ সৃষ্টিশীল লেখনিৰে চিৰদিন, চিৰকাল অসমীয়া ভাষা সাহিত্যক সমৃদ্ধ কৰি ৰাখিব।



# ফৰেষ্ট ভিলেজ (বনগাও), মানুহৰ অধিকাৰ আৰু বন সুৰক্ষা
# প্ৰসঙ্গ ঃ লাইকা-দধিয়া

✍ প্ৰফুল্ল নাথ
✍ পিংকু মুক্তিয়াৰ
✍ মহেশ ডেকা

প্ৰস্তাৱনা ঃ

লাইকা আৰু দধিয়া নামৰ উজনি অসমৰ ঠাইদুখনে ৰাজ্যখনত এইবছৰ হোৱা প্ৰথমটো বানৰ সময়ত সংবাদ শিৰোনাম দখল কৰাৰ লগতে ছছিয়েল মিডিয়াতো ঠাইদুখনকলৈ কিছু আলোচনা হোৱা দেখা গৈছিল। বানবিধ্বস্ত দধিয়াৰ প্ৰায় ১২০০ কৈ অধিক পৰিয়ালে তিনিচুকীয়া জিলাৰ ফিল'বাৰীৰ তৰাণি বলাঞ্চল দখল কৰি থিতাপি লোৱাক কেন্দ্ৰ কৰি স্থানীয় লোকৰ লগত প্ৰত্যক্ষ সংঘাত হোৱাৰ বাতৰিটোৱেই লাইকা-দধিয়াক কিছু দিনৰ বাবে পাব্লিক ডিচকৰ্চলৈ আনিবলৈ সক্ষম হৈছিল। অৱশ্যে স্থানীয় প্ৰশাসনে ক্ষিপ্ৰতাৰে তাক নিয়ন্ত্ৰণ কৰে আৰু ফিল'বাৰীৰ ৰাইজৰ দাবীক মানি লৈ দধিয়াৰ সকলো মানুহকে প্ৰশাসন তথা বনমন্ত্ৰীয়ে কিছু প্ৰতিশ্ৰুতি দি পুনৰ আগৰ ঠাইলৈ ঘূৰাই পঠায়। উল্লেখ্য, দধিয়াৰ পৰা উঠি অহা এই ১২০০ পৰিয়ালৰ লোকসকল আছিল মিছিং সম্প্ৰদায়ৰ আৰু ফিল'বাৰীৰ স্থানীয় ৰাইজ আছিল মৰাণ সম্প্ৰদায়ৰ। অসমৰ থলুৱা, অতি পুৰণি এই দুই সম্প্ৰদায়ৰ কিছু লোকৰ ভূমিকেন্দ্ৰিক বিবাদ যি ব্যক্তিগত কাজিয়া নহয় অথবা যি ভূমি ব্যক্তিগতও নহয়— এনে সংঘাতে থলুৱা মানুহ তথা কৃষকৰ ভূমি সমস্যা, সম্পদকেন্দ্ৰিক বিবাদকে আদি কৰি অন্য বহুবোৰ প্ৰশ্ন আমাৰ সন্মুখত থিয় কৰায়। স্বাধীনতাৰ পিছতো কোনো চৰকাৰে থলুৱা ৰাইজ তথা কৃষকক গুৰুত্ব নিদিয়া, কৃষক, থলুৱাৰ প্ৰতি ভূমি সংক্ৰান্ত্ৰত চৰকাৰৰ অনীহা আৰু ৰাইজৰ স্বাৰ্থৰ পৰিপন্থী চৰকাৰী ভূমি নীতি তথা কাৰ্যকলাপে থলুৱা কৃষকক উপান্ত কৰাৰ লগতে লাহে লাহে সামাজিকভাৱে বৰ্হিভুক্তকৰণ কৰি আৰু অধিক বিপদৰ মুখলৈ নি আছে। ফিল'বাৰীৰৰ এই বিবাদ এক বিচ্ছিন্ন ঘটনা নহয়। এই দুই সম্প্ৰদায়ৰ ঠাইত অন্য যিকোনো দুটা কিয় একে সম্প্ৰদায়ৰে দুটা গোটক থিয় কৰালেও

এবেধৰণৰ বিবাদৰেই সূচনা হ'লহেঁতেন।

দুখঃজনকভাৱে এই সংঘাত সম্পৰ্কত অসমৰ বৌদ্ধিক মহলৰ মাজত, বাতৰি কাকতৰ পৃষ্ঠাত, টি.ভি. ষ্টুডিঅ'ত দীঘলীয়া বিৰ্তক হোৱাটো উচিত আছিল। কিন্তু সেইবোৰ একোৱেই নহ'ল, বৰঞ্চ এটা বাতৰিৰ পিছতে সি শাম কাটিলে। জাতি, মাটি, ভেটি আদি ধাৰণাবোৰ কেৱল মানুহক উদ্বেলিত কৰিব পৰা কেইটামান শব্দ নহয়। কিন্তু আমি সেইবোৰক তেনে ৰূপতেই ল'বলৈ ভাল পাওঁ। এইবোৰৰ জৰিয়তে নিৰ্বাচন জিকিব পাৰি, আন্দোলন কৰিব পাৰি, বহিৰাগতৰ পৰা চান্দা উঠাব পাৰি, তাৰ বিপৰীতে জাতিৰ সাহটো যিসকলে দৈনন্দিন জীৱনত বিভিন্নভাৱে ৰক্ষা কৰি আহিছে সেইসকলৰ হাতত মাটি নাই, থাকিবলৈ ভেটি নাই, যি মুষ্টিমেয় দুই এজনৰ কিছু মাটি আছে তেওঁলোকৰো অৱস্থা বৃহৎ পুঁজিৰ আগ্ৰাসন, প্ৰাকৃতিক দুৰ্যোগ, চৰকাৰৰ অনীহা আদিত তথৈবচ।

লাইকা-দধিয়াৰ ৰাইজৰ সমস্যা অথবা তেওঁলোকৰ সেইবোৰ সমস্যা সমাধানৰ প্ৰসঙ্গটোত চৰকাৰৰ ভূমি নীতি, বন নীতি, আমোলা ব্যৱস্থা ইত্যাদি সকলোবোৰে মিলি জটিলৰ পৰা জটিলতৰ কৰি তুলিছে। আমি পাহৰিলে নহ'ব যে ভাৰত বা অসম চৰকাৰৰ ভূমি নীতি, বন নীতি ইত্যাদিবোৰৰ অধিকাংশই মোটামোটিকৈ উপনিবেশিক। উপনিৱেশিক এই নীতিসমূহৰ মুল উদ্দেশ্যই আছিল সম্পদৰ শোষণৰ জৰিয়তে নিজক সম্পদশালী তথা প্ৰতিপত্তিশীল কৰি তোলা। এই ক্ষেত্ৰত সাধাৰণ মানুহৰ অধিকাৰতকৈ কৰ-কাটল বা উপনিবেশিক শাসনৰ অন্য সুবিধাজনক দিশবোৰতহে গুৰুত্ব দিয়া হৈছিল। যেনে উপনিৱেশিক কালত ব্ৰিটিছে বনগাও (forest village) নামৰ ধাৰণাটো প্ৰচলন কৰিছিল কেৱল নিজৰ সা-সুবিধা তথা সম্পদৰ শোষণৰ স্বাৰ্থত। বহুক্ষেত্ৰত বনগাওসমূহক সীমান্ত অঞ্চলবোৰত বাফাৰ হিচাপেও ব্যৱহাৰ কৰা হৈছিল। তাত থকা অধিবাসীসকলৰ ভূমি অধিকাৰতকৈ শাসকৰ স্বাৰ্থ আছিল আগত। স্বাধীনতাৰ পিছতো সেই বনগাঁওসমূহ থাকি গল আৰু বন সুৰক্ষা, পৰিৱেশ আদি ধাৰণাত সদা প্ৰবাহমান উপনিৱেশিক আৰু পুৰণিকলীয়া ইউৰোপীয়ান ধাৰণাকে ভাৰতে গ্ৰহণ কৰাত বনগাওবাসী ৰাইজৰ লগতে সাধাৰণ ৰাইজৰ বনৰ ওপৰত থকা তেওলোকৰ পৰম্পৰাগত অধিকাৰ, বনজ সম্পদৰ ব্যৱহাৰ ইত্যাদিত যতি পৰি থাকিল। স্বাধীনোত্তৰ কালত কিছু নতুন গাঁওক বনগাঁও হিচাপে স্বীকৃতি দিয়া হল। অৱশ্যে পিছলৈ পৰিৱেশৰ ইতিহাস, বন আৰু মানুহৰ সম্পৰ্ক ইত্যাদি বিষয়ত বিদ্যায়তনিক বিকাশে বন সুৰক্ষাৰ ক্ষেত্ৰত থকা পৰম্পৰাগত ধাৰণাক সলনি কৰিলে। ভাৰততো বনৰ ওপৰত থকা মানুহৰ আধিকাৰ, ভূমি অধিকাৰ ইত্যাদি লৈ বহু প্ৰতিবাদ, আন্দোলন হল। অসমৰ ক্ষেত্ৰত আমি দৈয়াং-টেঙানিৰ লোকে মাটিৰ পট্টা বিচাৰি কৰা আন্দোলনটোৰ কথা উনুকিয়াব পাৰো। বহু প্ৰতিবাদ, আলোচনা ইত্যাদিৰ পিছত ভাৰত চৰকাৰে বন অধিকাৰ আইন ২০০৬ (Forest Right Act 2006) গ্ৰহণ কৰে আৰু ইয়ে সাধাৰণ মানুহৰ বনৰ ওপৰত থকা অধিকাৰক নায্যতা দিছে যদিও বহু ক্ষেত্ৰত বনভূমিৰ কাষত থকা লোকে বা বনগাঁওবাসীয়ে এতিয়াও সেইবোৰ অধিকাৰ পাবলৈ বাকী। উল্লেখ্য যে লাইকা আৰু দধিয়া নামৰ অঞ্চল দুটাও ডিব্ৰু-চৈখোৱা ৰাষ্ট্ৰীয় উদ্যানৰ ভিতৰৰ বন বিভাগ তথা চৰকাৰৰ দ্বাৰা স্বীকৃত দুখন বনগাঁও। লাইকা দধিয়াৰ ৰাইজৰ অধিকাৰ, সমস্যা আদিবোৰ আলোচনা কৰাৰ আগতে বনগাঁৱৰ ধাৰণা সম্পৰ্কে কিছু কথা জানি লোৱা দৰকাৰ।

(ক)

**বনগাঁওৰ (forest village) ধাৰণা আৰু ইয়াৰ ইতিহাস ঃ**

ভাৰত তথা অসম ব্ৰিটিচৰ অধীনলৈ যোৱাৰ পিছত ১৮৭৮ চনত তেওঁলোকে Indian Forest Act 1878ৰ জৰিয়তে আৰু বন আৰু জংঘলৰ ভূমিৰ ওপৰত এদনিয়া অধিকাৰ লাভ কৰে। উপনিৱেশ কালৰ বহু আগৰে পৰা সাধাৰণ ৰাইজৰ বাবে বনসমূহ আছিল সামূহিক সম্পদ (Common Property Resource) যৰ পৰা তেওঁলোকে ইন্ধনকে আদি কৰি প্ৰয়োজনীয় কেঁচা মাল তথা খাদ্য সংগ্ৰহ কৰিছিল। ওপৰোক্ত আইনখনৰ জৰিয়তে বৃহৎ বৃহৎ বনভূমি সংৰক্ষিত বনাঞ্চললৈ পৰিৱৰ্তন কৰা হয়। যদিও আপাতদৃষ্টিত এনে আইনৰ জৰিয়তে বন সংৰক্ষণৰ কথা কোৱা হয় কিন্তু উপনিৱেশিক শাসকে তাৰ বিপৰীতে এই আইনৰ জৰিয়তে একচেতীয়া লুণ্ঠনৰ বাটহে মুকলি কৰি লৈছিল। বন, জংঘল ইত্যাদিবোৰ যিবোৰৰ সৈতে শ-শ বছৰধৰি সাধাৰণ মানুহে সহাৱস্থান কৰিছিল, গৃহ নিৰ্মাণ, খাদ্য সামগ্ৰী তথা অন্য প্ৰয়োজনীয় সামগ্ৰী সংগ্ৰহ কৰিছিল, সেইসমূহ সংৰক্ষিত বনাঞ্চল হোৱাত সাধাৰণ মানুহৰ অধিকাৰ তাৰ পৰা নোহোৱা হ'ল। যদিও সমগ্ৰ প্ৰক্ৰিয়াটোৰ জৰিয়তে বন সংৰক্ষণৰ কথা কোৱা হৈছিল দৰাচলতে বনজ সম্পদ ব্যৱহাৰৰ বাবে ৰাইজৰ ওপৰত কৰ কাটল আৰু ৰাহজ বৃদ্ধিহে ইয়াৰ মুল লক্ষ্য আছিল। মাধৱ গেদগিল, ৰামচন্দ্ৰ গুহ ইত্যাদি পাৰিৱেশিক ইতিহাসবিদে দেখুৱাইছে কিদৰে উপনিৱেশিক শাসনে ভাৰতৰ বিভিন্ন প্ৰান্তত থলুৱা কৃষকক বনাঞ্চল তথা সামূহিক সম্পদ ব্যৱহাৰৰ পৰা বঞ্চিত কৰিছিল। অসমতো একে প্ৰক্ৰিয়াৰ দ্বাৰা জনসাধাৰণক বনাঞ্চলৰ পৰা আঁতৰাই বনজ সম্পদ ব্যৱহাৰত বাধা দিয়া হৈছিল। একেসময়তে চাহ বাগান খুলিবৰ বাবেও বৃহৎ পৰিমাণৰ বন ধ্বংস কৰা হৈছিল । তদুপৰি অন্যবোৰ প্ৰাকৃতিক সম্পদ যেনে তেল, কয়লা, চাহকে আদি কৰি আন আন কেঁচামাল সৰবৰাহ আৰু লুণ্ঠনৰ বাবে নতুনকৈ আৰম্ভ হোৱা ৰেল পৰিবহন ব্যৱস্থাৰ উন্নয়ন অৰ্থাৎ ৰেলপথৰ চিৰি নিৰ্মাণৰ বাবে প্ৰয়োজন হোৱা বৃহৎ পৰিমাণৰ কাঠৰ বাবে এনেধৰণৰ উপনিৱেশিক পলিচিয়ে ক্ৰীয়নক ৰূপে কাম কৰিছিল। এফালে বন সুৰক্ষাৰ নামত জংঘলক সংৰক্ষিত বনাঞ্চল কৰা আৰু একে সময়তে বৃহৎ জংঘল মোকলাই চাহবাগান পতাত সাধাৰণ ৰাইজৰ জংঘলৰ ওপৰত থকা পৰম্পৰাগত অধিকাৰত আঘাত পৰিছিল। তদুপৰি উপনিৱেশিক শাসনে মুলতঃ ৰাজহ সংগ্ৰহ বৃদ্ধিৰ বাবেই অসমৰ কৃষি অৰ্থনীতি আৰু জনগাঁথনিৰ ব্যাপক পৰিৱৰ্তন কৰিছিল। ১৮৩০-৭০ চনৰ ভিতৰত চাহ খেতিৰ বাবে ব্যাপক হাৰত বনাঞ্চল মুকলি আৰু পতিত ভূমিৰ ব্যৱহাৰ আৰু শ্ৰমিকৰ আমদানি কৰা হৈছিল। আনহাতে মধ্য আৰু নামনি অসমত মৰাপাট খেতিৰ বাবে পূৱ পাকিস্তানৰ পৰা ব্যাপক হাৰত পমুৱা মুছলমানৰ আমদানিত উৎসাহ প্ৰদান আৰু নেপালী সম্প্ৰদায়ৰ লোকক ভিন্ন বনাঞ্চলত সংস্থাপিত কৰি গাখীৰ উৎপাদনত লগোৱা আৰু একে সময়তে গ্ৰেজিং ৰিৰ্জাভ সৃষ্টি কৰা ইত্যাদিয়ে থলুৱা ৰাইজৰ বাবে ভূমি সংকুচিত কৰি আনিছিল।

ৰেলপথ নিৰ্মাণৰ বাবে বন, জংঘলৰ পৰা বৃহৎ পৰিমাণৰ কাঠ

তথা অন্য কেঁচামাল সংগ্ৰহত প্ৰয়োজন হোৱা বনুৱাৰ বাবে বিট্ৰিছে কিছু মানুহ জংঘলৰ ভিতৰত অথবা কাষৰীয়া ঠাইত সংস্থাপন কৰি বনগাঁও নামেৰে এক নতুন ধাৰণাৰ সূচনা কৰিলে। উপনিৱেশিক শাসকৰ সুবিধাৰ বাবে ইয়াৰ বন বিভাগে চৰকাৰক সহায়ৰ অৰ্থে আৰু বনজ কাঠৰ আহৰণৰ বাবে এক নিৰৱিচ্ছিন্নভাৱে ব্যৱহাৰ কৰি থাকিব পৰাকৈ শ্ৰমিক শক্তিৰ প্ৰয়োজন হৈছিল। বনজ সম্পদত চহকী অঞ্চলটোত সেয়েহে বন বিভাগে বাহিৰৰ পৰা শ্ৰমিক আনি ঠিকা ভিত্তিত কাম কৰোৱাৰ পৰিৱৰ্তে নিজাকৈ শ্ৰমিক তৈয়াৰীৰ ব্যৱস্থা কৰিলে যিসকল শ্ৰমিক ভৱিষ্যতৰ বাবেও তেওঁলোকৰ বাবে সহায়ক হৈ উঠিব পাৰে। তাৰে ফলশ্ৰুতিত টঙিয়া নামৰ এক ব্যৱস্থা কৰা হ'ল। এই পদ্ধতিত বাহিৰৰ পৰা অনা কিছু শ্ৰমিকক বন-জংঘলৰ কাষত অথবা ভিতৰত চাফ চিকুণ কৰাই সংস্থাপিত কৰাৰ লগতে কিছু খেতি মাটিও দিয়া হয়। তিনি চাৰিবছৰৰ মূৰত তেওঁলোকক অন্য ঠাইলৈ লৈ যোৱা হয়। এই প্ৰক্ৰিয়াটোৰ নিয়ম হ'ল যে যিহেতু বন বিভাগে তেওঁলোকক থাকিবলৈ মাটি দিছে সেয়ে বছৰটোৰ কিছুদিন তেওঁলোকে বনবিভাগক বিনা পাৰিশ্ৰমিকত কাম কৰি দিব লাগিছিল। পিছলৈ এনেধৰণৰ বসবাসমূহকে ফৰেষ্ট ভিলেজ বা বনগাঁও হিচাপে জনা যায়। কোনো কোনো লেখকে এনেধৰণৰ বসবাসক বনগাঁও বুলি কোৱাৰ বিপৰীতে বন বিভাগে বনুৱাৰ প্ৰয়োজনত তেয়াৰ কৰি লোৱা কুলি কলনি বুলিহে উল্লেখ কৰিছে। অসমত অৱশ্যে ব্ৰিটিছে পতা এনেবোৰ বনগাঁৱৰ উপৰিও থলুৱা বহুলোকে বান, খহনীয়া আদিত কৃষিভূমি হেৰুৱাই বহুক্ষেত্ৰত কাষৰীয়া সংৰক্ষিত বনাঞ্চলত থিতাপি লৈছিল। বিট্ৰিছেও উপান্ত কৃষকসকলক এইদৰে সংস্থাপন দিয়াৰ অজুহাততে বিনা পাৰিশ্ৰামিকত তেওঁলোকৰ হৈ বনুৱাৰ কামত নিয়োগ কৰিছিল। তদুপৰি প্ৰতিজন প্ৰাপ্তবয়স্ক ব্যক্তিয়ে জংঘলৰ পৰা খেৰ, খৰি বা অন্য কিছু প্ৰয়োজনীয় বস্তু সংগ্ৰহ কৰাৰ প্ৰতিদানত ২০ দিনকৈ কাম কৰি দিব লগা হৈছিল। এই পদ্ধতিক begar নামে জনা যায়। উত্তৰ উপনিৱেশিক কালত সেইসমূহ বনগাঁও থাকি যোৱাৰ লগতে নতুনকৈ বহু বনগাঁও যোগ হয়। যেনে অসম-নাগালেণ্ড সীমান্তৰ মেৰাপানী, আদি অঞ্চলত বনগাঁও স্থাপন কৰছিল উপনিৱেশিক চৰকাৰে। বনগাঁৱৰ ধাৰণা যদিও উপনিৱেশিক কিন্তু তেনে গাঁও অসমত আহোম ৰাজশাসনৰ পৰাই চলি আছিল। যেনে দৈয়াং টেঙানি বনাঞ্চলত বহু গাঁও আহোমৰ দিনৰ পৰাই আছিল যিবোৰে এফালৰ পৰা আহোম ৰাজশাসনৰ পৰিসৰ বৃদ্ধি আৰু আনফালে বাফাৰৰ কাম কৰিছিল। পৰৱৰ্তী সময়ত দৈয়াং টেঙানি সংৰক্ষিত বনাঞ্চল হোৱাত সেইবোৰ বনগাঁও ৰূপে স্বীকৃতি পায়। স্বাধীনোত্তৰ সময়ত নাগালেণ্ড পৃথক ৰাজ্য হোৱাৰ পিছত নাগালেণ্ডৰ আগ্ৰাসন ৰোধ কৰিবলৈ অসম চৰকাৰৰ প্ৰত্যক্ষ পৃষ্ঠপোষকতাত সীমান্তৰ পৰা মাত্ৰ আধা কিলোমিটাৰ দূৰত বহু লোকক সংস্থাপন দিয়া হৈছিল।

উপনিৱেশিক তথা স্বাধীনোত্তৰ কালত ভিন্ন পাৰিৱেশিক পৰিৱৰ্তন তথা আৰ্থ-ৰাজনৈতিক কাৰণত অসমৰ জনগাঁথনি দ্ৰুত সাল-সলনি ব্যাপক ক্ষেত্ৰ পৰিৱৰ্তন হয়। ১৯৫০ চনৰ বৰভূঁইকপ আৰু প্ৰতিবছৰে হোৱা বান আৰু খহনীয়াই ব্ৰহ্মপুত্ৰ উপত্যকাৰ বিভিন্ন সম্প্ৰদায়ৰ বহু লোকক নিজৰ ভূমিৰপৰা বিতাড়িত কৰে। কথিত আছে যে ১৯৫০ৰ ভূঁইকপে বহু নৈ-উপনৈৰ লগতে ব্ৰহ্মপুত্ৰৰ বুকু বাম কৰাত সেইবোৰে গতি সলনি কৰে। ইয়াৰ পাৰ্শ্বক্ৰিয়া হিচাপে বান খহনীয়া বৃদ্ধি পোৱাত বহু ভূমি কৃষিৰ অনুপযোগী হোৱাত তথা খহনীয়া বৃদ্ধি পোৱাত বহু কৃষকে বনাঞ্চলৰ ভূমিত থিতাপি ল'বলৈ বাধ্য হয়। ১৮৯৭-১৯৫০ চনমানলৈ থলুৱা কৃষকে ভিন্ন পাৰিৱেশিক কাৰণ তথা উপনিৱেশিক ভূমি নীতিৰ ফলত ভূমিৰ সন্ধানত আভ্যন্তৰীন প্ৰব্ৰজন কৰিব লগা হৈছিল। যদিও, টঙীয়া আৰু বনগাঁওসমূহ উপনিৱেশিক শাসনৰ সুবিধাৰ্থে কৰা হৈছিল কিন্তু অসমত অহৰহ চলি থকা বান-খহনীয়াৰ বাবে ভূমিহীন কৃষকে বন ভাঙি মাটি মোকলাই নিজাকৈ সংস্থাপন বা বহু ক্ষেত্ৰত ৰাজনৈতিক নেতাৰ পৃষ্ঠপোষকতাত বনাঞ্চলত থিতাপি লৈছিল। স্বাধীনোত্তৰ সময়ছোৱাত দেখা গৈছে যে খহনীয়াত ভেটি-মাটি উচন যোৱা হাজাৰ হাজাৰ কৃষকৰ ভিতৰত অতি কম সংখ্যকেহে চৰকাৰী সংস্থাপন লাভ কৰে, সেয়ে গৰিষ্ঠসংখ্যকৰ বনভূমি বা পতিত মাটি দখলৰ বাদে আন উপায় নাথাকে। শেহতীয়াকৈ আমচাং বনাঞ্চলত হোৱা উচ্ছেদত দেখা গৈছে সুদূৰ লখিমপুৰ, ধেমাজিৰ মিছিং সম্প্ৰদায়ৰ লোকে বানপানী খহনীয়াত সৰ্বশ্ৰান্ত হৈ আমচাঙলৈ স্থানান্তৰিত হোৱাৰ কাহিনী আৰু চৰকাৰীপক্ষৰ তেওঁলোকৰ প্ৰতি থকা মনোভাৱ।

অৱশ্যে বনগাঁৱৰ ধাৰণাতো অথবা স্বাধীনোত্তৰ ভাৰতত বনগাঁওকলৈ যিসমূহ চৰকাৰী নীতি পলিচী লোৱা হৈছে (যেনে Forest Right Act 2006) সেইসমূহ অসমৰ ক্ষেত্ৰত পুৰাপুৰিকৈ প্ৰযোজ্য হোৱাত সমস্যা আছে কিয়নো বনগাঁও গঠনত অসমৰ ঐতিহাসিক প্ৰেক্ষাপট সৰ্বভাৰতীয় প্ৰেক্ষাপটকৈ কিছু বেলেগ। ফৰেষ্ট এক্ট ১৮৭৮ কাৰ্যকৰী কৰাৰ আগেয়ে চলিত বেঙ্গল ফৰেষ্ট এক্ট ১৮৭০ৰ সময়ৰপৰাই অসমৰ বহু বনাঞ্চল অথবা কাষৰীয়া ঠাইত বহু জনজাতীয় অথবা অজনজাতীয় লোকে ইতিমধ্যেই বসবাস কৰি আছিল। মধ্য বা পূব ভাৰতত থকা বনগাঁৱৰ অধিবাসীসকল বনাঞ্চলৰ গভীৰত বসবাস কৰে। কিছু পৰিমাণে তেওলোক কৃষি নিৰ্ভৰ যদিও তেওঁলোক বনজ উৎপাদিত সামগ্ৰীৰ ওপৰতহে বেছিকৈ নিৰ্ভৰশীল। খাদ্য, ইন্ধন, ঔষধ, গৃহ নিৰ্মাণ ইত্যাদি দৈনন্দিন সামগ্ৰীৰ বাবে তেওঁলোক বন নিৰ্ভৰ। তেওঁলোকৰ জীৱন, জীৱীকা তথা সংস্কৃতি বহু পৰিমাণে বনৰ লগত সংপৃক্ত। তাৰ বিপৰীতে অসমৰ বনগাঁও গঠনৰ কথা বুজিবলৈ উপনিৱেশিক ৰাজহ নীতি জনাতো প্ৰয়োজন যিটো ইতিমধ্যেই আমি উল্লেখ কৰিছো। অসমৰ ক্ষেত্ৰত বনগাঁৱৰ লোকসকল সদায় জনজাতীয় লোক নহয়। জনজাতীয় আৰু অজনজাতীয় লোক আজিও ভিন্ন বনগাঁওসমূহত আছে যাৰ আৰ্থসামাজিক অৱস্থা একে। তদুপৰি অসমৰ বনগাঁৱত থকা লোকসকল কেৱল বনাঞ্চলৰ ওপৰতে নিৰ্ভৰশীল নহয় আৰু সদায় বনাঞ্চলৰ ভিতৰত নাথাকে তাৰ বিপৰীতে বনাঞ্চলৰ দাঁতিকাষৰীয়া অঞ্চলসমূহতহে থাকে। তদুপৰি অসমৰ বনাঞ্চলবাসী মুলতঃ কৃষিনিৰ্ভৰ আৰু বনাঞ্চলৰ পৰা তেওঁলোকে সামান্য কিছুহে লয় (যাক ইংৰাজীত sedementary peasants বুলি কোৱা হয়)। তাৰ বিপৰীতে মধ্য ভাৰত বা পূব ভাৰতৰ বনাঞ্চলবাসী (বনবাসী) লোকসকল পুৰাপুৰিকৈ বনিৰ্ভৰ।

(খ)

লাইকা-দধিয়া যদিও দুখন গাঁও বুলিহে কাগজে পত্ৰই কোৱা হয় আচলতে দুয়োখন গাঁৱেই দুটা বৃহৎ অঞ্চল। লাইকাত মুঠ গাঁৱৰ সংখ্যা তিনিখন— পমুৱা, ৰিগবি লাইকা আৰু লাইকা পাচিদিয়া। আনহাতে

দধিয়াত গাঁৱৰ সংখ্যা চাৰিখন— কুলিগাঁও, মহমৰা, চাৰিসুতি আৰু টেঙাবাৰী। লাইকা তিনিচুকীয়া জিলাৰ অংগ হোৱাৰ বিপৰীতে দধিয়া ডিব্ৰুগড় জিলাৰ অন্তৰ্গত। ছিয়াং, ডিবাং আৰু লোহিতৰ সংগমস্থলীৰ কিছু তললৈ প্ৰায় ৩৪০ বৰ্গকিলোমিটাৰ বিয়পি থকা ডিব্ৰু ছৈখোৱা ৰাষ্ট্ৰীয় উদ্যানৰ ভিতৰত চৰকাৰীভাৱে স্বীকৃত দুখন বনগাঁও এই লাইকা আৰু দধিয়া। ২২০০তকৈও অধিক পৰিয়াল বসবাস কৰি থকা লাইকা-দধিয়াৰ আটাইবোৰ মানুহেই মিছিং সম্প্ৰদায়ৰ। লাইকা-দধিয়াৰ বয়োজ্যেষ্ঠ লোকসকলে কোৱা মতে ১৯৫০ৰ বৰভুইকঁপৰ পিছত উত্তৰ দিশৰ পৰা (জোনাই, মুৰ্কংছেলেক) আহি ভূমিৰ সন্ধানত তেওঁলোকৰ আগৰ প্ৰজন্মই বৰ্তমান অঞ্চলত থিতাপি লৈছিল। নদীৰ সোঁত সলনি, খহনীয়া ইত্যাদিত ঠাইখনৰ ভূগোল সলনি হৈ হৈ আজিৰ অৱস্থা পাইছেহি। উত্তৰৰ পৰা পছিমলৈ বৈ অহা ব্ৰহ্মপুত্ৰ নদী আৰু পূবৰ পৰা পশ্চিমলৈ বৈ যোৱা ডিব্ৰু নদীৰ মিলনৰ ওপৰৰ ফালে লাইকা আৰু দধিয়া ঠাইদুখন অৱস্থিত বুলি ক'ব পাৰি। ঠাইদুখনৰ কেতিয়াবা মাজেদি অথবা কেতিয়াবা কাষেৰে বৈ গৈছে লাইকা আৰু ডিব্ৰু নদী। অসংখ্য জান, জুৰি আৰু বিলেৰে ভৰপুৰ লাইকা দধিয়ালৈ যোৱাৰ একমাত্ৰ বাহন হৈছে নাও। তিনিচুকীয়া জিলাৰ গুইজান, দিনজান আৰু ধেমাজিৰ জোনাইলৈ ব্যক্তিগত নাৱেৰেই বহিৰ্বিশ্বৰ লগত সংযোগ ৰক্ষাৰ সংগ্ৰাম লাইকা-দধিয়াবাসীয়ে অব্যাহত ৰাখিছে। যদিও আৰম্ভণিতে মাত্ৰ কেইটামান পৰিয়াল আহি তাত থিতাপি লৈছিল কিন্তু সময়ত তেওঁলোকক বন বিভাগ বা চৰকাৰে অন্য ঠাইত সংস্থাপন নিদি বনগাঁও হিচাপেহে ৰাখি থোৱাত জনসংখ্যা দিনকদিনে বাঢ়িব লাগিছে আৰু বন সংৰক্ষণৰ পৰম্পৰাগত ধাৰণাত তেওঁলোকৰ বসতি হৈ পৰিছে উদ্যানখনৰ বাবে ভাবুকি। বিভিন্ন তথ্যপাতিৰ পৰা জনা যায় যে খহনীয়া তথা লাইকা দধিয়াত জনসংখ্যা বৃদ্ধিৰ ফলত ডিব্ৰু-ছৈখোৱাৰ সীমা ক্ৰমাৎ সংকুচিত হৈ আহিছে। অভয়াৰণ্যখনৰ বৰ্তমানৰ মাটিকালি ২৫০ বৰ্গকিলোমিটাৰতকৈও কম। তদুপৰি উদ্যানখনৰ কৰ্তৃপক্ষইও এই জনবসতি উদ্যানখনৰ বাবে সংকটৰ কাৰণৰূপে জানিবলৈ দিছে।

ইণ্টাৰনেটত উপলব্ধ তিনিচুকীয়া ছেছন কৰ্টৰ এক ৰায় পঢ়িলেই লাইকা-দধিয়াৰ সমস্যাৰ কথা বুজিব পাৰি। ছেছন কৰ্টৰ 196(T) of 2013নং কেছটোত উল্লেখ থকা মতে ডিব্ৰু-ছৈখোৱা ৰাষ্ট্ৰীয় উদ্যানৰ গাৰ্ডে ১৩. ০৮.২০১৩ তাৰিখে অজিত দাং, যাদৱ দাং আৰু হৰেশ্বৰ দাং নামৰ তিনিজন ব্যক্তিয়ে উদ্যানৰ ভিতৰত কদমনলাত মাছ মৰাৰ প্ৰস্তুতি চলাই থাকোঁতেই গ্ৰেপ্তাৰ কৰে। বন সুৰক্ষা আইন ১৯৭২ মতে কোনো অকৰ্তৃত্বশীল ব্যক্তিয়েই উদ্যানৰ ভিতৰত কৰ্তৃত্বশীল ব্যক্তিৰ অনুমতি অবিহনে প্ৰৱেশ কৰিব নোৱাৰে। গ্ৰেপ্তাৰ কৰা লোকতিনিজনৰ পৰা গাৰ্ডে টুলুঙা নাও, বঠা, দা, ওজন দগা, কোৰ আদি উদ্ধাৰ কৰিছিল। দধিয়া চাৰিখুটিৰ এই লোককেইজনক ন্যায়ালয়ে পিছত মুকলি কৰি দিয়ে যিহেতু দধিয়ালৈ যাবলৈ বনাঞ্চলৰ ভিতৰেদিহে যোৱাৰ বাদে অন্য কোনো পথ নাই আৰু চৰকাৰেও কোনো বিকল্প পথ নিৰ্মাণ কৰি দিয়া নাই। অৰ্থাৎ দধিয়া লাইকা লোকে বনাঞ্চলৰ ভিতৰেদিহে তেওঁলোকৰ গাঁও বা ঘৰলৈ যাব লাগে। তদুপৰি জব্দকৃত কোনোটো সামগ্ৰীয়েই মাছ ধৰাৰ কামত ব্যৱহৃত নহয়।

লাইকা-দধিয়াৰ সমস্যা অনেক যিবোৰ সমস্যা অসমৰ অন্যবোৰ গাঁৱতকৈ বহু বেছি পৃথক নহয়। পশুপালন আৰু খাল, ডোং, নদীত মাছ ধৰি ডিব্ৰুগড়, তিনিচুকীয়া বা জোনাইলৈ প্ৰেৰণ কৰা তথা প্ৰায় ১০,০০০তকৈ অধিক গৰু, ম'হ পুহি দুগ্ধ উৎপাদন তথা সেই গাখীৰ চহৰ অঞ্চললৈ দৈনিক যোগান ধৰাই তেওঁলোকৰ মুখ্য জীৱিকা। মাছ বিক্ৰীৰ ক্ষেত্ৰত প্ৰায়ে ছিণ্ডিকেটৰ কথা শুনা যায় য'ত লাইকা-দধিয়াৰ লোকে শক্তিশালী ছিণ্ডিকেট চক্ৰক কম মূল্যত মাছ বিক্ৰী কৰিবলৈ বাধ্য। মুলতঃ গাখীৰ আৰু মাছৰ দুযোটা ব্যৱসায়তে মধ্যভোগী তথা ছিণ্ডিকেট চক্ৰৰহে মুনাফা বেছি। এনেবোৰৰ ওপৰিও খহনীয়া আৰু প্ৰত্যেক বছৰৰ বানে তেওঁলোকৰ জীৱন দুৰ্বিসহ কৰি তুলিছে। শিশুৰ বাবে প্ৰয়োজনীয় শিক্ষানুষ্ঠানৰ অভাৱৰ ফলত বহু শিশুৱে প্ৰাথমিক অৱস্থাতে শিক্ষা সাং কৰিবলৈ বাধ্য হয়। আমি উল্লেখ কৰা লাইকা দধিয়াৰ প্ৰত্যেকখন গাঁৱতে একোখনকৈ চৰকাৰী প্ৰাথমিক বিদ্যালয় আছে যিবোৰ স্থাপন হৈছিল গাঁওসমূহ স্থাপন হোৱাৰ লগে লগে। যেনে— লাইকা-পমুৱা চৰকাৰী প্ৰাথমিক বিদ্যালয়খন স্থাপন হৈছিল ১৯৫১ চনত। তদুপৰি বিদ্যালয়সমূহত ছাত্ৰ-ছাত্ৰীৰ সংখ্যা সন্তোষজনক যদিও শিক্ষকৰ সংখ্যা দুই বা তিনি। লাইকা-দধিয়াত এখনো এম. ই. বা হাইস্কুল নথকাৰ বাবে প্ৰাথমিক শিক্ষাৰ পিছত পিতৃ-মাতৃয়ে শিশুবোৰক ধেমাজি, জোনাই, ডিব্ৰুগড়, তিনিচুকীয়া, চাবুৱা, জাগুন ইত্যাদি ঠাইৰ সম্পৰ্কীয় মানুহৰ ঘৰলৈ পঠায় নাইবা যিসকলৰ সেই সুবিধা নাই গুইজান বা অন্য ঠাইত ঘৰ ভাড়া কৰি শিশুক পঢ়িবলৈ পঠায়। সেই ব্যৱস্থাই আজি ৬০-৭০ বছৰে চলি আহিছে। সেয়েহে লাইকা-দধিয়াত উচ্চশিক্ষিত যুৱক-যুৱতীৰ সংখ্যা নিচেই কম।

লাইকা-দধিয়াত স্বাস্থ্য, শিক্ষা, পৰিষ্কাৰ খোৱাপানী, বিদ্যুৎ আদিৰ বাবে থাকিবলগীয়া মৌলিক প্ৰয়োজনবোৰৰেই অভাৱ। একে সময়তে বনবিভাগেও এই সমূহ গঢ় লৈ উঠাত অৰ্থাৎ পকীঘৰৰ দৰে স্থায়ী গৃহ বা স্থায়ী গৃহ নিৰ্মাণত বাধা প্ৰদান কৰে বুলি গাঁওবাসীৰ মুখত অভিযোগ শুনা যায়। Ministry of Tribal Affairsৰ ৱেবচাইটত উল্লেখ থকামতে ভাৰতত মুঠ বনগাঁও ২৪৭৪খন আৰু অসমত ইয়াৰ সংখ্যা ৪৯৯ আৰু অসমৰ বনগাঁৱত থকা জনসংখ্যা প্ৰায় ২,৩০,০০০। একেটা চাইটতে বনগাঁৱৰ বিকাশ নামৰ এক আঁচনিৰ কথাও উল্লেখ কৰা হৈছে। এই আঁচনিৰ লক্ষ্য হ'ল মানৱ বিকাশ সূচাংক (Human Development Index) বৃদ্ধি কৰা আৰু বনগাঁৱত খাদ্য, পথ নিৰ্মাণ, স্বাস্থ্যসেৱা, প্ৰাইমাৰী শিক্ষা, সৰু জলসিঞ্চন, খোৱাপানী, অনাময় ব্যৱস্থা, কমিউনিটি হ'ল, জীৱীকাৰ বাবে প্ৰয়োজনীয় সাহায্য আদি অতি মৌলিক আৰু প্ৰাথমিক প্ৰয়োজনীয় সেৱাসমূহ বা তাৰ সুবিধা প্ৰদান কৰা। তদুপৰি এই মন্ত্ৰণালয়ে জনজাতীয় লোকৰ বিৰুদ্ধে চলা অবৈধ উচ্ছেদ প্ৰতিহত কৰা ইত্যাদি। কিন্তু দুখৰ বিষয়, ভাৰতৰ জনজাতি মন্ত্ৰণালয়ৰ এইসমূহ আঁচনিয়ে অদ্যাপি লাইকা-দধিয়াক স্পৰ্শ কৰিবগৈ পৰা নাই। খোৱাপানীৰ নামত কিছু দমকল ব্যক্তিগতভাৱে স্থানীয় লোকে বহুৱাইছে যদিও বহুলোকে নৈ পানীয়েই ব্যৱহাৰ কৰে। মুকলিত মলত্যাগ তথা নদীত গা ধোৱা এক সাধাৰণ দৃশ্য। শেহতীয়াকৈ স্বচ্ছ ভাৰত অভিযান আঁচনিৰ অধীনত লাইকা পমুৱাত কিছু পায়খানা নিৰ্মাণ কৰা হৈছে যিবোৰ এতিয়াও ব্যৱহাৰৰ উপযোগী হৈ উঠা নাই। লাইকাৰ এখন গাঁৱত অতি শেহতীয়াকৈ চৰকাৰৰ ফালৰ পৰা সৌৰশক্তিৰ যোগান

ধৰা হৈছে। নামত কৰবাত দুই-এটা স্বাস্থ্যকেন্দ্ৰ আছে যদিও ডাক্তৰ, নাৰ্ছ বা কোনোধৰণৰ স্বাস্থ্যজনিত সা-সুবিধা নাই। কেনো ছিৰিয়াছ ৰোগী অথবা সন্তানসম্ভৱা মহিলাৰ প্ৰসৱ বেদনা হঠাৎ আৰম্ভ হ'লে ভুটভুটী নাও ভাড়া কৰাৰ বাদে অন্য উপায় নাই। গুইজান ঘাটলৈ পৰিবহন সময় ২-৩ ঘণ্টা। তদুপৰি খৰালি সময়ত লাইকা বা দধিয়াৰ মুল ঘাট পাবলৈ ৰোগী অথবা মহিলাগৰাকীক সাঙি কৰি নিব লগা হয় ১-২ ঘণ্টা প্ৰাথমিক চিকিৎসাৰ বাবে গেলামালৰ দোকানত দৰৱ পোৱা যায়। এয়াই হৈছে চৰ-চাপৰিৰ জীৱন।

**পুনৰ সংস্থাপন, বন সংৰক্ষণ আৰু ৰাষ্ট্ৰীয় উদ্যান ঃ**

২০১৩ চনৰ এক তথ্যমতে ডিব্ৰু-ছৈখোৱা ৰাষ্ট্ৰীয় উদ্যানৰ চাৰিসীমাৰ প্ৰায় আধা অংশ ইতিমধ্যেই খহনীয়াত জাহ গৈছে। তাৰ লগে-লগে মানুহৰ বসতি বৃদ্ধিৰ বাবে উদ্যানখনৰ ক'ৰ এৰিয়াৰ এটা অংশ বেদখল হৈছে। ১৯৫০ চনত লাইকা আৰু দধিয়াত চৰকাৰে ক্ৰমে ৭৫টা আৰু ৯০টা পৰিয়ালক সংস্থাপন দিছিল যি এতিয়া বাঢ়ি আহি ২০০০তকৈও অধিক হ'লহি। তদুপৰি উদ্যান কৰ্তৃপক্ষৰ ফালৰপৰা কোৱা হয় যে বহু সময়ত স্থানীয় লোক গছ কটা অথবা কেতিয়াবা চোৰাং চিকাৰতো জড়িত হৈ থাকে। বন সুৰক্ষাৰ ফালৰপৰা লাইকা দধিয়াক উদ্যানখনৰ বাবে এক বিপদ বুলিয়েই ভবা হয়। কিন্তু আমি মনত ৰখা ভাল যে লাইকা-দধিয়াৰ বসতি এদিনীয়া নহয় ই ৭০ বছৰীয়া। আৰু যদি বিপদেই হ'ল হয় যোৱা সত্তৰ বছৰত উদ্যানখন নিশ্চয়কৈ শেষ হৈ গ'লহেতেন। কিন্তু ইয়াৰ সংকোচনৰ মুল কাৰণ খহনীয়াহে। তদুপৰি ২০০৬ চনৰ বন অধিকাৰ আইনৰ জৰিয়তে বনগাঁওবাসীৰো বনৰ ওপৰত বিভিন্নধৰণে অধিকাৰ আছে আৰু ভুমি অধিকাৰো আছে। উল্লেখ্য যে ১৯৮৬-৮৭ চনমানলৈ বনবিভাগে স্থানীয় লোকৰ পৰা ভূমিৰ বাবদ এক খাজানা লৈছিল যাক স্থানীয় ভাষাত গেলা খাজানা বোলা হয়। উদ্যান কৰ্তৃপক্ষই উদ্যানৰ বন, পশু ইত্যাদিৰ স্বাৰ্থত লাইকা দধিয়াৰ গাঁওবাসীক আঁতৰাই দিয়াতো বিচাৰে। একে সময়তে লাইকা-দধিয়াৰ লোকসকলেও শিক্ষা, স্বাস্থ্য, পৰিবহন তথা অনান্য অসুবিধা বিশেষকৈ প্ৰতিবছৰে হোৱা বান আৰু খহনীয়াৰ হেতু নিজেও সেই স্থান পৰিত্যাগ কৰিবলৈ বিচাৰে। আমাৰ হাতত থকা তথ্যমতে ২০০৬ চন মানৰ পৰাই লাইকা-দধিয়া মুক্তি সংগ্ৰাম সমিতি নামৰ সংগনঠনটোৰ বেনাৰত স্থানীয় ৰাইজে তেওঁলোকক অন্য ঠাইত উচিত ভূমি দি সংস্থাপনৰ বাবে দাবী জনাই আৰু প্ৰতিবাদ সময়ে সময়ে কৰি আহিছে। উল্লেখ্য যে উদ্যান কৰ্তৃপক্ষতকৈ তাৰ জনসাধাৰণে নিজে লাইকা-দধিয়া এৰিবলৈ বেছি উদগ্ৰীৱ কিন্তু উচিত ক্ষতিপূৰণৰ বিনিময়ত যি কাম কোনো এখন চৰকাৰেই কৰিবলৈ ৰাজি নহয়। অথচ একে সময়তে বন ধ্বংস, বেদখল ইত্যাদি বাদ অপবাদ জাপি থকা হৈছে। এনে এক দুৰ্ভাগ্যজনক পৰিস্থিতিতে দধিয়াৰ প্ৰায় ১২০০ পৰিয়ালে নিজাকৈ এইবাৰ বানত বিধ্বস্ত হৈ তৰাণি বনাঞ্চললৈ ঢাপলি মেলিছিল।

লাইকা-দধিয়াৰ লোকসকল সৰ্বক্ষণত এক শংকা, অনিশ্চয়তাৰ মাজত দিন অতিবাহিত কৰে। উচ্ছেদ, বিকল্প বাসস্থান, জীৱন আৰু জীৱিকাৰ এক অনিশ্চিত ভৱিষ্যৎ। তদুপৰি আছে শিক্ষা, স্বাস্থ্যৰ লগতে বান আৰু খহনীয়াৰ সমস্যা। বন অধিকাৰ আইনৰ অধীনত তেওঁলোকে লাভ কৰা নাই একো সা-সুবিধা বা জনজাতি মন্ত্ৰণালয়েও বনগাঁৱক দিব লগা সা-সুবিধাসমূহ প্ৰদান কৰা নাই। চৰকাৰৰ হেমাহি তথা থলুৱা কৃষকৰ প্ৰতি থকা উদাসীনতাই লাইকা-দধিয়াৰ সমস্যা জটিলৰ পৰা জটিলতৰ কৰি তুলিছে। এফালে বন সুৰক্ষাৰ অজুহাতত ঠাই দুখনত উন্নয়নমূলক কোনো কাম-কাজ কৰা হোৱা নাই আৰু স্থানান্তৰণ বা পুনৰ সংস্থাপনৰো কোনো ব্যৱস্থা নকৰাত সাধাৰণ ৰাইজে দুৰ্ভোগ ভুগিবলগা হৈছে। তদুপৰি লাইকা-দধিয়ালৈ যাবলৈ আজিকোপতি চৰকাৰে কোনোধৰণৰ চৰকাৰী পৰিবহনৰ ব্যৱস্থা কৰা নাই, যিসমূহ নাও চলি আছে সেয়া ব্যক্তিগতহে। একে সময়তে দৈনিক হাজাৰ হাজাৰ লিটাৰ গাখীৰ উৎপাদন কৰা লাইকা-দধিয়াৰ এই উদ্যোগক আগবঢ়োৱা নাই কোনো চৰকাৰী সাহায্য অথবা উদ্যোগটোক ত্বৰান্বিত কৰিবলৈ নাই কোনো চৰকাৰী প্ৰচেষ্টা।

লাইকা-দধিয়াৰ ঘটনাটোক সাধাৰণ ৰাইজে সংবাদ মাধ্যমৰ দ্বাৰা পৰিৱেশিত বাতৰি হিচাপেই দুদিনমান ভক্ষণ কৰি অন্য নতুন সংবাদত মনোনিৱেশ কৰিলে। কিন্তু এইদৰে বিভিন্ন ক্ষেত্ৰত মানুহৰ স্থানান্তৰণ বিষয়টো সেয়া লাগিলে উন্নয়নমূলক প্ৰকল্পৰ বাবেই হওক (কাৰখানা নিৰ্মাণ, ৰেলপথ বা ৰাষ্ট্ৰীয় ঘাইপথৰ প্ৰসাৰণ ইত্যাদি), শিক্ষানুষ্ঠান নিৰ্মাণৰ বাবেই হওক অথবা খহনীয়াত ভূমি জাহ যোৱাৰ বাবেই হওক — মানুহৰ পুনৰ সংস্থাপন, ক্ষতিপূৰণ ইত্যাদি বিষয়ত অসমে দীঘলীয়া বিতৰ্ক বাতৰি কাকতৰ পৃষ্ঠা বা শৈক্ষিক পৰিমণ্ডলত কতোৱেই কৰিবলৈ ইচ্ছুক নহয়। এনেবোৰ বিতৰ্কৰ সৰু-সৰু প্ৰতিবাদসমূহ য'ত কেৱল ভুক্তভূগীহে জড়িত থাকে অথবা কোনো ক্ষেত্ৰত স্থানীয় এক্টিভিষ্ট জড়িত থাকে, সেয়া সৰু খবৰ হিচাপেই কাকতৰ ভিতৰৰ পৃষ্ঠাত প্ৰকাশ পায় আৰু মানুহেও পাহৰি পেলায়। অখিল গগৈৰ দৰে নেতাই যদিহে এনে বিষয়ত মাত মাতে তেন্তে সি কভাৰেজ ভালকৈ পালেও বহু মানুহৰ বাবে ভুক্তভোগী মানুহখিনি কোন ধৰ্মালম্বীৰ সি প্ৰাথমিক কথা। ভূমিহীন কৃষকেহে জানে খহনীয়া অথবা উচ্ছেদত ভূমিহীন হোৱাৰ বেদনা। অসমীয়া জাতীয়তাবাদৰ শেহতীয়া কৰ্মকাণ্ডই দেখুৱাইছে ই হঠাৎ সাৰ পাই উঠে কোনো বহিৰাগত ব্যক্তিৰ দমনতহে— থলুৱা জনগোষ্ঠীৰ, জনজাতিৰ ভূমি হেৰুওৱাৰ বেদনাত নহয়। কাজিৰঙাকে আৰম্ভ কৰি আৰম্ভ হোৱা বিভিন্ন ঠাইত মুছলিমৰ লগতে জনজাতীয় লোকসকলৰ উচ্ছেদ তথা বছৰ বছৰ ধৰি হৈ থকা খহনীয়াই থলুৱা লোকৰ ভূমি শেষ কৰি অনা দুৰ্ভাগ্যই জাতীয়তাবাদী সংগঠনসমূহক অদ্যাপি স্পৰ্শ কৰিব নোৱাৰাটো এক জাতীয় বেদনা হৈয়েই হয়তো থাকি যাব।

(কৃতজ্ঞতা ঃ মিণ্টু ৰেগন, সুবৰ্ণ পেগু, কৃষ্ণ পেগু, নকুল পেগু আৰু উৎপল শইকীয়া)

### গ্ৰাম্য বিকাশ মঞ্চ

# বাৰ্ষিক কাৰ্য্যবিৱৰণী আৰু হিচাপৰ প্ৰতিবেদন

## ২০১৭-১৮ বিত্তীয় বৰ্ষ

**দিনাংক : ইং ২৭ মে', ২০১৮**

**স্থান : গ্ৰাম্য বিকাশ মঞ্চৰ বৰবৰীস্থ কাৰ্যালয় চৌহদ, বৰবৰী, নলবাৰী**

**গ্ৰাম্য বিকাশ মঞ্চ**

**সম্পাদকীয় প্ৰতিবেদন : ২০১৭-১৮**

তাৰিখ : ইং ২৭ মে', ২০১৮ ■ **স্থান :** গ্ৰাম্য বিকাশ মঞ্চৰ কাৰ্যালয় চৌহদ, বৰবৰী, নলবাৰী

প্ৰতিবেদনৰ আৰম্ভণিতে গ্ৰাম্য বিকাশ মঞ্চৰ সমূহ সদস্য/সদস্যা তথা শুভকাংক্ষীসকললৈ মোৰ হিয়া ভৰা শ্ৰদ্ধা নিবেদিছো। লগতে যিসকল স্বনামধন্য ব্যক্তিয়ে সমাজৰ হৈ কাম কৰি আমাৰ মাজৰ পৰা চিৰদিনলৈ হেৰাই গ'ল সেই মহান ব্যক্তিসকললৈ মোৰ শ্ৰদ্ধা প্ৰণাম যাচিছো।

প্ৰতিখন গাঁওতে এখন শান্তিপূৰ্ণ, সমৃদ্ধিশালী, সমতাপূৰ্ণ আৰু শোষণমুক্ত সমাজ গঢ়াৰ লক্ষ্যৰে ১৯৯৯ ইং চনৰ ৭ ডিচেম্বৰত কেইজনমান সমাজ দায়বদ্ধ ব্যক্তিৰ প্ৰচেষ্টাত জন্ম হোৱা গ্ৰাম্য বিকাশ মঞ্চই অষ্টাদশ বৰ্ষ সফলতাৰে পূৰ্ণ কৰিলে। গ্ৰাম্য বিকাশ মঞ্চই সমাজৰ বঞ্চিতসকল বিশেষকৈ শিশু, মহিলাসকলক আৰ্থ-সামাজিক সৱলীকৰণ তথা সমাজ পৰিৱৰ্তনৰ দায়িত্ব ল'ব পৰাকৈ তথা মৰ্যাদাসহ জীয়াই থকাৰ উদ্দেশ্যৰে সেৱা আগবঢ়াই আহিছে। সম্প্ৰতি গ্ৰাম্য বিকাশ মঞ্চই নলবাৰী, কামৰূপ (গ্ৰাম্য), বাক্সাৰ লগতে কেবাখনো জিলাৰ বিভিন্ন প্ৰান্তত সেৱা আগবঢ়াই আহিছে। নলবাৰী জিলাৰ লগতে আন জিলাসমূহৰ প্ৰায় শতাধিক স্বেচ্ছাসেৱক/স্বেচ্ছাসেৱিকাই ত্যাগৰ মনোভাবেৰে বিভিন্ন উন্নয়নমূলক, সামাজিক সৱলীকৰণ তথা দুৰ্গতসকলক মানৱীয় সাহায্য প্ৰদানত বৰঙণি যোগাই আহিছে।

গ্ৰাম্য বিকাশ মঞ্চই ২০১৭ ইং চনৰ পৰা ২০২২ চনলৈ এক নিৰ্দিষ্ট লক্ষ্য আগত ৰাখি অসমৰ বিভিন্ন প্ৰান্তত সেৱা আগবঢ়াই আহিছে। উক্ত লক্ষ্যসমূহ হ'ল—

**প্ৰথম লক্ষ্য :** ১৫,০০০ (পোন্ধৰ হাজাৰ) পৰিয়ালৰ বৰ্তমান পৰ্যায়তকৈ ৫০ শতাংশ অধিক আৰ্থিক বিকাশ ত্বৰান্বিত কৰা।

**দ্বিতীয় লক্ষ্য :** ২০,০০০ (বিশ হাজাৰ) দুৰ্দশাগ্ৰস্ত পৰিয়ালৰ সুৰক্ষিত আৰু নিৰাময় অৱস্থিতি সুনিশ্চিত কৰা।

**তৃতীয় লক্ষ্য :** থলুৱা সংস্কৃতিৰ বিকাশ, সামাজিক সংস্কৃতিত বৈজ্ঞানিক মানসিকতাৰ উৎকৰ্ষ সাধন।

**চতুৰ্থ লক্ষ্য :** ১৫,০০০ (পোন্ধৰ হাজাৰ) শিশুৰ আনন্দময় জীৱন আৰু বিকাশ সুনিশ্চিত কৰা।

উক্ত লক্ষ্যসমূহ আগত ৰাখি গ্ৰাম্য বিকাশ মঞ্চই যোৱা ২০১৭-২০১৮ বৰ্ষত ৰূপায়ণ কৰা কেইটিমান উল্লেখনীয় কাৰ্যসূচী তথা প্ৰকল্পৰ এক চমু অৱলোকন এই প্ৰতিবেদনৰ মাধ্যমেৰে আপোনালোকৰ মাজত দাঙি ধৰাৰ প্ৰয়াস কৰা হ'ল।

**সৰ্বাংগীন গাঁও উন্নয়ন পদক্ষেপৰ HDFC-CSR :** গ্ৰাম্য বিকাশ মঞ্চৰ দ্বাৰা ৰূপায়ন হৈ থকা 'সৰ্বাংগীন গাঁও উন্নয়ন প্ৰকল্প'ই নলবাৰী জিলাৰ সাতখন গাঁও ক্ৰমে— বৰমুৰিকোণা (পুব-নলবাৰী), দতৰা, বৰাজোল, ৩নং বালিতাৰা (বড়িগোগ বনভাগ), ৰাইটকুছি, কৰিয়া (বৰভাগ) আৰু খেলুৱা (পশ্চিম নলবাৰী) গাঁৱৰ নিৰ্দিষ্ট সংখ্যক বাসিন্দাৰ স্বাস্থ্য, শিক্ষা, জীৱিকা আৰু পুনৰ ব্যৱহাৰযোগ্য সম্পদসমূহৰ জৰিয়তে ভৱিষ্যত এক সুদূৰ প্ৰসাৰী পৰিৱৰ্তনৰ আশা কৰা হৈছে।

যোৱা ১ জুন ২০১৭ ইংৰাজীৰ তাৰিখৰ পৰা HDFC-CSRৰ অৰ্থ সাহায্যত ৰূপায়িত হৈ থকা প্ৰকল্পটোৰ জৰিয়তে নিম্ন উল্লেখযোগ্য কামসমূহ সফলভাৱে সম্পাদিত কৰাৰ প্ৰয়াস কৰি থকা হৈছে।

- উল্লিখিত গাঁওকেইখনত প্ৰকল্পৰ জৰিয়তে বিশটা আত্মসহায়ক গোটক (মহিলা-পুৰুষ) জীৱিকাৰ বহুমুখীকৰণৰ জৰিয়তে স্বাৱলম্বী কৰাৰ ক্ষেত্ৰত দল/ব্যক্তিগতভাৱে ঘূৰ্ণীয়মান পদ্ধতিৰ জৰিয়তে ৫০,০০০ (পঞ্চাশ হাজাৰ) টকাকৈ মুঠ ১০,০০,০০০ (দহ লাখ) টকা এককালীন আৰ্থিক সাহায্য বেংক একাউণ্টযোগে প্ৰদান কৰা হৈছে।
- শ্ৰী পদ্ধতিৰ জৰিয়তে থলুৱা ধান (বড়ো)ৰ বৈজ্ঞানিক তথা আধুনিক পদ্ধতিৰ জৰিয়তে প্ৰায় এশ বিঘা মাটিত প্ৰদৰ্শনীমূলকভাৱে খেতি কৰা হৈছে। উক্ত কৃষি কৰ্মত সহায় হোৱাকৈ প্ৰায় এশজন কৃষকক বেংক একাউণ্টৰ জৰিয়তে ১,৫০০.০০ (এক হাজাৰ পাঁচশ) টকা সহায় আগবঢ়োৱা হৈছে।
- কৃষিৰ ব্যৱহাৰিক তথা ধাৰণাগত জ্ঞান আহৰণৰ বাবে গ্ৰাম্য বিকাশ

মঞ্চই দতৰা গাঁওত এক ব্যতিক্ৰমী আৰু উল্লেখনীয় পদক্ষেপ হিচাপে 'Farmer's School' স্থাপনৰ দিশে অগ্ৰসৰ হৈছে। আশা কৰা হৈছে Farmer's Schoolৰ জৰিয়তে অভিভক্ত কামৰূপ জিলাৰ ক্ষুদ্ৰ আৰু উপান্ত কৃষক বহুলাংশে লাভান্বিত হোৱাৰ লগতে কৃষিৰ জৰিয়তে নৱ প্ৰজন্মৰ মাজত জীৱিকাৰ পথ উন্মোচিত কৰিব।

- বয়নশিল্প কেন্দ্ৰ আৰু কানিকাথা কেন্দ্ৰৰ জৰিয়তে পৰম্পৰাগতভাৱে উক্ত কাৰ্যত শিপিনীসকলৰ জীৱিকা সুনিশ্চিতকৰণ তথা বাণিজ্যিকিকৰণৰ জৰিয়তে বৰাজোল আৰু বৰমূৰিকোণা (সূতাৰকুছি)ত চাৰিটা বয়নশিল্প তথা প্ৰশিক্ষণ কেন্দ্ৰ স্থাপন কৰি থকা হৈছে। উক্ত কাৰ্যত গতিশীলতা অনাৰ বাবে নলবাৰী সমষ্টিৰ বিধায়ক মাননীয় অশোক শৰ্মাদেৱে বিধায়ক উন্নয়ন পুঁজিৰ জৰিয়তে সূতাৰকুছিত প্ৰায় আঠলাখ টকা মূল্যৰ 'মাইনা তাঁত শাল' যোগান ধৰিছে।
- দুগ্ধ উৎপাদন বৃদ্ধিৰ ক্ষেত্ৰত ৰাইটকুছি গাঁৱক কেন্দ্ৰ কৰি নিকতৱৰ্তী কৰিয়া, নখেতি, আৰঙ্গমৌ আৰু দোকোহা গাঁৱৰ পৰম্পৰাগতভাৱে গো-পালনৰ ক্ষেত্ৰত জড়িত একাংশ কৃষকক একত্ৰিত কৰি 'Livestock Promotion Trust' গঠন কৰা হৈছে। উক্ত TRUSTৰ জৰিয়তে গো-ধনৰ খাদ্য তথা আনুসংগিক কামসমূহৰ বাবে ঘূৰ্ণিয়মান পদ্ধতিৰ জৰিয়তে ৩,৩০,০০০ (তিনি লাখ ত্ৰিশ হাজাৰ) টকাৰ এককালীন সাহায্য প্ৰদান কৰা হৈছে।
- বৰমূৰিকোণা গাঁৱৰ নিকতৱৰ্তী খাতা ধমধমাত স্থাপন হৈ থকা কৃষিৰ উৎপাদিত খাদ্যশস্যৰ বাণিজ্যিকিকৰণৰ বাবে এক আধুনিক কৌশলগত উদ্যোগটোৱে সমূহ কৃষক ৰাইজৰ কৃষিৰ সামগ্ৰী উচিত মূল্য লাভ কৰা এক পদক্ষেপ।

## শ্ৰী পদ্ধতিত ধান খেতি বিষয়ক কাৰ্যসূচী ঃ

গ্ৰাম্য বিকাশ মঞ্চই টাটা ট্ৰাষ্টৰ অৰ্থ সাহায্যত ২০১৫ ইং চনৰ ১ নৱেম্বৰৰ পৰা নলবাৰী, বাক্সা আৰু কামৰূপ (গ্ৰাম্য) জিলাৰ প্ৰায় ৬,০০০ খেতিয়কক সামৰি শ্ৰী পদ্ধতিৰ ধান খেতিৰ এক বিশেষ কাৰ্যসূচী হাতত লৈছে। এই কাৰ্যসূচীৰ জৰিয়তে দুখীয়া কৃষকসকলৰ আৰ্থিক উন্নয়নৰ লক্ষ্যৰে কম মাটিত অধিক উৎপাদন তথা বিজ্ঞানসন্মত পদ্ধতিৰ প্ৰয়োগ নিশ্চিত কৰাৰ লগতে সমন্বিত কীট-পতংগ নিয়ন্ত্ৰণ ব্যৱস্থা, জৈৱিক ঔষধ প্ৰস্তুত, কেঁচুসাৰ উৎপাদন ইত্যাদি বিষয়ৰ ওপৰত ৰূপায়ণ কৰা হয়।

২০১৭-১৮ ইং চনলৈ 'শ্ৰী' পদ্ধতিৰে উন্নীতকৰণ প্ৰকল্পত সৰ্বমুঠ ৪৫২০জন খেতিয়কে সৰ্বমুঠ ১০৫২ একৰ মাটিত শ্ৰী পদ্ধতিৰে ধান খেতি কৰিবলৈ সক্ষম হৈছে। 'শ্ৰী' প্ৰকল্পত ধান খেতিৰ উৎপাদন আৰু কৃষকৰ আয় উন্নত হোৱাৰ উপৰিও অন্য কিছুমান আনুসাংগিক কাৰ্যৰ প্ৰয়োগ দেখিবলৈ পোৱা গৈছে। বৰ্তমানৰ বজাৰত কৃষি সামগ্ৰীৰ মূল্য আৰু মানুহ তথা অন্য জীৱ-জন্তুৰ স্বাস্থ্য সুৰক্ষাৰ ওপৰত লক্ষ্য কৰি, জৈৱিক পদ্ধতিৰে তথা জৈৱিক সাৰ আৰু ঔষধৰ প্ৰয়োগেৰে সুস্বাস্থ্যৱান খাদ্য প্ৰস্তুত কৰাও উক্ত প্ৰকল্পৰ উদ্দেশ্য। ইয়াৰ বাবে ইতিমধ্যে কেঁচুসাৰ টেংক ১,৪৫০জন আৰু ৫০০খন উইডাৰৰ লগতে অন্যান্য কৃষি সঁজুলি কৃষকৰ মাজত বিতৰণ কৰা হৈছে।

## দ্যা হান্স ফাউণ্ডেছন এণ্ড নেচনেল ফাউণ্ডেছন ফৰ ইণ্ডিয়াঃ

ইয়াৰ জৰিয়তে নলবাৰী আৰু বাক্সা জিলাৰ ১৬খন গাঁওক সামৰি অনুসূচীত জাতি-জনজাতি আৰু অন্যান্য পিছপৰা শ্ৰেণীৰ মুঠ ২,৩০০জন ক্ষুদ্ৰ কৃষকক সামৰি উক্ত প্ৰকল্পটো ৰূপায়ণ কৰি থকা হৈছে। কৃষি আৰু ইয়াৰ আনুসংগিক বিষয়সমূহৰ উন্নয়নৰ জৰিয়তে তেওঁলোকৰ বছৰেকীয়া আয় ২০ হাজাৰ টকালৈ বৃদ্ধি কৰা, ১২০টা আত্মসহায়ক গোট আৰু উৎপাদনকাৰী গোট গঠন কৰি শক্তিশালী ৰূপ দিয়া তথা অহা ৪ বছৰৰ ভিতৰত ২,৩০০ পৰিয়ালৰ স্থায়ী খাদ্য সুৰক্ষাৰ হেতু স্থায়ী জীৱিকাৰ পথ সুনিশ্চিত কৰাই এই প্ৰকল্পৰ মূল লক্ষ্য। সম্প্ৰতি এই প্ৰকল্পৰ জৰিয়তে ১৬খন গাঁওত 'শ্ৰী' পদ্ধতিত ধান খেতি কেঁচুসাৰ প্ৰকল্প প্ৰস্তুত কৰা হৈছে। আনহাতে ২৩৫ পৰিয়ালক জলসিঞ্চনৰ বাবে পাম্প বিতৰণ কৰাৰ লগতে প্ৰায় ২৩৫টা পৰিয়ালক ২টাকৈ গাহৰিৰ পোৱালি বিতৰণ কৰা হৈছে। অনাগত দিনত উক্ত গাঁওসমূহত উদ্যান শস্যৰ জৰিয়তে কৃষকসকলৰ আৰ্থিক উন্নয়নৰ বিশেষ পদক্ষেপ গ্ৰহণৰ পৰিকল্পনা কৰা হৈছে। উল্লেখ্য যে চলিত বৰ্ষৰ বাবে অনুমোদিত বাজেটত প্ৰায় ১৭০টা পৰিয়ালক নতুনকৈ ২ টাকৈ গাহৰিৰ পোৱালি, প্ৰায় ৩০টা পৰিয়ালক ছাগলী পোৱালি প্ৰদান, ৮০টা পৰিয়ালক জলসিঞ্চনৰ ব্যৱস্থা, ১৫০টা পৰিয়ালক প্ৰয়োজন সাপেক্ষে জীৱিকাৰ সু-ব্যৱস্থাৰ বাবে পৰিকল্পনা কৰা হৈছে।

## বিভাজিত জলসিঞ্চন ব্যৱস্থাৰ উন্নীতকৰণ প্ৰকল্প ঃ

টাটা ট্ৰাষ্ট, মুম্বাইৰ অৰ্থ সাহায্যত নলবাৰী, কামৰূপ (গ্ৰাম্য) আৰু বাক্সা জিলাক সামৰি ২০১২ ইং চনৰ এপ্ৰিল মাহৰ পৰা ২০১৫ চনৰ মে' মাহলৈ ৰূপায়ণ কৰা উক্ত প্ৰকল্পটো সফলভাৱে ৰূপায়ণ কৰাৰ অন্তত ২০১৫ ইং চনৰ ডিচেম্বৰৰ পৰা পুনৰ প্ৰকল্পটো উক্ত তিনিওখন জিলাক সামৰি ৰূপায়ণৰ ব্যৱস্থা গ্ৰহণ কৰা হৈছে। কৃষিখণ্ডৰ উন্নয়ন তথা কৃষকৰ আৰ্থ-সামাজিক বিকাশৰ ক্ষেত্ৰত এই প্ৰকল্পৰ অধীনত প্ৰাকৃতিক জান, জলাশয়সমূহ মুকলিকৰণ, কৃষিবান্ধ তথা কৃষকসকলক বিভিন্ন প্ৰশিক্ষণৰ জৰিয়তে কৃষিখণ্ডক অধিক উৎপাদনক্ষম কৰি তোলা তথা সক্ষমতা বৃদ্ধি বিষয়ক কাৰ্যসূচী ৰূপায়ণ কৰাৰ লগতে কেইবাটাও উৎপাদনকাৰী গোট গঠন কৰা হৈছে। ইতিমধ্যে উক্ত প্ৰকল্পৰ জৰিয়তে কৃষিৰ প্ৰচুৰ সম্ভাৱনিয়তা থকা জিলা তিনিখনৰ কেবাটাও কৃষিপ্ৰধান অঞ্চলত ৩৭টা আন্তঃগাঁথনিৰ কাম যেনে— প্ৰাকৃতিক জান, নলা, পকীবান্ধ, পকী নলা, নাওদাৰা ইত্যাদি কাম সম্পূৰ্ণ কৰা হৈছে। লগতে প্ৰতিটো আন্তঃগাঁথনিৰ লগত জড়িত প্ৰায় ২০০জনকৈ কৃষকক সামৰি ১২টা উৎপাদনকাৰী গোট গঠন কৰা হৈছে। এই প্ৰকল্পৰ জৰিয়তে সৰ্বমুঠ ১২,০০০ পৰিয়ালৰ প্ৰায় ৪৫,০০০ হেক্টৰ কৃষিভূমি কৃষি কাৰ্যক্ষম কৰি তোলা হৈছে।

## চিলাই স্কুল কাৰ্যসূচী ঃ

উষা ইণ্টাৰনেচনেলৰ পৃষ্ঠপোষকতাত গ্ৰাম্য বিকাশ মঞ্চই অসমৰ ৮খন জিলাক সামৰি ১০০খন চিলাই স্কুল স্থাপন কৰি গ্ৰামাঞ্চলৰ দুখীয়া মহিলাসকলক চিলাই প্ৰশিক্ষণৰ জৰিয়তে সংস্থাপনৰ দিহা কৰিছে। এই কাৰ্যসূচীৰ জৰিয়তে ১০০গৰাকী মহিলাক USHA Internationalৰ জৰিয়তে প্ৰতিগৰাকীকে একোটকৈ চিলাই মেচিন প্ৰদান কৰাৰ লগতে প্ৰতিখন জিলাতে ৭ দিনীয়াকৈ একোটা প্ৰশিক্ষণৰ

ব্যৱস্থা কৰা হৈছে। সম্প্ৰতি উক্ত প্ৰকল্পৰ জৰিয়তে নাগালেণ্ড আৰু মেঘালয়ত ৩০খন স্কুল স্থাপন কৰা হৈছে।

**অসমত চৰকাৰী বিদ্যালয়ত আই.টি.ই.-ৰ প্ৰসাৰ (শিক্ষাৰ ক্ষেত্ৰত এক ব্যতিক্ৰমী যাত্ৰা) :** শিক্ষাৰ ক্ষেত্ৰত প্ৰযুক্তি ব্যৱহাৰৰ এক সংহত পদ্ধতি বা আই.টি.ই. যিয়ে কিশোৰ-কিশোৰীসকলক বিদ্যালয়ত গ্ৰহণ কৰা শিক্ষাৰ পাৰস্পৰিক ক্ৰিয়া-প্ৰতিক্ৰিয়া অন্বেষণৰ যথাৰ্থতা প্ৰমাণ কৰাত সুযোগ প্ৰদান কৰে। এনে চিন্তা আগত ৰাখি উক্ত প্ৰকল্পৰ জৰিয়তে শিক্ষাৰ ক্ষেত্ৰত প্ৰযুক্তি ব্যৱহাৰৰ সংহত পদ্ধতিৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীৰ মানসিক তথা বৌদ্ধিক বিকাশৰ ওপৰত গুৰুত্ব প্ৰদান কৰা হৈছে। এই প্ৰকল্পৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীৰ শিক্ষা গ্ৰহণৰ অনুৰাগ সৃষ্টি, উপস্থিত বা হাজিৰা তথা ছাত্ৰ-ছাত্ৰীক জ্ঞানাৰ্জনৰ প্ৰক্ৰিয়াত ধৰি ৰাখিব পৰা পৰিৱেশ সৃষ্টি, শিক্ষা গ্ৰহণৰ সাফল্য আৰু শিক্ষা গ্ৰহণৰ পদ্ধতি আৰু শিক্ষন শৈলীৰ উৎকৰ্ষ সাধনৰ প্ৰক্ৰিয়া হাতত লোৱা হৈছে। গ্ৰাম্য বিকাশ মঞ্চই অসমৰ তিনিখন জিলা ক্ৰমে— নলবাৰী, বাক্সা আৰু কামৰূপ (গ্ৰাম্য) জিলাত এই প্ৰকল্পটোৰ জৰিয়তে মুঠ পঞ্চাশ (৫০)খন চৰকাৰী বিদ্যালয়, ২৩খন চৰকাৰী মধ্য ইংৰাজী বিদ্যালয়, আৰ.এম.এছ.ৰ দ্বাৰা পৰিচালিত ১৫খন আদৰ্শ বিদ্যালয়, ৩ খন আৰ.এছ.টি.চি., তিনিটা বিশেষ আৱাসিক প্ৰশিক্ষণ কেন্দ্ৰ আৰু দুখন কস্তুৰবা গান্ধী বালিকা বিদ্যালয়ত টাটা ট্ৰাষ্টৰ সহযোগত বিভিন্ন শিক্ষা সম্বন্ধীয় উন্নয়নমূলক কাৰ্যসূচী ৰূপায়ণ কৰি থকা হৈছে। উক্ত প্ৰকল্পৰ জৰিয়তে সৰ্বমুঠ ৮৯০জন চৰকাৰী বিষয় শিক্ষকক আই.টি.ই.ৰ ওপৰত প্ৰশিক্ষণ প্ৰদান কৰা হৈছে।

সম্প্ৰতি এই প্ৰকল্পৰ জৰিয়তে প্ৰায় ১১,৪৯৩জন ছাত্ৰ-ছাত্ৰীয়ে উক্ত কাৰ্যসূচীত প্ৰত্যক্ষভাৱে জড়িত হৈ পৰিছে। আনহাতে ২৬৩টা কম্পিউটাৰ কাৰ্যক্ষম কৰাৰ লগতে ৬৭টা লেপটপ বিদ্যালয়সমূহত যোগান ধৰা হৈছে। তদুপৰি ৬৭খন বিদ্যালয়ত ইণ্টাৰনেট সেৱাৰ লগতে ৫০খন বিদ্যালয়ত ৫০টা স্মাৰ্ট ফোনো যোগান ধৰা হৈছে। নিৰাপত্তাৰ প্ৰতি লক্ষ্য ৰাখি ৩৪ বিদ্যালয়ৰ কম্পিউটাৰ লেবৰেটৰীসমূহত Security System যোগান ধৰা হৈছে। সক্ষম ছাত্ৰনেতা গঢ়াৰ উদ্দেশ্যেৰে গ্ৰাম্য বিকাশ মঞ্চই প্ৰতি বছৰে আই.টি.ই. প্ৰকল্পৰ অধীনত গ্ৰীষ্মকালীন তথা শীতকালীন শিবিৰ অনুষ্ঠিত কৰি আহিছে। এতিয়ালৈ প্ৰায় ৪১০গৰাকী ছাত্ৰ-ছাত্ৰীয়ে এই শিবিৰত অংশগ্ৰহণ কৰিছে। আই.টি.ই.ৰ জৰিয়তে শিক্ষাৰ ক্ষেত্ৰত অধিক মনোগ্ৰাহী তথা বিদ্যালয়ৰ উপস্থিতিৰ হাৰ বৃদ্ধি হোৱা দেখা গৈছে। এই প্ৰকল্পৰ জৰিয়তে মাধ্যমিক শিক্ষা অভিযান অসমৰ সহযোগত ইতিমধ্যে গ্ৰাম্য বিকাশ মঞ্চই কেবাটাও উল্লেখনীয় পদক্ষেপ গ্ৰহণ কৰিছে।

**শিশু সবলীকৰণ :**

যোৱা বৰ্ষত ছাইল্ড ৰাইট্‌ছ এণ্ড ইউ (ক্ৰাই)ৰ সহযোগত কামৰূপ (গ্ৰাম্য) জিলাৰ দুটা শিক্ষাখণ্ডৰ মুঠ তেৰ (১৩)খন গাঁওত শিশুৰ অধিকাৰ সুনিশ্চিত কৰিবলৈ বিভিন্ন কাৰ্যসূচী ৰূপায়ণ কৰি অহা হৈছে। প্ৰকল্প অঞ্চলত এই কাৰ্যসূচীৰ অংশ হিচাপে বিদ্যালয় পৰিচালনা সমিতিসমূহ সক্ৰিয় কৰা, শিশু মঞ্চৰ জৰিয়তে শিশুসকলক একগোট কৰা, ৰাইজক সজাগতাৰ মাজেৰে বিদ্যালয় পৰিচালনা সমিতি আৰু অংগনবাড়ী পৰিচালনা সমিতিৰ কৰ্তব্য আৰু দায়িত্বসমূহ বুজাই দিয়া, শিক্ষক-শিক্ষয়িত্ৰীক প্ৰশিক্ষণ দিয়া, বিদ্যালয় আধাতে এৰা শিশুক পুণৰ বিদ্যালয়লৈ ঘূৰাই অনা, অতিকৈ অনিয়মীয়া শিশুক বিদ্যালয়মুখী কৰা তথা সকলো ছাত্ৰ-ছাত্ৰীয়ে যাতে গুণগত শিক্ষা লাভ কৰিব পাৰে, তাৰ বাবে বিভিন্ন কাৰ্যসূচী হাতত লোৱা হৈছে। তদুপৰি প্ৰকল্প অঞ্চলৰ প্ৰতিটো পৰিয়ালৰ তথ্য সংগ্ৰহ কৰি সময়ে সময়ে খতিয়ান লোৱাও এই প্ৰকল্পৰ এটি প্ৰধান কাৰ্য। মূলতঃ শিক্ষা বিষয়েও অধিক গুৰুত্ব প্ৰদান কৰা এই প্ৰকল্পৰ জৰিয়তে ইতিমধ্যে বিভিন্ন চৰকাৰী অংশীদাৰ যেনে জিলা প্ৰশাসন, সংহত শিশু উন্নয়ন প্ৰকল্প, সৰ্বশিক্ষা অভিযান আদিৰ লগত সংযোগ স্থাপন হৈছে।

২০১১ ইং চনৰ পৰা গ্ৰাম্য বিকাশ মঞ্চই শিশু অধিকাৰ মূলক প্ৰকল্পটিৰ কাম কৰি আছে। প্ৰথম পৰ্যায়ত এই প্ৰকল্পটো নলবাৰী জিলাৰ মুঠ ১৮খন গাঁৱৰ মাজত আছিল। এই ১৮খন গাঁৱত শিশু অধিকাৰৰ গোটেইকেইটা বিষয়ত কাম কৰা হৈছে।

২০১৫ ইং চনত প্ৰকল্পটোৱে নলবাৰী আৰু কামৰূপ গ্ৰাম্য দুয়োখন জিলাকে সামৰি লয়। নলবাৰী জিলাত ১৮খন গাঁওত আৰু কামৰূপ (গ্ৰাম্য) জিলাত ১৩খন গাঁওত মুঠ ৩১খন গাঁৱৰ ৬,৬০৯টা পৰিয়ালৰ মুঠ ৮,৩৬৯টি শিশুৰ লগত কাম কৰি থকা হৈছে।

নলবাৰী জিলাৰ বৰভাগ উন্নয়নখণ্ড আৰু পূব-নলবাৰী উন্নয়নখণ্ডৰ ১৮খন গাঁওত স্বাস্থ্য সম্পৰ্কে কাম কৰি থকা হৈছে। এই স্বাস্থ্যবিষয়ত বিশেষকৈ শিশু আৰু মহিলাসকলৰ সু-স্বাস্থ্যৰ ওপৰত বিশেষভাৱে গুৰুত্ব আৰোপ কৰা হৈছে। এই বিষয়টোৰ লগত সংগতি ৰাখি শিশুৰ টিকাকৰণ, গৰ্ভৱতী মহিলা স্বাস্থ্য পৰীক্ষা, পুষ্টিকৰ খাদ্য (ঘৰুৱাভাৱে উপলব্ধ), ইনষ্টিটিওচনেলত (হাস্পাতালত) ডেলিভাৰীৰ হাৰ বৃদ্ধি কৰা, কিশোৰীসকলৰ হিম'গ্লবিন পৰীক্ষা, বিভিন্ন পৰ্যায়ত স্থানীয় স্বাস্থ্যকৰ্মীসকলক প্ৰশিক্ষণ দিয়া, ঠায়ে ঠায়ে পৰিপুষ্টি বাগিছা পতা, লগতে মহিলাগোট, শিশু মঞ্চৰ লগত বিভিন্ন প্ৰতিযোগিতা, স্বাস্থ্য বিষয়ত প্ৰশিক্ষণ এই গোটেইখিনি কাৰ্যৰ মাধ্যমেৰে বৰ্তমান পৰ্যায়লৈ গাঁওসমূহত কাম কৰি থকা হৈছে। এই প্ৰকল্পটোৰ জৰিয়তে আমি গাঁওসমূহত যিখিনি কাম কৰিলো তাৰ ফলস্বৰূপে গাঁওসমূহত শিশুৰ মৃত্যুৰ হাৰ, পুষ্টিহীনতাত ভোগা ল'ৰা-ছোৱালীৰ সংখ্যা, ঘৰতে প্ৰসৱ কৰা মাতৃৰ সংখ্যা, চৰকাৰী আঁচনিসমূহৰ সুবিধাৰ পৰা বঞ্চিত জনসাধৰণৰ সংখ্যা হ্ৰাস কৰাৰ ওপৰত এই প্ৰকল্পটিৰ যোগেদি কামসমূহ কৰা হৈছে। যোৱা বছৰত এই কামসমূহৰ জৰিয়তে দুজনকৈ অতিমাত্ৰা পুষ্টিহীনতাত ভোগা শিশুক NRCৰে সহযোগত স্বাভাৱিক অৱস্থালৈ ঘূৰাই অনা হৈছে। ইয়াৰ উপৰি তিনিজনীকৈ অতি সংকট গৰ্ভৱতী মহিলাক আৰ্থিকভাৱে সহায় কৰি স্বাভাৱিকভাৱে প্ৰসৱ সম্ভৱ কৰা হয়।

**কিশোৰ-কিশোৰী সবলীকৰণ প্ৰকল্প, অসম :**

উক্ত প্ৰকল্পটো নেচনেল ফাউণ্ডেছন ফৰ ইণ্ডিয়াৰ অৰ্থ সাহায্যত নলবাৰী জিলাৰ অন্তৰ্গত পূব-নলবাৰী, বড়িগোগ বনভাগ আৰু বৰভাগ উন্নয়ন খণ্ডৰ অধীনস্থ মুঠ ২০খন গাঁওক লৈ ২০১৪ ইং চনৰ মাৰ্চ মাহৰ পৰা ২০১৭ ইং চনৰ ফেব্ৰুৱাৰী মাহলৈ ৰূপায়ণ কৰাৰ ব্যৱস্থা কৰা হৈছে।

নলবাৰী জিলাৰ বিশখন গাঁৱৰ ১০০০ (৭০০ ছোৱালী, ৩০০ ল'ৰা) কিশোৰ-কিশোৰীৰ মাজত তেওঁলোকৰ অধিকাৰসমূহ সুনিশ্চিত কৰি সুস্থ, সবল সমাজ এখনৰ জন্ম দিয়াই আছিল প্ৰকল্পৰ লক্ষ্য।

উক্ত লক্ষ্যক সন্মুখত ৰাখি কিশোৰ-কিশোৰীসকলৰ মাজত বাল্য বিবাহ, মাদক দ্ৰব্য তথা নিচাযুক্ত দ্ৰব্যৰ প্ৰচলন বন্ধ কৰি তেওঁলোকৰ সু-স্বাস্থ্য বজাই ৰাখিবলৈ বিগত ২০১৭ ইং বৰ্ষত প্ৰকল্পৰ জৰিয়তে

বাজেট অনুসৰি বিভিন্ন ধৰণৰ কাৰ্যসূচী ৰূপায়িত হৈছে।

প্ৰকল্প অন্তৰ্গত বড়িগোগ বনভাগ, বৰভাগ আৰু পুব-নলবাৰী ব্লকৰ অধীনত থকা চুবুৰীয়া গাঁওসমূহক একলগ কৰি একোটাকৈ মুঠ ৬টা কৈশোৰ জ্ঞানকেন্দ্ৰ স্থাপন কৰা হয়। উক্ত জ্ঞানকেন্দ্ৰসমূহত কিশোৰ-কিশোৰীসকলৰ শাৰিৰীক, মানসিক আৰু বৌদ্ধিক বিকাশৰ উদ্দেশ্যেৰে বিভিন্ন ধৰণৰ সজাগতা সভা, সাংস্কৃতিক অনুষ্ঠান, কুইজ, খেল-ধেমালী, কেৰিয়াৰ কাউন্সিলিং, কমিক্স, ৱাৰ্কচপ, বৃক্ষৰোপণ ইত্যাদি কাৰ্যসূচী অনুষ্ঠিত কৰা হয়। যাৰ জৰিয়তে তেওঁলোকৰ মাজত নেতৃত্ব দিব পৰা গুণসমূহ বিকাশ হোৱা যেন পৰিলক্ষিত হয়। কিয়নো ইয়াৰ পিচৰ পৰ্যায়ত তেওঁলোকে 'কিশোৰ-কিশোৰী কেন্দ্ৰীক প্ৰতিফলন কাৰ্যসূচী'ৰ মাধ্যমেৰে নিজ নিজ অঞ্চলৰ সমস্যাসমূহ নিৰ্ণয় কৰি বিভাগীয় চৰকাৰী কৰ্তৃপক্ষসমূহৰ ওচৰত আবেদন দাখিল কৰিব পৰাকৈ সবল হয়। উক্ত আবেদনসমূহৰ ভিতৰত বিশেষকৈ হিম'গ্লবিন তথা স্বাস্থ্য পৰীক্ষা কৰাৰ বাবে চিকিৎসক, লেবৰেটৰী টেকনিচিয়ানৰ অনুমতি বিচাৰি জিলা স্বাস্থ্য বিষয়ালৈ আবেদন কৰা, পানী যোগান আঁচনিৰ মেৰামতি কৰিবৰ বাবে জনস্বাস্থ্য আৰু কাৰিকৰী বিভাগ (P.H.E.) লৈ আবেদন জনোৱা ইত্যাদি। আনহাতে এনেধৰণে আবেদনসমূহ গ্ৰহণ কৰি কিছু কিছু ক্ষেত্ৰত চৰকাৰী বিভাগসমূহেও সহায়-সহযোগিতা কৰি আহিছে।

ইয়াৰ লগে লগে প্ৰকল্পৰ অন্তৰ্গত কৈশোৰ জ্ঞানকেন্দ্ৰসমূহত প্ৰদান কৰা নিদানমূলক পাঠদান কাৰ্যসূচীৰ জৰিয়তে গাঁওসমূহৰ নৱম, দশম, শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীসকলৰ মাজত আধাতে বিদ্যালয় ত্যাগ কৰাৰ প্ৰৱণতা কিছু পৰিমাণে হ্ৰাস পোৱাতো পৰিলক্ষিত হয় আৰু অঞ্চলসমূহত সুস্থ শৈক্ষিক পৰিৱেশ গঢ় লৈ উঠে। আনহাতে প্ৰকল্পৰ অন্তৰ্গত গাঁওসমূহত অনুষ্ঠিত কৰা ভ্ৰাম্যমাণ স্বাস্থ্য শিবিৰৰ জৰিয়তে বেছি ভাগ শিশু তথা অভিভাৱকে সু-স্বাস্থ্য বজাই ৰাখিবলৈ কৰা স্বাস্থ্য পৰীক্ষা, দিহা-পৰামৰ্শৰ জৰিয়তে সুফল লাভ কৰে। আকৌ উক্ত শিবিৰৰ জৰিয়তে চিনাক্ত হোৱা তিনিগৰাকী কিশোৰ-কিশোৰীক জটিল ৰোগৰ চিকিৎসা গ্ৰহণ কৰাৰ বাবে সাহয্য প্ৰদান কৰা হয়।

ইয়াৰ উপৰি প্ৰকল্পৰ অন্তৰ্গত বড়িগোগ বনভাগ ব্লকৰ অধীনত থকা গাঁওসমূহৰ কিশোৰীসকলক শাৰিৰীক, মানসিকভাৱে সবল কৰাৰ প্ৰচেষ্টাৰে জিলা কাবাদী খেল, হেণ্ডবল, সখো সম্ভাৰ সহযোগত বড়িদতৰা গাঁৱৰ বিষ্ণুৰাম মেধী হাইস্কুল খেলপথাৰত অনুষ্ঠিত হোৱা কাবাদী খেল প্ৰতিযোগিতাৰ জৰিয়তে ৭গৰাকী কিশোৰী জিলা কাবাদী খেল প্ৰতিযোগিতাসমূহত সু-ফল দেখুৱাবলৈ সমৰ্থ হয়। আনহাতে চত্ৰা গাঁৱৰ ৰিজুমণি বড়ো নামৰ সদস্যাগৰাকীয়ে কেৱল জিলা কাবাদী খেলতেই নহয় ৰাজ্যিক হেণ্ডবল দলৰ বাবে নিৰ্বাচিত হৈ বহিঃৰাজ্যত নিজৰ প্ৰতিভা প্ৰদৰ্শন কৰে।

উক্ত কাৰ্যসূচীসমূহৰ উপৰি মাহিলী অনুষ্ঠিত হৈ থকা স্বাস্থ্য, পৰিপুষ্টি, অনাময় বিষয়ক সজাগতা সভা, প্ৰচাৰ অভিযানৰ জৰিয়তে প্ৰকল্পৰ বাবে নিৰ্দ্ধাৰিত কৰা লক্ষ্য-উদ্দেশ্যসমূহ সফলভাৱে ৰূপায়িত কৰিবলৈ সক্ষম হয়।

**অৱদমিত শিশুসকলৰ মাজত শিক্ষাৰ প্ৰচাৰ আৰু প্ৰসাৰ ঃ**

একচন এইড এছোচিয়েচন অৰ্থ সাহায্যত আৰু 'গ্ৰাম্য বিকাশ মঞ্চ'ৰ সহযোগত অৱদমিত শিশুসকলৰ মাজত শিক্ষাৰ প্ৰচাৰ আৰু প্ৰসাৰ নামৰ এটি প্ৰকল্প নলবাৰী আৰু কামৰূপ জিলাৰ মুঠ চাৰিটা শিক্ষা খণ্ডত ৰূপায়ণ কৰা হয়। য'ত ১৯খন গাঁৱৰ ৩০খন স্কুলক সামৰি লোৱা হৈছে। উক্ত প্ৰকল্পৰ মূল লক্ষ্য হৈছে— শিক্ষাৰ অধিকাৰ আইন-২০০৯ৰ সম্পূৰ্ণভাৱে বলৱৎ কৰা আৰু প্ৰতিখন বিদ্যালয়কে আদৰ্শ বিদ্যালয় হিচাপে গঢ়ি তোলা। উক্ত প্ৰকল্পটিৰ অইন কিছুমান কাৰ্যাৱলী হৈছে— (ক) ছাত্ৰ-ছাত্ৰীক ভাট্টা প্ৰদান কৰা (খ) শিক্ষক-অভিভাৱকৰ সভা আহ্বান কৰা লগতে শিক্ষাৰ অধিকাৰ আইন-২০০৯ৰ বিষয়ে ৰাইজৰ মাজত অৱগত কৰা। (গ) শিশু মঞ্চ, যুৱ মঞ্চ আৰু মাতৃ গোট গঠন কৰি তেওঁলোকৰ দ্বাৰা সমাজত নেতৃত্ব দিব পৰা গুণসমূহৰ বিকাশ সাধন কৰা (ঘ) আমি আৰু আমাৰ সপোনৰ বিদ্যালয়ৰ কাৰ্যাৱলীৰ দ্বাৰা স্কুলৰ ভৱিষ্যৎ পৰিকল্পনা তথা ৰাইজ, ছাত্ৰ-ছাত্ৰী আৰু শিক্ষকৰ দ্বাৰা প্ৰস্তুত কৰা বিদ্যালয়ৰ পৰিকল্পনাসমূহৰ বিষয়ে বিভাগীয় কৰ্তৃপক্ষক অৱগত কৰোৱা।

ইতিমধ্যে এই প্ৰকল্পৰ জৰিয়তে প্ৰকল্পৰ অন্তৰ্গত বিদ্যালয়সমূহৰ শিক্ষকসকলৰ মাজত দুটা শিক্ষক সংঘ গঠন কৰা হয় আৰু শিক্ষকসকলক চাৰিটা টেকনিকেল পেডাগজিৰ ওপৰত প্ৰশিক্ষণ দিয়া হয়। আনহাতে, জিলা দুখনৰ মুঠ ১৯জনী দুখীয়া ছাত্ৰ-ছাত্ৰীক শিক্ষামূলক জলপানী আগবঢ়োৱা হৈছে আৰু ইয়াৰে বহুকেইজনে যোৱা বছৰ উন্নত ফলাফল লাভ কৰিবলৈ সক্ষম হৈছে।

**চাইল্ড লাইন সেৱা ১০৯৮ ঃ**

ভাৰত চৰকাৰৰ শিশু আৰু মহিলা উন্নয়ন মন্ত্ৰালয়ৰ অধীনত গ্ৰাম্য বিকাশ মঞ্চই যোৱা ১ মাৰ্চৰ পৰা কামৰূপ (গ্ৰাম্য) জিলাৰ ৰঙিয়া আৰু নলবাৰী জিলাত ১০৯৮ চাইল্ড লাইন সেৱা আগবঢ়োৱা হয়। এই সেৱাৰ জৰিয়তে শিশুসকলৰ সুৰক্ষাৰ অধিকাৰ সুনিশ্চিত কৰা, অপৰাধমূলক কামত জড়িত শিশুসকলক উদ্ধাৰ কৰি শিশু কল্যাণ কেন্দ্ৰ তথা শিশুগৃহলৈ প্ৰেৰণ কৰা আৰু পুনৰ স্বাভাৱিক অৱস্থালৈ ঘূৰাই অনা ইত্যাদি কাৰ্যসূচী এই সেৱাৰ জৰিয়তে কৰা হৈছে। ইতিমধ্যে এই প্ৰকল্পযোগে নলবাৰী জিলাৰ ১০৩ গৰাকী শিশুক আৰু ৰঙিয়া মহাকুমাৰ ১০২ গৰাকী শিশু তথা কিশোৰ-কিশোৰীক সফলতাৰে উদ্ধাৰ কাৰ্য সমাপন কৰিছে। সম্প্ৰতি উক্ত কাৰ্যসূচীৰ সফল সমাপ্তি ঘটোৱা হয়।

**ইণ্টাৰনেট সংগী প্ৰকল্প ঃ**

গ্ৰাম্য বিকাশ মঞ্চই যোৱা ১ মাৰ্চ, ২০১৬ ইং চনত গুগল আৰু টাটা ট্ৰাষ্টৰ সহযোগত নলবাৰী, কামৰূপ (গ্ৰাম্য), বাক্সা আৰু বৰপেটা জিলাক সামৰি ১৬০ গৰাকী মহিলাক ইণ্টাৰনেট সংগী হিচাপে নিয়োজিত কৰিছিল। এই প্ৰকল্পৰ জৰিয়তে গ্ৰামাঞ্চলত ইণ্টাৰনেট সেৱা উপলব্ধ কৰাৰ লগতে ইণ্টাৰনেটৰ জৰিয়তে গ্ৰামাঞ্চলৰ লোকসকলক সবলীকৰণৰ ব্যৱস্থা গ্ৰহণ কৰিছে। এই প্ৰকল্পৰ অধীনত প্ৰতিগৰাকী ইণ্টাৰনেট সংগীক একোখনকৈ চাইকেল, দুটা ইণ্টাৰনেট সংযুক্ত মোবাইল আৰু এটি টেবলেটৰ যোগান ধৰা হৈছে। ইতিমধ্যে এই প্ৰকল্পৰ জৰিয়তে ১,১০,০০০ (এক লাখ দহ হাজাৰ) গৰাকী মহিলাক সামৰি ইণ্টাৰনেটৰ ব্যৱহাৰিক দিশৰ ক্ষেত্ৰত উল্লেখনীয় পদক্ষেপ গ্ৰহণ কৰিছে। উক্ত প্ৰকল্পৰ সফল সমাপ্তিৰ পিছত গ্ৰাম্য বিকাশ মঞ্চই গুগল আৰু টাটা ট্ৰাষ্টৰ সহযোগত অসমৰ ১১ জিলালৈ সম্প্ৰাসাৰিত কৰে। উক্ত জিলাসমূহ হ'ল— নলবাৰী, কামৰূপ (গ্ৰাম্য), বাক্সা, বৰপেটা, কোকৰাঝাৰ, চিৰাং, নগাঁও, মৰিগাঁও, যোৰহাট, শোণিতপুৰ আৰু দৰং। উক্ত জিলাসমূহৰ পৰা সৰ্বমুঠ ৭৪০ গৰাকী গ্ৰামাঞ্চলৰ মহিলাক নতুনকৈ ইণ্টাৰনেট সংগী হিচাপে বাচনি কৰি প্ৰশিক্ষণৰ ব্যৱস্থা কৰা হৈছে। প্ৰতিগৰাকী

ইণ্টাৰনেট সংগীক প্ৰকল্পৰ জৰিয়তে ২টাকৈ স্মাৰ্ট ফোন, ৪জি সংযুক্ত ছিমকাৰ্ড, বেগ, ছাতি ইত্যাদি সামগ্ৰী প্ৰদান কৰা হৈছে। ইতিমধ্যে সংগীসকলে উপৰোক্ত জিলাসমূহত প্ৰায় দুই লাখ গ্ৰামাঞ্চলৰ মহিলাক ডিজিটেল শিক্ষাৰ জ্ঞান প্ৰদান কৰিছে। আগন্তুক দিনত এই প্ৰকল্পৰ জৰিয়তে প্ৰায় ৪,৫০,০০০.০০ হাজাৰ (চাৰি লাখ পঞ্চাশ হাজাৰ) মহিলাক সামৰি লোৱাৰ লক্ষ্য বান্ধি লোৱা হৈছে।

**আৰ্ছেনিক মুক্ত খোৱা পানী যোগানৰ এক পদ্ধতিগত পদক্ষেপ ঃ**

গ্ৰাম্য বিকাশ মঞ্চই টাটা ওৱাটাৰ মিছন আৰু ড্ৰিংকৰেলৰ সহযোগত আৰ্ছেনিক মুক্ত খোৱা পানী যোগানৰ এক পদ্ধতিগত ব্যৱস্থা স্থাপন কৰিছে। উক্ত প্ৰকল্পটো বড়িগোগ বনভাগ উন্নয়ন খণ্ডৰ অন্তৰ্গত বড়িগাঁওত স্থাপন কৰা হয়। ইয়াৰ জৰিয়তে কেবাখনো গাঁৱৰ প্ৰায় ৩৫০ পৰিয়ালক আৰ্ছেনিক, ফ্লৰাই'ড আৰু আইৰণ মুক্ত বিশুদ্ধ খোৱা পানী যোগান ধৰি আহিছে। গ্ৰাম্য বিকাশ মঞ্চই অনাগত দিনবোৰত এনেকুৱা ধৰণৰ প্ৰকল্প ৰূপায়ণৰ পদক্ষেপ লোৱাৰ পৰিকল্পনা গ্ৰহণ কৰিছে।

**সামূহিক অধিকাৰ মূলক কাৰ্যসূচী ঃ**

একচন এইড এচোচিয়েচনৰ অৰ্থ সাহায্যত গ্ৰাম্য বিকাশ মঞ্চৰ উদ্যোগত নলবাৰী আৰু বাক্সা জিলাৰ মুঠ ২৫ খন (নলবাৰী-৯ খন আৰু বাক্সা ১৬ খন) গাঁৱত ৩ বছৰৰ পৰা ৮ বছৰলৈকে কন্যা শিশুসকলৰ যাতে শাৰিৰীক মানসিক আৰু বৌদ্ধিকভাৱে সুস্থ সবল হয় লগতে গুণগত শিক্ষাৰে শিক্ষিত হয় তাৰ বাবে ৭০০ কন্যা শিশুৰ লগত অহা পাঁচ বছৰৰ বিভিন্ন কাৰ্যসূচী ৰূপায়ণৰ বাবে প্ৰাৰম্ভিক প্ৰকল্পৰ আৰম্ভণি কৰা হয়। এই প্ৰকল্পটো অংশ হিচাপে দুয়োখন জিলাৰে মুঠ ২৫ খন গাঁওত ৰাজহুৱা সভা অনুষ্ঠিত কৰি অভিভাৱক-অভিভাৱিকাসকলক লগ ধৰি নিৰ্দ্ধাৰিত বয়সৰ ভিতৰৰ কন্যা শিশুসকলৰ বিৱৰণ সংগ্ৰহ কৰাৰ উপৰিও তেওঁলোকৰ মাজত বিভিন্ন কাৰ্যসূচীৰ মাজেৰে শিশু বাৰ্তা সংগ্ৰহ কৰা হয়। উল্লেখ্য যে নিৰ্দ্ধাৰিত সময় সীমাৰ ভিতৰত ৭০০ কন্যা শিশুৰ লগত সম্পৰ্ক স্থাপন কৰা হয়। ইতিমধ্যে এই প্ৰকল্পৰ জৰিয়তে গাঁওসমূহত শিশুসকলৰ শৈক্ষিক তথা বৌদ্ধিক বিকাশৰ ওপৰত কিছু উল্লেখনীয় পদক্ষেপ গ্ৰহণ কৰা হৈছে। ইয়াৰ উপৰিও গাঁওসমূহত দুখীয়াসকলক সংগঠিত কৰি তেওঁলোকৰ ভূমিৰ অধিকাৰ, চৰাকাৰী আঁচনিসমূহৰ সঠিক ৰূপায়ণ, মহিলা আৰু শিশু অধিকাৰ সুৰক্ষা ইত্যাদি বিষয়ত সজাগতামূলক কাৰ্যসূচী হাতত লোৱা হৈছে।

**ছাঁ ঃ বিশেষ সন্তান তুলি লোৱা সংস্থা ঃ** প্ৰতিটো অনাথ, অৱহেলিত, হেৰুৱা শিশুক এটি পৰিয়ালৰ অনুভৱ দিয়া আৰু সন্তানহীনা দম্পতীক পৰিয়াল সম্পূৰ্ণ কৰাৰ উদ্দেশ্যে এটি শিশু প্ৰদান কৰা প্ৰক্ৰিয়াটো সুচাৰুৰূপে আৰু সম্পূৰ্ণ আইনগতভাৱে কৰিবলৈ গ্ৰাম্য বিকাশ মঞ্চই বিশেষ দত্তক গ্ৰহণ সংস্থা (Specialised Adoption Agency) চমুকৈ SAA হিচাপে যোৱা ১ এপ্ৰিল, ২০১৭ ইং চনৰ পৰা কাৰ্য আৰম্ভ কৰে। শিশু অধিকাৰ আৰু সুৰক্ষা প্ৰদানৰ অৰ্থে মহিলা আৰু শিশু উন্নয়ন মন্ত্ৰালয়ৰ দ্বাৰা পৰিচালিত ই এটা প্ৰকল্প। শিশু সৰবৰাহ, বে-আইনীভাৱে শিশু কিনা-বেচা বন্ধ কৰা, শিশু অধিকাৰ খৰ্ব নোহোৱাকৈ সম্পূৰ্ণ নীতিগতভাৱে সন্তান তুলি লোৱা ব্যৱস্থাটোৱে হৈছে এই প্ৰকল্পটোৰ মূল উদ্দেশ্য।

যোৱা ২০১৭ ইং চনৰ এপ্ৰিল মাহৰ পৰা এই কাৰ্যসূচীৰ বিষয়ে জনোৱাৰ উদ্দেশ্যে বিভিন্ন ঠাই আৰু হাস্পাতালসমূহত সজাগতা সভা অনুষ্ঠিত কৰা হয় যাতে এই প্ৰক্ৰিয়াৰ কথা ৰাইজে জানে আৰু নীতিগতভাৱে সন্তান তুলি লোৱা বা নীতিগতভাৱে গ্ৰহণ কৰিবলৈ আগবাঢ়ে।

বৰ্তমানলৈ গ্ৰাম্য বিকাশ মঞ্চই বে-আইনীভাৱে পৰিয়ালে গ্ৰহণ কৰা দুটি শিশু উদ্ধাৰ কৰে। তাৰে এটি জন্মগতভাৱে পৰিয়ালক চমজাই দিয়ে আৰু এটি শিশু বৰ্তমান গ্ৰাম্য বিকাশ মঞ্চৰ তত্বাৱধানত ৰখা হৈছে।

**মহিলা কৃষক সৱলীকৰণ পৰিযোজনা ঃ**

কৃষি কাৰ্যত মহিলা সৱলীকৰণ আৰু ইয়াত পদ্ধতিগত বিনিয়োগৰ জৰিয়তে তেওঁলোকক কৃষি কাৰ্যত অধিক জড়িত কৰি উৎপাদনমূলক কাম-কাজ বৃদ্ধি কৰাৰ লক্ষ্যৰে অসমৰ সাতখন জিলাৰ মুঠ ১৪,০০০ মহিলা কৃষকক সামৰি ভাৰত চৰকাৰৰ গ্ৰামীণ বিকাশ মন্ত্ৰনালয় আৰু ছাৰ ডোৰাবজী টাটা ট্ৰাষ্টৰ অৰ্থ সাহায্যত গ্ৰাম্য বিকাশ মঞ্চই মহিলা কৃষক সৱলীকৰণ পৰিযোজনা নামৰ প্ৰকল্পটো যোৱা ২৮ ফেব্ৰুৱাৰী, ২০১৮ ইং চনত সফলভাৱে ৰূপায়ণ কৰা হয়। "পূৰ্বোত্তৰ বিকাশৰ এক যৌথ মঞ্চ" চমুকৈ এন.ডি.চি.ৰ জৰিয়তে অসম ৰাজ্যিক জীৱিকা অভিযানৰ সহযোগত নলবাৰী আৰু বাক্সা জিলাৰ ক্ৰমে- পূব-নলবাৰী, বড়িগোগ বনভাগ, তামুলপুৰ আৰু বাক্সা উন্নয়নখণ্ডৰ ১০খনকৈ মুঠ ৪০খন গাঁৱক সামৰি এই প্ৰকল্প ৰূপায়ণ কৰি বিশেষ সফলতা লাভ কৰে।

উক্ত প্ৰকল্পৰ জৰিয়তে দুয়োখন জিলাত প্ৰায় ৪০টা গ্ৰাম্য সংগঠনৰ লগতে ৪টা উন্নয়নখণ্ড ভিত্তিক সংস্থা গঠন কৰি ইয়াৰ জৰিয়তে দৰিদ্ৰ মহিলাসকলক সংগঠিত কৰা হৈছে। ইতিমধ্যে এই প্ৰকল্পৰ জৰিয়তে মীন পালন, পশু পালন, উদ্যান শস্য, পুলিবাৰী বা নাৰ্চাৰী, ৰবিশস্য, ধান খেতি, কেঁচুসাৰ উৎপাদন, খেতিপথাৰত ব্যৱহাৰ কৰাৰ বাবে নিৰণি যন্ত্ৰ, কৃষিৰ ক্ষেত্ৰত কষ্ট লাভক সামগ্ৰী যোগান আঁচনিৰ বাবে পুঁজিৰ সাহয্য প্ৰদান কৰা হৈছে। এই আঁচনিসমূহ পদ্ধতিগতভাৱে ৰূপায়ণ কৰাৰ বাবে প্ৰকল্পৰ অধীনত মহিলাসকলৰ বিভিন্ন প্ৰশিক্ষণ, শিক্ষামূলক ভ্ৰমণ আদিৰ জৰিয়তে ব্যৱহাৰিক দিশত সহায়ৰ হাত আগবঢ়োৱা হৈছে।

**২০১১ ইং চনৰ পৰা ২০১৬ চনলৈ বান্ধি দিয়া লক্ষ্য সমূহৰ সামগ্ৰিক খতিয়ান**

১. গ্ৰাম্য বিকাশ মঞ্চই যোৱা ৩টা বৰ্ষত জিলা তিনিখনৰ প্ৰায় ২০ হাজাৰ উপান্ত খেতিয়কৰ সুনিশ্চিত জীৱিকাৰ জৰিয়তে তেওঁলোকৰ আয় বৃদ্ধি কৰাৰ লগতে আত্মনিৰ্ভৰশীল কৰি তুলিছে।

২. যোৱা তিনিটা বৰ্ষত বিভিন্ন কাৰ্যসূচীৰ জৰিয়তে সামাজিক ন্যায় তথা আৰ্থ-সামাজিক সুৰক্ষা প্ৰদান কৰাৰ ক্ষেত্ৰত গ্ৰাম্য বিকাশ মঞ্চই প্ৰায় ৫ হাজাৰ দুখীয়া লোকক সেৱা আগবঢ়ায়।

৩. গ্ৰাম্য বিকাশ মঞ্চই ৰূপায়ণ কৰা দুৰ্যোগ ব্যৱস্থাপনা বিষয়ক বিভিন্ন কাৰ্যসূচীৰ জৰিয়তে প্ৰায় ২৫ হাজাৰ মানুহৰ সচেতনতা বৃদ্ধি কৰিছে আৰু আৰ্থ-সামাজিক ক্ষয়-ক্ষতিৰ পৰিমাণ হ্ৰাস কৰাৰ ক্ষেত্ৰত পদক্ষেপ গ্ৰহণ কৰিছে।

৪. গ্ৰাম্য বিকাশ মঞ্চই যোৱা বৰ্ষকেইটাত কেইবাটাও উল্লেখনীয় পদক্ষেপৰ জৰিয়তে প্ৰায় ৩০ হাজাৰ শিশু আৰু মহিলাসকলৰ সৱলীকৰণ নিশ্চিত কৰি তুলিছে।

গ্ৰাম্য বিকাশ মঞ্চই উপৰোক্ত কাৰ্যসূচীসমূহ ৰূপায়ণ কৰাৰ উপৰিও যোৱা বৰ্ষটোত কেইটামান উল্লেখনীয় পদক্ষেপ গ্ৰহণ কৰে—

**ইয়াৰে প্ৰথমটো হ'ল**— আঞ্চলিক দন্ত চিকিৎসা মহাবিদ্যালয়ৰ কনিষ্ঠ চিকিৎসক সন্থাৰ সৌজন্যত আৰু গ্ৰাম্য বিকাশ মঞ্চৰ সহযোগত নলবাৰী জিলাৰ বৰবৰীত এটি বিনামূলীয়া দন্ত চিকিৎসা শিবিৰ অনুষ্ঠিত হৈ যায়। স্বেচ্ছাসেৱী অনুষ্ঠান গ্ৰাম্য বিকাশ মঞ্চৰ বৰবৰীস্থিত কাৰ্যালয় চৌহদত অনুষ্ঠিত উক্ত বিনামূলীয়া শিবিৰটোত অসম চিকিৎসা সন্থাৰ উপ-সভাপতি তথা গ্ৰাম্য বিকাশ মঞ্চৰ মুখ্য উপদেষ্টা ডাঃ সুৰেন্দ্ৰ মজুমদাৰ, নলবাৰী মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত মুৰব্বী অধ্যাপক টিকেন দাস, গ্ৰাম্য বিকাশ মঞ্চৰ সঞ্চালক পৃথ্বিভূষণ ডেকা, সভাপতি কমলেশ্বৰ ভূএগ, সম্পাদক দিবাকৰ ডেকা উপস্থিত থাকে। উক্ত শিবিৰত মহাবিদ্যালয়খনৰ ১০গৰাকী কনিষ্ঠ চিকিৎসকে অংশগ্ৰহণ কৰি অঞ্চলটোৰ শিশু, মহিলা আৰু বৃদ্ধকে ধৰি প্ৰায় দুই শতাধিক লোকক বিনামূলীয়া চিকিৎসা সেৱা প্ৰদান কৰে। আনহাতে শিবিৰটো আৰম্ভণি অনুষ্ঠানত বিশিষ্ট চিকিৎসকসকলে ধূমপান সেৱনৰ অপকাৰিতাৰ ওপৰতো সজাগতামূলক বক্তব্য প্ৰদান কৰে।

